লো: দে:
মোৰ নিজৰ

দ্য আসাম ডেলিগেচন টু দ্য জইন্ট পাৰ্লিয়ামেণ্টৰী কমিটী

প্ৰিজাইডেড বাই লৰ্ড ছেলব'ৰ্ণ

১৯১৯

এন আন ৰেকৰ্ডেড চেপ্টাৰ
ইন দ্য ইভলিউচন অব্ আসাম পলিটিকেল
(দ্য মিছিং লিংক)

মূল ঃ প্ৰসন্ন কুমাৰ বৰুৱা
অনুবাদ ঃ লোকেশ্বৰী দেৱী

দ্য আমাস ডেলিগেচন

টু

দ্য জইন্ট পাৰ্লিয়ামেন্টৰী কমিটী

প্ৰজাইডেড বাই লৰ্ড ছেলবৰ্ণ

১৯১৯

এন আনৰেকৰ্ডেড চেপ্টাৰ ইন ডি ইভলিউচন অব

আসাম

(দ্য মিচিং লিঙ্ক)

বাই

প্ৰসন্ন কুমাৰ বৰুৱা

(ওৱান অব দ্য টুমেন ডেলিগেট)

১৯১৯ চনতে লৰ্ড ছেলবৰ্ণৰ অধ্যক্ষতা কৰা

জইন্ট পাৰ্লিয়ামেন্টৰি কমিটীলৈ অসমৰ পৰা পঠোৱা

প্ৰতিনিধিৰ টোকা।

ছেলবৰ্ণ কমিটীলৈ প্ৰেৰিত প্ৰতিনিধিৰ টোকা

অসমৰ ৰাজনৈতিক বিৱৰ্তনৰ বুৰঞ্জীত অলিখিত অধ্যায়

যিটো অধ্যায়ৰ সম্পৰ্ক হেৰাই আছিল তাকে

প্ৰত্যক্ষভাৱে জড়িত এজন প্ৰতিনিধিৰ

দ্বাৰা গ্ৰন্থাকাৰে প্ৰস্তুত কৰা

হৈছে।

"দ্য আসাম ডেলিগেচন টু দ্য জইন্ট পাৰ্লিয়ামেন্টৰী কমিটী প্ৰজাইডেড বাই লৰ্ড ছেলবৰ্ণ ১৯১৯" খন অসমৰ প্ৰাক-স্বাধীনতাৰ দিনৰ পৰা স্বাধীনোত্তৰ দিনবোৰৰ সামাজিক, ৰাজনৈতিক সংস্কাৰৰ অলিখিত অধ্যায়। এইখন সৰল ইংৰাজীত লিখা বাবে পঢ়িবলৈ বৰ সুখপাঠ্য। এই পুথিখনে বুৰঞ্জী আৰু ৰাজনৈতিক বিজ্ঞানৰ ছাত্ৰৰ বাবে যথেষ্ট সহায়ক হ'ব আৰু যিবিলাক পাঠকে অসমৰ তথা ভাৰতৰ সেই সময়ৰ সামাজিক-ৰাজনৈতিক আৰু সাংস্কৃতিক বিষয় অধ্যয়ন কৰিবলৈ ইচ্ছা কৰে সেই সকলৰ বাবে বেচ আমোদদায়ক হ'ব।

প্ৰকাশক : প্ৰসন্ন কুমাৰ বৰুৱা, ডিব্ৰুগড়

পুনৰ প্ৰকাশক : শ্ৰীমতী বিৰিণা বৰুৱা ৰৰ্কশ্বপ ন্‌চচ ইংলেণ্ড

প্ৰথম প্ৰকাশ : ১৯৫৫

পুনৰ প্ৰকাশ : ২০১৭

পুনৰ মুদ্ৰন : চন্দন বৰুৱাৰ দ্বাৰা

শব্দ শুদ্ধতা পৰীক্ষক চন্দন বৰুৱা

অসমীয়া অনুবাদ : মাৰ্চ, ২০১৯

মূল্য : ১০০/-

মুদ্ৰণ : ক্ৰি-এক্টিভ, চানমাৰি, গুৱাহাটী, ৮৬৩৮০২৪১২৮

প্ৰসন্ন কুমাৰ বৰুৱা আৰু নবীন চন্দ্ৰ বৰদলৈ

(মোৰ দেশবাসীৰ বাবে উছৰ্গা কৰিলো)

গুণনিৰ্ণয়

মই ১৯৫০ চনৰ ২৫ আগষ্টৰ পুৱা ডিব্ৰুগড়ৰ প্ৰসন্ন কুমাৰ বৰুৱাক লগ পাই এফালে যিদৰে স্বাগতম জনালো আনহাতে তেখেতক পাই আচৰিত আৰু আনন্দিত হলো। মই ভাবিছিলো তেখেতে মোৰ লগত কিবা আলোচনা কৰিব বুলি। তেখেতে মোৰ হাতত এখন সৰু পুস্তক তুলি দিলে। সেইখন হৈছে ১৯১৯ চনৰ ছেলবৰ্ণ কমিটীলৈ পঠোৱা অসমৰ দুজনীয়া প্ৰতিনিধিৰ টোকা যিটো তেখেতে কিতাপ আকাৰে লিখিছে অতীতৰ গৰ্ভত গোপনে সোমাই থকা অসমৰ ৰাজনৈতিক বুৰঞ্জীৰ অলিখিত কাহিনী। ১৯৫৫ চনৰ স্বাধীনতা আন্দোলনৰ প্ৰচণ্ড অগ্নি জ্বলি উঠাৰ সময়ত এই অধ্যায়টোৱে শিহৰণ জগাবলৈ সুবিধা নাপালে যদিও বৰ্তমান সময়ত মনোযোগী পাঠকে সেই শিহৰণ উপভোগ কৰিব পাৰিব। লগতে এই প্ৰজন্মই এই গুপ্ত হৈ থকা অমূল্য নিধিটো পুনৰ নবীকৰণ কৰি আগবঢ়োৱাত কিযে ৰূপ ল'লেহেঁতেন যদিহে প্ৰতিনিধিয়ে সেই সময়ত এনে প্ৰতিদ্বন্দিতা আগ নবঢ়ালেহেঁতেন। মই বৰুৱাৰ এই কামৰ বাবে ধন্যবাদ জনাইছো আৰু আশা ৰাখিছো তেখেতে দেশৰ প্ৰয়োজন সাধনৰ বাবে আৰু বহুতো বহুমূলীয়া গ্ৰন্থেৰে আমাক কৃতাৰ্থ কৰিব।

প্ৰশস্তি

১৯৫৫ চনৰ ২৫ আগষ্ট তাৰিখে পুৰা মই ডিব্ৰুগড়ৰ প্ৰসন্ন কুমাৰ বৰুৱাক লগ পাই আচৰিত হোৱাৰ লগতে মই সুখীও হ'লো। মই ভাবিছিলো তেখেতে মোৰ লগত কিবা এটা বিষয়ে আলোচনা কৰিব কিন্তু তেখেতে ১৯১৯ চনৰ লৰ্ড ছেলবৰ্ণ কমিটীলৈ প্ৰতিনিধিৰূপে (ইংলেণ্ডলৈ) যোৱা বিষয়ে বৰ্ণনা কৰি এখন গ্ৰন্থ মোৰ হাতত তুলি দিলে যিখন পাহৰণিৰ গৰ্ভত বিলুপ্ত হোৱা এটি অতি আৱশ্যকীয় ৰাজনৈতিক বুঞ্জীৰ সমল, বুলিব লাগিব। ১৯৫৫ চনৰ স্বাধীনতাৰ ধামখুমিয়াৰ আগতে ইয়াৰ মূল্য উপলব্ধি কৰিব নোৱাৰিলেও যিসকলে উপলব্ধি কৰিবলৈ চেষ্টা কৰে সেইসকলৰ বাবে ইয়াৰ মূল্য সদা স্মৰণীয়। তদুপৰি পাঠক-পাঠিকাই বৰুৱাই যে তেওঁৰ স্মৃতিৰ পৰা নিৰ্গত কৰি এই অমূল্য ৰত্ন ভাণ্ডাৰটি ছপা ৰূপত পৰিৱেশন কৰা বাবে নিশ্চয় তেওঁক ধন্যবাদ জনাব। এইটো সত্য যে নিষ্ঠুৰ নিৰ্দয় শাসকৰ বিপক্ষে গৈ তেখেতসকলে এনে এটা পদক্ষেপ নোলোৱা হ'লে এই ৰাজ্যখনৰ কি দশা হ'লহেঁতেন কোনেও ক'ব নোৱাৰে। বৰুৱাদেৱে তেওঁৰ এনে আকৰ্ষণীয় ধৰণেৰে লিখা এই পুস্তিকাখনিৰ উপৰি কিছু লিখনি এই ৰাজ্যলৈ উপহাৰ দি আমাক সুখী কৰিব বুলি আশা ৰাখি কৃতজ্ঞতা জ্ঞাপন কৰিলো।

পি কে গোস্বামী
ছিনিয়ৰ এডভোকেট
ডিব্ৰুগড়
ছেপ্টেম্বৰ ৯/১৯৫৫

অসমৰ ৰাজনৈতিক পুনৰুত্থানৰ ক্ষেত্ৰত এই পুথিখনৰ গুৰুত্বৰ কথা ভাবিয়ে মই কথাখিনি পুস্তক আকাৰে লিখাৰ বাবে অসমৰ জনগণৰ ওচৰত ক্ষমাই বুলিয়ে নিচিন্ত আছো। ইতিপূৰ্বে ক'তো লিখিত নোহোৱা বাবে পাহৰণিৰ লগত এই পুথিখনেই সংযোগ ঘটাব। বস্তুতেই কয় অসমৰ ছেলবৰ্ণ কমিটীলৈ পঠোৱা প্ৰতিনিধিয়ে লৰ্ড ছেলবৰ্ণ আৰু লৰ্ড ছেমছফৰ্ড আৰু মিষ্টাৰ মণ্টেগ'ৰ আগত দৰ্শোৱা এই যুক্তিতৰ্কৰ বিষয় আছিল কাৰণ ইয়াত মণ্টেগ' সংস্কাৰৰ বিষয়ে বিৰোধিতাৰ মত প্ৰদৰ্শন কৰা হৈছিল। প্ৰতিনিধি দুজন হৈছিল স্বৰ্গীয় কৰ্মবীৰ আৰু লিখক। তেওঁলোকক দায়িত্ব সাধনৰ বিষয়ে সভাই-সমিতিয়ে প্ৰশংসা কৰা হৈছিল। মই এই কথাও ব্যক্ত কৰিবই লাগিব যদিহে বন্ধুবৰ তেজপুৰ নিবাসী মহাদেৱ শৰ্মাই (যিজনক ৰাজ্য চৰকাৰে অসমৰ স্বাধীনতা আন্দোলনৰ বিষয়ে এখন বুৰঞ্জী প্ৰণয়নৰ দায়িত্ব অৰ্পণ কৰিছিল)। মাৰ্চ মাহৰ প্ৰথমাৰ্ধতে আহি মণ্টেগ' ছেমছফৰ্ড ৰিফৰ্মৰ বিষয়ে লণ্ডনত ১৯১৯ চনত বহা ছেলবৰ্ণ কমিটীত প্ৰতিনিধি দুজনে পালন কৰা দায়িত্ব আৰু সফলতাৰ খতিয়ান লিখিবলৈ মোক জোৰ দি নধৰিলেহেঁতেন। তেখেতে লগতে স্বাধীনতা আন্দোলনত দেশবাসীৰ আৰু মোৰো সহযোগিতাৰ বিষয়ে বহলাই লিখিবলৈ অনুৰোধ কৰিছিল। যদিও মোৰ স্বাস্থ্যৰ অৱস্থা একেবাৰেই ভাল নাছিল তথাপি মই তেখেতৰ অনুৰোধ পেলাব নোৱাৰিলো আৰু সাতদিনৰ ভিতৰতে কিতাপখনৰ প্ৰথম খণ্ড লিখি উলিয়ালো। এই প্ৰথম খণ্ডটোত মোৰ স্মৃতিত যিখিনি বিচাৰি পালো তাকেই লিখিলো। সম্পূৰ্ণ কিতাপখন লিখি উলিওৱাৰ লগে লগেই এইখন শৰ্মাক দিলো। এইখন মই এই ১৯৫৫ চনৰ ছেপ্টেম্বৰ মাহৰ প্ৰথম সপ্তাহতে দিলো। এই পিছৰ অংশটো আকৌ পাঠকে আমাৰ দেশৰ ৰাজনৈতিক ক্ৰমোন্নতিৰ বিষয়ে বুজিবলৈ সহজ হ'ব বুলি ভাবিয়ে আগৰ খণ্ডৰ লগত লগ লগাই দিলো। মই শ্ৰীমহাদেৱ শৰ্মাই জনোৱা আহ্বানলৈ সহাঁৰি জনায়ে যে এই কথাখিনি লিখি নুলিওৱা হ'লে এই বৰ্ণনাটোৱে পোহৰৰ মুখ নেদেখিলেহেঁতেন। তদুপৰি হেৰুৱা কাহিনী ভাগৰ বুৰঞ্জীৰ লগত সংযোগ স্থাপিত নহ'লহেতেঁন।

ডিব্ৰুগড়
১ আগষ্ট /৫৫
লেখক

আগকথা

এই ১০০ পৃষ্ঠাৰ অকনমান পুস্তিকাখনিয়ে ১৯১৯ (১৯৯১ লিখিছে) চনত লণ্ডনত বহা ছেলবৰ্ণ কমিছনত অসমৰ প্ৰতিনিধিৰ অভাৱনীয় ভূমিকাৰ বিষয়ে অতি সৰল ভাষাৰে বৰ্ণনা কৰিছে।এই প্ৰতিনিধি দুজনৰ এজন হৈছে স্বৰ্গীয় কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু তেখেতক সহায় আগবঢ়াবৰ বাবে আৰু এজনৰ প্ৰয়োজন হ'ল যিজন কেৱল বৌদ্ধিক গুনেৰেই সহায় আগবঢ়াব পাৰিব তেনে নহয় আৰ্থিক ভাবেও যাতে যাত্ৰাৰ খৰছ বহন কৰাই নহয় লণ্ডনত থকাৰ খৰছো বহন কৰি তেখেতক সহযোগিতা আগবঢ়াবলৈ সক্ষম হ'ব। বৰুৱাই ইয়াত সন্মত হ'ল।

এই প্ৰতিনিধি দুজন ১৯১৯ চনৰ জুনত লণ্ডনলৈ যাত্ৰা আৰম্ভ কৰি আগষ্টৰ শেষতহে তাত উপস্থিত হ'লগৈ। তেখেতসকল গৈ উপস্থিত হোৱাৰ পিছত তেখেতসকলৰ উপস্থিতিৰ বিষয়ে জানিবলৈ দিয়াত সেই দিনাখনেই তেখেতসকলৰ সাক্ষ্য আবেলি ৪.৩০ ত গ্ৰহন কৰা হ'ব বুলি উভতাই পঠালে। এই কথাই বহুতো সাহসী মানুহৰো হয়তু বুকুত কঁপনি তুলিলে হেতেঁন ; কিন্তু আমাৰ প্ৰতিনিধি দুজনে সম্পাদকৰ পৰা প্ৰয়োজনীয় কাগজপত্ৰ সংগ্ৰহ

কৰি অতি কম সময়ৰ ভিতৰতে সেই ভয়ানক অগ্নি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলালে। নিৰ্দিষ্ট দিনা তেখেতসকলৰ দুজনক সম্পাদকৰ পিছে পিছে ছেলবৰ্ণ কমিটীৰ সন্মুখত উপস্থিত কৰাবলৈ নিয়াটো বলিৰ পঠা দুটাহে যেন বলি উছৰ্গিবলৈ লৈ গৈছে তেনে অনুভৱ হৈছিল। ইয়াতো তেখেত সকল আন এটা অগ্নি পৰীক্ষাৰ সন্মুখীন হ'ব লগা গ'ল। ভাৰতৰ ষ্টেট ছেক্ৰেটেৰী মন্টেগ'য়ে তেখেত সকলক জনালে বোলে অসম এছ'চিয়েচনে পঠোৱা আবেদনখত ভুল ঠিকনা দিয়া বাবে পেলনীয়া কাগজৰ লগত পেলাই দিয়া হ'ল। আৰু যিহেতুকে সেই দিনাই শেষ দিন আছিল, গতিকে তেখেত সকলে সেই দিনাই মৌখিক সাক্ষ্য প্ৰদান কৰিব বুলি অথবা পিছৰ অক্টোবৰলৈকে অপেক্ষা কৰি নতুন আবেদন প্ৰস্তুত কৰি কমিছনত দিব লাগিব বুলি ক'লে। এয়া তেখেতসকলৰ বাবে বিনামেঘে ব্ৰজপাত সদৃশ হ'ল। তেখেতসকলৰ কিং কৰ্ত্তব্য বিমূঢ় হৈ মুখ শেতাপৰি বুকুত কঁপনি উঠিল; কিন্তু তেখেতসকলে চকুৱে-চকুৱেই দুইজনে ভাৱ বিনিময় কৰি সাহসেৰেই মুখেৰেই অলিখিত সাক্ষ্য প্ৰদান কৰিলে। প্ৰতিনিধি দুজনৰ মুখৰ সাহসিক অভিব্যক্তিয়ে কমিছনৰ ওপৰত দৃঢ় প্ৰভাৱ পেলোৱা দেখি তেখেত দুজনৰো সাহস বাঢ়ি আহিল। বৰদলৈ ডাঙৰীয়াই প্ৰায় ৪৫ মিনিট এনেদৰে দৃঢ়কণ্ঠে কবলৈ ধৰিলে যে সদস্যসকলে একাগ্ৰতাৰে শুনিবলৈ বাধ্য হ'ল আৰু তেখেতৰ বক্তব্যই অসমৰ প্ৰতি থকা পূৰ্বৰ ধাৰণাও সলনি কৰিলে। তাৰ পিছত লৰ্ড ইচ্‌লিংটনৰ প্ৰশ্নৰ উত্তৰত আমাৰ লিখকে অসমৰ শিক্ষাৰ কেনে উন্নতি হৈছে তাৰ এটা ধাৰণা দিলে। কমিছন শেষ হলত আমাৰ লিখকে পৰীৰ দৰে উৰি বা দৌৰি ফুৰিবলৈহে যেন মুক্তি পালে। আমাৰ প্ৰতিনিধি নিৰ্বাচন ইমান শুদ্ধ হৈছিল যে ভাৰতৰ চৰকাৰে বিশেষকৈ অসমৰ চীফ কমিছনাৰ বিটচন বেলে অসমৰ প্ৰতি যিটো ধাৰণা দিছিল সেইটো তেখেতসকলে সাহসেৰে খণ্ডন কৰিব পাৰিলে।

অক্টোবৰ মাহত লিখিত আপিল এখন দিয়া কমাটো হাতত বৈ গ'ল। আমাৰ কৰ্মবীৰ বৰদলৈয়ে আনন্দেৰে হাততে পৰা নথি পত্ৰ লৈ সেই আবেদনখন লিখিবলৈ বহি ললে। লগতে তেখেতে আন আন ৰাজ্যৰ পৰা যোৱা তাত সমবেত হোৱা মহান ভাৰতীয় নেতা সকলৰ লগতো আলাপ আলোচনা কৰি দিহা-পৰামৰ্শ ললে। আমাৰ লিখকেও বৰদলৈদেৱক প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়ায়ে আজৰি পালেই পৰীৰ দৰে উৰি বা দৌৰি ফুৰাৰ ফাকে ফাকে বৃটিছ দ্বীপটোৰ ভিন ভিন ঠাইৰ মানুহৰ আচাৰ-আচৰন, ধৰণ-কৰণ আদিৰ অধ্যয়নো কৰিছিল। এই সকলো কথাই তেখেতে কৌলপূৰ্ণ আৰু অতি মনোগ্ৰাহী কৈ সুখপাঠ্য ৰূপে প্ৰস্তুত কৰিলে। এই বিলাক কৰি উঠি তেখেতে লণ্ডনলৈ উভতি আহি টোকাটো প্ৰস্তুত কৰি কমিছনত জমা দি কামৰ পৰা

মুক্তি পালে। অসমৰ ৰাইজে ন্যস্ত কৰা অতি দায়িত্ব গধুৰ কাম এটা সাহস আৰু যোগ্যতাৰে পালন কৰা বাবে প্ৰতিনিধি দুজন প্ৰশংসাৰ যোগ্য। লিখকে নিজৰ নামটো ৰাজনৈতিক আৰু ৰাজহুৱা কামৰ পৰা আঁতৰাই ৰখাটো এটা দুখজনক কথাহে। আমি অতি উইসাহেৰেই আশা ৰাখিছো তেখেতে পুনৰ দেশ সেৱকৰ নামৰ লগত তেখেতৰ নামটোও যুক্ত কৰিব। এই পুস্তিকাখন মোৰ বাবে বিশেষ ভাল লগা হৈছে এই কাৰণেই যে ইয়াৰ প্ৰায়বিলাক কথায়ে প্ৰতিনিধি দুজনৰ পৰা আগতেই শুনিছিলো। মোৰ অসমৰ লেজিছলেটিভ কাউন্সিলত দিয়া এটা ভাষনত এই প্ৰতিনিধিত্বৰ দায়িত্বটোৰ বিষয়ে উল্লেখ কৰিছিলো। এই পুথিখনে পঢ়িবলৈ আমোদদায়ক হৈছে কাৰণ এইখনৰ ৰচনাশৈলীটো বৰ চিত্তকৰ্ষক হৈছে। মোৰ দৃঢ় বিশ্বাস হৈছে এই পুস্তকে বহুতো পাঠকক আকৰ্ষিত কৰিব পাৰিব।

ডিব্ৰুগড়
১৮ ছেপ্টেম্বৰ/৫৫

ফৈজনুৰ আলী, এম্ এন্ এ
প্ৰাক্তন অধ্যক্ষ অসম
লেজিছলেটিভ কাউন্সিল আৰু প্ৰাক্তন
সদস্য অসমৰ পাব্লিক ছাৰ্ভিচ কমিছ্ন

লেখকৰ একাষাৰ

এই কেইখিলা পাতকে কিতাপ আকাৰে মই এই কাৰণেই ৰাইজৰ ওচৰত আগবঢ়াই দিছো যে এই বৰ্ণনাটোৰ অসমৰ ৰাজনৈতিক বিৱৰ্ত্তনত বৰ প্ৰয়োজনীয় ভূমিকা আছে। এই বৰ্ণনাটো ৰাজনৈতিক বুৰঞ্জীত প্ৰায় হেৰাই গৈছিল। কাৰণ এই টোকাটো লিখি ৰখা হোৱা নাছিল। সেয়ে আমাৰ দেশৰ ৰাজনৈতিক ক্ৰমবিকাশৰ ক্ষেত্ৰত ইয়াৰ স্থান হেৰাই গৈছিল। বহুতৰ মতে চেলবৰ্ন কমিটীলৈ যোৱা অসমৰ প্ৰতিনিধিয়ে কৰণীয়াখিনি সুন্দৰকৈ সমাপ্ত কৰিলে আৰু লৰ্ড চেমচফৰ্ড (Chelsmford) আৰু মিষ্টাৰ মন্টেগ'য়ে সূচনা কৰা বহু আকাঙ্খিত সংস্কাৰ (Muyadis mutandis) যিটো অসমৰ প্ৰজা আৰু শাসকদলৰ মাজত লাগি থকা খট্ বান্ধ তাৰ ওৰ পেলালে।

প্ৰতিনিধি আছিল দুজন কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু এই পুস্তিকাৰ লিখক মই নিজে আৰু আমাৰ ওপৰত ন্যস্ত দায়িত্বৰ ক্ষেত্ৰত আংশিকভাৱে আমি যিখিনি কৰিলো সেয়া অতি সফল হ'ল। যদিহে বুৰঞ্জী লিখাৰ দায়িত্ব প্ৰাপ্ত তেজপুৰীয়া মহাদেৱ শৰ্মাই মোক মাৰ্চ মাহৰ আগ-ভাগতে আহি ১৯১৯ চনত লণ্ডনত মন্টেগ' চেমচফ'ৰ্ড সংস্কাৰৰ ওপৰত বহা লৰ্ড চেলবৰ্ণ কমিটীৰ প্ৰতিনিধিৰ কাম-কাজ আৰু সফলতাৰ বিষয়ে লিখিবলৈ মোক প্ৰবল হেচা দি নধৰিলে হেতেঁন এই কথাখিনিয়ে প্ৰকাশৰ মুখ নেদেখিলেইহেতেঁন। তেখেতে মোক লগতে এই দেশৰ মানুহে স্বাধীনতা আন্দোলনত কৰা কামাৰ বিষয়েও বৰ্ণনাত্মক ভাৱে লিখিবলৈ কৈছিল। মোৰ স্বাস্থ্যৰ অৱস্থা বেয়া থকা সত্বেও মই শৰ্মাৰ প্ৰবল ইচ্ছাৰ ওচৰত হাৰ মানিবলৈ বাধ্য হলো আৰু মই এই বৰ্ণনাটোৰে প্ৰথমচোৱা মনত পেলাই পেলাইহে লিখিব লগা হ'ল আৰু উয়ে খোৱা এটুকুৰা ডায়েৰীৰ পৰা জুকিয়াই সাত দিনৰ ভিতৰতে লিখি উলিয়াই শৰ্মাৰ হাতত গতাব পাৰিলো। এই পিছৰ অংশৰ ক্ষেত্ৰত ক'ব লাগিব মই পূৰ্বস্মৃতি খিনিকে আগৰ অংশৰ পৰিপূৰক হিচাবে লিখাৰ বাবে এই কাৰণেই সিদ্ধান্ত ললো যাতে এই খিনিয়ে এখন কিতাপৰ আকাৰ লয় সেয়ে হলে পাঠকে আমাৰ দেশৰ ৰাজনৈতিক উত্থানৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব। মই শ্ৰী মহাদেৱ শৰ্মালৈ এই আখ্যানটো প্ৰস্তুত কৰাৰ হে গভীৰ শ্ৰদ্ধা এই কাৰণেই কৰিবলৈ বাধ্য হৈছো কাৰণ তেখেতৰ উৎসাহ আৰু অনুপ্ৰেৰণাৰ বাবেহে ৰাজনৈতিক সামঞ্জস্য হেৰুৱাই পেলোৱা এই অখ্যান মই লিখি উলিয়াবলৈ বাধ্য হ'লো।

ডিব্ৰুগড়
লেখক, ১ আগষ্ট/৫৫

অনুবাদিকাৰ একলম

লিখক স্বৰ্গীয় বৰুৱাৰ এই গ্ৰন্থখন অসমীয়া ভাষাৰ বাবেও এটা অমূল্য সম্পদস্বৰূপ হ'ব বুলি ভাবিয়ে মই সীমিত জ্ঞানেৰে অসমীয়ালৈ অনুবাদ কৰাৰ প্ৰয়াস কৰিলো। এই অনুবাদ কিছু বঢ়া-টুটা হ'লেও তেখেতৰ আৰু তেখেতৰ সহযোগী কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱৰ অতুলনীয় দেশ সেৱাৰ কৰ্মৰাজি তেখেতে দিয়াৰ পৰা এক আঙুলো ইফাল-সিফাল নকৰাকৈ অনুবাদ কৰিছো বুলি ভাবি মই নিজকে ধন্য মানিছো। তথাপি বিজ্ঞ পাঠকৰ চকুত যদি কিবা ভুল-ত্ৰুটি ধৰা পৰে নিজ গুণে শুধৰাই লৈ পাঠ কৰি মোক এই মৰসাহ কৰাৰ বাবে দয়াৰ চকুৰে চাই যেন এয়ে প্ৰাৰ্থনা। এই পুথিখন প্ৰথম লিখকে প্ৰকাশ কৰাৰ পিছত বিৰিণা বৰুৱাই এবাৰ পুনৰ ইংৰাজীতে প্ৰকাশ কৰি পাঠকক দান কৰিছে; কিন্তু অসমীয়া ভাষাত এই অভাগীয়ে প্ৰথমবাৰৰ বাবে অনুবাদ কৰি অসমীয়া ভাষালৈ এই দুৰ্মূল্য সম্পদটি থৈ যোৱাৰ হেঁপাহ দমাব নোৱাৰি এই কাম হাতত ল'লো।

মোৰ এই অনুবাদ শ্ৰদ্ধেয় ডাঃ প্ৰবীৰ কুমাৰ বৰদলৈদেৱে প্ৰকাশ কৰিম বুলি নিজে আগবাঢ়ি আহি মোক যি কৃতাৰ্থ কৰিলে তাৰবাবে মই তেখেতক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই কিতাপখনৰ ইংৰাজী কপি দি সহায় কৰা বাবে তেখেতলৈ আন্তৰিক ধন্যবাদ জনাই পাণ্ডুলিপিটো তেখেতৰ হাতত তুলি দিবলৈ যত্ন কৰিলো।

ইতি—

অনুবাদিকা

লোকেশ্বৰ দেৱী

যোৰহাট

প্ৰকাশকৰ এষাৰি

মণ্টেগ' চেমছফৰ্ড শাসন সংস্কাৰত বৃটিছে অসমক মাহী আইৰ দৃষ্টিৰে চাই তালিকাভুক্ত কৰা নাছিল। অসমক একেবাৰে তৃতীয় শাৰীৰ প্ৰদেশত অন্তৰ্ভুক্ত কৰি প্ৰস্তুত কৰিছিল শাসন সংস্কাৰ। যদিহে এই সংস্কাৰ কেনেবাকৈ অসম তালিকাৰ্ভুক্ত নহয় তেতিয়া হ'লে এই ৰাজ্যখনৰ উন্নয়ন সম্ভৱ নাছিল। সেই সময়ত অসমত কংগ্ৰেছৰ সাংগঠনিক দিশটো সিমান শক্তিশালী নাছিল। ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাৰ অভাৱত এনে হোৱা বুলিয়েই ক'ব পাৰি। কাৰণ তেতিয়ালৈকে সাহসিক সিদ্ধান্ত ল'ব পৰা সংগঠন নাছিল। অসম এছ'চিয়েচনে যিদৰে চলিছিল তাৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছিল যে এই সংগঠনটোৰ ভিতৰচ'ৰাতে সকলো একগোট নাছিল। ১৯১৬ চনৰ পৰা ১৯২০ চনলৈকে অসম এছ'চিয়েচনৰ নিয়ম প্ৰণালী আৰু কাৰ্য পদ্ধতি সম্পূৰ্ণৰূপে পৰিৱৰ্তিত হয়। ১৯১৯ চনত অসম এছ'চিয়েচনৰ যোগেদিয়েই অসমক নতুন সংস্কাৰৰ্ভুক্ত নকৰাৰ প্ৰতিবাদ কৰিবলৈ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন কুমাৰ বৰুৱাক প্ৰতিনিধি স্বৰূপে পঠোৱা হৈছিল। অৱশ্যে বিলাতলৈ পঠিয়াবলৈকে সেই সময়ত কাৰো হাতত পৰ্যাপ্ত টকা-পইচাও নাছিল। মন থাকিলে চন কৰিব পাৰি সেই কথাকে প্ৰমাণ কৰিলে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈয়ে। অসম এছ'চিয়েচনৰ

প্ৰাণস্বৰূপ প্ৰয়াত চন্দ্ৰ নাথ শৰ্মাই এমাহৰ ভিতৰতে অক্লান্তভাৱে খাটি আঠ হেজাৰ টকা সংগ্ৰহ কৰি সংসদলৈ অসমৰ প্ৰতিনিধি পঠিয়াবলৈ ব্যৱস্থা কৰা বুলি পদ্মশ্ৰী নলিনী বালা দেৱীয়ে 'স্মৃতিতীৰ্থ' পুথিখনত উল্লেখ কৰিছে। নবীন চন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন চন্দ্ৰ বৰুৱাক ইমান লৰালৰিকৈ প্ৰতিনিধিস্বৰূপে বিলাতলৈ পঠিওৱাৰ ব্যৱস্থা কৰিব পৰাটো অসমৰ জাতীয় জীৱনৰ এটা উল্লেখযোগ্য ঘটনা বুলি অভিহিত কৰিছে নলিনী বালা দেৱীয়ে। ১৯১৯ চনত দুয়োগৰাকী প্ৰতিনিধিয়ে বিলাতলৈ গৈ অসমৰ শ্বেতাংগ চাহ খেতিয়কসকলে শাসক শ্ৰেণীৰে কৰা কূট-কৌশল ব্যৰ্থ কৰি অসমক নতুন শাসন সংস্কাৰভুক্ত কৰিবলৈ সক্ষম হৈছিল।

কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ নেতৃত্বতেই অসমত কংগ্ৰেছে ঠন ধৰি উঠিছিল। সেই কথা কোনোৱেই অস্বীকাৰ নকৰে। অথচ এইগৰাকী মহান নেতাৰ স্মৃতিৰক্ষাৰ বাবে কংগ্ৰেছ দলটোৱে পৰৱৰ্তী সময়ত কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। কালৰ সোঁতত কংগ্ৰেছৰ মাজতেই যেন হেৰাই গ'ল কৰ্মবীৰ। যিগৰাকী মহান নেতাই মৃত্যুপৰ্যন্ত দলটোৰ হকে দেহে-কেহে খাটি দেশবাসীৰ স্বাধীনতাৰ বাবে যুঁজ দিছিল তেওঁক আজিও উপযুক্তভাৱে মূল্যাংকন কৰা হোৱা নাই। এইগৰাকী নেতাই লণ্ডনত বহা ছেলবৰ্ণ কমিছনৰ আগত যিদৰে অসমৰ প্ৰাপ্যৰ হকে যুঁজ দিছিল, তেওঁ সবল যুক্তি দাঙি নধৰাহেঁতেন অসম আজিও বহুখিনি পিছ পৰি থাকিলেহেঁতেন। এই সম্পূৰ্ণ যাত্ৰা আৰু লণ্ডনত বীৰদৰ্পে অসমৰ প্ৰাপ্যৰ বাবে যুক্তি দাঙি ধৰা কৰ্মবীৰৰ বিষয়ে প্ৰসন্ন কুমাৰ বৰুৱাই 'দ্য আসাম ডেলিগেচন টু দ্য জইন্ট পাৰ্লিয়ামেণ্টৰী কমিটী'ত বিস্তৃত ব্যাখ্যা কৰিছে।

প্ৰসন্ন কুমাৰ বৰুৱাই ইংৰাজীত লিখা পুথিখন লোকেশ্বৰী দেৱীয়ে অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰাৰ বাবে মোৰ আগত এদিন তেওঁ ব্যক্ত কৰিছিল। উক্ত পুথিখনৰ গুৰুত্ব আৰু প্ৰাসংগিকতা উপলব্ধি কৰিয়েই ময়ো প্ৰকাশৰ বাবে ব্যৱস্থা কৰিলোঁ। এইখিনিতে লোকেশ্বৰী দেৱীয়ে লিখা পুথিখন প্ৰকাশৰ বাবে উপযুক্ত কৰাৰ পৰ্যায়সমূহত বিশেষভাৱে সহযোগ কৰা লেখক, সাংবাদিক নয়ন কুমাৰ শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ডাঃ প্ৰবীৰ কুমাৰ বৰদলৈ
যোৰপুখুৰী, গুৱাহাটী।

১৯১৯ চনতে লৰ্ড ছেলবৰ্ণৰ অধ্যক্ষতাত বহা যুটীয়া (joint) সংসদীয় কমিটীলৈ প্ৰেৰণ কৰা অসমৰ প্ৰতিনিধি। অসম বুৰঞ্জীত অনুল্লেখিত এটা অধ্যায়

লিখক
প্ৰসন্ন কুমাৰ বৰুৱা
এজন প্ৰতিনিধি

অসম প্ৰতিনিধিৰ অংকুৰ ঃ অসমৰ অধুনা বিলুপ্ত অসম এছ'চিয়েচনে ১৯১৯ চনত প্ৰচলিত অসমৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান আছিল। অসমৰ সেই সময়ৰ চিফ কমিছনাৰ ছাৰ বিটছন বেলে ভাৰতৰ সংস্কাৰৰ বিষয়ে (reforms) যি নিৰ্মমভাৱে পৰিকল্পিত নথি সেই সময়ৰ ব্ৰিটেইনত থকা শাসকীয় দললৈ পঠাইছিল সেই নথিৰ মূল কথাৰে অসম এছ'চিয়েচন ভয়ত বিহ্বল হৈ পৰিল। ছাৰ বিটছন বেলে অসমক সংস্কাৰৰ (reforms) আওতালৈ নানি চুবুৰীয়া ৰাজ্যৰ ভৱিষ্যতে হ'ব পৰা অশান্তি দমনৰ বাবে উত্তৰ-পূবৰ সামৰিক ঘাটি কৰি ৰখাই ভাল হ'ব বুলি উপৰোক্ত নথিত কাৰণ দৰ্শাইছিল।

অসমৰে লোন খাই থকা ছাৰ বিটছন বেলৰ এনে অশোভনীয় কাৰ্যত অসম এছ'চিয়েচনৰ তদানীন্তন সাধাৰণ সম্পাদক স্বৰ্গীয় ঘনশ্যাম বৰুৱাই সেই সংস্কাৰ আইনৰ প্ৰতি প্ৰতিবাদ জনাই অসমৰ বুদ্ধিদীপ্ত (concensus) জনমত সংগ্ৰহ কৰি এখন সুদীৰ্ঘ স্মাৰকপত্ৰ প্ৰস্তুত কৰিলে।

তেখেতে তাত যিমান পাৰে সৰলভাৱে (lucidly) অসমৰ জনগণৰ সংস্কাৰৰ বিষয়ে দাবী আৰু স্বত্ব বুজাই লিখিলে আৰু এই স্মাৰকপত্ৰখন ভাৰতৰ state secretary মিষ্টাৰ মণ্টেগ'লৈ প্ৰেৰণ কৰিলে।

তেখেতে এই স্মাৰকপত্ৰত বিটছনৰ যুক্তি যিমান পাৰে দৃঢ়তাৰে খণ্ডন কৰিছিল। বৰুৱাদেৱে এই স্মাৰকপত্ৰখন পঠিয়াই স্থিৰে থাকিব নোৱাৰিলে। তেখেতে কমেও দুজন হ'লেও প্ৰতিনিধি গৈ ভাৰতৰ বিশেষকৈ অসমৰ স্বত্বৰ বিষয়ে বুজাই লণ্ডনৰ কমিটীৰ ওচৰলৈ পঠাই সেই দলিলখনৰ সমৰ্থনত লণ্ডনত গৈ বুজাই কোৱাৰ সিদ্ধান্ত ল'লে। তেখেতসকল (প্ৰতিনিধি দুজন) ভাৰতৰ বন্ধু প্ৰধানকৈ অসমৰ বন্ধু হ'ব লাগিব।

কিন্তু এনে প্ৰতিনিধি পঠাবলৈ ধনৰ প্ৰয়োজন। সেই সময়ত অসমৰ আৰ্থিক অৱস্থা অতি দুৰ্বল আৰু দেশৰ কথা বুজা মানুহ অসমত আঙুলীৰ মূৰত লিখিব পৰা। দেশৰ কাৰণে এই সংস্কাৰে কিমান বিপদ ঘটাব তাক বুজিব পৰা আৰু বুজিলেও টকা দি সহায় কৰিব পৰা মানুহৰ অভাৱ আছিল। সেয়ে তেজপুৰৰ সন্মানীয় চন্দ্ৰনাথ শৰ্মাদেৱে সমগ্ৰ অসম ভ্ৰমি কমেও ৮,০০০ টকা সংগ্ৰহ কৰিবৰ বাবে আগুৱাই গ'ল। ৮,০০০ টকা হ'লে লণ্ডন যাত্ৰাৰ খৰচখিনি কথমপি জোৰা মৰিব; কিন্তু শৰ্মাদেৱে কোনোমতে ৪,০০০ টকাহে সংগ্ৰহ কৰিববলৈ সমৰ্থ হ'ল। তেতিয়া শৰ্মাদেৱে ডিব্ৰুগড়লৈ আহি সেইসময়ৰ সাধাৰণ সম্পাদক স্বৰ্গীয় ঘনশ্যাম বৰুৱাদেৱে মোৰ নামত লিখা চিঠি এখন মোৰ হাতত দিলে। তাত পাৰিলে বাকী অংশ নহ'লেও কমেও ২,০০০ টকা দিবলৈ অনুৰোধ কৰিছিল। তেখেতে চিঠিত ১৯১৭ চনত অসমৰ পৰা কলিকতালৈ গৈ ছেমছফৰ্ড আৰু মণ্টেগোৰ আগত মই দেখুওৱা ৰাজনৈতিক পাৰদৰ্শিতাৰ বিষয়ে যদিও অলপ অতিৰঞ্জিত কৰিয়ে বৈকত কৰিছিল। তেতিয়াৰ প্ৰতিনিধি দলত আছিল যথাক্ৰমে স্বৰ্গীয় বৰুৱাদেৱ, স্বৰ্গীয় গংগাগোবিন্দ ফুকন, স্বৰ্গীয় তৰুণৰাম ফুকন, স্বৰ্গীয় নবীন চন্দ্ৰ বৰদলৈ, স্বৰ্গীয় পদ্মনাথ গোঁহাঞবৰুৱা, ছাৰ চন্দ্ৰধৰ বৰুৱা আৰু মই নিজে। শৰ্মাদেৱে দুজন প্ৰতিনিধি পঠোৱা বিষয়ে মোৰ লগত আলোচনা কৰিলে। (শ্ৰীবেনুধৰ শৰ্মাদেৱে এখন দলীয় ফটো গংগাগোবিন্দ ফুকনৰ জীৱনৰ ওপৰ ভিত্তি কৰি লোৱা দেখিবলৈ পোৱা যাব)। তেখেতে সকলো কথা আৰু ভাবিবলগীয়া বিষয়ৰ কথা মোৰ লগত আলোচনা কৰাৰ লগতে সমগ্ৰ অসমতে ভ্ৰমিও যে মাত্ৰ ৪,০০০ টকাহে সংগ্ৰহ কৰিব পাৰিলে। যি টকাৰে মাত্ৰ এজনৰ বাবেহে কথমপি জোৰা মৰিব বুলিও ক'লে। তেখেতে আৰু ক'লে যে যদি সাতসাগৰ পাৰ হৈ সাত হেজাৰ মাইল অতিক্ৰম কৰি গৈ আমি ছেলবৰ্ণ কমিটীৰ আগত আমাৰ অভিপ্ৰায় অকাত্য যুক্তিৰে বুজাই পতিয়ন নিয়াব পাৰে আৰু বেলেগ মতি-গতিৰ মানুহৰ আগত বিটছন বেলৰ নথিৰ পৰা হ'ব পৰা বিপৰ্যয়ক আঁতৰাই আমাৰ দেশৰ ভৱিষ্যত পুৰুষৰ সম্ভাৱনীয় বিপদ খণ্ডাব পাৰো তেন্তে ভৱিষ্যতলৈ এটা আদৰ্শ হৈ ৰ'ব মোৰ বাবে এই কথাটো বৰ মনঃপুত হ'ল আৰু মোক যথেষ্ট আৱেগিক কৰি তুলিলে। মই এই সুবিধাটো সহজে হাত এৰা দিব নুখুজিলো। মোৰ কষ্টোপাৰ্জিত ধনৰ ৪,০০০ হেজাৰ টকা লৈ যদিও মই যথেষ্ট অৰ্থবান নহও তথাপি ৬,০০০ মাইল দূৰৰ সাত সাগৰ পাৰ হৈ ভিন্ন দেশৰ ভিন্ন আচাৰ-আচৰণৰ মানুহক লগ কৰি নিজৰ দেশৰ যুক্তি প্ৰদৰ্শন কৰি প্ৰয়োজন সাধিবলৈ যোৱা কথাটো যদিও সহজসাধ্য নহয়ো, তথাপি মই সিদ্ধান্ত লৈ পেলালো আৰু শৰ্মা ডাঙৰীয়াক পিছদিনাখন মোৰ সিদ্ধান্তৰ

বিষয়ে জনাই যাত্ৰাৰবাবে পাৰপত্ৰ সংগ্ৰহ আৰু আমি যাবলগীয়া সময় আৰু নাৱৰ বিষয়ে জনাবলৈ ক'লো। সমগ্ৰ বিষয়টো সুখকৰ হোৱাত শৰ্মাই মোক মোৰ সিদ্ধান্তৰ বাবে অভিনন্দন জ্ঞাপন কৰিলে আৰু মই যোৱাত অলপ জোৰ দি ধৰিলে।

মই শৰ্মাক কথা দি বৰ আনন্দিত হ'লো। মোৰ বন্ধু-বান্ধৱক কথাটো জনোৱাত এনেধৰণৰ উৎসাহ আৰু প্ৰেৰণা দিবলৈ ধৰিলে এনে লাগিল যেন এটুকুৰা ভগা কাঠ হে মোৰ ওচৰলৈ ভাহি আহি ধৰা দিলেহি। কথাটোত মই সাময়িকভাৱে ভীতিগ্ৰস্ত হৈছিলো যদিও মই অনতি পলমে শৰ্মাৰ সাহসদায়ক কথাই সেই ভয়দূৰ কৰাত সুস্থিৰ হ'লো। ইফালে তৰুণৰাম ফুকনে অসমৰ লেজিছলেটিভ কাউন্সিলৰ পৰা পদত্যাগ কৰিছিল আৰু চৰকাৰে তেখেতৰ স্থানত কাৰোবাক মকৰল কৰাৰ ইচ্ছা কৰিছিলে। এই সন্ধিক্ষণতে মুখ্য সম্পাদকে মই এই পদৰ প্ৰাৰ্থী হ'ম নেকি বুলি সুধি লিখা এখন চিঠি পালে। মই কিন্তু এই পদৰ প্ৰাৰ্থী হ'ব নোৱাৰো বুলি জনাই দিলো কিয়নো মই দুজনীয়া প্ৰতিনিধিৰ এজন হৈ ইংলেণ্ডলৈ গৈ হাউছ অব্ লৰ্ডছত ভাৰত সংস্কাৰৰ বিষয়ে ছেলবৰ্ণ কমিটীত অসমৰ পক্ষে যুক্তি দৰ্শাবলৈ যাম বুলি অসম এছ'ছিয়েচন ছেক্ৰেটৰিক কথা দিলো। মই এই কথা লিখি দিয়াৰ পিছতে A.V. District কমিছনাৰ তেওঁৰ নৈমিত্তিক ভ্ৰমণত ডিব্ৰুগড়লৈ আহোতে মই চাৰ্কিট হাডছত লগ কৰিলো। মই আচৰিত হৈছিলো কাৰণ তেওঁ মোক আমাৰ প্ৰচেষ্টাত বাধা দিয়াই নহয়. আমাৰ প্ৰচেষ্টা বিফলহে হ'ব বুলি তেতিয়া কৈছিল। তেওঁ কৈছিল যে সংস্কাৰ সাধন কৰাৰ প্ৰকৃত লক্ষ্য আছিল ভাৰতৰ ৰাজ্যবিলাকৰ উন্নতি সাধনহে। তদুপৰি তেওঁ পথৰ কষ্টৰ কথা ব্যাখ্যা কৰোতে ভূমধ্য অঞ্চলৰ শীতৰ প্ৰভাৱৰ বিষয়েও ক'লে আৰু অলপ ঠাণ্ডা লাগিলে ভয়ংকৰ বিপদ ঘটিব পাৰে বুলিও ক'লে। তেওঁ আৰু চৰকাৰে মোক লেজিছলেটিভ কাউন্সিলৰ সদস্য হিচাবে মকৰল কৰিবলৈ ইচ্ছা কৰিছে বুলি কৈ ক'লে যে সেই পদ মোৰ বাবে ইচ্ছাপূৰ্বক বাদ দিয়া অনুচিত হ'ব কাৰণ সেই পদ মোৰ বাবে বেছি সন্মানীয় হ'ব মই অতি বিনম্ৰভাৱে তেওঁক জনালো যে মই মোৰ সিদ্ধান্তৰ পৰা আঁতৰাৰ ইচ্ছা নাই কাৰণ মই দেশৰ আহ্বান গ্ৰহণ কৰিবলৈ দৃঢ় মনস্থ হৈছো। তেওঁ অতি আগ্ৰহেৰে তাত কি কম গৈ মোৰ যুক্তিবিলাক শুনিলে আৰু অতি আন্তৰিকতাৰে মোক কৰমৰ্দন কৰি ঈশ্বৰে মোক যেন সহায় কৰে বুলি কামনা কৰিলে।

মই যাত্ৰাৰ বাবে সকলো ব্যৱস্থা কৰি মোৰ মৰমৰ বৰ বৃদ্ধা মাতৃ, বিধবা বাইদেউ, ১৮ মহীয়া কেচুৱাৰ সৈতে পত্নী, সৰু ভাইটি আৰু পৰিয়াল পৰিজন যিসকলে মোক ঘৰৰ মুখ্য মানৱ বুলি ভাৱে, সকলোকে এৰি ১৯১৯ চনৰ জুনৰ শেষৰ ফালে যাত্ৰা

কৰিলো। মই গুৱাহাটীত গৈ মোৰ লগৰ এজন প্ৰতিনিধি, মোৰ ভিনিদেউ নবীন চন্দ্ৰ বৰদলৈক লগ কৰি কলিকতালৈ যাত্ৰা কৰিলো। আমি কলিকতা পাই হেৰিচন ৰোডত থকা এখন হোটেলত ৰূম ভাড়া কৰি ল'লো। এই হোটেলৰ মালিকজন গোস্বামী উপাধিৰ। তেওঁ বৰ ভদ্ৰ-নম্ৰ স্বভাৱৰ। তেওঁ আমাৰ অভিপ্ৰায়ৰ বিষয়ে জানি আমাৰ সা-সুবিধাৰ সকলো ব্যৱস্থা কৰাৰ লগতে আমি দায়িত্ব দিয়া সকলো খা-খবৰো সংগ্ৰহ কৰি দিলে।

আমাক সেই সময়ত কলিকতাত থকা সকলো অসমীয়া ল'ৰাই আগুৰি ধৰিলেহি। তাত থকা সময়খিনিত বিদায় মিটিং পাতি সন্ধ্যা ভোজৰ আয়োজন কৰি সময়বোৰ বৰ আনন্দমুখৰ কৰি তুলিলে। আমি আমাৰ প্ৰয়োজনীয় সামগ্ৰী কিনি ল'লো আৰু হোৱাইট বে' নামৰ দোকানখনত সেই সময়ত লণ্ডনত প্ৰচলিত ধৰণৰ সাজ (suit) আৰু নৈশ ভোজনৰ জেকেট আদিৰ যোগান ধৰিবৰ বাবে অনুৰোধ কৰিলো। ক'বলৈ গ'লে সম্পূৰ্ণ সাজ যেনে টুপি পৰ্যন্ত যাতে আমাক সভ্য সমাজৰ কোনেও অনুসন্ধিসুভাৱে লক্ষ্য কৰিব লগা নহয় তেনে ফেশ্বনৰ ব্যৱস্থা কৰিলো। আমি এইবিলাক কিনি অপব্যয় কৰাৰ কাৰণ হৈছে আমি লণ্ডনত আমাৰ ঘটনাক্ৰমে কিছু বিশিষ্ট ব্যক্তিক লগ কৰিবলৈ লাগিব বাবে। আমি দুয়ো 'থমাচ কুক এণ্ড চন্চ' লৈ গ'লো আৰু আমাৰ টকা জমা দিলো আৰু আমাৰ লণ্ডন ব্ৰাঞ্চত আমাৰ বাবে পৃথকে পৃথকে জমা দিবলৈ ক'লো। এদিন নে দুদিনৰ পিছত আমি গম পালো আমাৰ বাবে তাত এছ এছ কৈশেৰী নামৰ ১১,০০০ টনৰ জাহাজত ৱাৰ্ড ঠিক কৰিলে। জাহাজখন মুম্বাইৰ পৰা ২৯ জুলাই/১৯ত যাব। তেতিয়াও আমাৰ হাতত পৰ্যাপ্ত সময় আছে। হঠাতে মোৰ জ্বৰ উঠি মোক মানসিক আৰু শাৰীৰিকভাৱে অসুস্থ কৰি তুলিলে। বৰদলৈয়ে লৰালৰিকৈ ভাল ডাক্তৰ বিচাৰি আনিলে আৰু হোটেলৰ মালিক গোস্বামীয়ে ৫/৬ দিন মই পৰি থকা অৱস্থাত প্ৰতি মুহূৰ্ততে আলপৈচান ধৰাত আন্তৰিকতাৰে ব্যস্ত হৈ থাকিল। প্ৰকৃততে এই দুৰ্ভাগ্যৰ দিনকেইটা ২৩ জুলাই পৰ্যন্ত। আমি মুম্বাইলৈ যাবৰ বাবে কেইদিনমান থকালৈকেই চলি থাকিল। ২৭ তাৰিখে গধুলি ট্ৰেইনত উঠিলো। সেই সময়তো মই কিছু দুৰ্বল হৈয়ে আছিলো আৰু মই জ্বৰৰ বাবে শেঁতা পৰি আছিলো। তথাপি মই মুম্বাইলৈ এই তিনিদিনীয়া দীঘলীয়া ৰেলযাত্ৰাৰ বাবে যথেষ্ট সাহস কৰিলো।

আমি ২৭ জুলাইৰ দিনৰ দুই বজাতে কলিকতা এৰি বি বৰুৱাৰ হাওৰাত থকা ঘৰলৈ বাট ল'লো। তাত আমাক চাহৰ বাবে নিমন্ত্ৰণ দিছিল। আমি তাত উপস্থিত হোৱাৰ লগে লগেই বি বৰুৱাই আমাক তেখেতৰ শোৱা কোঠাত বহিবলৈ মাতি

নিলে। তেখেতক বিছনাত গাত কাপোৰ মেৰিয়াই লৈ বহি থকা দেখা পালো। আমি বুজিব পাৰিলো তেখেতৰো কিবা অসুখেই চলি আছে। তেখেতে মুখত এটি হাঁহি বিৰিঙাই আমাক বহি আৰাম কৰিবৰ বাবে তেখেতৰ কাষৰ চকী দেখুৱাই দিলে। মই অতি নম্ৰ স্বভাৱৰ বৰুৱা ডাঙৰীয়াক ওচৰৰ পৰা প্ৰথম দেখিছো। তেখেত বয়সত আমাতকৈ যথেষ্ট ডাঙৰ যদিও আমাৰ লগত অতি সহজভাৱেই দেশৰ সেই অগ্নিগৰ্ভা অৱস্থাৰ কথা আৰু আমাৰ পালনীয় দায়িত্বৰ কথা বুজাই ক'লে। আমাৰ বয়স তেতিয়াও কম থকাৰ বাবে তেখেতে লণ্ডনৰ স্খলিত পৰিৱেশৰ কথাও পিতৃত্ব সুলভ ভাষাৰে বুজাই দিলে। তেখেতে আমাৰ বাবে চাহ অনালে।

আমিও অৱশ্যে আগ্ৰহেৰে তাৰ মূল্যৰ অংশ আমাৰ ফালৰ পৰাই দিলো। প্ৰায় ছয় বজাত আমি হাওৰা ষ্টেচনলৈ যাবলৈ বুলি তেখেতৰ পৰা বিদায় ল'লো। তেখেতেও আমাৰ দায়িত্বৰ সফলতা উৎসাহেৰে কামনা কৰিলে আৰু আমাক সফল হ'বলৈ পিতৃত্ব সুলভভাৱেৰে আশীৰ্বাদ দিলে।

মই ভাবো এইখিনিতে বৰুৱাৰ প্ৰতি উদয় হোৱা মোৰ ধাৰণাৰ বিষয়ে কিছু কৈ থোৱা ভাল হ'ব। বৰুৱাক সেই সময়ত ব্যৱসায়ৰ চুম্বক বুলি কোৱা হয়। তেখেতৰো বেংগল, নাগপুৰ ৰেলৱেৰ ওপৰত যথেষ্ট প্ৰভাৱ আছিল। তেখেত সেই সময়ত এজন বহুকোটিটকীয়া সফল ব্যৱসায়ীৰূপে আকাশলংঘী যশস্যাৰ সোণালী শিখৰত আছিল। মই যেতিয়া ছাত্ৰ আছিলো তেতিয়া তেখেতে আমাৰ কলিকতাত থকা অসমীয়া ছাত্ৰীসকলক তেখেতৰ আমাৰ শিয়ালদহ ৰেলৱে ষ্টেছনৰ সন্মুখত লৱাৰ চাৰ্কুলাৰ ৰোডত থকা 'আসামভিলা' নামৰ ঘৰত আৰু তেখেতৰ হাওৰাত থকা ঘৰলৈ মাতি আনি চাহেৰে আপ্যায়ন কৰোতে লগ পাইছিলো। তেখেতে B.A ভুবন চন্দ্ৰ বৰুৱাক মানিক চন্দ্ৰ বৰুৱাৰ ভতিজাকক বিশ্বনাথ নাম দি পালিতপুত্ৰ ৰূপে তুলি লওঁতে চাহমেলত হাত ঢালি খৰচ কৰাও দেখিছিলো। মই ভবাত সমাজৰ সকলো জাকত জিলিকা লোকসকলক মাতি দুৰাতি নে তিনিৰাতি একেৰাহে নাচ, গান আদিও অকনো হাত নধৰাকৈয়ে চলাই আছিল।

মই সেই মানুহজনক কিন্তু মুখামুখিকৈ চাহ খাওঁতেহে ভালকৈ চিনি পাইছিলো। তেখেত যদিও বয়সত যথেষ্ট আগবাঢ়িছে তথাপি ডেকাসুলভ ৰঙিয়াল স্বভাৱ, উদ্যম আৰু সৎভাৱে আগবাঢ়িলে কাৰ্যত সফলতা লাভৰ বিশ্বাসত দৃঢ় আছিল। বৰুৱা তেনে স্বভাৱৰ আছিল আৰু তেখেতৰ মুখামুখি সাক্ষাৎ লাভৰ পাছত মোৰ ওপৰত তেখেতৰ যথেষ্ট প্ৰভাৱ পৰা যেন মোৰ ভাব হৈছিল।

আমি আন্তৰিকতাৰে ভাব বিনিময় কৰি বৰুৱাদেৱৰ পৰা বিদায় ল'লো। আমি

হাওৱা ষ্টেছনলৈ যাত্ৰা কৰিলো। তাত আমি ছেকেণ্ড ক্লাছ দবাৰ আমাৰ বাৰ্ড ৰিজাৰ্ভ কৰি থোৱা পালো। থমাচ কোক এণ্ড ছন্সে আমাৰ বস্তুবিলাকৰো দায়িত্ব লৈ বোম্বাইলৈ বুক কৰি দিলে? আমি আৰামেৰে আমাৰ ছিটত ৰেল যোৱাৰ প্ৰায় পাঁচমিনিট আগতে বহিলোগৈ। হঠাতে এটা আমোদদায়ক ঘটনা ঘটিল। এজন অনুমানিক ২৬ বছৰীয়া সুঠাম ইংৰাজ ডেকাই দৌৰা দৌৰিকৈ আহি গাৰ্ডে হুইছেল বজোৱাৰ লগে লগে তেওঁৰ যৎ সামান্য বস্তুখিনি খিৰিকীৰে হেঁচা মাৰি ভৰাই দি নিজেও হুৰমূৰকৈ আমাৰ দবালৈ চকুৰ প্ৰচাৰতে সোমাই আহি এচুকৰ খালি বেঞ্চ এখনৰ দাঁতিত খিৰিকীৰ কাষত বহি পৰিল। তেওঁ এটা স্বস্তিৰ নিশ্বাস কাঢ়িলে। আমাৰ চকু সকলো সময়তে নৰাগত তেওঁৰ ওপৰত নিবদ্ধ হ'ল। ৰেলৰ লাইট বিলাক নুমুৱাই দিলে আৰু আমি ৰাতিটো সুকলমে পাৰ কৰিলো। পিছদিনাও আমি সুকলমেই গ'লো। তাৰ পিছদিনা পুৱা ৯ বজাত ৰেলখন বোম্বাই পালে। যাত্ৰীসকলে এজন এজনকৈ এশগজমান দূৰত থকা নাৱৰ লংগৰ পেলোৱা স্তম্ভটোৰ ওচৰলৈ গৈ স্বাস্থ্য পৰীক্ষা কৰাবলগীয়া হৈছিল। এই পৰীক্ষাৰ কাৰণ হৈছে যাতে কোনো সংক্ৰামক ৰোগীৰ পৰা নাৱত যাতে ৰোগ সংক্ৰমিত নহয়।

সেই ইউৰোপীয়ান যুৱকজনে যিজন বোম্বাইৰ পৰাই আমাৰ ৰে'লযাত্ৰাৰ সংগী আছিল তেওঁ আমাক তেওঁৰ নিজৰ বিষয়ে ভাঙি ক'ব পৰাকৈ মুকলিমুৰীয়া কৈ কথা পাতিব পৰা আত্মীয় ভাব গঢ়ি তুলিলে। তেওঁৰ উচ্চাৰণ আৰু কথা কোৱা ভংগীৰ পৰা তেওঁক এজন ফৰাছী মূলীয়া বুলি বুজা গ'ল। তেওঁ নিজেও সেই কথা আমাক ক'লে। তেওঁৰ নাম আছিল পেৰী। তেওঁ কলিকতাৰ চৌৰাংগী ৰোডত থকা মেছাৰ্ছ পেৰী এণ্ড কোম্পানী নামৰ সোণাৰি দোকানৰ কৰ্মচাৰী আছিল। তেওঁ এগৰাকী ইংৰাজ ছোৱালীৰ লগত অধিক হলি-গলি আৰু অবৈধ যৌন সম্পৰ্কও কৰিছিল। তাৰ পৰিণতিত ছোৱালীগৰাকী মাতৃত্ব লাভৰ দিশে অগ্ৰসৰ হৈছে। এই অবৈধ আৰু অনৈতিক আৰু অক্ষমনীয় যৌন কাৰ্যৰ বাবে অনতিপলমে তেওঁৰ বিপক্ষে warrent জাৰি কৰাৰ সম্ভাৱনাৰ বাবেই আইনৰ হাত সাৰিবলৈ ইউৰোপলৈ পলাই আহিছে।

মিষ্টাৰ পেৰীয়ে মোক বোম্বাইত উপস্থিত হোৱাৰ দিনা পুৱাই ক'লে; বৰুৱা আপোনাক নমাৰ আগতে যিহেতু পৰীক্ষা কৰিব আৰু আপোনাক সম্পূৰ্ণ অক্ষম যেন দেখা গৈছে সেয়ে আপোনাৰ পাউদাৰ মুখত ঘঁহা ৰং আদি মোক দিয়ক মই আপোনাক সজাই দিও তেতিয়া আপোনাৰ হাৰ্ট, পালছ্ একোকেই পৰীক্ষা নকৰিব। ময়ো কলিকতাত অসুখত পৰাৰ পিছত শেঁতা হৈ আছিলো আৰু শাৰীৰিকভাৱেও

যথেষ্ট দুৰ্বল হৈ আছিলো। মিষ্টাৰ পেৰীৰ মোক সজাই-পৰাই দিয়াৰ যি পৰিকল্পনা তাক শুনি মই যথেষ্ট উত্তেজিত হৈছিলো। মই তেওঁক তেওঁৰ বুদ্ধি প্ৰয়োগ কৰিবলৈ দিবলৈ মান্তি হ'লো। পেৰীৰ এই শাৰীৰিকভাৱে ৰূপান্তৰকৰণ প্ৰক্ৰিয়া দেখি দবাত থকা সকলোৱে পেৰীক বৰ প্ৰশংসা কৰিলে আৰু মোক অভিনন্দন জনালে।

আমি ১৯১৯ চনৰ জুলাই মাহৰ ২৯ তাৰিখে পুৱা ৯ বজাত বোম্বাইত উপস্থিত হ'লো। ৰেলৰ পৰা নামি যাত্ৰীবিলাকক এটা জালেৰে আগুৱা কোঠাৰে ওলাই যাবলৈ দিয়া হৈছিল। তাত ডাক্তৰে মানুহবিলাকৰ স্বাস্থ্য পৰীক্ষা কৰি নিৰ্গমন পথেদি এজন এজনকৈহে ওলাই যাবলৈ দিছিল। যেতিয়া মোৰ পাল পৰিল মোৰ বুকুত ধুমুহা ববলৈ ধৰিলে। মই হাতত এটা ছ্যুটকেছ লৈ আগবাঢ়িলো। মিষ্টাৰ পেৰীয়ে কোৱাৰ দৰেই ডাক্তৰে মোৰ মুখলৈ চায়ে মোক পাৰ হৈ যাবলৈ দিলে। মই নিৰ্গমন পথৰ বাহিৰত কেই গজমান দূৰত বৰদলৈৰ বাবে অপেক্ষা কৰিবলগা হ'ল। তেখেত অহাৰ লগে লগে আমি দুয়ো মাটিৰ পৰা ৩০ ফুট মান ওখ জখলাৰে নামি নাৱৰ ডেকৰ ফালে আগবাঢ়িলো। এইটো এটা ভয়ানক পাহাৰ আৰোহন যেন হ'ল। মোৰ এই অসুস্থ দুৰ্বল দেহাৰে ইমান ওখৰ পৰা নামিব লগাটো যথেষ্ট কষ্টকৰ হৈছিল আৰু মই ভাগৰি পৰিছিলো। মোৰ চেহেৰাত যাতে মোৰ দুৰ্বলতা ধৰা নপৰে তাৰ বাবে মই যথেষ্ট সাৱধানতাৰে নামি গৈ ডেক পালোগৈ। ডেকত আমি গৈ স্বৰ্গীয় বিপিন চন্দ্ৰ পালক টচৰ চুট পিন্ধি ডিঙি বন্ধ কৰি বুটাম মৰা কোট পিন্ধি, মূৰত বগা কপাহী পাগুৰি হাতত ছাতী লৈ ডেকত ইফাল সিফাল কৰি থকা দেখা পালো।

মই পালৰ উদাত্ত ভাষণৰ বিষয়ে কলিকতাত থাকোতেই শুনিবলৈ পাইছিলো। বৰদলৈদেৱৰ কিন্তু তেখেতৰ লগত কথাবাৰ্তাও আদান-প্ৰদান আছিল। মোৰ কিন্তু তেখেতক মুখা-মুখিকৈ দেখা-সাক্ষাৎ হোৱা নাছিল। যেতিয়া পালে বৰদলৈক দেখা পালে তেখেতে দুইহাত প্ৰসাৰি এনেদৰে বৰদলৈৰ ফালে আগুৱাই আহি আঁকোৱালি ধৰিলে যেন দুয়োমূৰে সংঘৰ্ষ হে লাগিছিল। দুয়ো দুয়োকে ক'লে 'বন্ধু ভালনে, ভাল লগ পালো' বুলি আশ্চৰ্য প্ৰকাশৰ ভাবত ক'লে। বৰদলৈদেৱে পালক মোৰ চিনাকি দিলে আৰু আমি দুয়ো কৰমৰ্দন কৰিলো। ভাগ্যৰ কি প্ৰভাৱ আমি তিনিও একেটা কেবিনতে থাকিবলৈ ব্যৱস্থা হৈছিল, তাৰ ফলত আমি আমাৰ ভৱিষ্যত পালিবলগীয়া কৰ্তব্যৰ বিষয়ে আলোচনা কৰাৰো সুবিধা পালো। তেখেত আছিল এজন ভাল ৰাজনীতিবিদ আৰু ভাৰত বিখ্যাত ৰাজনৈতিক বক্তা। আমি তেখেতৰ পৰা গম পালো ছেলবৰ্ন কমিটীৰ প্ৰচিডিউৰ বিষয়ে গম ল'বলৈ তেখেতক মাদ্ৰাজীসকলে অৰ্থ সংগ্ৰহ কৰি দি পঠাইছিল। তেখেতক ইংৰাজ শাসকবৰ্গই ভাৰতৰ ৰাজনৈতিক

বাতাৱৰণৰ কি চাল দিয়ে তাকো জানিবলৈ কেইখনমান ভাৰতীয় খবৰ কাকতৰ লগত যোগাযোগ ৰখাৰ দায়িত্ব দি পঠাইছিল। আমি একেটা কেবিনতে তেখেতৰ লগত দিনে-ৰাতিয়ে থাকিবলৈ পাই তেখেতে যে বৰ বিশ্বস্ততাৰে আৰু আগ্ৰহেৰে দায়িত্ব পালন কৰিছিল সেই কথা উপলব্ধি কৰিছিলো। মই তেখেতক পুৰা নিমখীয়া বিস্কুটৰ লগত চাহ খাই কেবিনৰ তলিত পাৰি থোৱা ব্লেংকেট এখনত নিজৰ লিখা সঁজুলিবিলাক লৈ হাফ চাইজ ফুলস্কেপ কাগজৰ পৃষ্ঠা পৃষ্ঠাকৈ অবিৰামভাৱে লিখি থকাই দেখা পাইছিলো। তেখেতে এই কাম সদায় পুৱা ন বজালৈকে কৰিছিল। তাৰ পিছত তেখেতে অলপ বিশ্ৰাম লৈছিল আৰু এটা চুৰট হুপিছিল। সেই চুৰটৰ ধোঁৱাই থাকোতেই তেখেতে পুনৰ একেই ভংগীৰে কামত ধৰিছিল। ১১টাৰ সময়ত তেখেতে কাম এৰি আমাৰ লগত বিভিন্ন আলোচনা কৰিছিল। তেখেতৰ উচ্চ ৰক্তচাপ আছিল আৰু তাৰ প্ৰভাৱৰ পৰা ৰক্ষা পাবলৈ এটা কবিৰাজি দৰৱ কিষ্টিত মাৰি সদায় সেৱন কৰিছিল। ১১ বজাৰ পৰা লাঞ্চ টাইমৰ মাজৰ সময়খিনিত আমাৰ কেবিনৰ ল'ৰাজনে ৰবৰ বেগত আনি দিয়া গৰম পানীত দৰৱ আৰু এনিমা ব্যৱহাৰ কৰিছিল। আমি দেখি আচৰিত হৈছিলো। তেখেত এনিমাযুক্ত পানীখিনি আধাঘণ্টামান পেটত ৰাখি থৈছিল। তাৰ পিছত ২০ গজমান দূৰত থকা গা-ধোৱা কেবিনলৈ (washing center) গৈ ধুই-পখালি মধ্যাহ্ন ভোজনৰ (Lunch) বাবে সাজি-কাচি প্ৰস্তুত হৈছিল। ভোজন কক্ষত ভাৰতীয়সকলৰ বাবে প্ৰায় বিশ ফুট দীঘল মেজ এখন আছিল। ইয়াত কোনেও নিষ্ঠুৰভাৱে হস্তক্ষেপ কৰা নাছিল। মেজখনৰ মুখৰ ফালে থকা মূৰত ক্ৰমে শংকৰণ নায়াৰ, মই, আই চি এছ অলবিয়ন ৰাজকুমাৰ বেনাৰ্জী আৰু এজন উত্তৰ প্ৰদেশৰ ছাত্ৰ বহিছিল, আমাৰ বিপৰীত ফালে আমালৈ মুখ কৰি ক্ৰমে বিপিন পাল, নবীন চন্দ্ৰ বৰদলৈ, তেজবাহাদুৰ চোপ্ৰা, তেওঁৰ কাষতে তেওঁৰ আইন পঢ়ি থকা পুত্ৰ যিজনে বেৰিষ্টাৰ পাছ কৰি লণ্ডনত উকালতি কৰি আছিল। আপোনালোকে বুজিব পাৰিছে নিশ্চয় আমি দলটো লগ হৈ সুখী হৈছিলো আৰু আমাৰ দায়িত্বৰ বিষয়ে তেখেতসকলৰ পৰা যথেষ্ট দিহা-পৰামৰ্শ ল'ব পাৰিছিলো; বিশেষকৈ ছাৰ শংকৰণ নায়াৰ যিজনে (viceroy's Executive Council) ৰাজ প্ৰতিনিধিৰ কাৰ্যপালিকা পৰিষদৰ পদত্যাগ কৰি লৰ্ড ছেলবৰ্ন কমিটীত নিজৰ মতাদৰ্শ দাঙি ধৰিবৰ বাবে গৈছিল। আমি যোৱা নাওখনে ৰাতি ৯ বজাত মুম্বাইৰ পৰা প্ৰকাণ্ড আৰু গৰ্জনমুখৰ ঢৌ ফালি যাত্ৰা আৰম্ভ কৰিলে। নাওখনে ইফালে-সিফালে কাতি হৈ হৈ যাত্ৰীক যথেষ্ট কষ্ট দিছিল যাৰ ফলত বহুতো যাত্ৰী প্ৰধানকৈ যি বিলাক যাত্ৰীৰ সমুদ্ৰপীড়া হ'বৰ সম্ভাৱনা আছে তেনে ভাৰতীয় শিশু আৰু মহিলা (চি চিকনেচ) সমুদ্ৰপীড়াত আক্ৰান্ত হৈছিল। মিষ্টাৰ

বৰদলৈ আৰু বিপিন পালৰো অতি সোনকালেই সমুদ্ৰপীড়া আৰম্ভ হ'ল। তেখেতসকলে বমি কৰিবলৈ ধৰিলে আৰু শয্যাগত হ'ল। এই সমুদ্ৰপীড়াৰ মূৰঘূৰনি আৰু বমি বৰদলৈদেৱৰ একেৰাহে ৭ দিন, ইডেনত উপস্থিত হোৱালৈকে চলিছিল। বিপিন পাল অৱশ্যে তিনিদিনতে আৰোগ্য হ'ল। তেখেতসকল ইমানেই দুৰ্বল হৈছিল যে ভোজনকক্ষলৈও যাবলৈ ভয় কৰিছিল। আমাৰ ওচৰৰ কোঠাত থকা জাষ্টিচ ইমাম আৰু তেখেতৰ পত্নীৰো একে দশা হৈছিল। আমাৰ দলটোৰ কেৱল মইহে এই অসুখৰ পৰা হাত সাৰি আছিলো বাবেই নাৱৰ ডেকত চলা বিভিন্ন খেল-ধেমালিত ভাগ লৈ হাঁহি-ঢুপতি মাৰি ঘূৰি ফুৰি আনন্দেৰে সময় কটাইছিলো। অৱশ্যে এই সময়ত মিষ্টাৰ পেৰীয়ে এই ৰোগৰ পৰা হাতসাৰি ভয়মুক্ত হৈ সঘনেই মোক সংগ দিছিল।

আমি আগষ্টৰ ৪ তাৰিখে ১০ বজাত এডেনত উপস্থিত হ'লো। তাত উপস্থিত হৈয়ে আমি গমৰ মৌচুমী বায়ু অনুভৱ কৰিলো আৰু তৃষ্ণা অনুভৱ কৰিলো। নাওখন ইন্ধন ভৰাবৰ বাবে তাত ২৪ ঘণ্টা লংগৰ পেলাই ৰ'ল। ইন্ধন ভৰাওতে গুৰিবিলাক কেবিনত সোমাই যাতে আমনি নকৰে তাৰবাবে কেবিনৰ ফুটাবিলাক কাগজ দি বন্ধ কৰি দিয়া হৈছিল। তাৰ ফলত যাত্ৰীবিলাকে অসুবিধা ভোগ কৰিবলগীয়া হৈছিল। বিশেষকৈ কেবিনবিলাক গুলুম মাৰি ধৰি গৰম হৈ পৰিছিল। নাৱৰফালে বৈ অহা মৰু বতাহে বৰ অসুবিধা দিছিল। যাত্ৰীবিলাকে গমৰ বায়ু সেৱন কৰি উশাহ লওঁতে বৰ কষ্ট পাইছিল। আমাৰ কেইজনমানে ভাপ নিৰ্গমনৰ ঠাইৰ পৰা দুই-তিনিশ গজমান দূৰত থকা উপকূলৰফালে যাত্ৰা কৰিলো। উপকূলত উপস্থিত হৈ উপকূলীয় এডেন নগৰখন চাও বুলি অলপ দূৰ গ'লো। পিছে প্ৰখৰ ৰ'দ আৰু দিনৰ বতাহৰ বাবে আগবঢ়া অসম্ভৱ অনুভৱ কৰি আমি সাগৰৰ পাৰৰ হোটেল এখনত সোমাই তৃষ্ণা নিবাৰণৰ বাবে ঠাণ্ডা পানীয় অলপ খাবলৈহে মন কৰিলো। হোটেলৰ মালিকে আমাক এবিধ বিশেষ পানীয় দিলে। এই পানীয়খিনি বৰফৰ দৰে চেঁচা, মিঠা আৰু ৰঙচুৱা ৰঙৰ। আমি এইখিনি খাই তৃষ্ণা নিবাৰণ কৰাই নহয় যথেষ্ট সকাহো অনুভৱ কৰিলো। এই পানীয়খিনি যেন কুঁহিয়াৰৰ ৰসৰ লগত কিছু সুগন্ধি দ্ৰাৱক মিলাই বনোৱা যেন লাগিল। আমি এডেন নগৰত দুখোজমান যাওঁতেই গছৰ ছাঁত জিৰণি লৈ থকা উটৰ মূৰবিলাক দেখা পালো। আমি দুই-তিনি গিলাচমান সেই সুস্বাদু পানীয় ল'লো আৰু জাহাজলৈ লৈ যাওঁ বুলি ভাবিও সাহস কৰিব নোৱাৰিলো। আমি কেইটামান তৰমুজ কিনি আমাৰ কেবিনলৈ লৈ আহিলো। এই তৰমুজবিলাক চেনিৰ দৰে মিঠা আৰু মুখত ল'লেই গমি যোৱাবিধৰ। আমি কেইপেটি মান টাৰ্কিচ চিগাৰেটো কিনিলো। কিন্তু এইবিলাক মোৰ অপ্ৰিয় বাবে মিষ্টাৰ পালকহে উপহাৰ

ৰূপে দিলে।

আমি এডেনত উপস্থিত হৈয়ে গ্ৰীষ্ম মণ্ডলত প্ৰৱেশ কৰিলো আৰু ক্ৰান্তীয় জলবায়ুৰ অসুবিধাসমূহ অনুভৱ কৰিলো। বিশেষকৈ আমি লোহিত সাগৰ আৰু চুৱেজ কেনেলেদি পাৰ হৈ যোৱা তিনিদিনত এই অসুবিধা ভালকৈয়ে অনুভৱ হ'ল। চুৱেজখাল পাৰ হৈয়ে প'ট চৈয়ড পাম গৈ। চুৱেজখালটো কাউণ্ট লেপাচৰ বিশেষ ইঞ্জিনীয়াৰিং কৌশল। চুৱেজখাল আৰু ভূমধ্য সাগৰৰ সংগমস্থলত তেখেতৰ এটা প্ৰকাণ্ড শিলা প্ৰতিমূৰ্তি চুৱেজখাললৈ মুখ কৰি থকা ৰূপত বনাই থোৱা এতিয়াও প্ৰতিষ্ঠিত হৈ আছে। খালটোৰ দুই পাৰে সুন্দৰ সুন্দৰ গছ, পাৰ্ক, বিভিন্ন ৰঙৰ ফুল ফুলি বৰ নয়নাভিৰাম দৃশ্য গঢ়ি তুলিছে। আমি প'ৰ্ট চৈয়ডত কেইঘণ্টামান পলমকৈহে উপস্থিত হোৱা বাবে প'ৰ্ট চৈয়ডত তেনেই কম সময় ৰোৱা বাবে নামিব নোৱাৰিলো। বন্দৰত ৰৈ থকা সময়খিনি আৰৱী মানুহ সৰু-ডাঙৰ আটায়ে আমাৰ নাৱৰ কাষত কেউফালে আগুৰি ধৰি যাত্ৰীবিলাকে দলিয়াই দিয়া পইচা অতি দ' পানীৰ পৰাও সাঁতুৰি গৈ বুটলি অনা চাই থাকিলো। ডেকত থকা যাত্ৰীবিলাকেও পইছা দলিয়াই দি এই খেলাটোকে উপভোগ কৰি থাকিল। এই খেলটো দেখি এনেভাৱ হ'ল এই মানুহবিলাক যেন উভচৰ জীৱ আৰু পানীত এনে খেলহে যেন উপভোগ কৰে।

আমি আবেলি পৰ্ট চৈয়ড এৰি ভূমধ্য সাগৰত প্ৰৱেশ কৰিলো আৰু বিশেষ কোনো ঘটনাৰ সন্মুখীন নোহোৱাকৈ পঞ্চমদিনা পুৱা ৯ বজাত ফৰাছি উপকূলৰ মাৰ্ছাইত উপস্থিত হ'লো। ইয়াতে আমাৰ ভাৰতীয় যাত্ৰীবিলাক দুভাগ হ'লো। কেইজনমানে জিব্ৰাল্টৰ আৰু বিস্কে উপসাগৰেদি গৈ ছাউডাম্পটন বা লিভাৰপুলত নামিম বুলি নাৱতে ৰ'ল। মই, বৰদলৈদেৱ আৰু পাল মাৰ্ছাইলতে নামি দিলো। আমি আমাৰ লগত অহা আৰু কেইজনমান যেনে— তেজবাহাদুৰ ছোপ্ৰা, তেখেতৰ পুত্ৰ বিখ্যাত হিন্দু কাকতৰ সম্পাদক (Editor) ৰংগস্বামী আয়েংগাৰ। মধ্যপ্ৰদেশৰ পৰা অহা দুজন ভ্ৰাতৃ ডাঙৰজন প্ৰায় ২৭ বছৰীয়া এজন ডাঙৰ ব্যৱসায়ী আৰু সৰুজনক লণ্ডনত পঢ়িবৰ বাবে ডাঙৰজনে লৈ আহিছে। ডাঙৰজনে সমগ্ৰ মহাদেশখনত আৰু ইংলেণ্ডত বহুবাৰ ভ্ৰমন কৰিছে। তেখেতৰ এজন ইংলেণ্ডীয় পক্ষী বুলিলেও ভুল কোৱা নহ'ব।

আমি নাৱৰ পৰা নামিয়ে হোটেল এখনলৈ গৈ অলপ কিবা-কিবি খাই লৈ অলপ জীৱাৰৰ মনেৰে টেক্সি এখন বিচাৰিছিলো। তেনেতে 'থমাচ কোক এণ্ডচন্সৰ' এজন পথ-প্ৰদৰ্শক আহি আমাক ক'লে বোলে যিসকলে পেৰিচলৈ যাব খোজে তেওঁলোকে সন্ধ্যা ৬টা বজাতে ৰে'লৰ ষ্টেছন পাবগৈ লাগিব। আমাৰ লগত জুইশলাৰ বাহৰ

দ্য আসাম ডেলিগেচন টু দ্য জইণ্ট পাৰ্লিয়ামেণ্টৰী কমিটী

সমান সৰু সৰু কাগজৰ টকা মাৰ্ছাইত থকা সময়তে সংগ্ৰহ কৰি ল'ব লাগিব। পথ প্ৰদৰ্শকৰ পৰা তাকে শুনি আমি থমাচ কোক এণ্ড চন্সৰ অফিচলৈ গৈ টকা সলনি কৰিলো। আমাৰ প্ৰত্যেকৰে নিজৰ বাবে যিমান প্ৰয়োজন হ'ব সিমানখিনিহে ল'লো। কাৰণ এই টকা মাৰ্ছাইত খৰছৰ বাবেহে, ফ্ৰান্সত এই মুদ্ৰা নচলে।

আমি যাৱতীয় প্ৰয়োজনীয়বিলাক সংগ্ৰহ কৰি টেক্সি এখন বিচাৰিছিলো। কিন্তু সেই সময়ত টেক্সি পোৱা অসম্ভৱ হোৱা দেখি দুটা প্ৰকাণ্ড 'Wallors' ৰে টনা এখন 'Phacton' গাড়ীকে মাতিলো। গাড়ী অহাৰ লগে লগে আমি জাপ মাৰি উঠিয়ে ল'লো। পিছে লেঠাতো আহিল চালকে তেওঁৰ ভাষাৰে ক'লৈ যাম বুলি সোধাতহে। আয়াৰে ইংৰাজীতে আমাক হোটেললৈ নিব লাগে বুলি ক'লে। পিছে চালকজনে এটা দাঢ়ি কমাও আয়াৰে কোৱা কথাৰ নুবুজিলে। বহু দেৰি বিভিন্ন প্ৰকাৰে বকি-হকিও লাভ নোহোৱাত পৰিস্থিতিতে বাধ্য হৈ আমি হাতৰ অংগি-ভংগিৰে চালকক বুজাবলৈ বাধ্য হ'লো। আমি অংগি-ভংগিৰে আমাৰ প্ৰয়োজনীয় অৰ্থাৎ হোটেললৈ নিব লাগে তাত আমি আহাৰ গ্ৰহণ কৰি কিছুসময় বিশ্ৰাম লৈ ৬ টা বজাত ৰে'লৰে ষ্টেছন পাবগৈ লাগিব বুলি ঘড়ীটো দেখুৱাই কোৱাত চালকজনে আমাক সাগৰৰ পাৰে পাৰে নিবলৈ ধৰিলে। গোটেই বাট-চোৱাত আমি কিছুমান জোৱা-তাপলি মৰা ছালি দেখিছিলো য'ত সৰু সৰু শামুক কিছুমান পেলাই থোৱা আৰু মাখিয়ে ওপৰত পৰি ভেন-ভেনাই থকা দেখিছিলো। তাৰ কাষত থিয় হৈ থকা মানুহে বৰ তৃপ্তিৰে জামুগুটি খোৱাৰ দৰে সেইবোৰ খাই থকা দেখি এটা অতি বিশ্ৰী আৰু ঘৃণনীয় দৃশ্য দেখা পাইছিলো। আমি এটা তিনিমহলীয়া বিল্ডিঙৰ পৰ্টিক পাওঁতে প্ৰায় ৪৫ মিনিট সময় লাগিল। বহল বাৰাণ্ডাখন সাগৰৰ ওপৰতে ওলমি থকাৰ দৰে আছিল। আমি উপস্থিত হোৱাৰ লগে লগেই আঁচ থকা ঠেঙা আৰু ইস্ত্ৰি কৰা দীঘল কোট চোলা পিন্ধা দুজন হোটেলখনৰ অফিচাৰ আহি আমাক এটা কাৰ্পেট পৰা বেৰত প্ৰকাণ্ড আইনা আৰু তৈলচিত্ৰ লগোৱা বুলনি চ'ৰালৈ বাট দেখুৱাই লৈ গ'ল। সেই বাৰাণ্ডাখনত বহুতো বেলেগ বেলেগ টেবুল-চকী আছিল। আমি আমাৰ কেউজনকে অতা এখন টেবুলৰ কাষত বহিলো।

আমি থমাচ কোকৰ পথ-প্ৰদৰ্শকজনৰ লগত টকা সলনি কৰিবলৈ যাওঁতে আমাক নেপোলিয়নৰ প্ৰতিমূৰ্তিটো দেখুৱাইছিল। মূৰ্তিটো বিভিন্ন আকৃতিৰ ওখ-চাপৰ ফুলগছেৰে ভৰি থকা পাৰ্কখনৰ আগত শিলৰ তোৰণ যেন লাগিছিল। আমি লৰালৰিকৈ পাৰ্কখন চালো আৰু পাৰ্কৰ মাজতে এগৰাকী গাভৰু ছোৱালীয়ে দিয়া কফি দোকান এখনৰ পৰা অলপ ঠাণ্ডা পানীয় খালো। আমি এইবোৰ অতিক্ৰম কৰি দুপৰীয়া

আহাৰৰ সন্ধান কৰোতে এঠাইত ৰূপেৰে পাৰ বন্ধোৱা বস্তুৰ মূল্যৰ বিষয়ে লিখি থোৱা এখন তালিকা পালো। দুৰ্ভাগ্যৰ বিষয় যে আমি এজনেও তাৰ বস্তু আৰু মূল্যৰ বিষয়ে মাথা-মুণ্ড একো বুজি নাপালো। ভাগ্য ভাল আছিল আমাৰ টেবুলৰ কাষত থকা পৰিচালকজনে ভঙা ভঙা ইংৰাজীত ফৰাচি উচ্চাৰণেৰে ক'ব পৰা দেখি আমাৰ লগৰ বেপাৰি ল'ৰাজনে মদ নোহোৱা উন্নতমানৰ পানীয় আৰু সু-স্বাদু খাদ্য আমাক পৰিৱেশন কৰিবলৈ ক'লে। ভোজনৰ দ্ৰব্যবিলাক দি আছিল আৰু আমি ১২ কি ১৪ বিধেই খাদ্য খালো। আৰু মিঠাফলৰ ৰসৰ পানীয় খাদ্যৰ লগত খাপখোৱকৈ খালো। মই স্বীকাৰ কৰিবই লাগিব যে মাৰ্ছাইলৰ সাগৰৰ পাৰত এই অপূৰ্ব আতিথ্যৰ কথা মই আমৃত্যু স্মৰণ কৰি থাকিম। আমাক খাবলৈ দিয়া মাছবিলাকো কিছুমান সোণালী, কিছুমান নীলা, কিছুমান সেউজীয়া বিভিন্ন ৰং আৰু বিভিন্ন স্বাদৰ আছিল। চুপবিলাকো ৫ কি ৬ বিধ বিভিন্ন মুঠ স্বাদৰ মাংস বিলাকো অপূৰ্ব আছিল। তিনি কি চাৰিবিধৰ মাংস আছিল। গাহৰী আৰু গৰুৰ মাংসৰ বাহিৰে প্ৰায়বিলাকেই খাই চালো। মই ক'বই লাগিব এই ৰাজভোগ অথবা ভগৱানৰ বাবে বনোৱা ভোগ যদিহে মাৰ্ছাইললৈ নাহো জীৱনত কেতিয়াও খাবলৈ নাপাম। এতিয়া মূল্য পৰিশোধ কৰাৰ দায়িত্ব আহিল। মূল্যৰ তালিকাখন ৰূপৰ থালি এখনত আনিছিল। আমাৰ মাজৰ চোপ্ৰা ডাঙৰীয়াই বিতচকুযোৰ পিন্ধি তালিকাখন চালে আৰু লগে লগে কঁপাল কোচাই চকু থৰ কৰিলে। আমি আটায়ে চকু থৰ কৰি তেখেতলৈ চাই আছো। তেখেতৰ চকুৰ চাৱনিয়েই আমাৰ বুকু কঁপালে। তেখেতে যেতিয়া ৯৬ ষ্টালিং পাউণ্ড ইংলিছ মূল্য বুলি ক'লে আমাৰ মূৰবিলাকে কাম নকৰা হ'ল আৰু মূৰ ঘূৰাবলৈ ধৰিলে। কাৰণ আমাৰ প্ৰত্যেকৰে হাতত ৫ৰ পৰা ৮ পাউণ্ড মাৰ্ছাইলৰ মূল্য হে আছে। আমাৰ প্ৰত্যেকৰে বুকুৰ কঁপনি উঠিলে ইজনে-সিজনৰ মুখলৈ চালো আৰু এনেকুৱা দামী খাদ্যৰ ব্যৱস্থা কৰি আমাক এনে শ'লঠেকত পেলোৱা বাবে মধ্য প্ৰদেশৰ যুৱকজনকে দোষাৰোপ কৰিলো। তেতিয়া যুৱকজনে আমাৰ যাৰ হাতত যিমান আছে টেবুলত উলিয়াই দিবলৈ ক'লে। আমি আটায়ে তাকে কৰিলো। পিছে ৪৮ পাউণ্ডহে হ'ল। তেতিয়া আমাৰ সকলোৰে বাবে সেই যুৱকজন ধ্ৰুৱতৰাৰ দৰে হ'ল। তেতিয়া সেই যুৱকজনে তেওঁৰ ঠেঙাৰ জেপত হাত ভৰাই মাৰ্ছাইলৰ টকাৰ জাপ এটা উলিয়াই লৈ সমুদায় মূল্য তাৰপৰা পৰিশোধ কৰিলে। তথাপি টকাৰ জাপটোও আধাতকৈ বেছিহে ৰ'ল আৰু আমাক আমাৰ টকা বিলাকলৈ ল'বলৈ ক'লে। আমিও সামান্য প্ৰতিবাদ কৰিয়েই টকাখিনি লৈ ল'লো। আমি আমাক এই জটিল পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰা বাবে যুৱকজনক আন্তৰিকতাৰে ধন্যবাদ জনালো।

অৱশ্যে আমাৰ এই দশা হোৱাৰ বাবে তেৱেঁই প্ৰধানকৈ দায়ীও আছিল। এই সকলো সুকলমে হৈ যোৱাৰ পিছত সাগৰৰ শীতল বতাহৰ স্পৰ্শ আৰু সূৰ্যৰ উমাল উত্তাপৰ বাবে আমি আটায়ে আমাৰ আসনতে আবেলি ৫ বজালৈকে ঘুমটি মাৰিলো। আমাৰ গাড়ীৰ চালকজন সময়তকৈ কিছু আগতে আহি উপস্থিত হোৱাত আমি আটায়ে সুখী হ'লো। আমি সেই চিৰস্মৰণীয় আসনৰ পৰা জাপ মাৰি নামি আমাৰ গাড়ীত উঠিলো আৰু তাত পুনৰ আবেলিৰ চাহকনৰ হাত সাৰিবৰ বাবেই যেন পাওৰুটিৰ মাজত মাংস আদি ভৰাই টোপোলা কৰাৰ দৰে গাড়ীত চেপেটা লাগি বহি পৰিলো। আমি পোনে পোনে ৬টা বজাত যাব লগা ৰে'ল ষ্টেছনলৈ যাত্ৰা কৰিলো। ষ্টেছনত থমাচ কোকৰ পৰিদৰ্শকে আমাক লগ কৰি আমাক আমাৰ শোৱা আসনবিলাক দেখুৱাই দি আৰামেৰে আহাৰৰ ব্যৱস্থা কৰি দিলে। ৰে'লৰ দবাবিলাক ইমান সৰু আছিল যে মাত্ৰ দুখন বিছনাহে। তাকো ইখনৰ ওপৰত সিখনকৈহে ধৰে। বিছনাৰ কাষেদি অহা-যোৱা কৰা বাটটোও ইমান ঠেক যে মাত্ৰ এজন মানুহহে কথমপি অহা-যোৱা কৰিব পাৰে। দবাটোৰ ওচৰত প্ৰস্ৰাৱগাৰ আৰু ভোজন ব্যৱস্থাপনা নাছিল। সেইবিলাকৰ বাবে এটা সুৰসুৰীয়া বাটেৰে কিছুদূৰলৈ যাবলগীয়া হৈছিল। এইবিলাক অসুবিধাৰ বাবেই মোৰ ৰাতি আহাৰৰ প্ৰতি অনিহা হ'ল আৰু মই শয্যা ল'লো। বৰদলৈদেৱে ৰাতি ৮ বজাত ভাত খাবলৈ গৈছিল। কিন্তু খাদ্যবিলাক ইমান ঘীণ লগা যে সকলোতে গো-মাংস মিলোৱা আছিল। তেখেতে বোলে সেইবিলাক স্পৰ্শ কৰিয়ে এৰি দি কেৱল অলপ পানী খায়ে শুই থাকিল। ৰাতিটো মাজে মাজে প্ৰচণ্ড শব্দই টোপনি ভঙাৰ বাদে সুখেৰেই গ'ল। ৰাতি ৰে'লখন এটা সুৰংগ পথেদি যাওঁতে ইমান আচৰিত শব্দ কৰিছিল যে আমি সাৰ পাই গ'লো। এই মাৰ্ছাইলচ্ৰ পৰা পেৰিছলৈ যোৱা বাটটোত এনে বহুত সুৰংগ পথ আছে। পাল ডাঙৰীয়া অন্য এটা দবাত থকা বাবে আমি ৰাতি তেখেতক পুৱা ৮.৩০ আগত দেখা নাপালো। পুৱা ৮.৩০ত আমি পেৰিছত ৰে'লৰ পৰা নামিলো। এইটো এটা ডাঙৰ ষ্টেচন আছিল। মালবস্তুবিলাক নমাই বেলেগ এফালে স্তুপাকাৰে দমাই থৈছিল। আমি অহা-যোৱা মানুহৰ ভিৰত সোমাই আমাৰ বস্তুনো ক'ত বিচাৰিম ভাবি হতভম্বই হৈছিলো। তাৰ মানুহবিলাকে ইংলিছ নাজানে গতিকে কাকো একো ক'ব নোৱাৰি নিৰুৎসাহ হৈ পৰিলো। এই নিৰুৎসাহ হৈ ষ্টেচনত ঘূৰি ফুৰোতে তাত আটায়ে নিজৰ ভাষাৰেহে কথা কৈছিল। এনে খেলি-মেলিত পৰি আমি কেৱল দৰ্শকৰ দৰে ভেৱা লাগি চাই আছিলো, কাৰণ তাত কোনেও ইংৰাজী ক'ব বা বুজিব নোৱাৰে। আমি হতাশ হৈ ইফালে-সিফালে ঘূৰি ফুৰোতে এজন যুৱক উপস্থিত হৈ আমাক সেই পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰিলে।

প্ৰায় ১৮ বছৰীয়া যুৱক এজনে সম্ভৱ আমাৰ গতিবিধি কিছু দূৰৰ পৰা লক্ষ্য কৰি আছিল। তেওঁ আগবাঢ়ি আহি ভগা ভগা ইংৰাজীৰে আমাক ক'লেহি যে তেওঁ আমাক কিছু সহায় কৰিব পাৰিব লগতে তেওঁ জেপৰ পৰা কাগজ এখন দেখুওৱাত তেওঁৰে ৰেডক্ৰছ ছ'চাইটিৰ সদস্য বুলি বুজিব পাৰিলো। তেওঁ আমাৰ পক্ষে ঈশ্বৰপ্ৰেৰিত যেন হৈ দেখা দিলে, কাৰণ তেওঁ আমাৰ মালবস্তুৰ অনুমতি পত্ৰখন বিচাৰিলে। আধাঘণ্টামানৰ পিছতে তেওঁ দুজন মুটীয়াৰ পিঠিত আমাৰ বস্তুখিনি দি এখন ভেৰোনীয়া গাড়ী (Taxi) ধৰি বস্তুখিনি তুলি দিলে আৰু আমাকো গাড়ীত বহি ল'বলৈ দিলে। ঈশ্বৰে আমাক এনে হতভম্ব অৱস্থাৰ পৰা উদ্ধাৰ কৰা বাবে ধন্যবাদ জনালো। সেই ল'ৰাজনো আমাৰ ওচৰতে বহি ল'লে আৰু ফৰাছি ভাষাত এখন হোটেললৈ নিবলৈ নিজেই হোটেলখনৰ নামটোও গাড়ীৰ চালকক ক'লে। আমি এটা প্ৰকাণ্ড ৫ মহলীয়া পকাঘৰৰ মুখত নামিলো আৰু এখন দোলা (lift)ৰ সহায়ত ওপৰ মহলালৈ গ'লো। আমাৰ কোঠাটো বেচ আহল-বহল আৰু বতাহ চলাচল কৰাৰ সুবিধাজনক আছিল। তেতিয়া মই আমাৰ কোঠাৰ আগেদি যোৱা ঠেক বাৰাণ্ডাৰ ফালে আহি তললৈ চালে। ৰাস্তাৰ মানুহবিলাকক তেনেই সৰু সৰু মানুহ কিছুমান বাটেদি বগাই ফুৰা যেনহে দেখিলো। আমি সেই ফৰাছি যুৱকজনক ধন্যবাদ জনালো তেওঁক আমি তাত থকা তিনিওদিন আমাৰ লগতে থাকি আমাৰ আলহি হৈ আমাক পেৰিছখন দেখুৱাবলৈ আৰু সেইদিনা আমাৰ লগতে মধ্যাহ্ন ভোজন কৰিবলৈ লগ ল'লো। তেওঁ সকলোবিলাক মানি ললে পিছে ৰাতিহে হোটেলত নুশুৱে বুলি ক'লে। তেওঁৰ এই সন্মতি আমাৰ বাবে গ্ৰহনযোগ্য হ'ল আৰু তেৰোঁ ভালদৰে আমাৰ সকলো কাম কৰিলে। আমি পেৰিছৰ চাবলগীয়া বহুত বস্তু যেনে— আইফেল টাৱাৰ, বহুত স্মৃতিসৌধ, যিবিলাকৰ ভিত্তিত (basis) মুক্তি, সমতা, ভ্ৰাতৃত্ববোধ আদি সোণালি আখৰেৰে খোদিত কৰা আছে চালো। তাত এখন বিদ্যালয় দেখিলো যিখনৰ এক অংশহুপ্ৰথম মহাসমৰৰ সময়ত জাৰ্মানবিলাকে ৭০ মাইল দূৰৰপৰা বোমাৰে ভাঙি থোৱা দেখা পালো। সেই বিদ্যালয় চলি থাকোতেই বোমা পেলাই শ্ৰেণীকোঠাতে বহুতো ল'ৰা-ছোৱালীক হত্যা কৰিছিল। ফৰাছি মানুহবিলাক বৰ আমোদপ্ৰিয় যেন লাগিল। সন্ধ্যাৰ লগে লগেই যেন গোটেই মানুহবিলাক ৰাস্তালৈ জাক পাতি ওলাই যায়। হাঁহি-মাতি কথা পাতে, ফুৰে বা নাট্যমঞ্চ বা চিনেমা গৃহলৈ গৈ চিনেমা উপভোগ কৰে। অৱশ্যে তেতিয়া কেৱল নিৰ্বাক চলচিত্ৰহে আছিল। সেই সময়ত সবাক চলচিত্ৰ নাছিলেই। প্ৰথম দিনা মই আৰু ফৰাছি যুৱকজন যন্ত্ৰচালিত দোলাত (lift) উঠি তললৈ নামি ৰাস্তাত কেইগজমান যাওঁতেই আমাৰ বিপৰীত

দিশৰ পৰা এজনী ধুনীয়া সাজ-পাৰ পিন্ধা যুৱতীয়ে আমাৰ ওচৰলৈ হাঁহিমাৰি আগবাঢ়ি আহি মই হুঁপি থকা চিগাৰেট এটা বিচাৰি হাতখন আগবঢ়াই দিলে। মই দৌৰাদৌৰিকৈ জেপৰ পৰা চিগাৰেটৰ বাকচটো উলিয়াই তাইলৈ আগবঢ়াই দিলো। তাৰ বাকচটোৰ পৰা চিগাৰেট এটা লৈ মোৰ হাতৰ জ্বলি থকা চিগাৰেটত চিগাৰেটটো জ্বলাই লৈ মূৰতো জোকাৰি বিদায় লৈ গুচি গ'ল। সেইদিনাই আমি গধূলি চলচিত্ৰ চাই ৮.৩০ বজাত হোটেললৈ উভটি আহিলো। ফৰাচি যুৱকজনে ৰাতি আমাৰ পৰা বিদায় লৈ গ'ল। আকৌ পিছদিনা পুৱা চাহ খোৱাৰ সময়ত উপস্থিত হ'ল। আমি পেৰিছৰ চালচলন স্ফূৰ্তি-তামাচা দেখি যথেষ্ট গধুৰ মন আৰু আশাভৰা চাৱনিৰেই পেৰিছৰ পৰা বিদায় লৈ বুলগানলৈ বুলি আবেলি ৰে'লেৰে যাত্ৰা কৰিলো। ফ্ৰান্সৰ এই তটৰেখীয়া নগৰখনৰ পৰা ইংলেণ্ডৰ ফকষ্টনলৈ (ইংলেণ্ডৰ দক্ষিণ উপকূলত অৱস্থিত) ইংলিছ কেনেলেদি ভাপনাও চলিয়ে থাকে। ফৰাছি যুৱকজনো আমাৰ লগতে আহি আমি ভাপ নাৱত উঠাৰ পিছতহে বিদায় ল'লে। তেওঁৰ বিদায় পৰ্বটো আমাৰ আটাইৰ বাবে ইমান দুখ দায়ক আছিল যে আমাৰ আটাইৰ চকু সেমেকি গৈছিল আৰু আন্তৰিকতাৰে আলিংগন কৰিহে বিদায় লৈছিলো। আমিও আমাক সহায় কৰাৰ বাবে যুৱকজনক যথেষ্ট মাননি দিছিলো।

ভাপ নাওখন যথেষ্ট সৰু এশ ফুট মানৰহে আছিল আৰু ওপৰৰ ডেকটো ৮ ফুট (৮×৮) ৮ ফুটৰ, এটা সৰু কোঠা তলৰ ফালে আছিল। বহিবৰ বাবেও মাত্ৰ দুই এখন বেঞ্চৰ বাদে একো সুবিধা নাছিল। তাত প্ৰায় এশ যাত্ৰী আছিল আৰু অত্যুৎসাহী আৰু উদণ্ড কিছুমানে ডেকৰ ওপৰত উঠি গান গাই, নাচি এটা ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছিল। হাছান ইমাম মহোদয়ে তেওঁৰ পত্নী যদিও ইংলিছ মহিলা তথাপি কেইদিনমান আগতে সমুদ্ৰপীড়াত আক্ৰান্ত হোৱা বাবে বিপদৰ আশংকা কৰি কোঠাটো ভাড়া কৰি লৈছিল। ইমাম ডাঙৰীয়াই যদিও কোঠাত বহাৰ বা থিয় হোৱা তেনে একো সুবিধাই নাছিল কোঠাটো তেনে সৰু আৰু তেওঁৰ পত্নীয়ে কম্বল এখন পাৰি সৰু গাৰু এটা লৈ কোঠাৰ মজিয়াতে শুই আছিল তথাপি আমাৰ ভাৰতীয় ৮/৯ জনক তেওঁৰ কোঠালৈ মাতি নিছিল। আমিও তাতে থিয় হ'বৰ বাবে খাপ খোৱাই লৈছিলো। তেওঁ আমাক সতৰ্ক কৰি কৈছিল যদিহে কোনোবাই পীড়া অনুভৱ কৰে তেওঁৰ লগত লৈ যোৱা ব্ৰেণ্ডিৰ বটলটোৰ পৰা অলপ ব্ৰেণ্ডি খাই দি এই অসুখৰ পৰা পৰিত্ৰাণৰ ব্যৱস্থা কৰিব লাগিব। তলৰ ডেকত পাল ডাঙৰীয়াই ভৰিৰ কাষত বিছনাপত্ৰ আৰু কাপোৰৰ পেৰাটো থৈ কোঠাটোৰ বেৰত পিঠিতো হেঁচা মাৰি থৈ স্থিৰ আৰু সাহসীভাৱে থিয় দি আছিল। কিন্তু অলপ সময়ৰ পিছতে ভাপ নাওখন এনেদৰে জোকাৰ খাবলৈ ধৰিলে যে তাত তলৰ ডেকত থকা মহিলাসকলে বমি কৰিবলৈ ধৰিলে আৰু মুৰ্চ্ছিত হৈ নাৱৰ তলিখনত

বাগৰি পৰি গ'ল। মিষ্টাৰ পালৰ অৱস্থা মহিলাসকলৰ বমি হজম নোহোৱা ভাতৰ দুৰ্গন্ধৰ মাজত পৰি অতি অভাৱনীয়ভাৱে দুখ লগা হৈছিল।

ইমামৰ পত্নীয়ে ওকালিয়াই বমি কৰো কৰো অৱস্থা হৈছিল যদিও নিয়মিত সময়ৰ মূৰে মূৰে ব্ৰেণ্ডি খুৱাই থকাৰ বাবে কোনোমতে বমি নকৰাকৈ আছিল। মুকলি সাগৰত আমাৰ নাও উপস্থিত হোৱাৰ পিছত এই অৱস্থাৰ শাম কাটিলে। আমি সন্ধ্যা সাত বজাত দক্ষিণ উপকূলৰ ফকষ্টোনত উপস্থিত হ'লো। মই, বৰদলৈ আৰু ছাত্ৰজনে পুৱা ৬ বজাত লণ্ডনলৈ যাবলগীয়া দ্বিতীয় ৰে'লখনৰ একেটা দবাতে যাত্ৰা কৰিলো। মিষ্টাৰ পাল আৰু বাকীসকল আমাৰ আগৰ ৰে'লত গ'ল। আমি ৯ বজাত ভিক্টোৰীয়া আস্থানত উপস্থিত হ'লো। আমি তাত পাল আৰু তেখেতৰ পুত্ৰ নিৰঞ্জন পালে ৰে'ল প্লেটফৰ্মত আমাৰ বাবে বৈ থকা দেখিবলৈ পালো। আমি ৰে'লৰ পৰা নমাৰ পিছতে পালে আমাক তেখেতৰ পুতেকৰ লগত পৰিচয় কৰাই দিলে। আমি তেওঁৰ লগত কৰমৰ্দন কৰিলো। যুৱক পালে আমাক জনালে যে তেওঁ দেউতাক আৰু আমাৰ বাবে এগৰাকী ঘৰৰ মালিকনীৰ পৰা এটা আহল-বহল ভূমি মহলাৰ কোঠা বন্দৱস্ত কৰি থৈছিল। তাত সকলো সা-সুবিধাও আছিল। ডেকা পালে সেইটো আমাৰ তিনিজনৰ বাবে যথেষ্ট সুবিধাজনক হ'ব বুলি ক'লে। আমাৰ সৰু-সুৰা বস্তুবিলাক লৈ ডাঙৰ টোপোলাবোৰ মাল কঢ়িওৱা গাড়ীৰ পৰা নমাই ক্লক ৰূমতে থৈ আমাক সেই মহিলাগৰাকীৰ কোঠালৈ লৈ গ'ল। সেই ঘৰটো ৱাৰঅ'ইক পথৰ দাঁতিত ১০ নম্বৰ হলি প্লেছৰ এটা তিনিমহলীয়া ঘৰ। পথৰ পৰা বেছি সোমোৱা নহয়। মহিলাগৰাকী পকা চুলিয়া বেছ শকত-আবত যদিও কৰ্মঠ আৰু বৰ অতিথি পৰায়ন আছিল। মানুহগৰাকীৰ স্বামীজনৰো চুলি পকা, ছোৱালী তিনিজনী। ডাঙৰজনী ২২ বছৰীয়া, দ্বিতীয়জনীয়ে দিবা বিদ্যালয়ত পঢ়ে। তাই ১৪ বছৰীয়া আৰু সৰুজনী ৫/৬ বছৰীয়া মানৰ হ'ব। মালিকনীয়ে জীয়েকহঁতৰ সহায়ত মোলৈ আৰু বৰদলৈলৈ দুখন সৰু বিছনা (cots) যোগাৰ কৰি দিলে আৰু দুইখন নিয়মিত দূৰত্বত পাতি দিলে। তেওঁ আমাক ৰাতিৰ ভাল আহাৰকে খাবলৈ দিলে আৰু আমি খাই বৈ যাত্ৰাৰ ভাগৰ মাৰিবলৈ শুই পৰিলো। ৰাতিটো ভালকৈয়ে পাৰ হ'ল। পুৱা বিছনাৰ পৰা উঠি আমি প্ৰাতঃকৰ্ম কৰাৰ অন্তত আমাক মাখন দিয়া সেকা পাওৰুটি আৰু চাহ খাবলৈ দিলে। আমি তিনিও মিলি আলোচনা কৰি সিদ্ধান্ত ল'লো যে মই আৰু বৰদলৈ গৈ আমি তাত উপস্থিত হোৱা বুলি জনাওঁ গৈ। যিহেতু ছেলব'ৰ্ণ কমিটীৰ বৈঠক চলিয়ে আছে। তাত গৈ জনাওঁ গৈ। কিন্তু সেইদিনা শনিবাৰ আৰু পিছদিনা ৰবিবাৰ বাবে সেইদিনা বৈ দিলো। আমি সেই দুইদিন আশ-পাশৰ দৃশ্য উপভোগ কৰি কটালো। আমাক পুৱাৰ প্ৰাচ্য-পাশ্চাত্যৰ সংমিশ্ৰিত ধৰণৰ যেনে— ভাত, দাইল,

পিঁয়াজ, মাংস, মাছ, কণী আদি খাদ্য দিলে। খাদ্যবিলাকো বেচ সুস্বাদু আছিল। ২৪ আগষ্টৰ দিনা আমি আমাৰ প্ৰয়োজনীয় কাম সমাপণ কৰি প্ৰায় ১০ বজাত এখন ভাড়াগাড়ী লৈ আমাৰ গন্তব্য স্থানলৈ অগ্নিপৰীক্ষাৰ বাবে যাত্ৰা কৰিলো। আমি ১৫ মিনিটমানৰ পিছতে হাউছ অব পাৰ্লিয়ামেণ্টৰ সন্মুখত উপস্থিত হ'লো আৰু চন্তৰি আৰু প্ৰদৰ্শকৰ (guides) সহায়ত য'ত কমিটী বহি আছে সেই ঠাইত উপস্থিত হ'লো। আমি তাত বহুত ভাৰতীয় পুৰুষ-মহিলা বাহিৰত বৈ থকা দেখা পালো। সেই ঠাইৰপৰা অলপ আঁতৰত থকা টেমচ নৈখনৰ ওপৰৰ তিনিখনমান দলং দেখা পালো। আমি মানুহ ফালি আগবাঢ়ি যাওঁতে বৰ্তমান স্বৰ্গীয় সুৰেন্দ্ৰ নাথ বেনাৰ্জীক কমিটীত তেখেতৰ পৰীক্ষা শেষ কৰি ওলাই আহোঁতে লগ পালো। কমিটীৰ সম্পাদকে সেইদিনাই ৪.৩০ বজাত আমাৰ সাক্ষ্য ল'ব বুলি আনুষ্ঠানিকভাৱে জনালে। আমি সম্পাদকক ভাৰত চৰকাৰে শেহতীয়াকৈ পঠোৱা কাগজ-পত্ৰ দি আৰু ছাৰ আৰ্চদেল আৰ্লৰ সাক্ষীত্বৰ কথাও জনাই আমাক সহায় কৰিবলৈ কোৱাত তেৰোঁ সন্মতি প্ৰকাশ কৰিলে আৰু আমাক ওচৰৰে কোঠা এটালৈ লৈ গ'ল। কোঠাটো টোকা প্ৰস্তুত (Record room) কৰা কোঠা যেনহে অনুভৱ হ'ল। কোঠাটোত জাপ জাপ নথি পত্ৰেৰে ভৰি আছিল। আমি তাৰ পৰাই ভাৰত চৰকাৰে ভাৰতৰ পুনৰ সংশোধন সম্পৰ্কীয় কাগজ-পত্ৰবিলাক লৰালৰিকৈ বিচাৰি ল'লো। এইদৰে নথিপত্ৰেৰে সজ্জিত হৈ অসম এছ'চিয়েচনৰ প্ৰতিনিধি হৈ আমি ৪.৩০ বজাত সম্পাদকৰ পিছে পিছে বলিৰ পঠা যোৱা দি দুয়ো সভা ঘৰলৈ (Hall) সোমাই গ'লো। এইদৰে আগুৱাই গৈ আমি অশ্বখুৰা আকৃতিৰ মেজ এখন আগুৰি ছেলব'ৰ্ণৰ অধ্যক্ষতাত বহি থকা কমিটীৰ সদস্যসকলক প্ৰণাম জনালোগৈ। ছেলব'ৰ্ণৰ বাওঁফালে লৰ্ড এছ পি সিংহা আৰু তেওঁৰ ওচৰতে মণ্টেগ' বহিছিল। তেওঁৰ সোঁফালে লৰ্ড ইছলিংটন আৰু আনবিলাক বহিছিল। অধ্যক্ষ মহোদয়ে কোঠাটোৰ মাজত অধ্যক্ষৰ পৰা ১৫ ফুটমান দূৰত থকা আমাৰ আসন গ্ৰহণ কৰিবলৈ ইংগিত (backoned) দিলে। পিছে অধ্যক্ষই আমাক অসম এছ'চিয়েচনে পঠোৱা কাগজপত্ৰবিলাক ছেলব'ৰ্ণ কমিটীৰ পৰিৱৰ্তে ভাৰতৰ দেশবিলাকৰ কমিটীৰ সম্পাদকৰ বাবে পঠোৱা বুলিহে ক'লে। আৰু সেইকাৰণেই সেই কাগজ-পত্ৰবোৰ ফটা কাগজ-পেলোৱা ঠাইত পেলাই দিলে বুলিও ক'লে। তেওঁ আৰু ক'লে বোলে যিহেতু অধিৱেশনৰ কাৰ্যকালৰ সেইদিনাই শেষদিন আছিল গতিকে অহা অক্টোবৰ মাহত পুনৰ অধিৱেশন বহালৈকে আমাৰ সাক্ষ্য দিবলৈ ৰ'ব লাগিব। কথা শুনি আমাৰ মূৰত বিনা মেঘে বজ্ৰপাত হোৱা যেন লাগিল। বুকুৰ কঁপনি উঠি মুখ শেঁতা পৰি গ'ল আৰু অসম এছ'চিয়েচনৰ স্মাৰক-পত্ৰখনহে মূল লক্ষ্য (anchor) আছিল। এতিয়া আমি মুখৰেই সেই স্মাৰকপত্ৰৰ কথাখিনি প্ৰস্তুত কৰিব

লাগিব বুলি বুজিব পাৰিলো। বৰদলৈয়ে মোলৈ মৌন দৃষ্টি নিক্ষেপ কৰিলে আৰু ময়ো সৰু সৰু মাতেৰে তেতিয়াই তেখেতক সেই মুহূৰ্ততে আমি সাক্ষ্য দিব লাগি বুলি পুনৰ ক'লো আৰু পুনৰ অধিৱেশন বহোতেই আমাৰ আবেদনখন দিম বুলি ক'লো। বৰদলৈক আকৌ স্মাৰকপত্ৰ প্ৰস্তুত কৰিব লাগিব বুলি ক'লো। বৰদলৈৱেও তাকে ভাবিয়ে কমিটীত দৃঢ় কণ্ঠেৰে জনালে বোলে যিহেতু সেই স্মাৰকপত্ৰখনেই আমাৰ মুলভেটি আছিল যাৰ ওপৰত আমি সাক্ষ্যদান কৰিব লাগিব এতিয়া সেইখন পেলাই দিয়াত আমাৰ ভৰিৰ তলৰ মাটিখিনিয়ে আঁতৰি গ'ল আমি এতিয়া ক'ত ভৰি থ'ম বুলি। তেখেতৰ কথা শুনি তাত এটা মৃদু হাঁহিৰ ঢৌ বাগৰি গ'ল। সিংহাও ইয়াত অংশগ্ৰহণ কৰিছিল। সদস্যসকলৰ ভাব-ভংগীয়ে বৰদলৈৰ অলপ আগতে দমি যোৱা মনলৈ বিশ্বাস ঘূৰাই আনিলে। তেখেতে সহজভাৱেই সেইসময়ৰ অসমৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অৱক্ষয়িত অৱস্থাৰ কথা ক'লে আৰু অসমত সেই সময়ত চলি থকা মালিকীৰাজ (plantars Raj) আৰু দমনমূলক শাসন যে চলি আছে আনকি অসমৰ চিফ কমিছনাৰ বিটচন বেলে সদ্য অৱসৰপ্ৰাপ্ত লেজিচলেটিভ কাউন্সিলৰ এক্সট্ৰা এছিচটেণ্ট কমিছনাৰ ফণিধৰ চলিহাকো পদাঘাট কৰা আদি সকলো কথা ক'লে। এয়া কেৱল ছলিহাকে নহয় সকলো অসমীয়াকে কৰা অৱজ্ঞা বুলি ক'লে। বৰদলৈৰ এই কথাখিনি কমিটীৰ সদস্যসকলে আগ্ৰহেৰে শুনিলে আৰু অতি আশ্চৰ্যভাৱেৰে ইজনে-সিজনলৈ চালে। তেখেতে প্ৰায় ৪৫ মিনিট সময় সাৱলিলভাৱেই এই কথাবিলাক বহলাই কৈ বহিবলৈ অনুমতি ল'লে। আইচলিংটনে লগে লগেই মোলৈ চাই অসমৰ সাক্ষৰতা, শিক্ষাৰ ব্যৱস্থাপনাৰ লগতে তিনিটাৰ (three Rs.R) (1.Redical = সংস্কাৰ 2. Republic = প্ৰজাতন্ত্ৰ 3. Response = সহাঁৰিৰ বিষয়ে সুধিলে। মই অতি কম চৰকাৰী সাহাৰ্য্য আৰু অভাৱ কাৰ্যকৰী শিক্ষাৰে শিক্ষিত মানুহ কম আৰু প্ৰাথমিক বিদ্যালয়ৰ অভাৱ স্বত্বেও ভাৰতৰ অন্য ৰাজ্যবিলাকৰ তুলনতা অসমৰ সাক্ষৰতাৰ হাৰ যথেষ্টই বুলিব লাগিব বুলি ক'লো। এনেকি সেইসময়ত সাক্ষৰতাৰ হাৰ তুলনামূলকভাৱে যথেষ্ট বেছি থকা ত্ৰিবাংগুৰ কোচিনৰ লগতে অসমকো ৰিজাব পৰা যাব বুলিও ক'লো। ইয়াৰ মূল কাৰণ হৈছে সেইসময়ত ভাৰতৰ অন্য ৰাজ্যৰ তুলনতা অসমৰ জনসংখ্যা যথেষ্ট তলত আছে। মোৰ ভাগৰ কথাখিনি কৈ মই বহি পৰিলো। কেইমিনিটমানৰ পিছতে আসনৰ পৰা অধ্যক্ষই আসন ত্যাগ কৰিলে আৰু কমিটী ভংগ হ'ল। এই কাৰ্যই আমাক মূল দায়িত্বৰ যথেষ্ট কাষ চপাই নিলে আমি প্ৰচপেৰোৰ পৰিজনীৰ দৰে অনুভৱ কৰিলো আৰু আমাৰ কাম সিদ্ধি হোৱা যেন লগাত আমি উৰিব বা দৌৰিব পৰা হ'লো বুলি অনুভৱ কৰিলো।

দ্য আসাম ডেলিগেচন টু দ্য জইন্ট পাৰ্লিয়ামেণ্টৰী কমিটী

এদিন নে দুদিনৰ পিছতে আমি মণ্টেগ'ৰ কাৰ্যালয়লৈ গৈ তেওঁৰ লগত কথা পাতিলো। তেওঁ পুনৰ বৰদলৈক ফণিধৰ ছলিহাৰ ঘটনাটোৰ বিষয়ে সুধিলে। তেখেতে সমগ্ৰ ঘটনাটো অকণো লুকধাক নকৰাকৈ বৰ্ণালে আৰু লগতে অসমৰ মানুহৰ মনত কেনেকৈ অপমানবোধ হ'ল তাকো জনালে। মণ্টেগ'ৱে কিছু সময় বিমৰ্ষভাৱে মৌন হৈ ৰ'ল আৰু সেই সময়তেই বিটছন বেলৰ যে আসন্নভাৱে টালি-টোপোলা বান্ধি গীৰ্জাৰ পুৰোহিতৰ ক্ৰছ আৰু গাউনেৰে বিদায় লোৱাৰ সময় সমাগত বুলি বুজিব পাৰিলো। মিষ্টাৰ মণ্টেগ'ৱে আমাৰ কথাৰ প্ৰকাশভংগীক প্ৰশংসা কৰিলে আৰু লাঅ'নেল কাৰ্টিছে ভাৰতৰ আন্দোলন আৰু সমসাময়িক ঘটনাপ্ৰবাহৰ বিষয়ে লিখা কিতাপ এখন আমাক উপহাৰ দিলে। তেওঁ আমাক ছেলৰ'ৰ্ণ কমিটী বহাৰ লগে লগে পেচ কৰিবৰ বাবে এখন আৰ্জি সাৱধানে প্ৰস্তুত কৰি থ'বলৈও ক'লে। তেওঁ আৰু ক'লে বোলে আমি প্ৰায় সফল হৈছোৱে কিন্তু সেইখিনিকে আবেদনখনত সবল ভেটিত প্ৰতিষ্ঠা কৰিব লাগিব। আমি তেওঁৰ লগত প্ৰায় ৪৫ মিনিট কথা পাতিলো আৰু তেওঁক লগ কৰিবলৈ সুবিধা দিয়াৰ বাবে আৰু আমাৰ কৰ্তব্যত আগুৱাবৰ বাবে বহুমূলীয়া উপদেশৰ বাবে আন্তৰিক ধন্যবাদ জনালো। তেওঁক সহৃদয়তাৰে কৰমৰ্দন কৰি আমি বিদায় ল'লো।

সদ্যপ্ৰয়াত ভূপেন্দ্ৰ নাথ বসু তেতিয়া ষ্টেট কাউন্সিলৰ সম্পাদক আছিল আৰু আমি তেখেতৰ হোৱাইট হাউচত থকা কাৰ্যালয়লৈ প্ৰায়ে গৈ কেতিয়াবা এঘণ্টা, কেতিয়াবা দুঘণ্টা পৰ্যন্ত বিভিন্ন বিষয়ৰ কথা পাতিছিলোঁগৈ। তেখেত এজন অতি ভদ্ৰ অমায়িক সহানুভূতিশীল মানুহ আছিল। বয়সৰ বাবে তেখেতৰ দাড়ী-চুলি পকিছিল যদিও তেখেতৰ আন্তৰিকতাৰ বাবে আমি তেখেতৰ লগত লুক-ধাক নকৰাকৈয়ে কথা পাতিব পাৰিছিলো। আমি তেখেতৰ ব্যক্তিত্বৰ বাবে সাহপাই তেখেতৰ কাৰ্যালয়টো ভয়হীন আশ্ৰয়স্থল বুলি ধৰি লৈছিলো।

আমি পাতাল ৰে'লেৰে আৰু ট্ৰামেৰে লণ্ডন আৰু ওচৰ-পাজৰৰ ঠাইবিলাকত ঘূৰি ফুৰিছিলো। পাতাল ৰে'লবিলাকক টিউব (Tubes) বুলিছিল আৰু মই বিশেষকৈ এই ৰে'লবিধকে ভাল পাইছিলো। কাৰণ এইবিলাকত গ'লে এটা বিশেষ কাৰণৰ বাহিৰে লক্ষ্য ভুল হোৱাৰ ভয় নাথাকে। অৱশ্যে এবাৰ বিজুলী চাকিৰ দিশ নিৰ্দেশনালৈ লক্ষ্য নকৰি মই বেলেগ এঠাইলৈ গ'লো যদিও পুনৰ আহি নিৰ্দিষ্ট থকা ঠাই পালোহি। এইটো এটা হাঁহিৰ খোৰাক হ'ল। মই হনলে নামৰ ঠাই এখনলৈ যাবলৈ গৈছিলো কাৰণ তাত ১৫ মিনিট সময় নিৰ্দিষ্ট মূল্য দিলে মানুহক বায়ুযানত (Airlift) ফুৰাই। মই বায়ুযানত উঠাৰ অভিজ্ঞতা আহৰণৰ ইচ্ছা কৰিছিলো। সেই সময়ত ইংলেণ্ডতো সেইটো বৰ জনপ্ৰিয় নাছিল, কিন্তু এই যাত্ৰাত মই ৰিডিং নামৰ আস্থান এটালৈ আগুৱাই লৈ যোৱাৰ

বাবে হতাশ হ'লো। মই পৰিচালকক সোধাত ক'লে বোলে মই আগুৱাই গ'লো বাবে জৰিমনা ভৰি অহা ঠাইলৈ উভতি যাবগৈ লাগিব।

আমাৰ সেই সময়ত অন্য কাম নথকা বাবে অসমৰ অৱসৰপ্ৰাপ্ত বিষয়াবিলাকৰ যিমানৰ যোগাযোগৰ ঠিকনা সংগ্ৰহ কৰিব পাৰো সেইসকলক লগ কৰি ফুৰিছিলো। আমি ছাৰ হেনৰি কটনৰ উকিল পুতেককো লগ কৰিছিলো। এখেতে আমাৰ বেণুধৰ ৰাজখোৱাৰ ককায়েক সূৰ্যধৰ ৰাজখোৱা হত্যাৰ গোচৰত সাঙুৰ খাই উকালতি কৰিবলৈ ডিব্ৰুগড়লৈও গৈছিল। তেখেতে দোষমুক্ত বুলি খালাচৰ আদেশ দিছিল। কটন আমাৰ বন্ধু স্বৰূপ আছিল আৰু আমাক ছেলবৰ্ণ কমিটীত দাখিল কৰিবলৈ লোৱা আবেদনখন লিখাত সহায় কৰি দিবলৈ গাত লৈছিল। আমি তিনিবছৰ আগতে অসমৰ চীফ কমিছনাৰ পদৰ পৰা অৱসৰ লোৱা আৰ্কডেল আললৈয়ো চিঠিৰে যোগাযোগ কৰিছিলো। তেখেতে ইষ্ট ইণ্ডিয়া ক্লাবতে নিৰ্দিষ্ট দিন এটা দি দহবজাত তেখেতক লগ কৰিবলৈ মাতিলে। আমি সেইমতে তালৈ গৈ আধাঘণ্টা অপেক্ষা কৰিবলগীয়া হ'ল। আমি তেখেতৰ হাতত এটা এটাচি বেগ লৈ চিৰিৰে নামি অহা দেখিলো। আমি দেখা পোৱাৰ লগে লগে চকুৰেই অভিবাদন জ্ঞাপন কৰিলো। আৰু তেখেতে আমাক নামাতো মানে অপেক্ষা কৰিবলৈ কৈ তেখেত সোমাই গ'ল। আমি অলপ সময় ৰোৱাৰ পিছতে তেখেতে আমাক ভিতৰলৈ মাতি নিলে। আমি তেতিয়ালৈকে কি কি কৰিলো আৰু কি কৰিবলৈ বাকী আছে সকলো তেখেতৰ আগত আন্তৰিকতাৰে বৰ্ণালো। তেখেতে আমি কথাবিলাক মানি ল'লে। আমি আধাঘণ্টামান কথা পাতি তেখেতৰ পৰা বৰ সৌহাদ্যপূৰ্ণভাৱে বিদায় ল'লো।

বৰদলৈয়ে অসম উপত্যকাৰ কমিছনাৰ আৰু অৱসৰপ্ৰাপ্ত জাজ মিষ্টাৰ মেলিটাচলৈ এখন চিঠি দিছিল। তেখেতে বৰদলৈদেৱক অকলে গৈ মেলিটাচ ডাঙৰীয়াক ব্ৰাইটনৰ গৃহত লগ ধৰিবলৈ ক'লে। ব্ৰাইটন হৈছে সাগৰৰ পাৰৰ এটা বিখ্যাত নিৱাসস্থল (Resort) য'লৈ মানুহ প্ৰায়ে গৈ স্থান পৰিৱৰ্তনৰ আনন্দ উপভোগ কৰেগৈ। বৰদলৈ তালৈ গৈ তেখেতক লগ কৰি বিভিন্ন বিষয়ৰ আলোচনা কৰি সন্ধ্যা উভতি আহিলগৈ।

আমি সেই সময়ত লণ্ডনত থকা কেইজনমান বিখ্যাত ভাৰতীয়কো লগ কৰিলো। আমি শংকৰ নায়াৰৰ ওচৰলৈ সঘনাই অহা-যোৱা কৰি আমাৰ স্মাৰক টোকাটো লিখিবলৈ দিহা-পৰামৰ্শ লৈছিলোগৈ।

আমি বাল গংগাধৰ তিলক, খপৰ্ড, মাধৱৰাও আদিকো সঘনাই লগ কৰিবলৈ পাহৰা নাছিলো। তেখেতসকলেও আমাৰ দায়িত্ব সাধনত যথেষ্ট সহায় কৰিছিল। আমাৰ সুদীৰ্ঘ সংগী পালে আমাৰ ঘৰৰ পৰা আঁতৰি গৈ ৰিজেণ্ট পাৰ্কত গৈ এটা এজনীয়া ঘৰত

থাকিবলৈ লৈছিল। আমি ইংলেণ্ডৰ পৰা উভতি আহোঁতেহে তেখেত পুনৰ আমাৰ সংগী হ'লহি। আমাৰ মালিকনীয়ে মোক আৰু বৰদলৈকো ওপৰ মহলাত দুটা এজনীয়া কোঠাৰ ব্যৱস্থা কৰি দিছিল। সেইকামটো আমাৰ বাবেও বৰ প্ৰশংসনীয় অনুভৱ হৈছিল। বৃটেইনটো বৃটিছ কংগ্ৰেছ কমিটীৰ এটা কাৰ্যালয় আছিল। সেইটো ১৪ নং হেনৰিতা ষ্ট্ৰীটত আছিল। সেই কাৰ্যালয়ৰ সভাপতি আছিল ডি চি বি ক্লাক আৰু জনকৈ ব্ৰিঝাৰ্ড আছিল তাৰ সম্পাদক। মিষ্টাৰ ডি জে পেটেল ভাৰতীয় জাতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক আছিল। তেখেতো তাত আছিলগৈ আৰু তেখেতে ওচৰতে ক'ৰবাত ঘৰ লৈছিলে। সেইবিলাকেই ভাৰতীয় ৰাজনৈতিক ধ্যান-ধাৰণাৰ মানুহবিলাকৰ বাবে সুবিধাজনক হৈছিল। ইয়াতেই মহম্মদ জিন্নাক তেখেতৰ পাৰ্চিয়ান ৰূপহী পত্নীৰ সৈতে পোন প্ৰথমবাৰৰ বাবে মই দেখিবলৈ পাইছিলো। মিষ্টাৰ পালে তাতো সদায় টেবুল এখনৰ এমূৰে এজাপ কাগজ আৰু কেইটামান ফাইল মেলি বহি থকাই দেখিছিলো। আমি প্ৰায়ে তালৈ গৈ ভাৰতীয় খবৰ কাকত-আলোচনী আদি পঢ়ি দুই-তিনিঘণ্টা সময় কটাইছিলো। সম্পাদক মিষ্টাৰ ব্ৰিজাৰ্ডৰ সঞ্চালনত সদায়ে তাত এটা কাৰ্যালয় চলিছিল। সেই কাৰ্যালয়তে মোৰ সমবয়সীয়া বাকীল নামৰ যুৱক এজনে কেৰানিৰ কাম কৰিছিল। আমাৰ প্ৰথম সাক্ষাততে দুয়োকে দুয়োৰে ভাল লাগিছিল আৰু বন্ধু হৈ পৰিছিলো। দিনে দিনে আমাৰ বন্ধুত্ব সুদৃঢ় হৈ পৰিছিল। আমি সঘনাই লগ হৈছিলো আৰু তেওঁৰ সাহাচৰ্যতে ইংলেণ্ডৰ প্ৰয়োজনীয় ঠাইবিলাক দৰ্শনো কৰিবলৈ গৈছিলো। তেওঁ বোম্বে বিশ্ববিদ্যালয়ৰ এজন মেধাৱী ছাত্ৰ আছিল আৰু স্নাতক পৰীক্ষাত শীৰ্ষস্থান লাভ কৰি ইংলেণ্ডত আই চি এছ পঢ়িবলৈ গৈছিল, কিন্তু দুৰ্ভাগ্যক্ৰমে তেওঁ দুবাৰ পৰীক্ষা দিওঁ অসফল হৈ কংগ্ৰেছ অফিচত চাকৰিটো লৈ ইনাৰ টেম্পূল নামে ঠাইত আইন অধ্যয়ন কৰিবলৈ ধৰিলে। তেওঁৰ জীৱনটো বৰ হতাশাপূৰ্ণ তিক্ততাভৰা আছিল। মই তেওঁ জীৱিত হৈ আছে নে নাই ইংলেণ্ডৰ পৰা অহাৰ পিছত একো খবৰ নাপাওঁ। এদিন তেওঁ মোক ইনাৰ টেম্পললৈ মধ্যাহ্ন ভোজনৰ বাবে লৈ গৈছিল। খোৱা হোৱাৰ পিছত তেওঁ মোক শ্ৰেণীকোঠা এটালৈ লৈ গ'ল। তাত মই টপামূৰীয়া দাঁড়ি পকা এজন বিখ্যাত অধ্যাপকক দেখা পোৱাৰ সুবিধা পালো। তেখেতেই আইনৰ ওপৰত বক্তব্য ৰাখিব। বাকীল মোক প্ৰৱেশ পথৰ দাঁতিত একাষৰীয়াকৈ থিয় কৰি থৈছিল। অধ্যাপকজন আমাৰ কাষ পাওঁতে তেওঁ মোক তেখেতৰ লগত পৰিচয় কৰাই দিলে। তেখেতে মোক কৰমৰ্দন কৰি শ্ৰেণীকোঠাৰ ভিতৰলৈ মাতি নিলে। শ্ৰেণীত তেখেতে 'Law of Evidence'ৰ বিষয়ে বক্তব্য ৰাখিব লগা আছিল। শ্ৰেণীকোঠাটো ছাত্ৰ আৰু বিভিন্ন বয়সৰ বাহিৰা শ্ৰোতাৰে ভৰি আছিল। মই দেখিছিলো বয়সস্থ মানুহবিলাকেও তাত হাতত টোকাবহী আৰু পেন্সিল লৈ বহি আছিল। বক্তৃতাটোৰে মানুহৰ ওপৰত এনে

প্ৰভাৱ পেলাইছিল যে সকলো শ্ৰোতাই গভীৰ আগ্ৰহ আৰু মনোযোগেৰে শুনি আছিল। মোৰ এনে ভাব হৈছিল মই যেন Law of Evidenceৰ জানিবলগীয়া প্ৰায়বিলাকেই তাত শিক্ষা পালো। অধ্যাপকজনে ৪৫ মিনিটৰ পিছত ভাষণ সামৰিলে আৰু সকলো দিহা-দিহি যাবলৈ উঠিলে। মই আৰু বাকীলে তেখেতক ওলাই যাবলৈ লওঁতেই পুনৰ সাক্ষাৎ কৰিলো আৰু এনে এটা মূল্যৱান ভাষণ দিয়া বাবে ধন্যবাদ জনালো। আমি তেখেতক আন্তৰিকতাৰে কৰমৰ্দন কৰি বিদায় ল'লো। মই বাকীলক মোৰ ইংলেণ্ডত থকা অধিকাংশ সময়ে মোৰ বাবে বন্ধুত্বপূৰ্ণ যুক্তিবাদেৰে পথ প্ৰদৰ্শক হোৱাটো বিনাদ্বিধাৰে মানি ল'বই লাগিব।

ছেপ্তেম্বৰ মাহত মিষ্টাৰ এছ এন চৌধুৰী, বাৰ এট ল আৰু মেকপাৰা (Mchpara) জমিদাৰী অংশীদাৰ আমাক লগ কৰিবলৈ আমাৰ ১০ নম্বৰ হাউলি প্লেচত থকা ভাড়াকোঠালৈ আহিছিল। তেখেতে প্ৰায়ে আমাৰ ওচৰলৈ আহি বিভিন্ন বিষয়ে বিশেষকৈ অসম সম্পৰ্কে আৰু আমাৰ ওপৰত ন্যস্ত কৰা কামৰ বিষয়েও কথা পাতিছিল। তেখেত এজন আদৰ্শ অসমীয়া ভদ্ৰ মানুহ। তেখেত অভিজ্ঞতাপূৰ্ণ চাল-চলনেৰে চকুত লগা ব্যক্তি আছিল। তেনেদৰে হাঁহি-ফুৰ্তি কৰা ৰঙিয়াল ব্যক্তিও আছিল। তেখেত আমাৰ ওচৰলৈ আহিলেই প্ৰায়ে আবেলি দৃশ্য উপভোগৰ বাবে আমাক ফুৰাবলৈ লৈ গৈছিল।

তেখেত হামাৰাস্মিথৰ এটা তলৰ মহলাত দুটানে তিনিটা কোঠালৈ আছিল আৰু তেখেতৰ তালৈ আমাক দুপৰীয়াৰ আহাৰৰ বাবে এদিন মাতি নিছিল। চৌধুৰীয়ে এগৰাকী ইংৰাজ মহিলাক বিয়া কৰাইছিল। তেওঁ নিজ হাতে আমাক সুন্দৰ এটা মধ্যাহ্ন ভোজন বনাই খুৱালে। আমি খাই উঠোতেই তেখেতসকলৰ ১১ বছৰীয়া ছোৱালীজনী মধ্যাহ্ন লঘু আহাৰৰ বাবে শ্ৰেণীৰ পৰা আহি আমাৰ আগত উপস্থিত হ'ল। আমি তাইৰ লগত মৰমেৰে কথা পাতিলো আৰু তাইও তেনেদৰেই আমাৰ কথালৈ মনোযোগ দিলে।

আমি ৰাগ্‌বিত অভিযান্ত্ৰিক মহাবিদ্যালয়ত ইলেক্টিকেল ইঞ্জিনীয়াৰিঙত পঢ়ি থকা ডিব্ৰুগড়ৰ উকিল সদানন্দ দুৱৰাৰ ভায়েক বিদানন্দ দুৱৰাকো তাত লগ পালো। তেওঁ প্ৰায়ে আমাৰ ওচৰলৈ আহিছিল। যিহেতু তেওঁ আমাৰ ঘৰৰ ওচৰৰ মানুহ গতিকে তেওঁক লগ পাই আমি বেচ উল্লাসিত হৈ পৰিছিলো। তেওঁ আমাৰ ওচৰলৈ আহিলেই মোৰ আলহি হৈছিল। মই মালিকনীক কৈ তেওঁলৈ বিছনা আৰু ভোজনৰ ব্যৱস্থা কৰিছিলো। তেওঁ বৰ চিগাৰেট হুপি ভাল পাইছিল। তেওঁক চেইন স্মকাৰ বুলিবই পাৰি। তেওঁ আনকি ৰাতিও কেতিয়াবা সাৰ পালেই দুই-তিনিবাৰ মান চিগাৰেট হুপিছিল। মিষ্টাৰ পেৰীয়ে এদিন হঠাতে বাটত বৰদলৈক লগ পাই মোকো লগ কৰিবলৈ আমাৰ

তালৈ আহিছিল। পিছত বৰদলৈৰে ক'লে বোলে তেওঁ বৰদলৈৰ পৰা অলপ টকা ধাৰলৈ লৈছিল আৰু বাটত লগ পাওঁতে ধাৰটো মাৰি দিলে।

মিষ্টাৰ বালীকে যেতিয়াই মোক লগ পাই তেতিয়াই মোক আচৰিত কৰি সংগ্ৰাহালয়লৈ লৈ গৈছিল। মই তাত দেখিছিলো যে প্ৰায়ে বিদ্যানুষ্ঠানৰ ল'ৰা-ছোৱালীক বিশেষকৈ ছোৱালীক শ্ৰেণী শিক্ষকে লৈ গৈ প্ৰস্তযুগৰ আৰু ধাতুৰ যুগৰ বস্তুবিলাক দেখুৱাইছিল। মই ল'ৰা-ছোৱালীবিলাকক তেওঁলোকৰ মনত চাপ পেলাব পৰা বয়সতে বস্তু দেখুৱাই শিক্ষা দিয়া পদ্ধতিটোৰ (কিণ্ডাৰ গাৰ্ডেন পদ্ধতি) প্ৰতি বৰ আগ্ৰহশীল হৈছিলো। সকলোৱে আমাৰ দেশৰ আৰু ইংলেণ্ডৰ শিক্ষা পদ্ধতিৰ পাৰ্থক্য এইখিনিতেই বুজিব পাৰিব। আমাৰ ইয়াৰ ছাত্ৰৰ জীৱনৰ ৯০ শতাংশয়ে মায়া মৰিচিকা খেদৰ নিচিনাহে।

মই এইখিনিতে মোৰ দুখলগা অভিজ্ঞতা এটাৰ কথা উনুকিয়াব খুজিছো। বালীকে মোক ছেষ্টাচাবাৰ এভেনিউত এটা নাট্যমঞ্চত নাটকৰ কৰ্মশালা এটা দেখুৱাবলৈ লৈ গৈছিল। অনুষ্ঠানটোৰ নাম আছিল ব্লৰ্ড অব্ পেৰেডাইজ। আমি মানুহৰ সমদলৰ হাত সাৰিবলৈ আৰু বহাৰ আসন পাবৰ বাবে অলপ আগতীয়াকৈ যাবলগীয়া হৈছিল। তাৰ কাৰণ হৈছে এই মঞ্চটো প্ৰায়ে মানুহেৰে ভৰি থাকে। নাটক শেষ হোৱাৰ লগে লগে আমি চাহ, ভাতৰ দোকানত সোমাই খাদ্য খাই (টিউব) পাতাল ৰে'লত উঠি থকা ঠাইলৈ উভতি আহিলো। বালীক মোতকৈ দুই-তিনিটা ষ্টেচন আগুৱাই গৈহে নামিব। মই নামি গৈ ঘৰ পালো। দুৱাৰৰ ঘণ্টা টিপিছোহে টিপিছো কোনো সঁহাৰি নাপালো। মই দুৱাৰৰ পিতলৰ হাতমাৰি ডাল বৰ জোৰেৰে জোকাৰিবলৈ ধৰিলো; কিন্তু ভিতৰৰ পৰা কোনো সঁহাৰি নাপালো। বাৰাণ্ডাৰ কাষৰ মুকলি ঠাইলৈ ওলাই আহি বৰদলৈক চিঞৰি চিঞৰি মাতিবলৈ ধৰিলো; কিন্তু কি আচৰিত তেতিয়াওঁ ভিতৰৰ পৰা একো সঁহাৰি নাপালো। মই হতাশ হৈ দুৱাৰৰ ফালে মুখ কৰি বাৰাণ্ডাৰ চুকতে বহি পৰিলো। ঠাণ্ডা ৰাতি আঁৰ-বেৰ নোহোৱা ঠাইত কিনো কৰো একো ভাবি নাপালো। মই কিংকৰ্তব্যবিমূঢ় হৈ চৌহদৰ বাহিৰলৈ ওলাই আহিলো আৰু ৰাস্তাত কেইখোজমান দিওঁতেই এজন আৰক্ষী লোকক লগ পালো। তেওঁৰ হাতত সৰু চুঙাচাকি (torch light) এটা আছিল। মই তেওঁৰ কাষ চাপি গ'লো আৰু লুক-ঢাক নকৰাকৈ সকলো কথা ক'লো। আৰু লগতে ক'লো যে মই তাৰ অপৰিচিত ব্যক্তি। তেওঁ মোক পুনৰ চৌহদৰ ভিতৰলৈ লৈ আহিল আৰু দুৱাৰৰ (calling bell) সঁহাৰিসূচক টিলিঙাটো জোৰে জোৰে বজালে। তাৰ পিছত হাতমাৰি ডাল জোৰেৰে জোকাৰি দিলে। কোনো সঁহাৰি নাপাই তেওঁ মোক সেই ঠাইত থকা যিকোনো এটা অতিথিশালাত আশ্ৰয় ল'বলৈ পৰমৰ্শ দিলে। মই ওলাই গৈ কেইখনমান অতিথিশালাত ভুমুকীয়ালো; কিন্তু মোৰেই দুৰ্ভাগ্য এখনো

অতিথিশালাও খোলা নাপালো। মই আকৌ আমাৰ থকা ঘৰলৈ ঘূৰি আহি চিঞৰি চিঞৰি বৰদলৈক মাতিবলৈ ধৰিলো। তেতিয়া মই পুনৰ হাতমাৰি ডল ইমান জোৰেৰে আজুৰিলো যে হাতমাৰি ডাল এৰাই মোৰ হাতলৈ গুচি আহিল। মই কিছু দেৰি থৰ হৈ ৰৈ ইয়াৰ পৰিণাম মালিকনীৰ পৰা কেনে হ'ব ভাবি থৰ হৈ ৰ'লো। পিছত মই ঘৰৰ চৌহদৰ পৰা ওলাই আহিলো। হতাশা আৰু বিষাদপূৰ্ণ অন্তৰেৰে পাউল প্লেছৰ পিছফালে থকা এটা নাৱেৰে পাৰাপাৰ হোৱা সুঁতিৰ দলং এখনত থিয় দিলোহি। অলপ সময় থিয় দি থাকি হাতমাৰি ডাল সুঁতিটোলৈ দলিয়াই দিলো। হঠাতে কাষতে থকা পোড়িংটন নামৰ ৰে'লষ্টেচনৰ কথা মনত পৰাত মই তালৈ গ'লো। সেইটো এটা সংযোগী আস্থান আছিল বাবে যথেষ্ট ডাঙৰ আছিল যদিও মোৰেই দুৰ্ভাগ্য জিৰণি কোঠাবিলাক যাত্ৰীৰে ঠাহ খাই আছিল। তেনেদৰে যাত্ৰীপূৰ্ণ দেখিও ভয় নকৰি মোৰ দেহাটো পেলাই দিব পৰাকৈ ঠাই অকণ বিচাৰিবলৈ ধৰিলো। প্ৰথম চেষ্টাত বিফল হ'লো যদিও মই বিচাৰি বিচাৰি অকণমান বিশ্ৰমাৰ ঠাই দেখা পালো। তাৰ আধা অংশ অধিকাৰ কৰি এজন মানুহে নাক ঘূৰ-ঘূৰাই শুই থকা বাবে তাৰে বাকী থকা অংশ লৰা-লৰিকৈ মই অধিকাৰ কৰি ল'লো। মই মানুহজনৰ বিপৰীত দিশে মূৰ কৰি শুই দিলো। এইদৰেই মই আধা টোপনিমাৰি ৰাতিপুৱাৰ লগে লগে আমাৰ থকা ঘৰলৈ গ'লো। মই ঘৰ পায়েই মালিকনীৰ বৰ জীয়েকৰ মুখা-মুখি হ'লো। তেওঁ মই কিয় হাতমাৰি ভাঙিলো বুলি টানকৈ কথা শুনালে। মই ক'লো ভাঙিব লগা হ'ল বাবে ভাঙিলো। এইদৰেই বাদানুবাদ কৰি থাকোতেই বৰদলৈ আহি মধ্যস্থতা কৰাত বিষয়টো নিষ্পত্তি হ'ল যেনিবা। অৱশ্যে মাহেকীয়া হিচাপত হাতমাৰিৰ দামটো কাটি ল'লে। ময়ো অৱশ্যে দিয়াত হেহোঁ-নেহোঁ নকৰিলো। মোৰ লণ্ডনত থকা সময়ৰ এইটো এটা দুখজনক অভিজ্ঞতা। ইয়াৰ লগত সংপৃক্ত হৈ থকা ভয়েৰে সৈতে এইটো চিৰস্মৰণীয় হৈ আছে।

মোৰ ব্যক্তিগতভাৱে সংঘটিত হোৱা সকলো কথাকে মই এখন দিনলিপিৰ বহীত পেঞ্চিলেৰে লিখি ৰাখিছিলো। তাত এই দৰকাৰী কাম-কাজৰ কথাও লিখি ৰাখিছিলো। মই এইখন মোৰ লিখা মেজত বহুত দিনলৈকে থৈ দিছিলো। ১৯৩৪ চনত মই চাৰিমাহৰ বাবে স্বাস্থ্য নিৱাসত থাকিবলৈ বুলি বাহিৰলৈ যাওঁতে কোনো এজনে মোৰ লিখা মেজৰ বাকচটো খুলি এইখন পেলাই দিলে। মই উভটি আহি এইখনৰ খবৰ কৰা নাছিলো। আমাৰ গুদাম ঘৰৰ চুক এটাত বেয়া কাগজ পেলোৱা এটা কাগজৰ বাকচ আছিল। তাত পুৰণি খবৰ কাগজ, আলোচনী, পেলনীয়া ফটা কাগজ দ'ম হৈ আছিল। মই ঘূৰি আহি সেই দিনলিপিখনৰ কথা পাহৰি আছিলো। কিছুদিনৰ পিছত আমাৰ ঘৰৰ কোনোবা এজনে এই অজেয় দুৰ্গত পৰুৱাৰ সমদলটোৱে আক্ৰমণ কৰা দেখা পালে। মই

আমাৰ ঘৰৰ কাম কৰা মানুহ এটাক সেই বাকচটো মুকলিলৈ আমি ৰ'দত থ'বলৈ ক'লো। মই দেখিলো অলপ কাগজৰ মাজে মাজে প্ৰায় বিলাকতে পৰুৱাই দ'ম দ'ম মাটি তুলি নষ্ট কৰি থৈছে। যিখিনিত মাটি তোলা নাই সেইখিনিও একেবাৰে সেমেকি আছে। মই হঠাতে ইমান দিনে খা-খবৰ নকৰা দিনলিপিৰ বহীখন দেখা পালো। মই দেখিলো মাত্ৰ কেইখিলামান পাতহে ভালে আছে। প্ৰায়বিলাকতেই মাটি তুলি আৰু সেমেকি গৈ নষ্ট হৈ চিনিব নোৱাৰা হৈ গ'ল। মই যত্নেৰে সেইখিনি শুকাবলৈ দিলো। মই আমাৰ লণ্ডনত থকা সময়ৰ সকলো কথা বহলাই লিখি দিলো। অৱশ্যে যিখিনি মোৰ স্মৃতিৰ মণিকোঠাত পাহৰিব নোৱাৰাকৈ সাঁচ বহি বহি আছিল। সেইখিনিহে লিপিবদ্ধ কৰিলো।

কিন্তু মই জড়িত হৈ থকা আমাৰ দেশৰ ৰাজনৈতিক বিদ্ৰোহৰ বুৰঞ্জীৰ কথা লিখিবলৈ যত্ন কৰা নাছিলো। এই কাহিনীটো হৈ যোৱা এপুৰুষ প্ৰায় পাৰ হৈ গ'ল আৰু সম্ভৱ এই কথাখিনি এটা অব্যক্ত অধ্যায় হৈয়ে সম্ভৱ আমাৰ ভৱিষ্যত প্ৰজন্ম আৰু অনাগত প্ৰজন্মৰ বাবে অলিখিত অধ্যায় হৈয়ে ৰ'লহেতেঁন; সিদিনাখন মাত্ৰ মহাদেৱ শৰ্মাৰ অনুৰোধতহে মই লণ্ডনলৈ প্ৰতিনিধি হৈ যোৱাৰ বিষয়ে লিখিবলৈ এটা আৰ্হি লিখি উলিয়ালো। তেওঁক চৰকাৰে অসমৰ কংগ্ৰেছৰ আন্দোলনৰ বিষয়ে প্ৰথম আৰম্ভণিৰে পৰা লিখিবলৈ কোৱাত মই তেওঁক ক'লো যে মই ইয়াৰ যথাসাধ্য দাড়ি-কমা বাদ নিদিয়াকৈ লিখিবলৈ চেষ্টা কৰিম যদিহে মোৰ স্বাস্থ্যই টানে। তেওঁ এজন দেহে-কেহে খটা কংগ্ৰেছ কৰ্মী আৰু নিৰৱ কৰ্মী আছিল। সেয়ে তেওঁক চৰকাৰে কংগ্ৰেছ আন্দোলনৰ বিষয়ে লিখিবলৈ দিছিল।

শৰ্মাই মোক এই মাহৰ প্ৰথম সপ্তাহতে এমাহ নৰীয়াত শয্যাগত হৈ থকাৰ পিছত ৬৫ বছৰ বয়সত এই দায়িত্ব দিয়াত মই কৈছিলো মোৰ সেই দুৰ্বল অৱস্থাত বহুতো মানসিক চাপ পৰিব নেকি। এই আটাইবিলাক অসুবিধাই আগুৰি থকা সত্বেও মই লিখিম বুলি কথা দিলো আৰু এই মাহৰে ১৯ তাৰিখৰ পৰা লিখিবলৈ আৰম্ভ কৰিলো আৰু লিখি আছো। মই পূৰ্বতেই কৈছো যে মোৰ বৰ্ণনাখিনি যদিও মই মনত পেলাইহে লিখিছো মই কিন্তু ন দি ক'ব পাৰো যে মোৰ স্মৃতিশক্তি এতিয়ালৈকে ঠিকেই আছে বাবে মই অলপো বঢ়াই-টুটাই লিখা নাই।

মই এতিয়া মোৰ দিনলিপিৰ বাকী থকা পাতখিনিৰ পৰা সহায় লৈ ঘটনাবিলাক যথাযথ দিবলৈ চেষ্টা কৰিছো।

১। ৫ ছেপ্তেম্বৰ, ১৯১৯ মিষ্টাৰ আয়েংগাৰে প্ৰতিনিধিবিলাকক (বৰদলৈ, পাল আৰু মোকো নিমন্ত্ৰণ কৰিছিল) তেখেতে আমাক গেটিচ ভোজনালয়ত (Resturant) দুপৰীয়াৰ

আহাৰ খুৱালে। শ্ৰীযুতা নাইডু (সৰোজনী) আৰু শ্ৰীযুতা দীপ নৰান সিঙো তাত উপস্থিত আছিল।

২। ৭ ছেপ্তেম্বৰ, ১৯১৯ (১৯৯০ লিখা আছে) বৰদলৈ, পাল আৰু মই ৱেলচৰ কাৰ্ডিফলৈ গৈছিলো। আমি ১২.৩০ত পেডিংটন টাউনৰ পৰা যাত্ৰা কৰি সন্ধ্যা প্ৰায় ৫.৩০ত কাৰ্ডিফ পালোগৈ। আমি তাত শ্ৰমিক সংগঠনৰ বহুতো প্ৰতিনিধিক লগ পালো। তাতে আমাক চাহ দোকান এখনলৈ লৈ গৈ চাহ খুৱালে। তাৰ পৰা আমি ভাড়াগাড়ী এখন লৈ কমনগ্ৰীনলৈ গৈ এখন মুকলি মঞ্চৰ সভাত মিলিত হ'লো। আমি এটা ওখ-ভেটিতে অধ্যক্ষৰে সৈতে একেলগেই বহিলো। পাল মহোদয়ে তেখেতৰ স্বাভাৱিক বাগ্মীতাৰে ১.৩০ ঘণ্টাৰ এটা দীঘল ভাষণ দিলে। তাৰ পিছতে বৰদলৈয়ে কিছু ক'লে আৰু তেখেতৰ পিছতে মই ক'বলৈ ল'লো। মই দৰ্শকসকলে আমাক সুদীৰ্ঘ ছহেজাৰ মাইল দূৰৰ পৰা গৈ ভয়ানক ৰাজনৈতিক দুৰ্বলতাৰ কথা জনাবলৈ প্ৰতিনিধি হৈ গৈছো আৰু (Lords and commands)ৰ আগত তেওঁলোকেই কৰা সেই অত্যাচাৰৰ পৰা মুক্তি আৰু ন্যায় তেওঁলোকৰ পৰাই বিচাৰিবলগীয়া হৈছে। এইবিলাক কোৱাৰ পিছত মই বহাৰ লগে লগে উদ্যম হাত চাপৰি পৰিল। বৰদলৈ আৰু পালে বেকত কৰিব নোৱাৰা ধৰনৰ আনন্দিত হ'ল। সময় বাঢ়ি যোৱা বাবে সভাপতিয়ে চমু ভাষণ এটা দি আমাক ধন্যবাদ জনাই কাৰ্যসূচী সমাপ্ত কৰিলে। আমি অতিথিশাললৈ (Hotel) আহিলো। তেতিয়া ৯ বাজিল। আমি নিশাৰ আহাৰ গ্ৰহণ কৰি শুই পৰিলো।

পিছদিনা আগবেলা ৯.৩০ বজাত আমি কাৰ্ডিফ এৰি ১০.৩০ বজাত ৰে'ল সলাবৰ বাবে ব্ৰিষ্টলত নামিলোগৈ। ৰে'ল ষ্টেচনৰ ওচৰৰে চাহ-ভাতৰ দোকান এখনত পুৱাৰ আহাৰ খাই লণ্ডন অভিমুখে ৰে'লত উঠি দুই বজাত আহি উপস্থিত হ'লো।

পূৰ্বে বৰ্ণনা কৰা সভাখন ব্ৰিটিছ কংগ্ৰেছে আহ্বান কৰা নাছিল কিন্তু শেষৰ ফালে I.N.C (আই এন চি)ৰ অধ্যক্ষ ক্লাৰ্ক সাধাৰণ সম্পাদকদ্বয় ব্লিজাৰ্ড আৰু ৱকীল আই এন চিৰ সাধাৰণ সম্পাদক তেওঁলোকৰ সামাজক বিভাগৰ (Social Cirles) কিছু গন্য-মান্য লোকৰ ৰাজনৈতিক মতাদৰ্শৰ বিষয়ে ইংলেণ্ড আৰু স্কটলেণ্ডৰ বেলেগ বেলেগ ঠাইত কংগ্ৰেছী আৰু অকংগ্ৰেছী লোকক এদল এদল কৈ মাতি নিছিল। সেই দলবিলাকত ড° ক্লাৰ্ক, মিষ্টাৰ ব্লিজাৰ্ড, মিষ্টাৰ পাল, মিষ্টাৰ ৱাকীল, শ্ৰীমতী সৰোজনী নাইডু, মিষ্টাৰ খপৰ্ড, মাধ ৰাও, সন্মানী মহিশুৰৰ অৱসৰপ্ৰাপ্ত দেৱান মই আৰু কোনো কোনো ঠাইলৈ মিষ্টাৰ আয়েংগাৰকো মাতিছিল। এই লগবিলাক বৰ আনন্দদায়ক আছিল আৰু মোৰ উৎসাহৰ সীমা চেৰাই গৈছিল। বৰদলৈৰে পিছলৈ দৰ্খাস্ত লিখিবলৈ সময়ৰ অভাৱ হ'ব বুলি সভালৈ নহাকৈ ৰৈ দিছিল।

৩) ১২ ছেপ্তেম্বৰত মই আৰু আয়েংগাৰে চাহ পৰ্ব শেষ কৰি ১০ হেনৰিতা ষ্ট্ৰীটত থকা ব্ৰিটিছ কংগ্ৰেছ অফিচলৈ এখন ভাড়া গাড়ী লৈ গৈছিলো। তাতে কিছু কাগজপত্ৰ চাই আমি ভোজনালয় এখনত দিনৰ আহাৰ খাবলৈ গ'লো। পুনৰ খাই উঠি সেই অফিচলৈকে গ'লো আৰু তাৰ পৰা পেটেল পৰিয়াল, খৰ্পডা আৰু ব্লিজাৰ্ডেৰে সৈতে ৱাটাৰলু ষ্টেচনলৈ গ'লো। তাত শ্ৰীমতী নাইডু আৰু মাধৰাওৰে প্ৰায় দুই বজাত ষ্টেচনতে লগ হ'লা। তাৰ পৰা দুই বজাত ৰে'লত উঠি সাগৰৰ পাৰৰ বৰ্ণমাউথ নামৰ নগৰখনলৈ গ'লো। আমি ৫.৩০টাত উপস্থিত হ'লো। আমাৰ এই যাত্ৰাৰ দায়িত্বত থকা ব্লিজাৰ্ডে মোকে আয়েংগাৰকে সাগৰৰ পাৰতে থকা ওৱাভোলি নামৰ অতিথিশালা (Hotel)লৈ পঠালে আৰু বাকীসকলৰ শ্ৰীমতী হিউৰ্ফডমচ হললৈ পঠালে। আমি অতিথিশালাৰ পৰা সৰুগাড়ী (Cab) এখন লৈ ছেইন্ট পিটাৰ হললৈ গ'লো। তাত এখন সভা আছিল। সেই পেটেল দম্পতী, মাধৰাও, শ্ৰীমতী নাইডু, আৰু খৰ্পডাই ভাষণ দিছিল। শ্ৰতা বৰ চকুত পৰাকৈ কম আছিল। মাত্ৰ পুৰুষ মহিলা মিলি ৭০ কি ৮০ জনমানহে হ'ব। শ্ৰীমতী নাইডুৱে ইমান উদাত্ত আৰু বাকপটুতাৰে ভাষণ দিছিল যে আধাঘণ্টা সময় দৰ্শকবিলাক বিস্ময় বিমুগ্ধভাৱে ৰৈ আছিল আৰু জাউৰিয়ে জাউৰিয়ে প্ৰশংসা কৰিছিল। শ্ৰীমতী নাইডুৰ ভাষণটো অপূৰ্ব চমৎকাৰ আছিল। শব্দবিলাক যেন অকণো বিৰাম নোহোৱাকৈ বাগৰিহে পৰিছিল। দৰ্শকসকলে এগৰাকী ভাৰতীয় মহিলাই তেওঁলোকৰ অৰ্থাৎ ইংৰাজসকলৰ মাতৃভাষাটো ইমান মোহনীয়ভাৱে সলসলীয়াকৈ কোৱা দেখি আচৰিত হৈছিল। ভাষণটো ধেমেলীয়া ধৰনেৰে আগবঢ়াই নিয়াত অতি শ্ৰুতিমধুৰো আছিল আৰু তেওঁক অতি উল্লাসিত ধৰণেৰে হৰ্ষোল্লাষ জনালে। এজন ধৰ্মযাজকে তেওঁক (নাইডুক) বহুত প্ৰশংসা কৰিলে। তেওঁৰ ভাষণৰ পিছত বাকীখিনি গতানুগতিক আছিল। মিষ্টাৰ খৰ্পডে ফুচুৰি ভাষাৰে কৈছিল। অৱশ্যে তেওঁক Mark Twain বুলিয়ে মানুহৰ মাজত জনাজাত আছিল। সভাখন ৯.৩০ বজাত ভংগ হ'ল। ব্লিজাৰ্ড দম্পতী, আয়েংগাৰ আৰু মই আমাৰ সাগৰৰ পাৰৰ নিৱাসলৈ খোকাঢ়ি আহিলো। বাকীসকলে ভাড়াগাড়ীৰে গ'ল। মই শ্ৰীমতী নাইডুক আয়েংগাৰে গেটিত আয়োজন কৰা চাহ মেলত (Tea Party) দেখা পাইছিলো। তেওঁ উপস্থিত সকলোলৈকে কটাক্ষ পাত কৰি মিচিকিয়াই হাঁহি মাৰি মোহনীয়াভাৱে কথা কৈছিল। মই তেওঁক সেই একেলগে কৰা যাত্ৰাৰ সময়তহে ভালকৈ চিনি পাইছিলো। মিষ্টাৰ ব্লিজাৰ্ড যিজনে এই ভ্ৰমনৰ দায়িত্বত আছিল। তেখেতে তেওঁক ধেমালিতে (Women in the Blue) নীলা মহিলা বুলিছিল। কাৰণ তেওঁ ঈষৎ নীলা শাৰীহে সাধাৰণতে পিন্ধিছিল। ১৩ ছেপ্তেম্বৰ, ১৯১৯ত চাহ খাই লৈ আমি অৰ্থাৎ আয়েংগাৰ আৰু মই এখন সৰু গাড়ী লৈ (Cab) শ্ৰীমতী

হিউমৰ তালৈ আমাৰ লগৰ বিলাকক দেখা কৰিবলৈ গৈছিলো। আমি গৈ পাওঁতে সকলোৱে ওলাই যাবলৈ সাজু হৈছিল। মাধৱাও আৰু খৰ্পড একেলগে গ'ল। শ্ৰীমতী নাইডু, পেটেল, আয়েংগাৰ আৰু মই এখন সৰু গাড়ী (Cab) ল'লো। আমি প্ৰায় এক বজালৈকে নগৰখন ঘুমুটিয়াই চালো। পিছে ভোক লগাত মধ্যাহ্ন ভোজনৰ বাবে এখন ভোজনালয়লৈ গ'লো। দুৰ্ভাগ্যক্ৰমে সেই ভোজনালয়ত খালী ঠাই নেদেখি ওচৰৰে আন এখন ভোজনালয়লৈ গ'লো আৰু ভালকৈ এপেটকৈ খালোগৈ। নাইডুৱে অলপ দিনৰ আগতে তেওঁৰ আয়োজন কৰা চাহ মেললৈ মোক নমতা বাবে ক্ষমা খুজিলে। সেইবাবে তেওঁ মোকে আয়েংগাৰকে মধ্যাহ্ন ভোজনৰ তেওঁৰ অতিথি হ'বলৈ অনুৰোধ কৰিলে আৰু আমিও সন্মত হ'লো।

আমি খাই উঠি গ্ৰীডম হলত ৩ বজাত হ'বলগীয়া এখন সভাত মিলিত হ'বলৈ গ'লো। তাত পুৰুষ-মহিলা সৰ্বমুঠ ২০ জন মান মানুহ গাটখোৱা দেখি আমি যথেষ্ট হতাশ হ'লো। আমি প্ৰত্যেককে কিবা-কিবি, ইটো-সিটো বিষয়ে দুই-চাৰি আষাৰ ক'বলৈ ক'লো। কোনেও ভাষণ হিচাপে একো দিয়া নাছিল। দৰ্শকসকলক ভাৰতৰ ঘটনাৰাজিৰ বিষয়ে প্ৰশ্ন কৰিবলৈ কোৱা হৈছিল। কোনেও বিশেষ জৰুৰী প্ৰশ্ন কৰা নাছিল। সভাখন এঘণ্টাতে ভংগ হ'ল। আমি শ্ৰীমতী হিউমৰ যিগৰাকীয়ে আমাৰ সকলো দায়িত্ব লৈছিল, তেওঁৰ তাতে চাহ খালো। মই আৰু আয়েংগাৰে চাহ মেলৰ পৰা সাগৰৰ পাৰে পাৰে খোজকাঢ়িয়ে ৬ মান বজাত গুচি আহিলো। আমি আহি থাকোতে আয়েংগাৰে দেখাত ধাত্ৰীৰ নিচিনা গাঁৱলীয়া মহিলা এগৰাকীয়ে কেঁচুৱা এটা লৈ থকা দেখা পালে। মহিলাগৰাকী ৰেঙুনৰ পৰা মালিক-মালিকনীৰ সৈতে গৈছিল।

আমি সাগৰৰ পাৰে পাৰে বহুত দূৰ খোজকাঢ়িলো আৰু প্ৰায় ৮ বজাত আমাৰ অতিথিশাললৈ উভতি আহি আহাৰ খাই শুই থাকিলো। ১৪ ছেপ্তেম্বৰ ৰবিবাৰে সোনকালে পুৱাৰ আহাৰ কৰি আয়েংগাৰ তেওঁৰ সভা এখনত ভাষণ দিবলগীয়া আছিল বাবে গ'লগৈ। মই সাগৰৰ পাৰে পাৰে ভ্ৰমিবলৈ গ'লো। মই দুঠাইত সাগৰত পানীৰ কাষতে বহিবৰ বাবে পাৰি থোৱা তক্তাত জিৰণি লৈছিলো। মই প্ৰায়ে দুঘণ্টা থাকি অতিথিশালালৈ উভতি আহিলো। মই এটা অতি নিকৃষ্ট মধ্যাহ্ন আহাৰ গ্ৰহণ কৰি অতিথিশালাৰ দিবলগীয়া টকা পৰিশোধ কৰি ৰে'লৰ আস্থানলৈ বুলি যাত্ৰা কৰিলো। আয়েংগাৰ পিছৰ ৰে'লত আহিবলগীয়া আছিল। যিহেতু তেওঁ সভা এখনত ভাষণ দিবলগা আছিল। মিষ্টাৰ খৰ্পডে সভাৰ ঠাইখন বিচাৰি নাপাই মোৰ লগতে ৰে'লেৰে উভতিবলৈ আহিলে। আমি পিছবেলা ৪ বজাত বৰ্ণমাউথ এৰিলো আৰু ৭বজাত ৱাটাৰলু পালোহি।

বৰ্ণমাউথ সাগৰৰ পাৰৰ এখন ধুনীয়া চহৰ। এখন-চাপৰ আৰু থিয় পৰ্বতেৰে

কেউফালে আগুৰা। সাগৰৰ পাৰবিলাকো বৰ সুন্দৰভাৱে পুৰুষ-মহিলা সকলোৰে বাবে স্নানৰ ব্যৱস্থাপনা থকা বাবে ৰাতিপুৱাৰ পৰা গধুলিলৈকে ল'ৰা-বুঢ়া সকলোৱে ঢৌৰ খেদাখেদি, খুন্দিয়া-খুন্দি চাই চিঞৰ-বাখৰ কৰি আনন্দমুখৰ কৰি থাকে। ক'বলৈ গ'লে এয়া এবিধ বৰ্ণাৰ নোৱাৰা ধৰণৰ জলকেলি বুলিব লাগিব।

১৫ৰ পৰা ২৫ ছেপ্তেম্বৰলৈকে মই প্ৰকৃতপক্ষে একেবাৰে অকৰ্মণ্যভাৱে ভাড়াঘৰতে (loding down) কটালো। ২৫ ছেপ্তেম্বৰত কংগ্ৰেছ কমিটীৰ কাৰ্যসূচীমতে মই পাল দম্পতী, পেটেল, খৰ্পড, শ্ৰীমতী নাইডু আৰু ব্ৰিজাৰ্ড নিউ কাচললৈ গৈ লেবাৰ সভাত ভাষণ ৰাখি এডিনবাৰ্গ ৰে'ল ষ্টেচনত লগ কৰিলো। আমি এডিনবাৰ্গৰ ঠাইবিলাক চাবলৈ গ'লো। এডিনবাৰ্গ গম্বুজটো মিডলথিয়ানৰ মাজভাগত (Heart of the Midlothian) আছে। সেই ঠাইখনতেই স্কটৰ ৰাণী মেৰীক ষড়যন্ত্ৰ কৰি হত্যা কৰা হৈছিল। স্কটৰ ৰজাৰ ৰাজকীয় বস্তুবিলাক (Regelias) আইনাৰ ডাঙৰ গম্বুজৰ ভিতৰত ৰখা আছে। আশ্চৰ্যকৰ প্ৰিন্সেচ ষ্ট্ৰীট আৰু এডিনবাৰ্গ ব্ৰীজ চালোগৈ। আমি নিউকাচলত ডীনক (অধ্যক্ষক) লগ কৰিলো আৰু তেখেতে আমাক চাহেৰে আপ্যায়িত কৰিলে।

২৬ আৰু ২৭ তাৰিখে আমি গ্লাছগ'ত আছিলো। ২৭ তাৰিখে মাজনিশা এটা ডাঙৰ ৰে'লৰ ধৰ্মঘট হৈছিল। এই ধৰ্মঘটে এনে সংকটঘটালে যে পিছদিনা পুৱা আমি চাহ খাওঁ বুলি নামি যাওঁতে পৰিচালিকাই জনালে যে চেনি আবণ্টনতহে পোৱা কৰিছে মাখন পাবলৈ নাইকিয়াই হ'ল। তাৰ ঠাইত এবিধ কৃত্ৰিম মাখন (margarine) হে দিয়া হ'ব। আমি যি পালো তাতে সন্তুষ্ট হ'লো। আমি ৰুকেন গিয়েন পাৰ্ক (Ruken Gien Park) যিখন মানুহে গঢ়া এখন আচৰিত ঠাই আছিল তাকো চালোগৈ।

আমি পেইৰলি আটামিলৰ গৰাকীৰ মিষ্টাৰ ব্ৰাউনৰ সন্ধ্যা আহাৰৰ বাবে নিমন্ত্ৰণ পাই পেইচলিলৈ গ'লো। তেখেত এজন ৮০ বছৰীয়া ভদ্ৰ বৃদ্ধলোক আছিল। তেখেতৰ দুজনী ছোৱালী বিয়া হোৱা নাই, ডাঙৰজনী ৫০ বছৰ মানৰ আৰু সৰু জনী ৩৫/৪০ বছৰীয়া হ'ব। বৰ ৰূপহী ছোৱালী, বৃদ্ধৰ পুতেকৰ ফালৰ নাতিনী এজনীও আছে। তায়ো তেতিয়া সেই মহাদেশতে আছিল। মই তাইক ভাত খোৱা ঘৰতহে দেখা পালো। তাইৰো সোঁতৰ কি ওঠৰ বছৰ হ'ব। ব্ৰাউন দম্পতী বৰ অমায়িক ভদ্ৰ মানুহ আছিল। আমি তাতে জুইৰ কাষত বহোঁতে সহজ ঘৰুৱা ভাব অনুভৱ কৰাবৰ বাবে যত্নৰ ত্ৰুটি কৰা নাছিল। আমি প্ৰায় তিনিঘণ্টা তাত আছিলো। আমি প্ৰায় আঠ বজাত ব্ৰাউনৰ সংগ ত্যাগ কৰি আমাৰ গ্লাছগ'ৰ অতিথিশালালৈ উভতি আহিলো।

পিছদিনা হিউমিনিটি প্লেচৰ গিৰ্জাৰ মিনিষ্টাৰৰ তাত চাহ খালো আৰু তেখেতৰ লগত বন্ধুভাৱেই ভাৰতৰ বিষয়ে কথা পাতিলো। আমি এঘণ্টাৰো ওপৰত তেখেতৰ

লগত কথা পাতিলো।

যিহেতু তেতিয়ালৈকে ৰে'লৰ ধৰ্মঘট উঠাই লোৱা নাছিল সেয়ে ৰে'লেৰে লণ্ডনলৈ যোৱা অসম্ভৱ। আমি বিকল্প হিচাপে সৰু ভাপ ইঞ্জিনেৰে ২৭ তাৰিখে গধূলি আয়াৰলেণ্ডলৈ গ'লো। আমি পিছদিনা পুৱা বেলফাষ্ট পালোগৈ। মিষ্টাৰ ব্লিজাৰ্ডে আমাৰ থকা-খোৱাৰ ব্যৱস্থা কৰিলে। আমি তাত ইফালে-সিফালে ঘূৰি আৰু ভু-ভা লৈ (Knocking about) ঠাই চাই ঘূৰি ফুৰিলো। ড° ক্লাৰ্ক, শ্ৰীমতী নাইডু আৰু মই এখন ডাঙৰ পাৰ্কত ফুৰিবলৈ গ'লো। পাৰ্কখন কৃত্ৰিম পাহাৰ, মালভূমি (dales) পানীৰ ধাৰা থোপাথুপে ফুলি থকা ভিন ভিন ৰং আৰু আকাৰৰ ফুলেৰে অতি মোহনীয় আছিল।

আমি ২৯ তাৰিখে আবেলি নাও এখন লৈ বেলফাষ্টৰ পৰা যাত্ৰা কৰি পিছদিনা পুৱা লিভাৰপুল পালোগৈ। ৰাতিটো আমি লিভাৰপুলতেই থাকিলো। ড° ক্লাৰ্কে আমাক ডাঙৰ লিভাৰ বিল্ডিং দেখুৱাবলৈ নিলে। লিভাৰ বিল্ডিংটো হৈছে দুটা ওচৰা-ওচৰিকৈ থকা স্কাই-স্কেপাৰ দুয়োটাৰে চূড়াত দুটা শিলেৰে নিৰ্মিত লিভাৰ পক্ষী (Liver Birds)। যিকেইটা তলৰ পৰা তেনেই অকণমানি যেন দেখা যায়। আমি বৈদ্যুতিক দোলাৰে পক্ষীকেইটাৰ ওচৰলৈ গৈ যেতিয়া ওচৰৰ পৰা চালো তেতিয়াহে চৰাইকেইটাৰ আকৃতি দেখি আচৰিত হ'লো।

আমি ১ অক্টোবৰত পুৱাই লিভাৰপুলৰ পৰা মানচেষ্টাৰলৈ ৰে'লেৰে গ'লো। ৰে'লখন ব্লেকলেগাৰে (Black Beggers) টানিছিল আৰু ডেৰঘণ্টাৰ বাটটোত তিনিঘণ্টা ল'লে। বাটত দুয়োকাষে ঠায়ে ঠায়ে জুমে জুমে পুৰুষ-মহিলা, ল'ৰা-ছোৱালীয়ে কনীৰ বাকলি, পচা-পাচলি আদি ৰে'ল টানি নিয়া মানুহকেইজনে আৰু ৰে'লখনলৈ দলিয়াই ঠাট্টা-মস্কৰা, হাঁহি-ফিচিঙালি কৰি জোকাইছিল। চালক আৰু ৰখীয়াকেইজন ধনী ঘৰৰ ভাল মানুহেই আছিল আৰু অবৈতানিকভাৱে এই কাম নকৰা হ'লে মানুহৰ বাবে বেহা-বেপাৰ কৰাত বৰ অসুবিধা হ'লহেঁতেন। যিহঁওক ১০ দিনৰ মূৰত ৰে'লৰ ধৰ্মঘটটো উঠাই ল'লে।

আমি মানচেষ্টাৰতে ৰাতিটোৰ কাৰণে ৰ'লো। ৰাতিটো আমি এটা অপৰিপাটি ব'ৰ্ডিঙত কটালো আৰু পিছদিনা পুৱা ন টাত ব্লেকলেগাৰে টনা ৰে'লেৰে লণ্ডনলৈ গ'লো। ৰে'লখন গুৰিয়ালে যেনে ইচ্ছা তেনেদৰেই দুই কাষৰ (মানুহৰ) সমদলৰ ফিচিঙা-ফিচিঙি, চিঞৰ-বাখৰৰ মাজেদি লেহেমীয়া গতিৰে চলাই নিছিল। সুৰংগ পথবিলাকৰ দুই মূৰে সশস্ত্ৰ প্ৰহৰীৰে দিনে-ৰাতিয়ে ৰখি আছিল। যি হওক সন্ধ্যা ৭ বজাত এটা ক্লান্তিকৰ ভ্ৰমণৰ অন্ত পৰিল। দূৰত্ব হিচাপে আচলতে মাত্ৰ তিনিঘণ্টাৰহে বাট।

মই লণ্ডন পাই বৰদলৈদেৰক বেচ সুস্থ অৱস্থাতে থকা দেখা পালো। তেখেতে

আমাৰ লগ আৰু সজ পৰামৰ্শদাতা চৌধুৰী আৰু এজন পাৰ্চিয়ান ডাক্তৰ পাচিকাকাৰ লগত ঠাইবিলাক চাই আৰু আমাৰ আগৰ লগবিলাকক লগ কৰি ঘূৰি ফুৰিছিল। পাচিকাকা এজন ডাক্তৰ আছিল। বৰদলৈৰ সমবয়সৰে আছিল আৰু লণ্ডনত ডাক্তৰি কৰি আছিল। ডাক্তৰজন স্ফুৰ্তিবাজ আৰু লণ্ডনৰ বহুদিনীয়া বাসিন্দা আছিল আৰু আমাক প্ৰয়োজনমতেই প্ৰায় কামতে সহায় সাহায্য আগবঢ়াইছিল। মই পাচিকাকাক মাজে সময়েহে লগ হৈছিলো কিন্তু বৰদলৈয়ে মোৰ বন্ধুবিলাকক আমি লণ্ডন এৰি নহাপৰ্যন্ত বন্ধুভাৱে পাইছিল।

ডাক্তৰ পাচিকাকাই মোক এদিন লণ্ডনৰ অলপ ভিতৰুৱা ঠাই এখনলৈ তেওঁৰ সম্পৰ্কীয় মানুহ এজনৰ ওচৰলৈ লৈ গৈছিল। মানুহজনৰ নাম ড° বাবা। তেওঁ সেই গাঁওখনৰ গীৰ্জাটোৰ ধৰ্মযাজক আছিল। ডাক্তৰ বাবাৰ চুলি পকিছিল যদিও তেতিয়ালৈকে অবিবাহিত আছিল। তেওঁ বৰ শিষ্টাচাৰী আৰু দয়ালু আছিল। আমি তেওঁৰ লগত আধাঘণ্টা বৰ আনন্দপূৰ্ণ সময় কটাই ছটা বজাত তেওঁক আন্তৰিকতাৰে কৰমৰ্দন কৰি বিদায় ল'লো। কাৰণ তেতিয়া তেওঁ গীৰ্জালৈ যাবলৈ সময় হৈছিল। তেওঁৰ গাৰ ৰং আৰু ব্যৱহাৰপাতিৰ পৰা ইংৰাজৰ পৰা পৃথক কৰা কঠিনেই বুলিব পাৰি। তেওঁৰ ঘৰটো এডোখৰ বকৰানিত আছিল। বাৰিৰ ভিতৰৰ ঘৰলৈ সোমাই যোৱা বাটটোৰ দুইকাষে ধুনীয়াকৈ কাটি থোৱা ঘাঁহনি আৰু সুন্দৰকৈ ফুলি থকা ফুলেৰে শোভিত হৈ আছিল।

মোৰ লণ্ডনত অনুপস্থিতিৰ সময়তে বৰদলৈয়ে আবেদনপত্ৰখন লিখি টাইপ কৰাই মোৰ দস্তখতৰ বাবে থৈ দিছিল। বৰদলৈয়ে কৈছিল আবেদনপত্ৰখন লিখি উঠি চাৰ শংকৰন নায়াৰ, টেগ বাহাদুৰ চোপ্ৰা, ভূপেন্দ্ৰ নাথ বসু আৰু বৰ বেছি বিখ্যাত নেহোৱা কেইজনমান লোকক দেখুৱাই তেখেতসকলৰ পৰামৰ্শক্ৰমে মাজে মাজে কিছু সাল-সলনি ঘটাই লিখি লৈহে টাইপ কৰাই থৈছে আৰু তেখেতে দস্তখত কৰিয়ে থৈছিল। মোৰ দস্তখত লৈয়ে পিছদিনাখনেই বৰদলৈয়ে আবেদনপত্ৰখন লৈ গৈ কমিটীৰ সম্পাদকক দিলেগৈ আৰু সম্পাদকে প্ৰাপ্তি স্বীকাৰ কৰি ৰচিদ এখনো দিলে। আমাৰ ন্যস্ত দায়িত্বৰ এই সুখকৰ পৰিসমাপ্তিৰ পিছত ইমান দিনে ভাৰ বৈ লৈ ফুৰা গধুৰ শিল এটাহে আমাৰ বুকুৰ পৰা সৰি পৰিল যেন লাগিল।

এইখিনি কৰাৰ পিছত আমাৰ ফুৰা-চকা কৰা চাবলগীয়া ওচৰ-পাজৰৰ ঠাই বিলাকলৈ টিউব ৰে'লেৰে গৈ চোৱা, ডাঙৰ-ডাঙৰ মানুহৰ সভা-সমিতিলৈ গৈ ভাষণ শুনাৰ বাহিৰে আন কাম নাছিল। লণ্ডনৰ দাঁতিঅলীয়া ঠাইবিলাক নগৰৰ চিঞৰ-বাখৰ, হাই-উৰুমি হাবি-জাবি নথকা শান্ত সমাহিত আছিল। গাঁৱলীয়া অঞ্চলত জেপত কম টকা থাকিলেও চাহ-ভাতৰ ব্যৱস্থা কৰাত কষ্ট নহয়।

তাৰে এদিন হাউচ অব্ কমনচৰ লেবাৰ সদস্য বেনচপৰ অনুমোদন ক্ৰমে হাউচ

অব্ কমনচনৰ ছেছন চলি থকা সময়তে আমি তাত সোমাবলৈ এটাকৈ টিকট পালো। মিষ্টাৰ বেনচপৰ সেই সময়ত হাউচ অব্ কমনচনৰ এজন লেবাৰ মেম্বাৰ, মিষ্টাৰ পেটেল, সাধাৰণ সম্পাদক মিষ্টাৰ স্পেৰ মিষ্টাৰ পেটেলেৰ বন্ধু হিচাবে আৰু কংগ্ৰেছ অফিচৰ সচৰাচৰ দৰ্শক আছিল। বেনচপৰক তেখেতৰ প্ৰিয়বন্ধু আৰু প্ৰায়ে লগ হ'বলৈ যোৱা পেটেলে আমাক প্ৰৱেশৰ বাবে অৱশ্যে অনুৰোধ কৰিছিল।

সেই আপাহতে আমি কাৰ্য্যকাল চলি থাকোতে হাউচ অব কমনচনত সোমাবলৈ পালো। পিছদিনা দুটা বজাত আমি হাউছ অব কমনচলৈ গ'লো। চন্তৰিক টিকট কেইটা দেখোৱালত আমাক সোমাবলৈ দিলে আৰু প্ৰথম শাৰীৰ আসনত বহিলোগৈ। আমি ব্ৰিটিছ সাম্ৰাজ্যৰ ভাগ্য নিৰ্ণায়ক কমিটীৰ কাৰ্যসূচীৰ পৰিক্ৰমা আগ্ৰহেৰে মন কৰি থাকিলো। আমি তিনিঘন্টাতকৈও কিছু দেৰিলৈকে থাকি তাৰ পৰা আমাৰ থকা ঠাইলৈ গুছি আহিলো। আমি তাত থকা সদস্য বিলাকৰ মাজত বহুত খেলি-মেলি দেখিছিলো। সদস্যবিলাক বিৰোধী বিলাকৰ মণ্ডপত সভাপতিৰ বাওঁফালৰ আসনত আৰু ট্ৰেজাৰীৰ সদস্যই সোঁ-ফালে থকা আসনত বহিছিল। কমিটীৰ কোনোবা এজন সদস্যই অনুমোদন নকৰিলে কোনোবা দৰ্শক আসনলৈ যাব নোৱাৰে।

সেই সময়ত অলপ দিনৰ আগতে স্বৰ্গী হোৱা মাননীয় শ্ৰী নিবাসন শাস্ত্ৰীক লগ পাইছিলো। তেখেত তাত (Prize Boy) প্ৰাইজ বয় বুলি বিখ্যাত আছিল যদিও ভাৰতীয়সকলে তেখেতক ভাল নাপাইছিল। কাৰণ তেখেতে ভাৰতীয়সকলক ভাল ব্যৱহাৰ কৰা নাছিল বাবে আমিও তেখেতক লগ কৰিবলৈ গলেও আমাৰ কামত সহায় নাপাম বুলি ভাবি লগ কৰিবলৈ নগলো। এদিন ৰাতিপুৱা তেখেতে ভাষন দিব লগা সভা এখনলৈ মই গৈছিলো। তেখেতে দক্ষিন ভাৰতীয় পাগুৰি মাৰিছিল, পেন্ট-কোট চোলা পিন্ধি ডিঙিলৈকে বুটাম মাৰি লৈছিল। তেখেত যথেষ্ট ওখ আছিল। তেখেতে প্ৰায় শলশলীয়াকৈ ভাষন দিছিল যদিও লণ্ডনৰ টাটা কোম্পানীৰ অফিচত কাম কৰা শক্লোথৱালাই হাউছ অৱ কম'নচৰ এটা ছিটৰ বাবে যত্ন কৰি আছিল। শাস্ত্ৰীয়ে তেখেতক খং কৰা নাছিল। মাত্ৰ দুই-এটা শব্দৰে কেতিয়াবা তেখেতক হয় সমৰ্থন কৰি অথবা প্ৰতিবাদ কৰি উৰুৱাই দিছিল। শাস্ত্ৰীয়ে এঘন্টা ভাষন দি ভাষন সামৰিলে।

আন এদিন লইড জৰ্জ (Lloyd George), ইংলেণ্ডৰ সেই সময়ৰ প্ৰধান মন্ত্ৰীয়ে দিয়া ভাষন এটা শুনিবলৈ মই গৈছিলো। তেখেতে ধেমেলীয়া ধৰণেৰে এঘন্টামান ভাষন দিছিল। মানুহবিলাকে তেখেতৰ ভাষন বৰ ভাল পাইছিল। দুই-চাৰিজনমান বিৰোধী দলৰ লোকেহে তেখেতৰ কথাৰ মাজত মাত মাতি আমনি দিছিল। মিষ্টাৰ শক্লোথৱালাই (Sakhathwala) কিন্তু বৰ ইতিকিং সূচক ভাষাৰে লইড

জৰ্জক নিন্দা কৰিছিল।

কিছুদিনৰ আগতে স্বৰ্গী হোৱা লৰ্ড লেন্সবেৰী ভাৰতৰ শুভাকাংক্ষী আছিল। তেখেত বয়সীয়াল আছিল আৰু হাউছ অব কমন'ছৰ লেবাৰ সদস্য আছিল। তেখেতে হাউছ পাৰ্কত আবেলি আবেলি প্ৰায়ে সভাত ভাষন দিছিল। মই প্ৰায়ে সেই সভা বিলাকত উপস্থিত আছিলো। বিদ্যানন্দ দুৱৰাই তেখেতক খুব প্ৰশংসা কৰিছিল আৰু প্ৰায়ে তেখেতৰ লগো লৈছিল। দুৱৰাদেৱে এদিন জৰ্জৰ হাইবেৰীত থকা ঘৰলৈ মোকো লৈ গৈছিল। কিন্তু মোৰেই দুৰ্ভাগ্য তেখেতক লগ নাপালো। আমি দুখমনেৰে ঘূৰি আহিলো।

আমাৰ হাতত কৰিব লগীয়া একো নথকা বাবে সময়বিলাক নিচিন্ত মনেৰে একো ধৰাবন্ধা কাম নকৰাকৈয়ে পাৰ কৰিছিলো। আমি থিয়েটাৰ উপভোগ কৰি সময় কটাই ভাল পাইছিলো। লণ্ডনত কিন্তু একেখন নাটকেই প্ৰায় ছমাহ চলিছিল। কেতিয়াবা কোনোবাখন এবছৰলৈকে চলিছিল। চীনা নাটক হো-চি-চ-দিনৌ দৰ্শনি দিও দুবছৰেই প্ৰায় চলিছিল। আফগান নাটক ডি ৰাৰ্ড অব পেৰেডাইজ (The Bird of Paradise) বহুদিন চলিছিল। ছেক্সিপিয়েৰৰ এখন নতুন নাটক ডি মাৰ্চেন্ট অব ভেনিচ খন অভিনিত হ'ব আৰু ছাইলকৰ পাৰ্টটো এজন প্ৰকৃত ৰাচিয়ান ইহুদিয়ে কৰিব বুলি ঘোষনা কৰিছিল। আমি কেইবাদিনলৈকে ভিৰৰ বাবে টিকট ল'বই পৰা নাছিলো। কিছুদিনৰ পিছত ভিৰ কমিলতহে আমি টিকট লৈ চাবলৈ সুবিধা পালো।

আমি কটন কলেজত পঢ়ি থাকোতে আমিয়ো সেই নাটকখন কলেজৰ মঞ্চত অভিনিত কৰিছিলো। নবীন চন্দ্ৰ বৰদলৈদেৱৰসৰু ভায়েক গিৰীশ চন্দ্ৰ বৰদলৈৱে ছাইলকৰ চৰিত্ৰটো ইমান ভালকৈ কৰিছিলযে কেইবাজনো ইউৰোপীয় ভদ্ৰ পুৰুষ-মহিলাই নাটকখন চাই বৰ প্ৰশংসা কৰিছিল। ময়ো অৱশ্যে নাটকখনত এটা চৰিত্ৰত ভাল অভিনয়ে কৰিছিলো। কিন্তু সেইখনকে লণ্ডনৰ কৰ্ট থিয়েটাৰত অতি অতুলনীয় অপূৰ্ব লাগিছিল। নাটকৰ চৰিত্ৰ বিলাকৰ চাৰিত্ৰিক খুটিনাটি বিলাক বিশেষকৈ প্ৰচিয়াৰ চৰিত্ৰৰ প্ৰকাশ কৰা কঠিনতাখিনিও ইমান সুন্দৰকৈ প্ৰকাশ কৰিছিল যে দৰ্শকে ভুৰি ভুৰি প্ৰশংসা কৰিছিল।

কেইদিনমান পিছত মই অকলেই কেম্ব্ৰিজলৈ গৈ তাৰ কেইখনমান পুৰণি মহাবিদ্যালয় চাওঁগৈ বুলি গৈছিলো। মোক কেইজনমান চিলনৰ ছাত্ৰই দেখি তেওঁলোকৰ থকা ঘৰৰ (Lodgins)পৰা গোটেই ল'ৰাবিলাক ওলাই আহি খা-খবৰ লৈ দুজনমানে মোৰ আপ্যায়নৰ বাবে প্ৰস্তুত কৰাত লাগিল আৰু কেইজনমান বৰ আনুগত্য ভাৱেৰে সহায় আগবঢ়ালে। চাহ খোৱাই উঠি তেওঁলোকে মোক খোজেৰেই ঠাই দেখুৱাবলৈ লৈ গ'ল। ৮ টা মান বজাত সম্পূৰ্ণ আন্ধাৰ হ'লত ছাত্ৰবিলাকে তেওঁলোক থকা ঘৰলৈ নৈশ

ভোজনৰ কাৰণে লৈ গ'ল। তাত গ্ৰেজুৱেট নোহোৱা ল'ৰাবিলাকে বাহিৰলৈ আহোতে মুৰত টুপি আৰু ভৰিলৈকে পৰা দীঘল হলৌ চোলা পিন্ধা নিয়ম। কথাটো মোক মোৰ লগতখোজ কাঢ়িবলৈ যোৱা ল'ৰা এজনে কৈছিল। তেওঁলোকক তাত কিছুমান ৰখীয়াই গোপনে (Bulldogs) সকলো সময়তে এইবিলাক কথাত চকু ৰাখিছিল। এই বিষয়ে মোক মোৰ লগত যোৱা তেওঁলোকৰ এজনেই এই কথাটো কৈছিল।

ৰাতিৰ আহাৰ খাই উঠি মই আন্তৰিকতাৰে কৰমৰ্দ্দন কৰি ল'ৰাবিলাকৰ পৰা বিদায় ল'লো। তেওঁলোকৰ কেইজনমানে মোক একেবাৰে ৰে'লৰ ষ্টেছনলৈকে আগবঢ়াই দিবলৈ আহিছিল। মই তিনিঘন্টা সময় চিলনৰ কথকি ছাত্ৰবিলাকৰ লগত বৰ আনন্দেৰে কটাই লণ্ডনৰ থকা ঘৰলৈ গুছি আহিলো।

নৱেম্বৰৰ প্ৰথম সপ্তাহত বৰদলৈ আৰু মই অক্সফৰ্ডলৈ গৈছিলো। এইখন সৰু সৰু ৰাস্তাৰে এখন বিশ্ববিদ্যালয় নগৰ আছিল। অ'ত ত'ত সুধি সুধি আমি এটা এমহলীয়া ছাত্ৰাবাসত উপস্থিত হলোগৈ। তাৰে কোঠাএটাত কিতাপতে ব্যগ হৈ থকা বিনয় ৰঞ্জন সেনক লগ পালোগৈ। বিনয়ৰ ঘৰ ডিব্ৰুগড়তে তেওঁ মেট্ৰিকো ডিব্ৰুগড় বালক উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰাই উত্তীৰ্ণ হৈছিল। তেওঁৰ দেউতাক ৰায় চাহাব কলি মোহন সেন ডিব্ৰুগড়ৰ দাতব্য হস্পিতেলৰ ডাক্তৰ আছিল।

আমি বিনয়ক আচৰিত কৰি তাত উপস্থিত হ'লো আৰু আন্তৰিক সম্ভাষণ জনাই কিছু সময় তাত কটাই ঠাই চাবলৈ ওলাই গলো। সেই নগৰখন আমি তেনেই সৰু নগৰ যেনেই পালো আৰু চাবলগীয়া বুলিবলৈ কেইখনমান পুৰণি কলেজ। সেই কেইখনৰ প্ৰাচিনত্বকে ঘোষণা কৰি থকা দেখা পালো। তাত চাৰিঘন্টামান কটোৱাৰ পিছত বিনয়কো যিমান পাৰে সোনকালে আমাৰ লগত এটা দিন কটাবলৈ নিমন্ত্ৰণ দি বিদায় লৈ আমাৰ লণ্ডনৰ ঘৰলৈ গুছি আহিলো।

তেওঁ পিছৰ সপ্তাহতে পুৱা ৯ টাৰ পৰা ৰাতি ভাত খোৱাৰ পিছলৈকে থাকি দিনৰ চাহ ভাতো আমাৰ তাতে থাকি খাই বৈ গ'লগৈ। আবেলি তেওঁ আমাৰ মালিকনীৰ পিয়ানোখন লৈ তেওঁ জনা বেঙ্গলী গান গাই শুনালে। তেওঁ বহুত গান জানেও। আমি সেইদিনা তেওঁৰ লগত নিজৰ ভাষাতে যিটো ভাষা তেৰোঁ সল-সলীয়াকৈ কব পাৰে কথাপাতি বৰ সুখৰ সময় কটালো।

মিষ্টাৰ সেনে আই চি এছত উত্তীৰ্ণ হৈ বেঙ্গলত বেলেগ বেলেগ ঠাইত কাম কৰিছিল। এতিয়া তেওঁ জাপানত ভাৰতীয় ৰাষ্ট্ৰদূতৰূপে কাম কৰি আছে। আমি 10th Howley প্লেচত থাকোতে প্ৰায়ে মাদ্ৰাজৰ সত্যমূৰ্ত্তীয় বিখ্যাত লিখক St নিহাল সিং লিখক চমনলালে তেখেত তেতিয়া আইনৰ ছাত্ৰ আছিল, এই সকলক প্ৰায়ে লগ

কৰিছিলো, কেতিয়াবা কেতিয়াবা এফালে চাহ খাই সম্পূৰ্ণ মধ্যাহ্নটো আমাৰ লগতে কটাইছিল। তেওঁলোকে আমাৰ বাবে যথেষ্ট সহায়ক হৈছিল আৰু আমি তেওঁলোকৰ পৰা ৰাজনীতিৰ বহুত কথা শিকিলো। সত্যমূৰ্ত্তী পালতকে সামান্য ভাৱেহে কম ভাল বক্তা আছিল।

মহীশূৰৰ সন্মানীয় দেৱান মাধৱাৱে আমাক তেখেতৰ ভাৰতীয়া বহাত মধ্যাহ্ন ভোজনৰ বাবে নিমন্ত্ৰণ কৰি বৰ সুন্দৰ মহীশূৰ পদ্ধতিৰ নিৰামিষ খাদ্য খুৱালে। মই লণ্ডনত আমাৰ কাম-কাজ শেষ হৈ অহা বাবে এতিয়া আৰু অকামিলা হৈ লণ্ডনত থাকি আমনি পাবলৈ ধৰিলো আৰু কেনেকৈ আৰু কেতিয়া উভতি আহিবলৈ পাওঁ বুলি অধৈৰ্য্য হবলৈ ধৰিলো। সাগৰীয় ভাপনাওঁ বিলাকত আমাৰ ভাৰতীয় সকলক আহিবলৈ দিবলৈ পৰাকৈ আসন উপলব্ধ নাছিল। বহুত সংখ্যক ভাৰতীয়ই আহিবলৈ উদগ্ৰীৱ হৈ আছিল। সেয়ে চৰকাৰে কাৰোবাৰ যোগেদি ইজিপ্ত নামৰ ভাপনাওঁ এখন আমাৰ বাবে ব্যৱস্থা কৰি দিলে । সেইখন ডিচেম্বৰতহে আহিব। আমি যেনে তেনে তাতে আমাৰ বাবে কোঠাৰ ব্যৱস্থা কৰিলো। জাহাজখন টিলবেৰি ডকত বান্ধিলোহি আৰু ১৯১৯ চনৰ ২৮ ডিচেম্বৰৰ সন্ধ্যা ৬ বজাত যাত্ৰা কৰিব। আমি দিনৰ ১২ বজাত চকুলো, চুমা আদিৰে বিশেষকৈ আমাৰ মালিকনী যি গৰাকীৰ ঘৰত আমি প্ৰায় ৬ মাহ সময় সম্পৰ্কীয় মানুহৰ দৰেই অতিবাহিত কৰোতে আমাৰ সকলো যত্ন লৈছিল সেই সকলৰ পৰা বিদায় ললো। সঁচা কথা কবলৈ গ'লে আমি প্ৰায় নিজা ঘৰত থকা যেনেই অনুভৱ কৰিছিলো। এনেকি মালিকনীৰ ডাঙৰ জীয়েক নুনুৱে আমাৰ বিচনা পাৰে। বেৰৰ আলমেৰাৰ কাপোৰ-কানি ঠিক ঠাক কৰে, কোঠাটো পৰিস্কাৰ কৰে,এনেকি প্ৰসাৰদানী ঘঁহি-মাজি ধুই প্ৰসাৱ পেলাই পুনৰ থৈদিয়া আদি কাম কৰা মানুহকো আমি কব লগা নহয়। সেই কামৰ পইছাৰ হিচাপ মাহেকীয়া হিচাপত থৈ যায়। সেই ঘৰৰ গৃহস্থ মিষ্টাৰ মেক নালটি এজন পকা চুলীয়া বয়সস্থ লোক। তেখেতক বৰ কমহে দেখিবলৈ পোৱা গৈছিল। তেখেতে পুৱাই হাস্পতাললৈ কামত ওলাই যায় আৰু ৰাতি ন টাত ঘৰ সোমাই। ঘৰ পাই তেখেতে ঘৰৰ ভিতৰলৈ সোমোৱা বাটত ঘৰৰ বাসিন্দা বিলাকে এৰি অহা জোতা বিলাক চিক্‌চিকীয়া কৈ ছাফা কৰি থোৱাটো কৰ্ত্তব্য আছিল। গৃহিনী গৰাকী এগৰাকী শকত আৰত মহিলা যদিও বেচ কৰ্মঠ আছিল। সম্পূৰ্ণ পাকঘৰৰ দায়িত্ব তেখেতৰ আছিল। সম্পূৰ্ণ দিনটোৰ ভিতৰত আবেলি আমি জুইৰ কাষত বহোতে আমাক দেখা কৰিবলৈ অহাৰ বাহিৰে বাকী সময়খিনি নিজৰ কামতে ৰাতি ১২ টা লৈকে ব্যস্ত আছিল। আমাৰে ভাগ্য যে আমি এনে এটা পৰিয়াল পাইছিলো যিটোৱে সাত মাহে আমাক ঘৰলৈ মনত পৰি কেতিয়া আঁহো আঁহো নলগাকৈ আশ্ৰয় দি আছিল। আমি

সেই মানুহ বিলাকৰ পৰা বৰ বেজাৰেৰে বিদায় লৈ আহিলো। এইদৰেই আমাৰ লণ্ডন ভ্ৰমণৰ সামৰণি মাৰিলো।

আমি ভাড়া গাড়ী এখন লৈ কিং জৰ্জ ষ্টেছনলৈ আহি ৰেলত উঠি ৩ টা মান বজাত টিলবাৰি ডক পালোহি। আমি দেখিলো ইজিপ্ত নামৰ ভাপ নাওঁখন আমালৈ বৈ আছিল। আমি ৰেলৰ পৰা নামিয়ে লৰা-লৰিকৈ ভাপ নাওঁৰ ডেকলৈ গ'লো। আমি বস্তু বিলাক ভৰালো আৰু আমাৰ আসনলৈ গৈ বহি ললোগৈ। নাৱত আমি পাল, তেখেতৰ সঙ্গীসকল যেনে কেলকাৰ, আয়েঙ্গাঁৰ, সত্যমূৰ্ত্তি আৰু বহুত ভাৰতীয় যিসকলক মই চিনি নাপাওঁ সেই সকল, পাল, বৰদলৈ আৰু মই সংঙ্গীৰূপে পালো। আমি বিস্কে উপসাগৰ আৰু জিব্ৰালটৰ প্ৰণালীত সোমোৱা বাদে বাকী অংশ চিধা-চিধিয়ে আহিলো। আমি বিস্কে উপসাগৰ ৰাতিয়ে পাৰ হলো। বিস্কে উপসাগৰৰ সেই ৰাতিটো ইমান ভয় লগা আছিল যে পানীৰ ঢৌ বিলাক ইমান ওপৰলৈ উঠিছিল যে ডেকৰ ওপৰে দিয়ে ইপাৰ-সিপাৰ হৈছিল।

পিছদিনা ঠিক বেলি ডুবাৰ আগে আগে জিব্ৰালটৰ প্ৰণালী পাৰ হৈ যোৱাৰ দৃশ্যটো অতি মোহনীয় চকুত চাট্‌মাৰি ধৰা দৃস্য আছিল। আমি জিব্ৰালটৰ অতিক্ৰম কৰি যোৱাৰ চাৰিদিনৰ দিনা ১ টা মান বজাত যাত্ৰা কৰি গৈ ৰাতি ৯ টা মান বজাত পৰ্ট চৈয়দত উপস্থিত হৈছিলো। তাতে নাওঁখন কিছু সময় ৰোৱাৰ বাবে মা নে প্ৰায়বিলাক যাত্ৰীয়ে ষ্টিম লাঞ্চাৰেবে পাৰলৈ গৈছিলো ;কিয়নো ভাপ নাঁওখন পাৰৰ পৰা কেইবা মাইল দূৰত ৰাখিছিল।

আমি পাৰত নামি নগৰখন বৰ সৰু যেন দেখিছিলো আৰু তাত যেন বিভিন্ন জাতিৰ মানুহেৰে ঠাহ খাই আছে এনে যেন বোধ হ'ল। আমি নমাৰ লগে লগে এদল নাৰী যোগনীয়াৰে ; যাক-তাত পিস্পচ বোলে ; আমাক বেলেগ বেলেগ জাতৰ তিৰোতাৰ অবৰ্ণনীয় অশ্লীল ফটো প্ৰদৰ্শন কৰিলেহি। আমি সেইবিলাকক অবজ্ঞা কৰি আগুৱাই নগৰখন চাবলৈ গলো। তাত আমি আৰৱী পুৰুষ-মহিলা বহুত লগ পালো। তাৰ কিছুমান মহিলাই কেৱল চকুদুটা আৰু নাকটো বাদ দি ওবনিৰে মুখ ঢকাৰ লগতে সম্পূৰ্ণ শৰীৰ আবৃত কৰি লোৱা দেখা পালো আৰু কিছু আৰবী মহিলাই আবৃত নোহোৱাকৈ ঘূৰি ফুৰা দেখা পালো।

এনেদৰে সৰু চাৰিচকীয়া ঠেলাত ফুৰোতে আমি এখন দোকানৰ সন্মুখত উপস্থিত হলো। তাত দোকানখনৰ সোমোৱা পথৰ কাষত দুই-তিনিজন মান ভাৰতীয় মানুহ থিয় হৈ থকা দেখা পালো। তেওঁলোকে চেপেটা টুপি, দীঘল চোলা আৰু ধুতি পিন্ধিছিল। আমি তাতে বৈ তেওঁলোকক নমস্কাৰ জনালো আৰু তেওঁলোকে প্ৰতি নমস্কাৰ কৰি

আমাক দোকানৰ ভিতৰলৈ মাতি নিলে। আমি তেওঁলোকৰ পৰা তেওঁলোক গুজৰাটী বুলি গম পালো। তেওঁলোকৰ দোকানখন বিভিন্ন বেপাৰৰ সামগ্ৰীৰে ভৰি আছে। সেই অঞ্চলত তেওঁলোকৰ খনেই একমাত্ৰ ভাৰতীয় দোকান। তেওঁলোকে বহুত খাদ্য আৰু চাহেৰে আমাক আপ্যায়ন কৰিলে। আমি আমাৰ দেশৰ সেই লোকসকলৰ লগত আনন্দেৰে এঘন্টা মানেই সময় পাৰ কৰিলো। তেওঁলোকৰ সেই অভিযানৰ বাবে আমি শলাগ ললো। তেওঁলোকৰ পৰাই গম পালো কি কাৰণে ইজিপ্তৰ গণবিক্ষোভ হৈছিল। কাৰণ ব্ৰিটিছ বিলাকে নিৰপৰাধী আবোধ মানুহ বিলাকক গণ সংহাৰ কৰিছিল। তেওঁলোকৰ পৰা আন্তৰিকতাৰে বিদায় লৈ আন্ধাৰৰ আগে আগে আমি নাঁৱলৈ উভতি গলো।

এদিন আমি নাঁৱত থাকোতে তিলকৰ চেক্ৰেটৰী আহি তিলকৰ ভোজনালয়ত তেখেতৰ বাবে পৃথকে পৃথকে ৰন্ধন শালত ৰন্ধা মধ্যাহ্ন ভোজনৰ বাবে বৰদলৈ, পাল আৰু মোক তিলকে তেখেতৰ নিজস্ব ভোজন শালালৈ নিমন্ত্ৰণ দিছে বুলি কলে। আমি আনন্দেৰে সন্মতি জনালো আৰু মেজখনৰ এমূৰে তিলক তেখেতৰ কাষতে কেলকাৰ আৰু আমিও একেলগে বহি মধ্যাহ্ন ভোজন কৰিলো। খাদ্যবিলাক মাৰাহাটিয়ান পদ্ধতিৰ খিচিৰি খিনিত সৰহকৈ ঘিঁউ দি বেচ জুতি লগা আৰু ব্যয়বহুল খাদ্য খুৱালে। এদিন সন্ধ্যা তিলকে যাত্ৰী সকলক মানুহৰ আদিম বসতি যে উত্তৰ মেৰু প্ৰদেশতহে আছিল আৰু কিদৰে তেওঁলোকে দক্ষিনৰ ফালে ক্ৰমে আগুৱাই আহিল এই বিষয়ে এটা দীঘলীয়া ভাষন শুনালে। এইটো এটা বৰ আমোদদায়ক ভাষণ আছিল আৰু প্ৰায় ৫০০ মানুহে বৰ আগ্ৰহেৰে ভাষণটো শুনিলে আৰু ভাষনৰ অন্তত অতি উচ্চস্বৰে প্ৰশংসা কৰিলে।

আমি ১৯২০ চনৰ ১৭ জানুৱাৰীত বোম্বেত উপস্থিত হলো আৰু পোতাশ্ৰয়টোতে সন্মিলিত এটা ডাঙৰ সমদলৰ আগত কথাবোৰ বৰ্ণনা কৰিলো। আমি নাঁৱৰ পৰা নামি বস্তু বিলাকলৈ তিলকক মালা পিন্ধাবলৈ, ফুট দিবলৈ, চাবলৈ আৰু তেওঁৰ ভৰি চুই সেৱা কৰিবলৈ যোৱা এটা সমদলৰ লগে লগে আহি থাকিলো।

এই কাৰ্য এঘন্টা মানেই চলি থাকিল। প্ৰায় আধা ঘন্টামান তেওঁলোকৰ পিছে পছে অহাৰ অন্তত যেতিয়া তিলকে এটা প্ৰকাণ্ড দুমহলীয়া ঘৰৰ চৌহদত প্ৰৱেশ কৰিলে তেতিয়াহে যাত্ৰা শেষ হ'ল। ঘৰটোৰ সন্মুখত তিলকৰ এটা আবক্ষ প্ৰতিমূৰ্ত্তি এটা শিলৰ ওপৰত স্থাপিত কৰা আছে। ঘৰটোৰ নাম চিৰদাৰ গৃহ আছিল। এই ঘৰটো মাৰাহাট্টী অতিথিশালা (Hotel) আৰু এইটো তিলকেই দান কৰিছিল। ইয়াতে তিলকৰ দলৰ লগতে আমি প্ৰৱেশ কৰিলো আমাক প্ৰথম মহলাত লাইট আৰু ফেনৰ ব্যৱস্থা থকা আহল-বহল কোঠা এটাত থকাৰ ব্যৱস্থা কৰি দিলে। এই ওভতনি যাত্ৰাৰ ইয়ালৈকে

পাল, বৰদলৈ আৰু মই একেলগেই আছিলো। আমাৰ কাৰণে এইটো ঋতুত আমাৰ বাবে গৰমটো অসহ্যয়ে আছিল। আমি গৰমতে গেঞ্জীও পিন্ধাটো অসহ্যয়ে আছিল। আমি গৰমতে গেঞ্জীও পিন্ধাটো নাছিলোৱে। দিনে-ৰাতিয়ে ফেন অহৰহ চলায়ে থৈছিলো। আমি বম্বেত তিনিদিন থাকিলো। আমি এই কেইদিনত দিনটো এনেকি ৰাতিৰো এছোৱালৈকে তিলকৰ দিহা-পৰামৰ্শ লবলৈ অহাপুৰুষ আৰু মহিলাৰ সোঁত দেখা পাইছিলো। তিলকক সমগ্ৰ ভাৰতৰ লোকেই শ্ৰদ্ধা কৰিছিল। তিলকক ব্ৰিটিছ শাসকেও ভয় কৰিছিল। এওঁৱে ভাৰতীয় জাতীয় কংগ্ৰেছৰ চুৰাট অধিৱেশনৰ সভাপতি ৰাসবিহাৰী ঘোষৰ গালৈ নাগেৰী ফান্দটি দলিয়াইছিল। আৰু স্বৰাজ আমাৰ জন্ম স্বত্ত বুলি চিঞৰি চিঞৰি কৈছিল।

আমি তাত থকা দ্বিতীয় দিনা ৰাতিৰ আহাৰৰ বাবে আমাক কেলকাৰে নিমন্ত্ৰণ দিছিল। এই ভোজ মেলত প্ৰায় দুশ মানুহে সেই বঙলাটোৰে মুকলি মঞ্চত আহাৰ গ্ৰহণ কৰিছিল। তিলক কিন্তু চিন্তাক্লিষ্ট হৈ আছিল আৰু এই ভোজনলৈ নাহিল। আমাৰ সেই অতিথিশালাত থকা তৃতীয় দিনৰ দিনা ঠেলি-হেচি বাট উলিৱাই যেনে-তেনে চেপা-হেচা খাই তিলকক লগ কৰিবলৈ গলো। আমি তিলকৰ পৰা আৰু কেলকাৰৰ পৰা বিদায় ললো। পালে পিছদিনাই মাদ্ৰাজৰফালে কোনো এখন ঠাইলৈ গুছি গ'ল। আমি সন্ধ্যা ৮ বজাত কলিকতালৈ আহিবলগীয়া ৰেলত উঠি তিনিদিনৰ মূৰত পুৱা ৯ বজাত হাওৰা পালোহি। আমি আমাৰ পুৰণি হোটেললৈ বাট ধৰিলো। সেই কলিকতা হোটেল নামৰ হোটেলখনতে আমাৰ আগৰ মালিক গোস্বামীক দেখা পালো। এই খবৰটো তৎক্ষনাত তাত থকা অসমীয়া মানুহৰ মাজত বিয়পি পৰিল আৰু আমাক বহু মানুহে আগুৰি ধৰিলেহি। এটা অভ্যৰ্থনা আৰু এখন সভাৰ আয়োজন কৰা হ'ল। এই খিনি তেওঁলোকেই আয়োজন কৰিলে আৰু আমাক লঘু আহাৰ এটাও দি আপ্যায়ন কৰিলে। বৰদলৈ আৰু মই লণ্ডনত আমি কৰা কাম আৰু আমাৰ অভিজ্ঞতাৰ বিষয়ে আধাঘন্টা মানকৈ প্ৰত্যেকে কলো। আমাৰ কথা আৰু কামৰ বাবে প্ৰশংসা কৰি আমাক বিদায় দিলে। আমি ৰাতিটো তাতে কটাই কলিকতা এৰি গৃহমুখী যাত্ৰা কৰিলো।

আমি আগবেলা ৯.৩০ বজাত গুৱাহাটীত উপস্থিত হলো। তাত ভদ্ৰলোক আৰু ছাত্ৰ বহুত লগ হৈ আমাক আদৰিবলৈ ৰেলৰ প্লেটফৰ্মত বৈ আছিল। ৰেলখন ৰোৱাত বহুতেই জয় জয় বুলি চিঞৰিছিল। বৰদলৈ ৰেলৰ পৰা নমাৰ লগে লগে তেখেতক আচৰিত কৰি মালা পিন্ধাই অভিবাদন জনালে। মই কিন্তু ঘৰৰ কাষ চপাৰ বাবে ঘৰৰ প্ৰবল মোহৰ বাবে সেই সকলৰ আহ্বানক অতি সহৃদয়তাৰেই অগ্ৰাহ্য কৰি তাত নানামি ঘৰলৈ বুলি গুছি আহিলো। পিছদিনা মই ডিব্ৰুগড়ত উপস্থিত হৈ তাতো ডিব্ৰুগড় উকিল

খানাৰ উকিল শিৱৰাম শৰ্মাৰ নেতৃত্বত এটা বৃহৎ সমদল প্লেটফৰ্মত মোক আদৰিবলৈ বৈ থকা দেখিবলৈ পালো।

মই নমাৰ লগে লগেই প্ৰথমে তেওঁৱে মোক এধাৰ মালা পিন্ধাই সাৱটি ধৰিলে। কিছুমান ছোৱালীয়েও তেওঁকে অনুসৰণ কৰিলে আৰু হাঁহি হাঁহি কৰমৰ্দ্দন কৰি মোক স্বাগতম জনালে।

মই ঘৰ পাই কেইদিনমান ঘৰত থকাৰ পিছত আমোলাপট্টি নাট্যমন্দিৰত মোক স্বাগতম জনোৱাৰ বাবে এখন ডাঙৰ অভ্যৰ্থনা সভা পাতিলে। নাট্যমন্দিৰটো মানুহৰে জনপূৰ্ণ হৈ আছিল আৰু মই প্ৰায় এঘন্টা সময় প্ৰতিনিধি ৰূপে গৈ লাভ কৰা অভিজ্ঞতা আৰু আমি কৰা কামৰ বিষয়ে ভাষন দিলো। এইদৰেই অসমৰ ৰাজনৈতিক বুৰঞ্জীৰ এটা অতি গুৰুত্বপূৰ্ণ অধ্যায়ৰ অন্ত পৰিল; কিন্তু মানুহে সহজেই কথা পাহৰা এটা অভ্যাস আছে গতিকে এই অধ্যায়টোও বিস্মৃতিৰ বুকুত লীন গ'ল। মোৰ নিচিনা অভাগা এটায়ো যে দেশৰ এই ৰাজনৈতিক সংকটৰ সময় প্ৰতিনিধি হৈ গৈ অকনমান হলেও সফল অৱদান আগবঢ়াইছিলো সেইবোৰ মানুহে পাহৰি যাব গৈ। সেয়ে মই বৰদলৈ আৰু মই দুজনীয়া প্ৰতিনিধি হিচাপে গৈ অসমৰ সম্ভাৱনীয় ভয়ঙ্কৰ বিপদৰ সময়ত যি কৰ্ত্তব্য সাধন কৰিলো তাক লিখি ৰখাত অকনো কৃপনালি নকৰিলো। অৱশ্যে ইয়াত এটা কথা উল্লেখ কৰা নাই হোৱা আমি আমাৰ যাত্ৰা কালত ইংলণ্ডতেই হওঁক বা অন্য ঠাইতে হওঁক আমাৰ গাৰ ৰং লৈ আমাক আভুৱাৰূপে বা আমাৰ বিপক্ষে থিয় দিয়া ধৰণৰ কাম ক'তো পোৱা নাছিলো। তাৰ বিপৰীতে ৰাজ আট্টালিকাতেই কওঁ বা বাটতে কওঁ আমাক বন্ধু ভাৱে আৰু মৰমেৰে ব্যৱহাৰ কৰাহে পাইছিলো। এইটো লক্ষণীয় যে যদিও তাত বেশ্যাবৃত্তি নিষিদ্ধ আৰু অভিশপ্ত আছিল তথাপিও আন্ধাৰ হোৱাৰ লগে লগেই আন্ধাৰ ঠাই যেনে বেৰৰ আঁৰত, গছৰ ছাঁত, চুক-কোণত অশুভনীয় দৃশ্য দৃষ্টি কুট কৈ সহজ লভ্য আছিল।

পিকাডিলি চাৰ্কাচ নামৰ ঠাইখনত পাঁচফালৰ পাঁচটা বাট একে ঠাইতে মিলিত হৈছে। তাতে পিকাডিলি নামৰ এটা সুৰঙ্গ ৰেলৰ ষ্টেশন আছে। এই প্ৰসবনে চাৰিফালে চাৰিধাৰা পানী নিসৃত কৰি থাকে। তাতে মদনৰ এটা মূৰ্ত্তি আছে। ঠাইখন বৃত্তাকাৰ। সেই ঠাইখন প্ৰেমিকৰ মিলনৰ থল বুলিব লাগিব। কাৰণ তাত ফুৰিলে যোৱে যোৱে প্ৰেমিক-প্ৰেমিকা মিনিটে মিনিটে দেখিবলৈ পোৱা যায়। তাত যুৱতী এনেকি বয়সীয়াল মহিলায়ো সাজিকাছি অভিসাৰিকা বেশে মানুহক আকৰ্ষন কৰিবৰ বাবে বৈ থকা আন্ধাৰৰ লগে লগে পোৱা হয়। চোহো স্কোয়েৰ নামৰ ঠাইখনো তেনেকুৱাই । যিহেতু আইনে ভোগ বাসনাক বাধা দিব নোৱাৰে গতিকে মানুহৰ বয়সৰ তাড়নাক নিবাৰণ কৰিবও

নোৱাৰে।

এই অধ্যায়টো মোৰ টান নৰীয়াৰ পিছত শ্ৰীযুত মহাদেৱ শৰ্মাই মোক দেখা কৰিবলৈ আহি লিখিবলৈ নোকোৱা হ'লে এই কাহিনীটো বুৰঞ্জীত অপ্ৰকাশ্য হৈ ৰ'লহেঁতেন। দেশৰ দুৰ্যোগৰ সময়ত আমি পালন কৰা দায়িত্বৰ ৰাজনৈতিক কাহিনীটো মোক লিখিবলৈ যদিহে নক'লে হেতেন ময়ো তেখেতে কোৱাৰ লগে লগেই সন্মত হলো। কাৰণ বৰদলৈয়ে এই বিষয়ে যে বিৱৰণ ৰখা নাই ভালকৈয়ে জানিছিলো; কিন্তু তেখেত ডিব্ৰুগড়ৰ পৰা যোৱাৰ পিছতে মই পুনৰ অসুখত পৰা বাবে ডাক্তৰৰ উপদেশ মতে বহুত দিনলৈ কলম ধৰিব পৰা নাছিলো। মই ১৯৫৫ চনৰ ১৫ মে'ত হে কলম তুলি ল'লো আৰু এই দফাটোলৈকে লিখি আজি এই মাহৰে ২৩ তাৰিখে আবেলিহে সামৰণি মাৰিছো।

মই লিখিবলৈ উৎসাহ পোৱাৰ আৰু এটা কাৰণ হ'ল যে গভৰ্ণমেন্টে শৰ্মাক অসমৰ স্বাধীনতা আন্দোলনৰ বিষয়ে এটা সময়লৈকে লিখিবৰ বাবে দায়িত্ব দিওঁতে কেইজনমান কংগ্ৰেছী মানুহে বাধা দিছিল। অৱশ্যে মুষ্টিমেয় বিখ্যাত লোকে যেন তেখেতৰ দৰে ধুতি, টুপি, খদ্দৰ ধাৰীয়েহে তেনে কৰা নাছিল বাবেই যথাশক্তি মই কথাখিনি লিখি ৰাখিলো।

মই মোৰ সাম্ভাব্য বিস্মৃতিৰ পৰা উদ্ধাৰ কৰি ৰাজনৈতিক বুৰঞ্জীত এই অতি প্ৰয়োজনীয় অধ্যায়টো মোৰ দেশবাসী যি সকলে পঢ়িবলৈ ইচ্ছা কৰে তেখেত সকলৰ বাবে আগবঢ়ালো। তেখেত সকলেই নিজৰ মন্তব্যৰে ইয়াৰ মুখনি মাৰিব সেই উদ্দেশ্যেই এই লিখাটো আগবঢ়ালো।

মই যলৈকে নাযাওঁ অসমেই মোৰ প্ৰিয়।
যি দেশলৈকে চাবলৈ নাযাওঁ কিয়।
মোৰ হিয়াখন তোমাতেই হয় থিয়।

দ্বিতীয় অধ্যায়

মন্টেগ' ছেমচফৰ্ডৰ সংস্কাৰ সম্বন্ধে লণ্ডনলৈ যোৱা দুজন প্ৰতিনিধিৰ ময়ো এজন আছিলো বাবে বুৰঞ্জীৰ বিস্মৃত অধ্যায়ৰ বিষয়ে এটা চমুটোকা লিখিবলৈ মোক শ্ৰীযুত মহাদেৱ শৰ্মাই কৈছিল। মোৰ লগত শ্ৰদ্ধাৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈয়ো গৈছিল। বৰদলৈদেৱেও মোক এই বিষয়ে মই কৰা কাম আৰু সহযোগিতাৰ বিষয়ে চমুকৈ লিখিবলৈ টানি কৈছিল। গতিকে মই অসুস্থ অৱস্থাত থাকিলেও না কৰিব নোৱাৰিলো।

সেই অনুক্ৰমেই মই সময়লৈ পিঠি দি খেলিমেলি কৈয়ে দেশৰ ৰাজনৈতিক ঘটনা বিলাক যি বিলাকৰ লগত মই জড়িত আছিলো বা অংশ লৈছিলো মোৰ শৰীৰৰ জীৰ্ণাৱস্থা লৈ কাণ নিদি মোৰ বৰ্তমানলৈকে ৭১ বছৰ ২ মাহ বয়সতো লিখিলো।

১৮২৬ চনৰ বাৰ্মাৰ লগত হোৱা ইয়াণ্ডাবু সন্ধিৰ পিছত ইংৰাজ বিলাকে অসম অধিকাৰ কৰিলে। বাৰ্মিজ বিলাকে বাৰে বাৰে নিষ্ঠুৰ আক্ৰমণ কৰাত প্ৰায় দুই তৃতীয়াংশ মানুহক অভাৱনীয় পাশৱিকভাৱে হত্যা কৰিছিল। কাৰোবাক হয়তো বন্দিকৰি লৈ গৈছিল।কাৰোবাক নি পৰ্বতে পাহাৰে দূৰণিত হেদানি মেলিছিল গৈ, সেয়ে জনতাই ব্ৰিটিছৰ উদাৰ শাসনৰ তলত শান্তি বিচাৰিছিল।

ব্ৰিটিছ শাসকবিলাকে সস্তীয়া কৰ্মচাৰী কামত নিয়োগ কৰিবলৈহে (ভাৰতীয় মানুহ) বিচাৰিছিল আৰু সেই সময়ত বেঙ্গলী বিলাকক তেনেই কমতে কেৰাণী জাতীয় কামত পোহনীয়া কুকুৰৰ দৰে সস্তাতে ১০০ বছৰৰ অধিক কাল ব্ৰিটিছক অসম শাসনৰ কামত সহায় কৰি দিছিল। শাসক দলৰ ভাষাৰ জ্ঞানে তেওঁলোকৰ শাসনৰ কাম-কাজত সহায় কৰাত সুবিধা হৈছিল। সেই কাৰণে দলে দলে বঙালী কেৰাণীয়ে ব্ৰিটিছৰ পাছেপাছে আহি ব্ৰিটিছে ইখনৰ পিছত সিখন দেশ অধিকাৰ কৰি লয় আৰু সচিবালয় আদিৰ কামত বঙালী বিলাকে সহায় কৰি গাখীৰে-পানীয়ে উভৈনদী অসম খনত ভৰি পৰিল। অসমীয়া বিলাকে অন্য একো ভাষা নজনাৰ অজুহাততে সেই সময়ত প্ৰতিষ্ঠা কৰা বিদ্যালয় পাঠশালা আদিত বঙালী শিক্ষক

নিয়োগ কৰি বঙালী পাঠ্য পুথিৰে বঙালী মাধ্যমত অসমীয়া ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। মাত্ৰ তেতিয়া লগতে ইংৰাজী ভাষাটোও শিকোৱা হৈছিল। সেইদৰেই বঙালী বিলাকৰ নিজৰ ল'ৰা -ছোৱালীৰ অবাধ শিক্ষা ব্যৱস্থা কৰি লৈছিল। শাসন ব্যৱস্থাটো এনে হোৱা বাবে অসমীয়া বিলাকে অসহায় দৰ্শক হৈ থকাৰ বাদে সাল-সলনিৰ উপায় পোৱা নাছিল। অসমীয়া সকলে অন্ততঃ আঘাট পালেও অসহায়ভাৱে শিক্ষাৰ এই প্ৰতিকূল অৱস্থাটোকে মানি লবলৈ বাধ্য হৈছিল।

এই শতাব্দীৰ ৪০ বছৰৰ শেষৰ ফালে আমেৰিকান বেপটিষ্ট মিছন এটা শিৱসাগৰত আৰম্ভ হৈছিল আৰু ব্ৰনচন চাহাবে সেই মিছনতে 'অৰুণোদয়' নামৰ এখন অসমীয়া কাকত প্ৰচলন কৰিছিল আৰু সেই মিছনতে এখন ইংৰাজী অসমীয়া অভিধানো ব্ৰনচন চাহাবে প্ৰনয়ণ কৰিছিল। তেতিয়াহে অসমীয়া মানুহে তেওঁলোকৰ নিজা হৰফ আৰু এটা নিজা ভাষা আছে বুলি বুজিব পাৰিলে। তেনেকৈয়ে তেতিয়াৰ পৰা কিছু অতি ক্ষণস্থায়ী হলেও অসমীয়া খবৰ কাকত আৰু মাহেকীয়া আলোচনী প্ৰকাশ পাবলৈ ধৰিলে। সেই অসমীয়া মাহেকীয়া বিলাকৰ ভিতৰত জোনাকী, বিজুলী আৰু ঊষা। ঊষা আলোচনী বিখ্যাত আৰু দীৰ্ঘস্থায়ী আছিল। তাৰে প্ৰথম দুখন সেই সময়ত কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰবিলাকে উলিয়াইছিল। সাপ্তাহিকখবৰ কাকত অসমীয়া আৰু বন্তি দুখনে অসমীয়া ভাষাৰ উন্নতিৰ বাবে চিন্তা কৰিছিল আৰু তেনেদৰে শঙ্কৰদেৱ আৰু মাধৱদেৱে অসমীয়া সাহিত্যত প্ৰচলন আৰু প্ৰতিষ্ঠা কৰা অসমীয়া সাহিত্যৰ জাগৰণৰ দিনৰ মহামূল্যবান মনি-মানিকৰ সন্ধান লাভ কৰিবলৈ সক্ষম হৈছিল।

যোৱা শতিকাৰ প্ৰথম দশকৰ ফালে অসমীয়া ভাষা উন্নতি সাধিনী সভা কিছুমান প্ৰায় সমগ্ৰ অসমতে স্থাপিত হ'ল। এই কামত আগ-ভাগ লৈছিল কলেজীয়া ছাত্ৰ সকলেই আৰু তেনেদৰেই মানুহৰ সুপ্ত সাহিত্য প্ৰেম জগাই তুলিছিল। তেওঁলোকেই সৰু ল'ৰা-ছোৱালীৰ পাঠ্য-পুথি আৰু অন্য সাহিত্যকৰ্মও প্ৰণয়ন কৰিছিল। গুনাভিৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, গুণ গোবিন্দ বৰুৱা, সত্যনাথ বৰা, ৰজনীকান্ত বৰদলৈ, আনন্দৰাম ঢেকীয়াল ফুকন, পদ্মনাথ গোঁহাঞি বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, বেনুধৰ ৰাজখোৱা এই সকলেই আগৰ সু-সাহিত্যিক আছিল যি সকলৰ সাহিত্যৰাজি মানুহে এতিয়াও ভাল পায়। এই সকলৰ ভিতৰত হেমচন্দ্ৰ বৰুৱাই অসমীয়া অভিধান ৰচনাৰে অদ্বিতীয় হৈ ৰব। এই কাৰ্যই তেখেতক অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত মৃত্যুৰ পিছতো স্মৰণীয় কৰি ৰাখিব। এই কাৰ্য্যত হেমচন্দ্ৰ গোস্বামীয়ে তেখেতক সহায় কৰিলে আৰু ৰাজ্যিক সহায্যও লাভ কৰিলে। তেখেতৰ

প্ৰচেষ্টাতে হেমচন্দ্ৰ বৰুৱা অসমীয়া সাহিত্যৰ পদপীঠত প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হ'ল। স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী দেৱৰ অসমীয়া সাহিত্যৰ ক্ষেত্ৰত সিদ্ধিপ্ৰাপ্তি বিশেষকৈ প্ৰাচীন হাতে লিখা পুথিবিলাক যিবিলাক গুপ্ত হৈ আছিল সেইবিলাকৰ গৱেষণাৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ উন্নতিৰ ক্ষেত্ৰত অতুলনীয়া অৱদান বুলিব লাগিব।

১৯০১ চনত গুৱাহাটীত দ্বিতীয় শ্ৰেণীৰ (grade) কলেজ হিচাপে কটন কলেজ খন প্ৰতিষ্ঠা কৰাত শিক্ষাৰ অগ্ৰগতিত এটা বিশেষ গতি (আগুৱাই যাবৰ বাবে) লাভ কৰিলে। কিছুদিনৰ পিছতে এই কলেজখন শিক্ষাৰ ক্ষেত্ৰত প্ৰথম শ্ৰেণীৰ কলেজ ৰূপে প্ৰসিদ্ধি লাভ কৰিলে। ইয়াৰ পৰাই অনেকে গ্ৰেজুৱেট হৈ ওলোৱাৰ ফলত শিক্ষাৰ বাতাবৰণো উন্নত হৈ অসমৰ শিক্ষাৰ খ্যাতি বিয়পাই দিলে।

১৯০১ চনত কলেজখন প্ৰতিষ্ঠা কৰাৰ সময়ত মই তাৰ ছাত্ৰ আছিলো। মোৰ সমসাময়িক সকলৰ ভিতৰত স্বৰ্গীয় চাৰ চাদুল্লা, শ্ৰী কুলধৰ চলিহা, শ্ৰী নীলমণি ফুকন, শ্ৰী গিৰীন চন্দ্ৰ বৰদলৈ আদি কেইজন মানহে ছাত্ৰ আছিল। এই সকলে আই এ উত্তীৰ্ণ হৈয়ে বি এ পঢ়িবৰ বাবে কলিকতালৈ যাব লগীয়া হৈছিল।

গুৱাহাটীত কটন কলেজ প্ৰতিষ্ঠাৰ এটা নিজা বুৰঞ্জী আছে। ১৯০১ চন পৰ্যন্ত অসমীয়া প্ৰতিজন ছাত্ৰই এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড়ৰ পৰা ন দিনীয়া নদী যাত্ৰা কৰি ভাপ নাঁৱেৰে গোৱালগুলৈ যাব লাগে। তাৰ পৰা ছান্টাহাৰেদি কলিকতালৈ ৰেলত যিটো যাত্ৰা প্ৰায় ১২ ঘন্টীয়া হব যাব লাগে। ৰাজধানী মহানগৰ কলিকতাত নামিয়ে নগৰীয়া চিঞৰ -বাখৰ খেলিমেলিত ডুব গৈ বিভিন্ন বৰ্ণৰ মানুহৰ খেলিমেলিত সোমাই পৰি গৰু গাড়ী, ৰিক্সা অথবা ঘোঁৰাই টনা ট্ৰাম গাড়ী ভাড়া কৰা আৰু খোজ কাঢ়ি যাওঁতে চিঞৰ-বাখৰত নিজকে মিলাই দিব লগা হৈছিল। অসমীয়া ছাত্ৰৰ কলিকতাত নামিয়ে প্ৰথম সমস্যা হৈছে এটা আশ্ৰয়স্থল বিচাৰি লোৱা আৰু হেৰিচন ৰ'ডত ছাত্ৰাবাসত স্থান পোৱাটো বৰ কষ্টকৰ। অসমীয়া ছাত্ৰৰ কাৰণে ১৪ নম্বৰ হেৰিচন ৰ'ডৰ ভিক্টোৰিয়া হোটেলেই বৰ প্ৰিয় আছিল। ছাত্ৰাবাসত আশ্ৰয় লৈয়ে সমূহীয়াকৈ থাকিবৰ বাবে এটা ঘৰ বিচাৰি লোৱা। আমাৰ দিনত ১০৭ আৰ্মহাষ্ট ষ্ট্ৰিটৰ দুই মহলীয়া বা তিনি মহলীয়া ঘৰ .৫৮ মিৰ্জাপুৰ ষ্ট্ৰিট নম্বৰ তিনি মুছলমান পাৰা লেন নম্বৰ ৩৭ আৰু ৪৮ হেৰিচন ৰ'ড এই বিলাকতেই অসমীয়া ছাত্ৰৰ সততে থকা ঠাই আছিল। ঘৰ এটা পোৱাৰ পিছত ৰাজ্যৰ বেলেগ বেলেগ ঠাইৰ পৰা অহা ল'ৰাই ইজনে-সিজনক জনা মনৰ ভাব-বিনিময় কৰি একাত্মবোধ আৰু সততাৰ ভাৱ অনুভৱ কৰিবলৈ সুবিধা পোৱাৰ লগতে মহানগৰীৰ অপকৰ্ম আৰু বদ অভ্যাসে ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া অনুভৱ কৰিবলৈ পাই।

অসমীয়া ল'ৰাৰ এই অৱস্থালৈ লক্ষ্য কৰি চৰকাৰে অসমীয়া ল'ৰাৰ বাবে এটা ছাত্ৰাবাস স্থাপন কৰা আৰু শিক্ষাবৃত্তিৰ টকা অলপ বঢ়াই দিবলৈ ইচ্ছা কৰিলে। এই কথাটো মানিক চন্দ্ৰ বৰুৱা আৰু অন্যান্য আগৰণুৱা অসমীয়া ব্যক্তি সকলে সজোৰে প্ৰতিবাদ কৰিলে আৰু তাৰ সলনি অসমতে দ্বিতীয় শ্ৰেণীৰেই হওঁক লাগে এখন কলেজ খোলাতহে মত দাঙি ধৰি অসমত তেনে কলেজৰ প্ৰয়োজনীয়তা যুক্তিৰে বুজাই দিলে। মানুহৰ এই দাবী সেই সময়ৰ মৰমীয়াল আৰু দয়ালু শাসক এইচ্ জি এছ্ কটন মহোদয়ে মানি ল'লে আৰু অসমতে দ্বিতীয় শ্ৰেণীৰ এখন কলেজ স্থাপন কৰিলে আৰু তাৰ স্বীকৃতি স্বৰূপে ৰাইজে কলেজখনৰ নাম দিলে তেখেতৰ নামেৰেই কটন কলেজ।

মোৰ মনত পৰাত প্ৰথম ৰাজনৈতিক অনুষ্ঠান অসম এছোচিয়েচন যিখন ১৯০৫ চনত ডিব্ৰুগড়ত স্থাপিত হৈছিল আৰু বৰ্তমান বিলুপ্ত হ'ল তাৰ অধ্যক্ষ আছিল ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা। তেখেত আছিল গৌৰীপুৰৰ। তাত বহুত নামি-দামী অসমীয়া যেনে জগন্নাথ বৰুৱা বি,এ, যিজনক সেই সময়ত বি.এ, জগন্নাথ বুলিছিল, মানিক চন্দ্ৰ বৰুৱা যিজন এই অনুষ্ঠানৰ আত্মা স্বৰূপ আছিল আৰু বহুতো শিক্ষিত আৰু ডিব্ৰুগড়ৰো সমাজ সচেতন ব্যক্তি মিলি সফল কৰি তুলিছিল। তেখেত সকলক উকিল মৌলবী ফৈজনুৰ আলিয়ে নিজৰ স্বাৰ্থৰ কথালৈ পিঠি দি যথেষ্ট সহায় কৰিছিল। মোৰ সন্মানীয় পিতা মালভোগ বৰুৱা অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল আৰু তেখেতে অধ্যক্ষক আৰু অতিথি বৃন্দক যথেষ্ট যত্নেৰে চোৱা-চিতা কৰিছিল।

মই সেই সময়ত ছাত্ৰ আছিলো। ছাত্ৰ বিলাকে লগ হৈ এটা স্বেচ্ছাসেৱকৰ দল গঠন কৰিছিল। ময়ো তাৰ সদস্য আছিলো। সেই সূত্ৰেই মই অধ্যক্ষৰ বাহৰৰ স্বেচ্ছাসেৱক হৈছিলো। আমি আমাৰ কামৰ দায়িত্ব সৈনিকৰ দায়বদ্ধতা আৰু আন্তৰিক আগ্ৰহেৰে পালন কৰিছিলো। সভাৰ অন্তত অধ্যক্ষ মহোদয়ে আমাৰ স্বেচ্ছাসেৱক সকলক নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰা বুলি শলাগ লৈছিল।

স্বৰ্গীয় মানিক চন্দ্ৰ বৰুৱাক অপ্ৰতিদ্বন্দীতাৰে সেই আসাম এচোচিয়েশ্যনৰ সম্পাদক পতা হ'ল। গৌৰীপুৰৰ ৰাজাকো পিছৰ বছৰলৈকে অধ্যক্ষ ৰূপেই ৰখা হ'ল।

ডিব্ৰুগড় অধিৱেষণৰ পিছত মই আৰু বহুত দিনলৈকে এই অনুষ্ঠানৰ বিষয়ে একো শুনিবলৈ পোৱা নাছিলো। পিছত মই লিটল বাৰ্ড ৰ পৰা গম পালো কেৱল সাধাৰণ সম্পাদক মানিক বৰুৱাদেৱে অকলেহে হালৰ এটা আঁচ বালে। তেখেতে অসমৰ ওজৰ আপত্তি বিলাক সময় সুবিধা উলিয়াই শাসক দলক জনাই ভিক্ষা পাত্ৰলৈ আবেদন নিবেদনেৰে ভিক্ষা কৰাৰ দৰে কৰি আছিল। সেই সময়ৰ নিয়মানুসাৰে

ভাৰতৰ অন্য ঠাইৰ ৰাজনৈতিক অনুষ্ঠান-প্ৰতিষ্ঠান এনেকি ভাৰতীয় জাতীয় কংগ্ৰেছ যিটো সেইসময়ৰ শ্ৰেষ্ঠ ৰাজনৈতিক অনুষ্ঠান। এই আটাইবিলাকলৈকে আবেদন নিবেদন জনাইছিল।

অসম এছ'চিয়েচনো সেই সময়ত মুমূৰ্ষ অৱস্থাত কেৱল সাধাৰণ সম্পাদকে, যিজনে কাৰো সহায় বা বাধা পোৱা নাছিল বাবে ১৯১৪ চনলৈকে পাতাকাখন উৰুৱাই থৈছিল। ১৯১৪ চনত যোৰহাটত এখন অধিৱেশন পতা হৈছিল। সেই অধিৱেশনৰ অধ্যক্ষ আছিল ৰায় বাহাদুৰ ফনিধৰ চলিহা। এই অধিৱেশনলৈ অসমৰ সকলো ঠাইৰে প্ৰতিনিধি গৈছিল। মই তেতিয়া ৩০ বছৰীয়া আছিলো। মোক সেই অধিৱেশনলৈ প্ৰতিনিধি ৰূপে নিৰ্বাচন কৰা আৰু প্ৰেৰণ কৰা হৈছিল। লগত কেইজনমান বিখ্যাত লোক যেনে ৰাধানাথ চাংকাকতি, "দ্য অসম টাইমৰ" সম্পাদক বচমবদ মিষ্টাৰ বালিক, সদ্য মৃত দুৰ্গানাথ চাংকাকতি আৰু কেইজনমান আছিল। এই অধিৱেশনখন তিনিদিনীয়া হোৱা বাবে কোনো কোনো প্ৰতিনিধিয়ে নিজেই থকা-খোৱাৰ ব্যৱস্থা কৰি লব লগা হৈছিল। আমি ডিব্ৰুগড়ৰ বিলাকে নিজেই নিজৰ ব্যৱস্থা কৰিব লাগিছিল।

অধ্যক্ষৰ ভাষনটো বৰ আমোদদায়ক আছিল। তেখেতে জনসাধাৰণক সংঘবদ্ধ হৈ তেওঁলোকৰ ৰাজনৈতিক ক্ষেত্ৰত শক্তি প্ৰদৰ্শন কৰি যুক্তিৰে আৰু সাহসেৰে আমাৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰা সেই শক্তিশালী শাসকৰ পৰা প্ৰাপ্য বলেৰে অধিগ্ৰহণ কৰিবলৈ বুলি আৱেদন জনাইছিল। ভাষনটো সকলোৱে প্ৰশংসা কৰিছিল আৰু কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সাধাৰণ সম্পাদকো সভাত উপস্থিত আছিল আৰু সভাৰ শেষত গোলাঘাটৰ ঘনশ্যাম বৰুৱাক সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচন কৰিলে। অসম এচোচিয়েশ্যনৰ সভা বছৰত এবাৰকৈ অসমৰ যিকোনো এখন জিলাতে যিখন জিলাই নিমন্ত্ৰণ কৰে তাতে পতাৰ সিদ্ধান্ত ললে।

তাত উপস্থিত থকা প্ৰায় বিলাক বিখ্যাত লোকেই অসম এছ'চিয়েচনক সেই একেটা নামেৰে পুনৰ উজ্জীৱিত কৰি তুলিবলৈ সজোৰ দাবী তুলিলে আৰু সকলোৱে এই অনুষ্ঠানটোত আন্তৰিক সহযোগিতা আগবঢ়াব বুলি বচন দিলে। এনেদৰেই সভাখন অতি উল্লাসিত ভাৱেই সামৰা হ'ল আৰু শেষত চন্দ্ৰধৰ বৰুৱাৰ ঘৰত এটা বৰ তৃপ্তিদায়ক আহাৰ গ্ৰহন কৰা হ'ল।

এইটো অসম এছ'চিয়েচনৰ উন্নতিৰ দ্বিতীয়টো মাইলৰ খুটি আছিল। ইয়াৰ পিছৰ অধিৱেশনখন জাৰৰ দিনত গুৱাহাটীত পতা হৈছিল। এই অধিৱেশনৰ অধ্যক্ষ আছিল মাননীয় গংগা গোবিন্দ ফুকন। মানুহজন ওখ আছিল, মূৰত এটা ওখ টুপি

(Top Hat) পিন্ধাত আৰু ওখ দেখা গৈছিল। গাত এটা পুৰা বেলাৰ কোট আৰু আঁচ থক ঠেঙাপিন্ধা বাবে তেখেতৰ মাতৰ লগত ভাল ৰজিতা খাইছিল।

এই অধিৱেশনখন এখন সফল অধিৱেশন বুলিব পাৰি। ইয়াৰ মণ্ডপটোও যথেষ্ট ডাঙৰ আছিল। কাৰণ দেশৰ বেলেগ বেলেগ ঠাইৰ পুৰুষ-মহিলাৰ লগতে সেই জিলাৰো ভিতৰুৱা ঠাইৰ মানুহক সুবিধা দিবৰ বাবেই ডাঙৰকৈ সজা হৈছিল। সেই অধিৱেশনলৈ মই আৰু কেইজনমানৰ লগত প্ৰতিনিধি ৰূপে গৈছিলো। মই মোৰ বাইদেউ সদ্যপ্ৰয়াত বৰদলৈৰ পত্নীৰ ঘৰত আছিলো।

এই অধিৱেশনলৈ লক্ষ্মীনাথ বেজবৰুৱাই পত্নী আৰু তিনিজনী কন্যাক লৈ আহিছিল। তেখেত সকলে শিৱসাগৰত তীৰ্থ ভ্ৰমণৰ উদ্দেশ্যে ককাকৰ ঘৰলৈ গ'লগৈ।

অসম এছ'চিয়েচনৰ এই অধিৱেশনে মানুহৰ দেশ প্ৰেমৰ ধাৰাত প্ৰবল সচেতনতা আৰু উৎসাহ যোগোৱাত সফল ভূমিকা লৈছিল। সময়ৰ গতিত এই দেশ প্ৰেমৰ ধাৰাই সবল ভাৱে মানুহৰ অন্তৰত শিপাইছিল।

এই অধিৱেশনখনে সৰু-বৰৰ ভেদ ওফৰাই এক বিৰাট জন সমাৰোহেৰে আনন্দেৰে সামৰণি পৰিছিল। এই অধিৱশনেই প্ৰথম বাৰৰ বাবে মানুহৰ মাজত জাতি-শ্ৰেণীৰ ভেদ পৰিহৰি এনেকি নগৰীয়া চহৰীয়া একো বিভেদ নাৰাখি একজাতি একপ্ৰাণৰ ধাৰণা সৃষ্টি কৰিছিল। এই শুভ লক্ষণে অসমৰ ভালৰ বাবে ক্ৰিয়াশীল হৈছিল।

আমি ডিব্ৰুগড়ৰ প্ৰতিনিধি সকলে ইয়াৰ পিছৰ অধিৱেশনখন ডিব্ৰুগড়ত পাতিবলৈ আহ্বান জনালো।

আমি গুৱাহাটীৰ পৰা আহি পোৱাৰ পিছতে পিছৰখন অধিৱেশন পতাৰ চিন্তাত সময় নষ্ট নকৰি ডিব্ৰুগড়ীয়া সকলে ইখনৰ পিছত সিখন সভা পাতি আঁচনি কাৰ্যসূচী আদি প্ৰণয়ন কৰি বিভিন্ন কামৰ দায়িত্বৰ বাবে মানুহ নিৰ্বাচন কৰি, বেলেগে বেলেগে সমিতি যেনে-মণ্ডপ সজা সমিতি, মানুহৰ সা-সুবিধাৰ প্ৰতি দৃষ্টি দিয়া সমিতি, পুঁজি সমিতি গঠন কৰিলো আৰু প্ৰতিখন সমিতিয়েই অধিৱেশনখন সফল কৰাৰ চেষ্টা অকনো ত্ৰুটি নোহোৱাকৈ ব্যৱস্থা কৰিলে। আমি গুৱাহাটী অধিৱেশনখনতকৈ উন্নত কৰাৰ চেষ্টা কৰিলো।

আমি ৰাধানাথ চাংকাকতিক অধ্যক্ষ ৰূপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰিলো। চাংকাকতি "The Times of Assam" নামৰ কাকতৰ সম্পাদক আছিল। অৱশ্যে সেই কাকতখন অধুনা বিলুপ্ত। এই কমিটীতে কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈক আগন্তুক অধিৱেশনখনৰ অধ্যক্ষ নিৰ্বাচনো কৰা হ'ল।

এই কমিটী বিলাকে বৰ ব্যস্ত ভাৱে কাম কৰিছিল। তেওঁলোকে কষ্ট আৰু

সহনশীলতাৰে সকলো কামত আত্ম নিয়োগ কৰিছিল। যথা সময়ত পাঁচ হেজাৰৰো অধিক মানুহ ধৰিব পৰা খেৰৰ ছালৰ এটা মণ্ডপকে ধৰি সকলোখিনি স্কুলৰ ময়দানত প্ৰস্তুত হৈ উঠিল।

দুৰ্ভাগ্যক্ৰমে নিৰ্বাচিত সভাপতিজন অলপ দেৰিকৈ উপস্থিত হৈছিলহি। ৮ বজাতে উপস্থিত হব লগা তেখেতক আদৰিণ জনাবলৈ বহুত মানুহ ৰেল প্লেটফৰ্মত বৈ আছিলগৈ; কিন্তু ঘন্টাৰ পিছত ঘন্টা বৈ বৈ মানুহ বিলাক অতিষ্ঠ হৈ বাৰে বাৰে ষ্টেছন মাষ্টৰক সুধিও একো সমুচিত উত্তৰ নাপাই লাহে লাহে ঠাণ্ডা পৰাৰ লগে লগে মানুহ কমিবলৈ ধৰিলে। (কাৰণ তেতিয়া আছিল ডিচেম্বৰ মাহ)। শেষত সকলো মানুহে এজন এজনকৈ আহি ষ্টেছন জনশূণ্য হ'ল। পিছে ৰাতি ২ টা বজাত অধ্যক্ষই ৰেলৰ পৰা নামি এজন নে দুজন মুটিয়াৰ সহায় লৈ ৰেল লাইনে লাইনে আহি দুই ফাৰ্লং মান দূৰত থকা উকিল দুৰ্গানাথ চাংকাকতিৰ ঘৰ পালেহি। তেখেত অভ্যৰ্থনা সমিতিৰ সদস্য আছিল আৰু অভ্যৰ্থনা সমিতিৰ সভাপতিৰ ঘৰটো তেখেতৰ ওচৰৰটোৱে আছিল।

পিছদিনাখন কাৰোবাৰ মুখে সভাপতি আহি চাংকাকতিৰ ঘৰত আছেহি বুলি খবৰ পাই ময়ে প্ৰথমে তেখেতক লগ কৰিবলৈ গৈ দেখিলো তেখেতে টোপোলাবোৰৰ মাজত চকী এখনত বাটচ'ৰাতে বহি আছিল। আৰু তেখেতক ননাৰ বাবে নম্ৰভাৱে ক্ষমা প্ৰাৰ্থনা কৰিলো।

তেখেতে পৰিস্থিতিটো বুজি কপালত ধকিয়াই "কিছমত" (দুৰ্ভাগ্য) বুলি কলে। তেখেতক মই লৈ আহি যিমান পাৰো সা-সুবিধা কৰি মোৰ ঘৰতে থাকিবলৈ দিলো।

সেই দিনাই এক বজাত সভা আৰম্ভ হ'ল। মই এটা সৰু সমদল লৈ তেখেতক মণ্ডপলৈ লৈ গলো। মণ্ডপলৈ সোমোৱা বাটতে অভ্যৰ্থনা সমিতিৰ সভাপতিৰ লগে লগে সমিতিৰ মানুহ বিলাক আহি তেখেতক তেখেতৰ আসনলৈ আগুৱাই লৈ গ'ল। মণ্ডপত থকা মানুহ বিলাকেও থিয় হৈ আন্তৰিক অভিনন্দন জনালে। যাৱতীয় নিয়মবিলাক শেষ হ'লত প্ৰবল হৰ্ষধনিৰ মাজত অধ্যক্ষই কিতাপ আকাৰে ছপাই অনা তেখেতৰ অভিভাষনটো সকলোৰে মাজত বিলাই দিবলৈ দি নিজেও থিয় হৈ পাঠ কৰি শুনালে। অসমৰ সভাত পাঠ কৰা তেখেতৰ অভিভাষনটো সকলো ইতিপূৰ্বে পাঠ কৰা অভিভাষনৰ ভিতৰত শ্ৰেষ্ঠ বুলি সকলোৱে শলাগিলে। অভিভাষনটো ইংৰাজী ভাষাত লিখিছিল। মাজে মাজে ৰবীন্দ্ৰ নাথৰ গীতাঞ্জলিৰ উদ্ধৃতিও আছিল। তেখেতৰ ৰচনাশৈলী সেই সময়ৰ বিখ্যাত ভাৰতীয় লিখকৰ পৰ্যায়ৰ আছিল। এইটো পাঠ কৰোতে প্ৰায় এঘন্টা লাগিছিল। ভাষনটো উচ্চস্বৰে সমৰ্থন জনালে। ভাষনটো

বেচ বোধাদয়কাৰী তাত অসমৰ বিষয়ে চকুত পৰা বহুতো দিশলৈ আঙুলিয়াই দিয়াই নহয় সেইবিলাকৰ প্ৰতিকাৰৰো ইংগিত দি মানুহে নিজে গ্ৰহন নকৰিলে যে মুক্তি অসম্ভৱ এই বিলাক বিষয় দিছিল। ভাষনটোত সজোৰে সংঘবদ্ধ হোৱাৰ যে সময় উপস্থিত আৰু দেশৰ ৰাজনৈতিক প্ৰয়োজন সিদ্ধিৰ বাবে এই বিলাক দাঙি ধৰাৰ প্ৰয়োজন যিটো সময়ত নিজেই ধৰা দিবই গতিকে অনাকাংখিত শক্তিৰ মুঠিৰ পৰা আজুৰি অনাৰ সময় সমাগত আদি বুজাই দিছিল।তেখেতে কৈছিল মুঠ বান্ধা দুৱাৰ ঢকিওৱা তেহে দুৱাৰ খোল খাব।

সন্মিলনৰ কাৰ্যকাল তিনিদিনীয়া আছিল। পুৰুষ-মহিলা, ডেকা-বুঢ়া সকলোৰে উৎসাহ উদ্দীপনাৰ সীমা নাই। তাতে ভালে কেইটামান প্ৰস্তাৱো গ্ৰহনৰ সিদ্ধান্ত লোৱা হ'ল। ডিব্ৰুগড়ৰ মহিলা সকলেও বৰ উৎসাহেৰে সামাজিক কামবিলাক কৰিছিল। অসমত সৰ্বপ্ৰথম ডিব্ৰুগড়তে মহিলাই লাজত কুছিমুছি নাথাকি য'তে প্ৰয়োজন তাতে আলোচনা কৰি সহায়ৰ হাতো আগবঢ়াইছিল।

তিনিদিনৰ দিনা সন্ধ্যা ৪ বজাত সভাৰ কাম অন্ত পৰিল। প্ৰায় তিনিশ আমন্ত্ৰিত অতিথি আমাৰ ঘৰলৈ আহি আমাৰ ঘৰৰ সন্মুখৰ মুকলি ঘাঁহনিতে এটা ডাঙৰ চাহমেলা সামৰণি অনুষ্ঠান ৰূপে উপভোগ কৰিলে। মোৰ বাবে আৰু মোৰ পৰিয়ালৰ মানুহৰ বাবে এইটো এটা বৰ দৃষ্টিনন্দনীয় দৃশ্য আছিল, স্বাধীনতা যুদ্ধত অংশ গ্ৰহন কৰা ইমান বিলাক সৈনিকক একেলগে বহুৱাই অভ্যৰ্থনা কৰিবলৈ লাভ কৰা সৌভাগ্যটো বৰ দুৰ্লভ। অতিথিৰ সংখ্যা নিমন্ত্ৰিততকৈয়ো কিছু বেছি হ'ল কাৰণ ৫০০ ফুটৰ এখন বৃত্তাকাৰ মুকলি ঠাই অতিথিৰে ভৰি পৰিছিল। ঘাঁহনিখনৰ ঠায়ে ঠায়ে দীঘল দীঘল তক্তা যোৰা লগাই বহাৰ ব্যৱস্থা কৰা আৰু ডাঙৰ ডাঙৰ মেজ লগলগাই খোৱাৰ ব্যৱস্থা কৰা হ'ল। মেজ বিলাকত বিভিন্ন খাদ্য বস্তু থোৱা হ'ল। চাহ আৰু ঠাণ্ডা পানীয়ৰো মিঠাইৰ ফলৰ সৈতে খাই থকা দৃশ্যটো বৰ ভাল লগা হৈছিল। মোৰ ক্ষেত্ৰত এই উৎসৱটো বৰ আমোদদায়ক হৈছিল। কাৰণ আন্তৰিক ধন্যবাদ প্ৰায় বিলাকেই দিছিল। আন্ধাৰৰ লগে-লগেই এই উৎসৱৰ সামৰণি পৰিল।

অতিথি সকলে নিজ ইচ্ছাৰে যি মন যায় তাকে খাই হাঁহি-মাতি কথাপাতি সন্ধ্যা সময়ত বিদায় ল'লে। এতিয়াৰ অনুষ্ঠানলৈ অহা প্ৰত্যেজন বিজ্ঞ লোকেই মোক আন্তৰিক অভিবাদ জনাইছিল। এই অতিথিসকল আন্ধাৰ হোৱাত যদিও কাৰাচিন তেলৰ লণ্ঠন জলাই আঁৰি দিয়া হৈছিল তথাপিও সেই পোহৰ যথেষ্ট নোহোৱা বাবে আৰু বিজুলী চাকিৰ ব্যৱস্থাও সেই সময়ত ডিব্ৰুগড়ত নথকা বাবে এজন-দুজনকৈ বিদায় লৈ গ'লগৈ। ভাগ্যৰ চক্ৰান্তত মোৰ এই অনুষ্ঠানটো আন এটা তেনে ধৰণৰ

অনুষ্ঠানৰ পথ প্ৰদৰ্শক হ'ল যিটোত মই নভবাকৈয়ে উপস্থিত থকাৰ সৌভাগ্য মিলিছিল যিটো মই সপোনতো ভৱা নাছিলো। এটা বছৰৰ পিছত ভাৰতৰ এখন প্ৰসিদ্ধ ঠাইত এশ গুনে বেছি আৰু হেজাৰ গুনে ডাঙৰ ঠাইত (surrounfings) এশ গুনে বেছি ভোজ্য বস্তু, পানীয় (লঘু আৰু গুৰু) আৰু ধুম্ৰপানৰ ব্যৱস্থা আৰু এশ গুনে অধিক মানুহ সমবেত হৈছিল। এই মহৎ ব্যৱস্থাপনাৰ তুলনাত মোৰ খাদ্য বস্তু নগন্য আসন-ভোজন ব্যৱস্থাও নগন্য আছিল।এইটো হৈছিল ১৯১৭ চনত।

অতিথি সকল দিহাদিহি গ'ল আৰু আমিও নিজ গৃহলৈ আহি সুদীৰ্ঘ এমাহ দিন ভাগ্যই আমাক কি গতি ঘটাই তাৰে চিন্তাত নিমগ্ন হৈ থাকিব লগা হ'ল। পিছে আহাৰ সংগ্ৰহ কৰাতে আমাৰ চিন্তাত ঢাল খোৱাই অপেক্ষা কৰিয়ে কটালো।

মই কবলৈ পাহৰিছো ১৯১৪ চনতে আৰম্ভ হোৱা প্ৰথম বিশ্বযুদ্ধ তেতিয়াও পূৰ্ণোদ্যমে চলি আছিল। এফালে জাৰ্মান আৰু ইটালিয়ান যুঁজাৰু আৰু আনফালে ব্ৰিটিছ, ফৰাছী, বেলজিয়াম আৰু ৰাছিয়াৰ সন্মিলিত দল আছিল। এই যুদ্ধখন ১৯১৬ চনত যেতিয়া মিত্ৰদলটো সম্পূৰ্ণ ভাগৰি পৰিছিল আৰু জাৰ্মানি সকলে প্ৰবল আক্ৰমনেৰে বিপক্ষক মৰনপন আক্ৰমণ কৰিছিল। এনে সময়তে আমেৰিকাই অদমনীয় সৈন্যবল আৰু ধনবললৈ মিত্ৰদলৰ লগত যোগ দি যুদ্ধৰ গতি সলাই পেলালে।

জাৰ্মান বিলাক পৰাজিত হৈ হুহকি যাবলৈ বাধ্য হ'ল। জাৰ্মান সৈন্যবিলাক চেদেলি-ভেদেলি হ'ল আৰু বহুতকে সমূহীয়া বন্দিশাললৈ প্ৰেৰণ কৰা হ'ল। তেওঁলোকক দুৰ্দ্দশাৰ এনে সীমালৈ প্ৰেৰণ কৰিলে যে তাৰ পৰা কোনো ওভতি নাহিল। জাৰ্মান সম্ৰাট কেইজনে গোপন ঠাইলৈ পলাই গ'ল। ১৯১৮ চনত এটা চুক্তি মতে যুদ্ধখন সমাপ্তি ঘটোৱা হ'ল। চুক্তি মতে জাৰ্মান বিলাক খৰিকটীয়া, পানীভাৰীৰ নিচিনা চাকৰ হব লগা হ'ল। জাৰ্মানৰ গৌৰৱবোধক বস্তু বিলাক ধ্বংশ কৰিলে নাইবা একেবাৰে মূল্যহীন কৰি পেলালে।

জাৰ্মান বিলাক চেক্সন জাতিৰ আছিল। তেওঁলোক বল আৰু মনোবলত অদমনীয় আছিল। এটা সময়ত হিটলাৰৰ অধিনায়কত্বত নাজিজিম নামৰ এটা নতুন ধৰ্ম্ম লৈ কেইবছৰ মান শীতনিদ্ৰাত থাকিহে যেন সাৰপাই উঠিল। ২১ বছৰৰ পিছত তেওঁলোকে যিটো হেৰুৱাইছিল তাক শতগুনে বৃদ্ধি কৰি ১৯৩৯ চনত এখন ভয়ঙ্কৰ যুদ্ধত পুনৰুদ্ধাৰ কৰিলে। জাৰ্মানী আৰু ফেচিবাদী ইটালিয়ে মুছলিনিৰ অধীনত মেৰুদণ্ড পোন কৰি থিয়দি জাৰ্মানীৰ লগ হ'ল। ইফালে বাকী ইউৰোপীয় দেশসমূহে মিত্ৰদল গঠন কৰি এফালে থিয় দিলে।

এক্সিছ (ইটালি আৰু জাৰ্মানিৰ সন্মিলিত দল) শক্তিৰ প্ৰথম লক্ষ্য আছিল পোলেণ্ড।

এইখনে সহজেই বশ্যতা মানি ললে। এই সংঘাটতে ব্ৰিটেইন আৰু ফ্ৰান্সক পৃথিৱীৰ দ্বিতীয় শক্তিশালী অৱস্থালৈ অৱনমিত কৰিলে।

ভাৰত অৱশ্যে ব্ৰিটিছৰ অধীন বাবে এই ক্ষেত্ৰত নিজা কোনো মতামত দিয়া অধিকাৰ নাই কেৱল "কৰ আৰু মৰ" এই মতাদৰ্শত চলিব লগীয়া হৈছিল। সেয়ে ভাৰতৰ ধন-জন অন্য যিবিলাক ভাৰতত পৰ্যাপ্ত ৰূপে আছে। এই সকলো বিলাক যুদ্ধৰ অজুহাততে কাঢ়ি নিয়া হ'ল। ভাৰতীয় সকলৰ যুদ্ধৰ লগে-লগে ইংৰাজ শসক সকলৰ বিৰুদ্ধে এটা খঙৰ ভাৱ প্ৰবাহিত হ'বলৈ ধৰিলে।

ভাৰতত থকা ব্ৰিটিছ শাসকে ভাৰতীয় সকলক ঘৃণনীয় কিবা কাম কৰা গম পালেই অনুসন্ধান কমিটী গঠন কৰে আৰু পৰিস্থিতিৰ বিষয়ে অৱগত কৰে। যাৰ ফলত উতলা পানীত তেল দিয়াৰ দৰেহে হয়।

ব্ৰিটিছ শাসক বিলাকে ভাৰতৰ পৰা যুদ্ধৰ সময়ত কি কি পালে তাৰ বাবে কিমান ঋনী তেওঁলোক এইটো নাভাবি তেওঁলোক সুস্থিৰ নাথাকি ৰাজনৈতিক দাসত্বৰ বাবেহে কিবা কৰিবলৈ চেষ্টা কৰিছিল।এইদৰেই মণ্টেগ' ছেমচফোৰ্ড ৰিফৰ্মত বহুত ৰাজনৈতিক সংস্কাৰ কৰিবলৈ বুলি ভাৰতীয় মানুহৰ মতামত বিচাৰিবলৈ কমিটী অনুষ্ঠান আদিক ৰাজনৈতিক অনুষ্ঠানৰ নেতাক মাতি পঠালে। ভাৰতীয় ৰাজ্যবিলাকৰ ছেক্ৰেটৰী মণ্টেগ' নিজেই ভাৰতীয় মানুহৰ মন বুজিবলৈ ভাৰতলৈ আহিল। তেওঁ ভাৰতৰ ভাইচৰয় চেমচফৰ্ডৰ লগতে কলিকতাতে থাকি ভাৰতীয় মানুহৰ মতি-গতি চাবলৈ বুলি আহিছিল। ভাৰতৰ বেলেগ বেলেগ ঠাইৰ পৰা দলে-দলে প্ৰতিনিধি, মুখিয়াল মানুহ, ৰজা-মহাৰজাই নিজ-নিজ পত্নীৰ সৈতে মহান ব্যক্তি ছেমছফৰ্ডক দৰ্শন কৰিবলৈ বুলি কলিকতালৈ ঢাপলি মেলিলে। আমাৰ অসমো পিছ-পৰি নাথাকিল। অসম এছ'চিয়েচনৰ সাধাৰণ সম্পাদক স্বৰ্গীয় ঘণশ্যাম বৰুৱাই সেই সময়ত ভাইচৰয়ৰ লেজিছলেটিভ কাউন্সিলৰ এজন সদস্যও আছিল। তেখেতে পদ্মনাথ গোঁহাই বৰুৱা, * গঙ্গা গোবিন্দ ফুকন, * তৰুণ ৰাম ফুকন, * নবীন চন্দ্ৰ বৰদলৈ, শ্ৰী চন্দ্ৰধৰ বৰুৱা আৰু এই অভাজনকো মাতি পঠালে। অসম এছ'চিয়েচনৰ সাধাৰণ সম্পাদক নিজেও নিৰ্দ্দিষ্ট দিনত অসমৰ বিষয়ে বুজাই কবৰ বাবে প্ৰতিনিধি ৰূপে ৰাজ সভাৰ ছেক্ৰেটেৰিক বুজাই ক'বলৈ সিদ্ধান্ত ল'লে। তেখেতৰ আহ্বানত সঁহাৰি জনাই নিৰ্দ্দিষ্ট সময়ত কলিকতালৈ যাত্ৰা কৰিলো মই, নবীন চন্দ্ৰ বৰদলৈ, পদ্মনাথ গোঁহাই বৰুৱা সাধাৰণ সম্পাদক সৈতে যোৰহাটৰ দাস এণ্ড কোম্পানীৰ সমঝাৰত থকা ঘৰতে থাকিলো। গংগাধৰ বৰুৱাৰ দাস এণ্ড কোম্পানীৰ লগত বন্ধুত্ব আছিল। বাকী বিলাক সদস্যয়ে য'তে ভাল পাই তালৈকে গ'ল।

আমি অধিৱেশনৰ কেইদিনমান আগতেই গৈ কলিকতাত উপস্থিত হৈছিলো। সাধাৰণ সম্পাদক আৰু মোৰ বিশেষ কৰিব লগীয়া নথকা বাবে অ'ত-ত'ত ঘূৰি ফুৰিছিলো। মাজে সময়ে আমি সদস্য সমূহ সম্পাদকৰ চাৰিওফালে বহি লৈ বিভিন্ন বিষয়ে আলোচনা কৰিছিলো। বিশেষকৈ অসমৰ বিষয়ে এখন আবেদন দিয়াৰ কথা আলোচনা কৰিছিলো আৰু সাধাৰণ সম্পাদকে নিজে এখন আবেদন লিখি লগতে লৈয়ে ফুৰিছিল। তেখেতে সেইখনৰ ওপৰতেই ভাষনো দিব কাৰণ তেখেতেই আমাৰ প্ৰতিনিধি বিলাকৰ মুখপাত্ৰ আছিল। আমি এইদৰেই থাকোতেই সাধাৰণ সম্পাদকে "ভাইচৰয় এইচ্ ডি কেম্পৰ" পৰা এখন চাৰ্কুলাৰ পালে। তাত প্ৰতিনিধি বিলাকে ইউৰোপীয় ধৰণেৰে কি সাজ-পাৰ, ভাৰতীয় হিচাপে কি সাজ আৰু মিহলি ধৰণে কি সাজ পিন্ধিব লাগিব তাৰো নিৰ্দ্দেশনা দিয়া আছিল; কিন্তু পেটেন্ট চামৰাৰ জোতা পিন্ধিবই লাগিব। এইটো হৈছিল পৰিচয় জ্ঞাপক সাজ। (sina-fua-non)। সেই নিৰ্দ্দেশনা মতে সাজি-কাছি আমি বাহু জোঁকাৰি লৈ এজনে আনজনলৈ চালো। কিছু সময়ৰ পিছত সম্পাদকে নিৰৱতা ভঙ্গ কৰি ক'লে সকলোৱে নিৰ্দ্দেশনা মানি চলিব লাগে। ইয়াৰ পিছত আমি কব লগীয় একো নাথকিল। আমি আমাৰ নিজা সাজ-পাৰ নিজা ৰুচি মতে ল'লো; কিন্তু চামৰাৰ জোতা সম্পাদকে কোৱাৰ নিচিনা চামৰাৰ পেটেন্ট জোতা বৰ দামী যদিও সম্পাদকে একো মতা নাছিল; কিন্তু আমি অন্তৰেৰে ফৰাছি সকলৰ দৰে নিয়মৰ দাস হোৱা যেন অনুভৱ কৰিলো। সেয়ে নহলে ব্ৰিটিছ সকলেই মুখ্য স্থান পাব তাৰ পিছতে তেওঁলোকৰো প্ৰিয় সকলে আৰু আমি ভাগ্যক ধিয়াই থাকিব লাগিব।

সভাৰ আগদিনা গধূলি আমি সম্পাদকৰ ঘৰৰ পৰা জোতাৰ সন্ধানত ওলালো। আমাৰ লগত সম্পাদক যোৱা নাছিল কাৰণ তেখেত লেজিচলেটিভ কাউন্সিলৰ সদস্য হোৱাৰ বাবে বহুত দিনৰ আগতেই এজোৰ জোতা পাইছিল।তেখেতে সেইযোৰ ভাইচৰয়ৰ তালৈ বা বাগানৰ পাৰ্টি বিলাকলৈ যাওঁতে পিন্ধি যাব লাগিছিল।

আমি দুখন সৰু গাড়ী ভাড়া কৰি হোৱাইট ওৱেৰ নামৰ এখন দামী দোকানত সোমালো। আমি সোমাওঁতেই দোকানৰ ছোৱালী এজনীয়ে বিক্ৰী কেন্দ্ৰৰ সন্মুখৰ পৰা আমালৈ চাই আছিল। আমাৰ মাজৰ বয়োবৃদ্ধ ফুকন ডাঙৰীয়াই ছোৱালী জনীক জোতাৰ কথা সুধিলে। তাই পাঁচ মিনিট মান নীৰৱে থাকি একেটা কোঠাতে অলপ দূৰত থকা আন এজনী ছোৱালীৰ ওচৰলৈ গ'ল। অলপ সময় তাইৰ লগত কথা পাতি আমাক আহি পেটেন্ট চামৰাৰ জোতা মালৰ থুপত নাই বুলি কলে। তাকে শুনি আমি যোৱা বাটে উভতি চাঁদনি চকৰ বেৰিষ্টাৰ ৰাচুলৰ জোতাৰ দোকানলৈ গলো। ফুকন ডাঙৰীয়া আৰু মই আমাৰ দলৰ পৰা কিছু পিছত আছিলো। তেখেতে

মোক ক'লে— বলক আমি পেটেন্ট জোতাৰ লগত মিলা বেলেগ চামৰাৰ জোতা দিব পাৰিব নেকি সুধি আহো। আমি পুনৰ হোৱাইট ওৱেৰ লৈ গৈ সেই ছোৱালী জনীক লগ পালো। ফুকনে কি বিচাৰিছে তাইক বুজাই কলে। তাই এটা মিঠা হাঁহিমাৰি ভিতৰলৈ গ'ল আৰু এটা ঠাকৰ পৰা তিনি-চাৰি যোৰ মান জোতা আনি দি সেয়া নকল পেটেন্ট চামৰাৰ জোতা বুলি কলে। সৌভাগ্যক্ৰমে সেই দুযোৰ আমাৰ দুজনৰ ভৰিত খাপ-খাই গ'ল। আমি দাম সোধাত যোৰে ৩ ৰ পৰা ৮ টকা বুলি কলে। আমি টকালি পাৰি লৰালৰিকৈ টকাৰ মোনা ওলিয়াই দাম দি দিলো। আমি বিজয়ী বেশে এখন গাড়ী ভাড়া কৰি থকা ঘৰলৈ উভতি আহি বাকী সকলে কি আনে চাবলৈ অপেক্ষা কৰিলো। সন্ধ্যা ৮ মান বজাত প্ৰত্যেকে এটা বা দুটা জোতাৰ টোপেলা লৈ সম্পাদকৰ কেউকাষে বহিলেহি। তেখেত সকলে জোতাবোৰ দেখুৱাই কিমান দাম প্ৰত্যেকেই জনাই আমাৰ কিযোৰ চালে আৰু দাম সুধিলে। আমি ফুকনে আৰু মই বুজাবুজি হৈ লৈছিলো যে মন্টেগ'ৰ লগত হ'ব লগীয়া মিটিং শেষ নোহোৱা পৰ্যন্ত আচল কথা নকওঁ। সেয়ে তেখেত সকলতকৈ সামান্য কম কৰি আমাৰ জোতাৰ দাম কলো।

এইটো গম পালো যে তৰুণৰাম ফুকনৰ জোতা যোৰ আটাইতকৈ দামী ৩২ টকীয়া, বৰদলৈৰ যোৰ তাতকৈ অলপ কম, বাকী বিলাকৰো অলপ হেৰফেৰ হ'ব। তেখেত সকলে চাঁদনীৰ পৰা কিনিলে।

পিছদিনা সোনকালে ভোজন কৰি আমি নিজৰ নিজৰ সাজেৰে (ওলোমাই থোৱা ব্ৰাউন আৰু ভেড়া ৰখীয়াৰ ফটোখনৰ দৰে) সাধাৰণ সম্পাদকৰ ওচৰত উপস্থিত হলো। আমাৰ সাজৰ পাৰ্থক্যৰ মাজত (কলা পাথৰেৰে জিকমিকাই থকা) সাদৃশ্যই ভৰি শুৱনি কৰি আছিল।

আমি দুখন ভাড়া গাড়ী লৈ ভাইচৰয়ৰ ওচৰলৈ গলো। আমি প্ৰকাণ্ড জপনাখনৰ ওচৰত ৰলোগৈ। আমাক চন্তৰিয়ে খটখটিৰ ওচৰলৈ লৈ গ'ল। আমি খটখটি বগাই গৈ এখন ডাঙৰ সু-সজ্জিত বাৰাণ্ডাৰ ওচৰতে ভাইচৰয়ৰ এ ডি চি এজনক লগ পালো। তেখেতে আমাক এটা সু-সজ্জিত কোঠালৈ লৈ গ'ল। তাত চোফা, আৰামী চকী, আদিৰে সজাই কোঠাটো সোনালী ৰঙেৰে ৰং কৰা অতি সুন্দৰকৈ সজাই থোৱা আছিল। তাতে এ ডি চি য়ে আমাৰ পাল পৰালৈকে অপেক্ষা কৰিবলৈ কৈ আমাৰ আসনত বহিবলৈ কৈ থৈ গ'ল। আমি বহি থাকোতে আমি বহি থকা কোঠাটোলৈ বহুত মানুহ অহা-যোৱা কৰা দেখিবলৈ পালো। এঘন্টা মান বহাৰ পিছত এজন এ ডি চি আহি অসমৰ প্ৰতিনিধিৰ সাধাৰণ সম্পাদকক বিচৰা হৈছে বোলাৰ

লগে লগেই সাধাৰণ সম্পাদক থিয় দিলে আৰু তেখেতক কৰবালৈ গৈ গ'ল। তেখেত আধা ঘন্টামানৰ পিছত আহি আমাক জনালে বোলে গৰ্ভনৰ জেনেৰেল আৰু ৰাজ্যবিলাকৰ সাধাৰণ সম্পাদকে অসমৰ প্ৰতিনিধি বিলাকৰ লগত ৪ টা মান বজাত কথা পাতিব। নিৰ্দিষ্ট সময়ত আন এজন এ ডি চি আহি গৰ্ভনৰ জেনেৰেল আৰু ৰাজ্যবিলাকৰ সম্পাদকে আমাৰ লগত ৪ টা মান বজাত কথা পাতিব বুলি ক'লে। আমি নিৰ্ধাৰিত সময়লৈকে ধৈৰ্য্যৰে অপেক্ষা কৰিলো। বৰুৱাদেৱে আমাক কলে বোলে তেখেতক মিষ্টাৰ মন্টেগ'ৱে অসমৰ বিষয়ে সুধিছিল আৰু তেখেতৰ লগত তাত ভাইচৰয়ো আছিল। তেখেত সকলে অসমৰ বিষয়ে সুধিয়ে ৪ টা মান বজাত লগ কৰিম বুলি বিদায় দিলে। নিৰ্দিষ্ট সময়ত আন এজন এ ডি চি আহি কলে ভাইচৰয় আৰু মন্টেগ'য়ে আমাক আন এটা হলত লগ কৰিব। তেখেতসকলে অসমৰ বিষয়ে সুধিয়ে ৪ টা বজাত লগ কৰিম বুলি বিদায় দিলে। প্ৰায় ৫০০ মানুহ তাত সমবেত হৈ আছিল। সৌভাগ্য ক্ৰমে সন্মুখৰ শাৰীৰে এটা অংশ অসমৰ প্ৰতিনিধিৰ বাবে আচুতীয়াকৈ ৰখা হৈছিল। আমি আৰামেৰে আমাৰ আসন ললোগৈ। নিৰ্দ্দিষ্ট সময়ত আন এজন এডিচি আহি কলে বোলে ভাইচৰয় আৰু মন্টেগ'য়ে আমাক আন এটা হলত লগ কৰিব বুলি বেলেগ হললৈ লৈ গ'ল। কেই মিনিটমানৰ পিছতে ভাইচৰয় আৰু সম্পাদক বহুতো এডিচি আৰু চাপৰাচিৰে পৰিবেষ্টিত হৈ প্ৰৱেশ কৰিলে।

সেই সন্মানীয় মানুহ কেইজনে সোনালী ৰঙৰ আসনত বেদীত উঠি বহে মানে আমি থিয় হৈ ৰলো। তাৰ পিছত ভাইচৰয় চেমচফৰ্ডে মিষ্টাৰ মন্টেগ'ক আমাক চিনাকি কৰি দিয়াৰ লগতে তেওঁ ভাৰতলৈ অহাৰ উদ্দেশ্যৰ কথাও কলে। তেওঁ কলে বোলে ভাৰতে ৰাজনৈতিক দিশত আৰু অগ্ৰসৰ হোৱাৰ সময় সমাগত হৈছে আৰু ভাৰতে নিজকে উপলব্ধি কৰাৰ সময় হৈছে। তেওঁ আমাক "মন্টেগ' ছেমচফৰ্ড সংস্কাৰ " ৰ আঁচনি খনৰ কথা কলে যিখন সময় হলে প্ৰকাশ কৰা হ'ব আৰু জনমত জানিবলৈ ইচ্ছা কৰাৰ লগতে সকলো দায়িত্বশীল সংগঠনৰ পৰা মতামতো বিচাৰিলে আৰু এই জনসমূহক দেখা পোৱা সৌভাগ্যৰ কথাও কলে। সভা ভঙ্গ হোৱাৰ লগে লগে প্ৰতিনিধিৰ মুৰব্বী বিলাকে ডাঙৰ হুলস্থুল সৃষ্টি কৰিলে। মানুহ বিলাক আঁতৰাৰ লগে লগে আমিও দুৱাৰৰ কাষ পাওঁতে ভাইচৰয়ৰ সদনৰ কোনোবা অফিচাৰে আমাক এটাকৈ ডাঙৰ খাম দিলে। তাত সোনালী পাৰিৰ একোখনকৈ পিছদিনা আবেলি হব লগীয়া চাহ মেললৈ নিমন্ত্ৰণ কৰা চিঠি আছিল। চাহ মেলৰ উদ্দেশ্য আছিল মন্টেগ'ক দেখা কৰাৰ সুবিধা দিয়া আমি কথাটোত বৰ ভাল পালো। আন্ধাৰ হৈ অহাৰ লগে লগে এটা আকৰ্ষণীয় অনুষ্ঠান (ceremony) আমাৰ অন্তৰত ঠাই

ললে। এইটোৰ বিষয়ে আগতে মোৰ চাহমেলৰ ডিব্ৰুগড়ত পতা কথা কওঁতে সৰুৰ লগত ডাঙৰৰ তুলনা বুলি উল্লেখ কৰিছিলো। মই নবীন বৰদলৈৰ সভাপতিত্বত বহা অসম এছ'চিয়েচনক অভ্যৰ্থনা কৰিছিলো।

পিছদিনা আবেলি ৩ বজাত আমি আগদিনা পিন্ধা একেধৰণৰ সাজ পিন্ধি ভাইচৰয়ৰ ঘৰৰ প্ৰকাণ্ড মুকলি ঘাঁহনি দৰাত সমবেত হলো। তাত য'তে -য'তে চামিয়ানা সজা হৈছিল আৰু সেইবিলাক চালু কাপোৰ আৰু কাগজৰ ফুলেৰে সজোৱা চামিয়ানা বিলাক বৰ সুন্দৰ আছিল। ইটো খুটাৰ পৰা সিটো খুটালৈ ফুল বিলাক সজোৱা হৈছিল। আৰু চামিয়ানাৰ তলত ইউৰোপীয়া আৰু ভাৰতীয় খাদ্য দমে দমে মেজ বিলাকত সজাই থৈছিল। আৰু সৰু সৰু মেজ আৰু চকী সজাই থৈছিল। লাহে লাহে মানুহ পাঁচহাজাৰ মান গোট খালে। কেইজন মান ৰজা, মহাৰজা, নবাব আৰু দেশৰ মুখিয়াল সকলে তেওঁলোকৰ মনি-মুকুতা আৰু ৰাজকীয় পাগুৰিৰে নিজৰ মান্যতা অনুযায়ী আৰু তেওঁলোকৰ সুন্দৰ পত্নী বিলাক অতি জাক-জমক সাজ আৰু মনি-মুকুতাৰে সজ্জিতা হৈ তাত উপস্থিত আছিল। ইয়াৰ লগত আমন্ত্ৰিত বিভিন্ন মৰ্য্যদাৰ যিমান বিলাক মানুহ গোট খাইছিল উল্লেখ কৰাই কঠিন। গোটেই মানুহ বিলাকে হাঁহি মাতি কথা পাতি আনন্দেৰে ইফালে সিফালে অহা যোৱা কৰি ইটো-সিটো বস্তু লৈ খাই ফুৰিছিল। সন্ধ্যাৰ লগে লগে বিজুলী বাতিৰ জিক-মিকণিত অতি সুন্দৰ দৃশ্য সৃষ্টি হৈছিল। এই জনসমুদ্ৰৰ মাজতে মই ভাইচৰয় চেমচফৰ্ড আৰু মন্টেগ'ৰে একেলগে ৰজা-মহাৰজা আৰু মুখিয়াল সকলৰ লগত কথা পাতি আৰু কৰমৰ্দ্দন কৰি ঘূৰি ফুৰা দেখা পালো।

লাহে লাহে আন্ধাৰ নামি অহাৰ লগে লগে এটা অপূৰ্ব স্মৰণীয় অনুষ্ঠানৰ স্মৃতি মনত বান্ধি লৈ আমি ওভতি আহিলো। এই ঘটনাটো মোৰ মনত অহাত মই আগতে কোৱা চাহ মেল আৰু এইটো চাহৰ মেলৰ তুলনা কৰিলে হাতী মাখি তুলনা কৰাৰ দৰে হ'ব বুলি কৈছিলো। মই নবীন বৰদলৈ দেৱৰ অধ্যক্ষতাত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা অসম এছ'চিয়েচনৰ প্ৰতিনিধি সকলকহে খুৱাইছিলো; কিন্তু ইয়াত ৰজা - মহাৰজা নবাব আৰু প্ৰতিনিধি সকলো আছিল।

ভাইচৰয়ৰ অট্টালিকা আৰু ইয়াৰ চাৰিসীমাটো মুকলি ঘাঁহনিখন মোৰ অচিনাকী নাছিল। মই কলিকতাত পঢ়ি থাকোতে ১৯০৪ চনত ভাইচৰয়ৰ তালৈ যোৱাৰ সুবিধা পাইছিলো। সেই চেগতে বস্তুবিলাক বাহিৰে -ভিতৰে চাবলৈ সুবিধা পালো। লগতে মুকলি মঞ্চখনো চাবলৈ পাইছিলো। এই সুবিধাটো এনেদৰে পাইছিলো ভূঁৱন চন্দ্ৰ বৰুৱা সেই সময়ত স্নাতক মহলাৰ পিছত যি জনক বিখ্যাত ব্যৱসায়ী বি

বৰুৱাই পুত্ৰ ৰূপে তুলি লৈছিল তেওঁ শিয়ালদহ ষ্টেশ্যনৰ ওচৰৰ হেৰিচন ৰ'ডৰ ভিক্টোৰিয়া হোটেলৰ এটা কোঠা ভাড়া কৰি আছিল। এই হোটেলখনতে তেখেতৰ বিভিন্ন ধৰণৰ বহুত বন্ধু আছিল। এই বন্ধুবিলাকৰ দুজন বা এজনক সন্ধ্যা সময়তো তেখেতৰ কোঠাত লগ পোৱা যায়েই। তেওঁৰ বাবে এটা স্পিৰিট ষ্ট'ভত কেতিয়াবা আন কিবা বনাই তেখেত ব্যস্ত হৈ আছিল। তেওঁ বৰ চাহপেয়ী স্বভাৱৰ আছিল। যিকোনো কাৰণত মই যেতিয়া তেওঁৰ ওচৰলৈ যাওঁ তেওঁ এইবিধ পানীয় ঘন্টাত কমেও দুবাৰ খোৱা দেখোঁৱে। তেওঁ চুৰট হুপাতো বৰ আসক্তি আছিল। তেওঁ এটাৰ পিছত এটা চুৰট হুপিছিল। তেওঁ এজন কিতাপৰ পোকেই আছিল বুলিব পাৰি। মই যেতিয়াই যাওঁ তেতিয়াই তেওঁ উবুৰি হৈ বিচনাত পৰি বুকুৰ তলত গাৰু এটা ভৰাই লৈ হাতত চুৰট লৈ কিতাপত মগ্ন থকাই দেখিবলৈ পাইছিলো। অসমীয়া ছাত্ৰসকলে কোৱা- কুই কৰে তেওঁ বোলে ইউৰোপিয়ান লাইব্ৰেৰীৰ পৰা কিতাপ পাইছিল। যি নহওক এই ভূবন চন্দ্ৰ বৰুৱা বৰ স্বল্পভাষী স্বভাৱৰ আছিল আৰু কেতিয়াও মানুহৰ লগত হাঁহি-ধেমালি কৰি কথা নাপাতিছিল। এই বৰুৱাৰে এজন বঙালী বন্ধু আছিল। তেওঁৰ মানে বন্ধুজনৰ মোমায়েক এজন আছিল। সেই মোমায়েকজন জন ভাইচৰয়ৰ ছেক্ৰেটেৰিয়েটৰ মাটিৰ ওপৰৰ মহলাৰ এটা অংশত থাকিছিল। এই বৰুৱায়ে বন্ধুয়েকৰ মোমায়েকক ভাইচৰয় গ্ৰীষ্ম নিবাসলৈ চিমলালৈ যাওঁতে যেতিয়া মোৰামতি কৰা হয় সেই সময়ত অট্টালিকাটো চাবলৈ দিবলৈ অনুমিত লবলৈ কলে। বৰুৱাৰ এই বন্ধুজনে মোমায়েকৰ পৰা অনুমতি আদায় কৰাত অট্টালিকাটো চাবলৈ দিন এটা ঠিক কৰা হ'ল। সেই নিৰ্দ্ধাৰিত দিনত বৰুৱাৰ লগত আমি প্ৰায় ১২ জন অসমীয়া ছাত্ৰ আৰু বঙালী বন্ধুজনে সৈতে দিনৰ ১২ বজাৰ সময়ত অট্টালিকাৰ জপনামুখত উপস্থিত হলোগৈ। বৰুৱাৰ বন্ধুজনে পাছখন দেখুৱালত চন্তৰিয়ে আমাক ভিতৰলৈ যাবলৈ দিলে। আমি অফিচৰ দুৱাৰ মুখত বৰুৱাৰ বন্ধুয়েকৰ মোমায়েকক লগ পালো। স্বাভাৱিক স্বাগতম্ আদান-প্ৰদানৰ পিছত এজন উত্তৰ ফালৰ দেশৰ মানুহক মাতি আমাক অট্টালিকাৰ সকলো অংশকে ভালকৈ দেখুৱাবলৈ কলে। আমি খটখটিয়েদি গৈ ওপৰ মহলা পালোগৈ। সোনালী ৰঙৰ তৈল চিত্ৰৰে পাৰিটো বন্ধোৱা ৮ ফুটমান ওখকৈ গোটেই খটখটিটো কাৰ্পেট পাৰি থৈছে। খটখটিত বগাওতে অকনো ভাগৰ অনুভৱ নহয়, কাৰণ প্ৰতিটো খোজ ইমান আলাসত যায় যে ওপৰলৈ উঠি গৈছো যেন অনুভৱেই নহয়। প্ৰতিটো খোজেই এক ইঞ্চিমান বহি বহি যায়। আমি সেই বৃহৎ অট্টালিকাটোৰ এটাও কোঠা এনেকি ৰাজ সিংহাসন থকা কোঠাও বাদ নিদিলো। ৰাজ আসন থকা কোঠাটো বৰ জাকজমক,

মাৰ্বলৰ খুটা, শাৰী পাতি সজাই থোৱা জিকমিকিয়া চকী আটাইবিলাকতে সোনালী পাৰি দিয়া ভেলভেট কাপোৰৰ কুচন পৰা আৰু দুখন ওখ-ডাঙৰ সোনালী ৰঙৰ চকী, পৃষ্ঠভাগ তিনিকোণীয়া কোঠাটোও দামী বস্তুৰে সজাই থোৱাৰ উপৰিও মজিয়াখনো অতি পৰিপাটিকৈ মহামূল্যৱান গম্বুজৰ তলত অতি দৰ্শনীয় আছিল। আমি কেইটামান অত্যুৎসাহীয়ে সিংহাসন কিখনো বাদ নিদি তাতো বহি চালো। আমি ইংলেণ্ডৰ ৰজা ৰামঈৰ প্ৰতিনিধিৰ আচৰিত বাসস্থান চোৱা পৰ্বটো সামৰণি মাৰিলো। আমি যেন এই দুঘন্টা সময় কোনোবা সপোন পুৰিত আত্মবিস্মিত হৈহে আছিলো তেনে লাগিছিল। ভাইচৰয় আৰু তেখেতৰ পত্নীয়ে ব্যৱহাৰ কৰা দুটা তলা মাৰি থোৱাত খুলিব নোৱাৰা হোৱা বাবে চাবলৈ নাপালো।

আমি মুকলি ময়দানখনত ফুল ফুলি জকমকাই থকা দৃশ্য উপভোগ কৰি যেতিয়া ভাগৰি গলো তেতিয়া আনে সহজে পাব নোৱাৰা এই প্ৰাপ্তিৰ আনন্দ মনত লৈ নিজ নিজ বাসস্থানলৈ যোৱা বাটেই ওভতি আহিলো।

এইটো এটা কৰ নলগীয়া অধ্যায় মই ব্যক্ত নকৰাকৈ থাকিব নোৱাৰিলো।

প্ৰতিনিধিৰ কাম শেষ হলত আমি কলিকতাৰ পৰা ওভতি আহিলো।

মিষ্টাৰ মণ্টেগ'ৰ এই দৰ্শনে ৰাজনৈতিক নেতা সকলক আৰু সমগ্ৰ ভাৰতৰে সকলো ব্যস্ত মানুহকে ভালদৰে জোকাৰি গ'ল। সমগ্ৰ ভাৰততে কম-বেছি পৰিমাণে বিদ্ৰোহে গা কৰি উঠিল। প্ৰায় মানুহেই গণতান্ত্ৰিক চৰকাৰ গঠনৰ পক্ষত সজোৰে থিয় দিলে।

প্ৰথম বিশ্বযুদ্ধ তেতিয়াওঁ চলিয়ে আছিল। যুদ্ধৰ নিষ্ঠুৰতা আৰু দুৰ্ভোগ পুৰা দমেই চলি আছিল আৰু শাম কটাৰ কোনো লক্ষণেই নাছিল। জাৰ্মানৰ এখন চাবমেৰিন গোপনে বঙ্গোপসাগৰ পৰ্যন্ত আগুৱাই আহি বহুতো জাহাজ ডুবাই দিলে। এনেকি ডাইমণ্ড হাৰবাৰেদি কলিকতাৰ কাষ চাপি বহুত মাল ভৰা নাওঁ বৃটেইনলৈ আৰু যুদ্ধত লিপ্ত অন্য ঠাইলৈ পঠোৱা চাহৰ বেগ বাকচ আদি পানীত ডুবাই দিলে। এই দুঃসাহসিক কামে সমগ্ৰ ভাৰতকে কঁপাই তুলিলে ; বিশেষকৈ বনিক সকলক চক্ খুৱাই দিলে। কলিকতাত থকা গোমস্তা সকলে অসম আৰু অন্য চাহ উৎপাদনকাৰী ঠাই বিলাকক পুনৰ জাননি নিদিয়া পৰ্যন্ত চাহ নপঠাবলৈ নিৰ্দ্দেশ দিলে। কলিকতীয়া গোমস্তাৰ এই নিৰ্দ্দেশনাৰ বাবে অসমৰ বাগিছা বিলাকৰ বাবে এইটো এটা ভয়ানক অৱস্থা হ'ল। কাৰণ সেইটো চাহৰ উৎপাদনৰ বাবে বিশেষ সময়। চাহবিলাক এতিয়া বাকচত ভৰাই য'তে থবলৈ ঠাই অকন সাগৰ পাৰতে বা নৈৰ পাৰতে পোৱা হয় তাতে চালিৰ তলত দমাই থব লগা হ'ল। এইটোৱে এই শিল্পটোৰ ফালে প্ৰায়

ধ্বংসৰ আগজাননি দিলে। ডাঙৰ ডাঙৰ ইউৰোপিয়ান বাগানৰ মালিক বিলাকৰ বৰ চিন্তা নাই। তেওঁলোকে ডাঙৰ ডাঙৰ কাৰখানাত চালিৰ তলতে পেকেট বিলাক থৈছিল। বাগিছাত খৰছ কৰিবলৈ চিন্তাও নাছিল, কাৰণ কলিকতাত থকা তেওঁলোকৰ গোমস্তা বিলাকে তেওঁলোকৰ প্ৰয়োজনীয় টকা দি আছিল। কিন্তু ভাৰতীয় মালিক বিলাকে বিশেষকৈ মোৰ নিচিনা দুৰ্ভগীয়া বিলাক ৪-৫ মাহ মান টকাৰ অভাৱত বিপদত পৰিছিল। ডিব্ৰুগড়ৰ ব্যৱসায় বাণিজ্য সেই সময়ত মাৰোৱাৰী বেপাৰীৰ কুক্ষিগত আছিল। মাৰোৱাৰী বিলাকে যেতিয়াই এখন চাবমেৰিন কলিকতাৰ ওচৰতে ধৰা পৰা বুলি গম পালো লগে লগে দেশী বাগানবোৰক আৰ্থিক সাহাৰ্য্য নিদিয়া হ'ল। আমি দেউতাৰ দিনৰেপৰা মাৰোৱাৰী ব্যৱসায় প্ৰতিষ্ঠানৰ পৰা বেছি সূতলৈ টকা ধাৰ লওঁ আৰু আমি কলিকতাৰ গোমস্তাৰ পৰা টকা পালে সূত দি থাকো আৰু চাহৰ বতৰত আমি চাহ বিক্ৰি কৰি পোৱা টকাৰে সূতে মূলে ধাৰ মাৰো। এইদৰেই বছৰ বছৰ চলি আছিল। পিছৰ বছৰ আকৌ একেদৰে সূত যিমান বাঢ়ে তালৈ ভ্ৰূক্ষেপ নকৰি বছৰ বছৰ চলাই আছিল।

সেই সময়ত অৱশ্যে এতিয়াওঁ এইটো নিয়ম আছিল যিবিলাক চাহ কলিকতাৰ বজাৰত নিলাম কৰিব লাগিব সেইখিনি মুনিবৰ যোগেদি পণ্যাগাৰ লৈ (গুদাম) পঠাব লাগে। তাত মুনিবে বস্তুৰ চালান লাভ কৰি চাহাব দালালক দিয়ে।দালালে চাহৰ তালিকা বনায়। প্ৰতি সপ্তাহত ডাঙৰ এটা নিলাম কক্ষত চাহ বিক্ৰী কৰা হয়।

আমাৰ কলিকতাৰ গোমস্তা হৈছে ডাঙৰ ইৰোপীয় পণ্যাগাৰৰ মালিক। এইটো নিশ্চিত যে যেতিয়ালৈকে বস্তু বিক্ৰীৰ আৰু মূল্যৰ সূচী নাপাই তেতিয়ালৈকে টকা নিদিয়ে। সেয়ে এইটো জনা কথা যে সেই সময়ত কলিকতালৈ চাহ যোৱা নাছিলেই। সেয়ে চাহ ব্যৱসায়ৰ বিপদ এনেকি উঠি যোৱাৰ ভয়তে প্ৰয়োজনীয় টকা নিদিয়া হ'ল। তাৰ বাবেই আমি ডাঙৰ মাৰ খালো। কম কৈ ভগাই দিয়াৰ বাবে আমাৰ বাগানৰ কাম সংকুচিত হৈ বস্তুৰ উৎপাদনো কমি গৈ গৈ গোটেই ব্যৱসায়টোৱেই মাৰঘাট মৰাৰ অৱস্থা হ'ল।

এইটো অৱস্থা যেতিয়া দুমাহ ধৰি চলি আছিল তেতিয়া মোৰ ধন ধাৰ দিওঁতা সকলে মোৰ ঠেৰু নাইকিয়া অৱস্থাৰ অচিলা লৈ মোৰ লগত সম্পৰ্ক কমাই দিবলৈ ধৰিলে। মোৰ তেওঁলোকৰ আচৰণত এটা ৰহস্যজনক সন্দেহ ভাৱ হ'ল আৰু যেতিয়া এটা কামত তেওঁলোকৰ দোকানলৈ কেইদিনমান পিছত যাওঁতে মালিকে মোক গোটেই জমা থকা চাহৰ ভঁৰালটো তেওঁলোকক পাউণ্ডত দুই অনাকৈ বেচি দিবলৈ কলে। তেওঁয়া মই বজ্ৰপৰা মানুহৰ দৰে হলো আৰু বৰ কাতৰ ভাৱে পাউণ্ডত

তিনি অনাকৈ দিবলৈ অনুৰোধ কৰিলো। তিনি অনায়ো মোৰ খৰচৰ আধাও নহ'ব। তেওঁলোকে কিন্তু এআঙুলো লৰচৰ নহ'ল। অৱশেষত দুখে বেজাৰে মই তেওঁলোকৰ প্ৰস্তাৱকে মানি লবলৈ বাধ্য হলো। মই দেখিলো এই বিক্ৰীৰ যোগেদি মই কেইহাজাৰমান পাম তাৰে বাকী আঢ়ে মাহত মই মাত্ৰ এহেজাৰ মানৰ হে চাহ পাম। মই কাউ-বাউকৈ অনুৰোধ কৰোতে তেওঁলোকে মই তেওঁলোকৰ পৰা লোৱা ধাৰটো অৱশ্যে সিমান বেচিও নাছিল; মিলাবলৈ সন্মত নহ'ল।

এইদৰেই মোৰ চিন্তাৰ বন্যাই মোক কোঙা কৰি পেলালে। বিশেষকৈ মোৰ সেই চেঙেলীয়া বয়সত যিটো সময়ত মই মানুহৰ স্বভাৱৰ বিষয়ে একোৱে জনা হোৱা নাছিলো। তাৰ অলপ দিনৰ আগতে মোৰ সন্মানীয় পিতৃৰ বিয়োগো হৈছিল। মোৰ পিতৃৰ আঁৰত থাকোতে মই পাৰ্থিৱ একো কথাতে মূৰ ঘমোৱা নাছিলো; কিন্তু মই তেখেতৰ তত্বাৱধানত বাগানৰ কাম বিলাক কাৰখানাৰ বাহিৰে-ভিতৰে সকলোখিনি শিকি লৈছিলো। ইয়ে মোৰ পৈত্ৰিক ব্যৱসায়ত এতিয়াওঁ লাগি থাকিবলৈ জ্ঞান দিলে আৰু মোৰ ল'ৰা আৰু ভতিজা হতেঁ দুঠাইত থকা দুখন মস্ত বাগানৰ কাম চলাই নিব পৰা হ'ল।

মোৰ এতিয়াওঁ ইংলেণ্ডৰ ৰাণী ভিক্টোৰিয়াৰ ৰাজত্বৰ ১৮৯৭ চনৰ কথা ৰিনিকি-ৰিনিকি মনত পৰে আৰু ১৮৯৭ চনতে তেখেতৰ ৰাজত্বৰ হীড়ক জয়ন্তী পতাৰ কথাও ভালকৈয়ে মনত পৰে। তেখেতৰ ১৯০১ চনত যে মৃত্যু হৈছিল তাকো মনত আছে, আৰু তেখেতৰ পুত্ৰ এডৱাৰ্ডক অভিষেক কৰোতে আমাৰ ৰাজ্যৰ বিখ্যাত ব্যক্তি জগন্নাথ বৰুৱাক আমাৰ দেশৰ প্ৰতিনিধি হিচাপে নিমন্ত্ৰণ কৰিছিল যে তাকো মনত আছে। মিষ্টাৰ বৰুৱাই ইংলেণ্ডৰ পৰা উভতি আহোতে কেইদিনমান গুৱাহাটীত ৰৈ গৈছিল। গুৱাহাটীত তেখেত তেখেতৰ প্ৰিয় বন্ধু মানিক চন্দ্ৰ বৰুৱাৰ তাত আছিল। আমি সেই সময়ত কটন কলেজত পঢ়ি আছিলো। আমি এজাক ল'ৰা তেখেতক লগ কৰিবলৈ সদায় তালৈ গৈছিলো। আমি দেখিছিলো তেখেতে এজাক মান মানুহৰ মাজত বহি থাকে। সেই মানুহ বিলাকৰ বাবেই আমি তেখেতক লগ কৰিব নোৱাৰো যদিও তেখেতে আমাক ঘৰটোৰ এটা অংশলৈ যাবলৈ দেখুৱাই দিয়ে। সেই ঠাইত এখন মেজত একজাপ লণ্ডনৰ বাতৰি কাকত, আলোচনী আন আন ইংৰাজী সাময়িক পত্ৰিকা যিবিলাক তেখেতে লগত লৈ আহিছিল সেই বিলাক আমি হামু-কামুকৈ পঢ়িছিলো। তেখেতক আদৰণি জনাবলে উজান বজাৰৰ লতাশিল স্কুলৰ খেলপথাৰত এখন ডাঙৰ সভা আহ্বান কৰা হৈছিল। গুৱাহাটী নগৰৰ বচা-বচা মানুহ বিলাক এদিন সন্ধ্যা সমবেত হৈ তেখেতক সম্বৰ্দ্ধনা পত্ৰ এখনো দিলে। কটন

কলেজৰ ছাত্ৰ বিলাকেও এখন সম্বৰ্দ্ধনা পত্ৰ দিছিল আৰু সেইদিনা ড্ৰাফত কৰা আৰু পাঠ কৰাটোও মোৰ ভাগ্যত মিলিল। মিষ্টাৰ বৰুৱাই প্ৰায় দুঘন্টা সময় তেখেত ৰাজ্যাভিষেক অনুষ্ঠানটো দেখি লাভ কৰা অভিজ্ঞতাৰ বিষয়ে ইংৰাজীতে এটা ভাষন দিলে। সেইবিলাক কথাই আমাৰ কল্পনাকো হতভম্ব কৰি দিলে। তেখেতৰ পিছতে বুধিন্দ্ৰ নাথ ভট্টাচাৰ্যও অসমীয়া ভাষাতে এটা ভাষন দিলে। সভাখন শেষ নিশাহে ভঙ্গ হল। সভাৰ শেষত হাতচাপৰি আৰু হৰ্ষধনিৰে সভাস্থল উপচাই পেলালে। মিষ্টাৰ বৰুৱা ঘৰৰ পৰা ওলাই আহোতে ৰাস্তাতে মই তেখেতৰ কাষচাপি গলো আৰু তেখেতে মোৰ মুখামুখি হ'ল। তেখেতে মই পঢ়া আৰু তেখেতক লগ কৰাৰ বাবে মোৰ পিঠিত চপৰিয়াই মৰম কৰিলে।

১৯০৩ চনত ভাইচৰয় লৰ্ড কাৰ্জনে দিল্লী দৰবাৰ আহ্বান কৰি সপ্তম এডৱাৰ্ডৰ ৰাজ্যভিষেকৰ বাবে ইংলেণ্ডত তাৰ আগৰ বছৰত অনুষ্ঠিত অনুষ্ঠানৰ সোঁৱৰণি অনুষ্ঠান পাতিলে। এইখন এখন ডাঙৰ অনুষ্ঠানিক প্ৰদৰ্শন আছিল। ইয়ালৈ ভাৰতৰ প্ৰায়বিলাক ৰাজ্যৰে প্ৰধান সকল, বুদ্ধিজীৱি সকল, বিখ্যাত ব্যৱসায়ী সকল আৰু যি সকল লোক ৰাজভক্ত আছিল সকলোৱে আহি তেওঁলোকৰ ৰাজভক্তি প্ৰদৰ্শন কৰিলে। মোৰ পিতাকো তালৈ নিমন্ত্ৰণ দিছিল। তেখেতৰ মুখে শুনামতে এই সভা মুখেৰে বৰ্ণোৱা কঠিন।

মই ২২ বছৰ বয়সত কলিকতা বিশ্ববিদ্যালয়ক গুৰু দক্ষিনা দিয়া সম্পূৰ্ণ কৰি ব্ৰহ্মচাৰ্যাশ্ৰমৰ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ সামৰণি মাৰিলো। ১৯০৭ চনত মে মাহৰ ১৩ তাৰিখ সোমাবাৰে অসমৰ বিখ্যাত উপন্যাসিক ৰজনীকান্ত বৰদলৈৰ জেষ্ঠ্যা কন্যা শ্ৰীমতী গুনময়ী বৰদলৈৰ পাণি গ্ৰহন কৰি গাৰ্হস্থ আশ্ৰমত ভৰি দিলো। মোৰ বিয়া ৰজনীকান্ত বৰদলৈ গুৱাহাটীত থাকোতে তেখেতৰ ঘৰতে হৈছিল। ইতিমধ্যে তেখেতক ১৯০৯ চনত শিলচৰলৈ ছেকেণ্ড ই, এ, চি কৰি বদলি কৰিছিল।সেয়ে শ্ৰীযুত বৰদলৈৰ বদলিকৰণৰ লগত সঙ্গতি ৰাখি ১৯০৯ চনৰ ৬ মে তাৰিখেই শান্তিবিয়া পাতি পিছদিনা পত্নীক মোৰ ঘৰলৈ লৈ আহিলো।

যদিও মোৰ আৰু বেচি পঢ়াৰ মন আছিল কিন্তু মোৰ দেউতাই ইচ্ছা কৰা নাছিল।তেখেতে ইচ্ছা কৰিছিল মই ঘৰতে থাকি আমাৰ ব্যৱসায় চলোৱা আৰু যিহেতু দেউতা অসুখীয়া হৈছিল সেয়ে মই দূৰলৈ গৈ পঢ়াতকৈ ঘৰতে থাকি তেখেতকো প্ৰতিপাল কৰাটো তেখেতে বিচাৰিছিল। সেই সময়ত আমাৰ ব্যৱসায় আৰু এটা দিশত বৃদ্ধি পাইছিল। আমাৰ বৃহৎ চৌহদতে এটা ডাঙৰ পকা ঘৰ সাজি সকলো সুবিধা থিক-থাক কৰি এটা ডাঙৰ ধান খুন্দা মেচিনো পাতিছিল। তেখেতৰ

ভগ্ন স্বাস্থ্য লৈ এইবিলাকে চোৰা-চিতা কৰাটো তেখেতৰ বাবে কঠিন হৈছিল। এনেদৰে পৰিস্থিতিৰ খুটি-নাটি লক্ষ্য কৰিয়েময়ো উচ্চ শিক্ষাৰ চিন্তা বাদ দি পৈত্ৰিক ব্যৱসায়টোৰে আমাৰ জীৱিকাৰ একমাত্ৰ সম্বল বুলি মনোযোগেৰে কামত লগাৰে সিদ্ধান্ত ললো আৰু মনপুতি ব্যৱসায়ৰ কামত ধৰিলো। মোৰ ভাইকেইটাই তেতিয়া স্কুলতে পঢ়ি আছিল আৰু আমাৰ এই পৰিস্থিতিৰ একো ভু-পোৱা হোৱা নাছিল।

সেই সময়ত বৰ্তমানৰ আমোলাপট্টি নাট্যমন্দিৰৰ সন্মুখত এটা খেৰ-বাঁহেৰে সজা, মাটিৰে মচি চূণ-তেল কৰা সভাঘৰ আছিল। এই সভাঘৰটো বৰ্তমান বিলুপ্ত হোৱা অৱস্থা বেৰী হোৱাইট মেডিকেল স্কুলৰ শিক্ষক লক্ষীপ্ৰসাদ চলিহাৰ অনুৰোধত ডিব্ৰুগড়বাসীয়ে দান-বৰঙনিৰেই সজাইছিল। এই সভাঘৰটোৰ নাম আছিল " আলোচনী ক্লাব" আৰু এইটো নিৰ্মাণ কৰা হৈছিল ১৯০৬ চনত। তেখেতে তালৈ সদায় সন্ধ্যা গৈছিল আৰু হোকাত ধপাত লৈ কেইবাবাৰো ধোঁৱা খোৱাৰ লগতে বহুতো ধেমেলীয়া কথাৰে সমবেত মানুহক হাঁহিৰ খোৰাক যোগাইছিল। মানুহ বিলাকেও তেখেতৰ ফুচুৰি কথা খুহুতীয়া গল্প শুনি তাতে সন্ধ্যা সময়টো উপভোগ কৰি আছিল। বন্ধৰ দিনাও পুৱা বেলাও মানুহ তাত সমবেত হৈছিল। সেই ঘৰটো আমোলাপট্টিৰ আৰু তাৰ ওচৰে-পাজৰে চাকৰি কৰা আন আন ডেকা বিলাকৰো আড্ডাৰ ঠাই আছিল। তাত তাচ খেলিব জনা বিলাকে দিনটো চাকৰিৰ ব্যস্ততাৰ পৰা মনটো পাতলাবৰ বৰে তাচ খেলিছিল। বহুতেই তাৰ মাজত দম হৈ থকা খবৰ কাগজ আলোচনী আদি পঢ়িছিল। ডাক্তৰ চলিহাৰ প্ৰেৰণাতে তাত এটা পুথিভঁৰাল স্থাপন কৰা হৈছিল। এই পুথিভঁৰালত ইংৰাজী বেঙ্গলী কিতাপ আলমাৰিত ঠাহ খুৱাই থোৱা হৈছিল। লক্ষীমপুৰৰ ডেপুতি কমিছনাৰ মিষ্টাৰ বেণ্টিঙকে এবাৰ এই পুথিভঁৰালটো চাবলৈ গৈ দেখি ভাল পাই "এনচাইক্ল পিডিয়া বৃটেনিকা ২১ খন দিছিল। তাৰে এটা কিতাপৰ আলমেৰা ভৰি পৰিছিল।

১৯০৭ চনত বি,এ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত মই নৈমিত্তিক ভাৱেই আবেলি আবেলি এই আড্ডালৈ যাবলৈ ললো। এদিন সন্ধ্যা চলিহাদেৱে মোলৈ লক্ষ্য কৰিলৈ ক'লে বোলে আমাৰ বৰুৱা ডেকা এতিয়া লক্ষ্মী-সৰস্বতীৰ কৃপাত ধন্য হ'ল যেতিয়া তেওঁ দেশৰ কাম এটা কৰিব লাগিব। তেখেতে কলে বোলে মোৰ সম্পাদনাত এখন মাহেকীয়া "আলোচনী" নামেৰেই আলোচনী উলিয়াব লাগে আৰু সহযোগ কৰিব পৰা সকলে মোৰ লগত সহযোগিতা আগবঢ়াব লাগে। মই এই দায়িত্ব লবলৈ তৎক্ষণাত সন্মত হলো আৰু মোৰ নিজৰ খৰছেৰেই কামটো আৰম্ভ কৰি দিলো। সেই সভাঘৰটোৰ এটা কোঠাতে আলোচনীখনৰ বাবে কাৰ্যালয় এটা কৰা হ'ল আৰু

কাম আৰম্ভ কৰা হ'ল। ছপা কামৰ বাবে "দ্য আসাম ৰে'লৱেজ এণ্ড ট্ৰেডিং কোম্পানী" ক ঠিক কৰা হ'ল। বকলাখন "আৰ্ট পেপাৰেৰে" আৰু ভিতৰখিনি অলপ জিলিকা কাগজেৰে কৰিব আৰু মাহেকৰ মূৰত সমস্ত আলোচনীখনৰ খৰচ দিয়াৰ বন্দবস্ত কৰা হ'ল। কাম পুৰাদমে চলিবলৈ ধৰিলে। মই প্ৰবন্ধ বিলাক বিচাৰ কৰা, ছপা কৰোতে ভুল-শুদ্ধ চাই ঠিক কৰি দিয়া এইবোৰ কামতে সমস্ত সন্ধ্যাবিলাক কটাবলৈ ধৰিলো। কামটো বৰ উদ্যমেৰেই আগবাঢ়িবলৈ ধৰিলে অৱশ্যে পাঠকৰ দিশৰ পৰাহে আগ্ৰহ পুতৌজনক আছিল আৰু বৃদ্ধি পোৱাৰ আশা বৰ ক্ষীন আছিল। মই এইখন মোৰ দায়িত্বতে চলাইছিলো। প্ৰায় দুবছৰ পিছত জমাখৰচৰ দিশত এই আলোচনী প্ৰকাশ কৰাটোত ভয়ানক বাধাৰ সন্মুখীন হ'ব লগা হ'ল। মই তেতিয়া কামটো ক্লাবটোক গটাই দিলো আৰু দুৰ্গানাথ চাংকাকতীয়ে কামটো কান্ধ পাতিবলৈ আগুৱাই আহিল।

ডঃ চলিহা বৰ স্বাস্থ্য সচেতন ব্যক্তি। তেখেতে আড্ডাৰ সদস্য সকলৰ স্বাস্থ্যৰ বাবে বৰ যত্ন লৈছিল। গৰমত ঘামি তিতি থকা দিনবোৰত তেখেতে আড্ডাত উপস্থিত থকা সদস্য সকলৰ বাবে আধাগিলাছ ৰাসায়নিক পানীয়ৰ ব্যৱস্থা সদায়ে কৰিছিল। তেখেতে আইনাৰ জাৰ এটাত তলফালে চিচাৰ নলি লগাই লৈ ভৰ্ত্তিকৈ এক জাৰ এই ৰাসায়নিক পানী প্ৰস্তুত ৰাখিছিল। এই ৰাসায়নিক পানীয়ে গৰমৰ দিনত প্ৰায়ে দেখা দিয়া মহামাৰী ৰোগ প্ৰতিৰোধ কৰিছিল।

ডঃ চলিহাই তেখেতৰ নিজৰ প্ৰয়াসতে হিন্দু সৎকাৰ সমিতি এখনো স্থাপন কৰিছিল।সেই সমিতিৰ মই সম্পাদক আৰু কোষাধ্যক্ষ হ'ব লগা হৈছিল। এই সমিতিৰ কাম হৈছিল অভিভাৱক নোহোৱা হিন্দু মৃত ব্যক্তিক এই সমিতিৰ সদস্যয়ে কান্ধত লৈ গৈ ব্ৰহ্মপুত্ৰৰ বালিত সৎকাৰ কৰিব লাগিব।

১৯১১ চনৰ প্ৰথম ভাগতেই সম্ভৱ ডঃ চলিহাক বেলেগ ঠাইলৈ বদলি কৰা হ'ল। তেখেতে যিবিলাক মহান কাম আৰম্ভ কৰিছিল তেখেত আঁতৰি যোৱাৰ লগে লগেই লাহে লাহে মৃত্যু মুখে গতি কৰি শেষত সম্পূৰ্ণ ৰূপে চিৰকালৰ বাবে কালৰ বুকুত বুৰ মাৰিলে। এই বিলাকৰ পুনৰুত্থান অসম্ভৱ হ'ল। এনেকি সেই পুথিভঁৰালটোও য'ত ইমান বিলাক বহুমূলীয়া গ্ৰন্থ আছিল সকলো বিলাক গ্ৰন্থৰে সৈতে অনন্ত কাললৈ অদৃশ্যমান হ'ল। এনেকি "এনচাইক্ল পেডিয়া বৃটেনিকা" নামৰ কিতাপ বিলাকো চিৰদিনলৈ হেৰাই গ'ল। আড্ডাৰ ঘৰটো ভুতৰ ঘৰ হ'ল। এনেদৰে মানুহৰ জয়যাত্ৰা আৰু শেষ ভাগ্য খন্তেকীয়া চমক হে।

১৯১০ চনত আকাশত "হেলিৰ ধুমকেতু" নামৰ ধুমকেতুটোৱে দেখা দিলে।

দিনে দিনে ইয়াৰ দৈৰ্ঘ বাঢ়িবলৈ ধৰিল আৰু উজ্জলতাও বৃদ্ধি পাবলৈ ধৰিলে। লাহে লাহে আকাশৰ কেউফালৰ পৰাই দৃশ্যমান হ'ল। এই দৃশ্য দেখাত অতুলনীয়। কিন্তু আগেয়ে নেদেখা মানুহৰ মতে ই ভৱিষ্যতৰ বাবে অশুভ লক্ষণ নিৰ্দেশকহে। মানুহে যি ঠাইৰ পৰা ইয়াক দেখা পাই সেই ঠাই বিলাকৰ ই এটা পৰিচিত দৃশ্য হৈ পৰিল। বহুদিনৰ মূৰত ই লাহে লাহে সৰু হৈ হৈ অদৃশ্য হ'ল। এই ধুমকেতু ওলোৱাৰ কিছুদিনৰ পিছতে ইংলেণ্ডৰ ৰজা সপ্তম এডৱাৰ্ডৰ মৃত্যু হ'ল। এই খবৰ ভাৰততো বিয়পি পৰিল। এই মৃত্যু পৃথিৱীৰ মানুহৰ বাবে এটা চমক হ'ল আৰু পৃথিৱীৰ সকলো মানুহৰ মনতে এটা খলিচলিৰ সৃষ্টি হ'ল। মানুহে এই মৃত্যু ধুমকেতুটোৰ কুপ্ৰভাৱ বুলিয়ে ধৰিলে আৰু জ্যোতিষীৰ ভৱিষ্যতবাণী শুদ্ধ বুলি ভাৱিলে। আচৰিত কথাটো হৈছে ধুমকেতুৰ প্ৰভাৱে কেৱল এডৱাৰ্ডকহে ছহিদ বনালে কিন্তু কোনো মানুহকে অথবা পৃথিৱীৰ একো দুৰ্ঘটনা নঘটালে।

১৯০৫ চনত লৰ্ড কাৰ্জন যাক ৰাজ্য সংগঠক বুলিহে জনা যায় তেখেত ভাৰতৰ ভাইচৰয় আছিল আৰু তেখেতে বেঙ্গল খন দুভাগ কৰি পূব বেঙ্গলক অসমৰ লগত লগ কৰি পূৰ্ববঙ্গ আৰু আসাম কৰি, চাৰ ব্যামফিল ফুলাৰক লেফটেনেন্ট গভৰ্ণৰ পাতি অসমক এখন প্ৰদেশ কৰাৰ চিন্তা কৰিলে। বেঙ্গলী বিলাক জকী উঠিল আৰু বঙ্গ বিভাজন কোনোপধ্যে হ'বলৈ নিদিয়াৰ সিদ্ধান্ত ললে। ভাৰতৰ ৰাজ্যিক সম্পাদক লৰ্ড মাৰ্লোয়ে কলে সেইটো অৱশ্যাম্ভাৱী সত্য বেঙ্গলী বিলাকে কেতিয়াও তেনে হ'বলৈ নিদিওঁ বুলি কলে। বেঙ্গলী বিলাকে ইয়াৰ প্ৰতিবাদ স্বৰূপে ব্ৰিটিছৰ বস্তু বৰ্জন কৰি স্বদেশী আন্দোলন আৰম্ভ কৰি দিলে। তেওঁলোকে ডি এল ৰয়ৰ ৰচনাৰ স্বদেশী গান গাই এই জাগৰণক উদ্বুদ্ধ কৰাৰ প্ৰয়াস কৰিলে। এইটোৱে শক্তিশালী হৈ জাতীয় শিক্ষা পৰিষদ আৰু জাতীয় বিদ্যালয় বিলাককো জগাই তুলিলে। ছাত্ৰবিলাকে স্কুল-কলেজ এৰি গাঁৱে-ভূঞে স্বদেশী আন্দোলন বিয়পাই দিলেগৈ। গোটেই বেঙ্গলী বিলাক একগোট হ'ল আৰু বিভিন্ন নায়কৰ অধীনত হিংসামূলক আৰু কুটাঘাটকাৰী কাম সংঘটিত কৰিলে। দেশৰ ঠায়ে ঠায়ে বিদ্ৰোহে দেখা দিলে। বহুতো বেঙ্গলী ল'ৰাই বিজ্ঞানৰ বেলেগ বেলেগ বিভাগৰ শিক্ষা সাং কৰি সংগঠিত হৈ আত্মগোপন কৰি বোমা প্ৰস্তুত কৰিবলৈ ধৰিলে। আলিপুৰৰ ওচৰত গোপন ঠাইত বোমা বনাবলৈ ধৰিলে। এজন ১৭ বছৰীয়া ল'ৰাই নামটো খুদিৰাম; বোমাৰ সফল নিক্ষেপন পৰীক্ষা কৰিবৰ বাবে মিডনপুৰলৈ লৈ গৈছিল। তেওঁ জিলাৰ সমাহৰ্ত্তা (collector) মিষ্টাৰ কিংছফৰ্ডক মাৰিম বুলি নিছিল। তেওঁ ভুলতে এজন ইউৰোপীয়ান বেৰিষ্টাৰে তেওঁৰ পত্নী আৰু কন্যাক লৈ আড্ডা (club) ৰ

গাড়ীত ঘৰলৈ আহোঁতে তেওঁলোকলৈ নিক্ষেপ কৰিলে। বোমাটো গাড়ীতে পৰিলে আৰু লগে লগেই গোটেই গাড়ীখন যাত্ৰীৰে সৈতে আৰু ঘোৰাটোও অতি বিভৎস ভাৱে টুকুৰা-টুকুৰ হৈকেউফালে ছিটিকি পৰিল। ছিন্ন ভিন্ন হৈ পৰা অঙ্গৰ একো চিন চাব উলিয়াব নোৱাৰা হ'ল। কেৱল ছিটিকি পৰা মাংসৰ টুকুৰাৰ পৰা এটা ভয়ানক দুৰ্ঘটনা হোৱা বুলি বুজিব পাৰি । এই গুপ্ত আন্দোলনটোৱে বেঙ্গলী ডেকাবিলাকৰ বহুতকে এক হৈ সংঘবদ্ধ হোৱাত উদগণী যোগালে। তেওঁলোকে অদমনীয় দৃঢ়তাৰে "কৰিম বা মৰিম" এই সংকল্পৰে দৃঢ় হ'ল। বোমা আৰু ৰিভলভাৰে তেওঁলোকক এনে দৃঢ়ভাৱে নিমজ্জিত কৰিলে যে ব্ৰিটিছ শাসক সকল কঁপি উঠিল আৰু ছাৰ ব্যামফিল্ড ফুলাৰে ইন্দিয়া অফিচলৈ গোপনে বাৰ্তা প্ৰেৰণ কৰি জনালে বোলে শাসন কৰা অসম্ভৱ হৈছে। সেইদৰে বিদ্ৰোহী কাম-কাজে অবৰ্ণনীয় অৱস্থা পাইছিল। এনেকি ভাইচৰয় লৰ্ড হাৰ্ডিঞ্জো সাৰি যোৱা নাছিল। এদিন তেওঁ হাতীৰ সমদল এটাত যাওঁতে এটা বোমা দলিওৱা হৈছিল সৌভাগ্যক্ৰমে বোমাটো লক্ষ ভ্ৰষ্ট হোৱাৰ বাবে তেওঁ ভয়ানক ঘটনাৰ পৰা ৰক্ষা পৰিল। বেঙ্গলী যুৱতীয়ো এই বিদ্ৰোহত লিপ্ত হৈছিলহি। ভাৰতীয়ই হওঁক বা ইউৰোপীয়ই হওঁক অবিশ্বাসী যেন দেখিলেই ৰিভলভাৰেৰে উৰুৱাই দিছিল।

বেঙ্গলী মুছলমান সকলে কিন্তু এইবিলাক কামত হাত উজান নিদি কেৱল দৰ্শকহে হৈ আছিল। তেওঁলোকৰ সেই মনোভাৱৰ বাবে আজিও ঘৃণাৰ পাত্ৰ হৈ আছে।

১৯১১ চনত ৰজা পঞ্চম জৰ্জ তেখেতৰ ভাৰতীয় প্ৰজাবিলাকক চাবলৈ ভাৰতলৈ আহি যেনিবা গৰম তেলত পানীহে ঢালিলেহি। তেওঁ কলিকতালৈ আহিছিল। ময়ো তাকে চাবলৈ কলিকতালৈ গৈছিলো আৰু সেই ডাঙৰ সমদলটো চাইছিলোগৈ ইমান বেছি মানুহ হৈছিল কবলৈ গলে জনসমুদ্ৰই বুলিব পাৰি আউটৰাম ঘাটৰ পৰা ভাইচৰয়ৰ অট্টালিকালৈকে মানুহে ভৰি পৰিছিল। তেওঁ দিল্লী দৰবাৰত আহ্বান কৰা সভাত জনালে যে যদি ৰাজধানী কলিকতাৰ পৰা নি দিল্লীত পতা হয়, দ্বিখণ্ডিত বেঙ্গলক একত্ৰিত কৰা হ'ব। বেঙ্গলী বিলাকে এইটোকেই বিচাৰিছিল। ইয়ে সংঘবদ্ধ শক্তিয়েযে অসাধ্য সাধন কৰিব পাৰে তাকে প্ৰমাণ কৰি দিলে। বেঙ্গলী বিলাকে কলিকতাক ৰাজধানী ৰূপত নাপালে কিন্তু দ্বিখণ্ডিত হোৱা পূৱ অংশটো ঘূৰাই পালে। অৱশ্যে ব্ৰিটিছে ১৯৭৪ চনত ভাৰত ত্যাগ কৰি যাওঁতে পুনৰ হেৰুৱাব লগা হ'ল। বৰঞ্চ যিটো বেঙ্গলৰ বাবে বৃহৎ ক্ষতি কিয়নো এইবাৰ মুছলমানৰ সংখ্যাধিক্যৰ বাবে পূৱ পাকিস্তান হ'ল। ১৯১০ চনত মই মোৰ পিতাৰ ব্যৱসায়ৰ সম্পূৰ্ণ দায়িত্ব অলপো ত্ৰুটি নৰখাকৈ কান্ধ পাতি ললো। মই দুয়োটা ব্যৱসায়তে কিছুলাভৰ মুখ দেখাত

দেউতাও বৰ সুখী হ'ল। তেখেত তেতিয়া সম্পূৰ্ণ অৱসৰ লবলগীয়া অৱস্থাতেহে আছিল। ১৯১২ চনত আমাৰ সন্মুখতে থকা এখন ইউৰোপীয়ান বাগিছা কিনি লওঁতেও আমি বাগিছা খনৰ মুঠ দাম দুটা বছৰে সমান সমান ভাৱে শেষ কৰাৰ বন্দৱস্ত কৰিছিলো।

১৯১৩ চনত মই দুখন বাগানৰ বাবে এটা কাৰখানা বনালো। ইয়াত যথেষ্ট খৰছ পৰিল যদিও দুইখন বাগানৰ পৰা পোৱা লাভে মোৰ ধাৰৰ বাকী থকাখিনি দেউতাই বুজিব পৰা হৈ থকা অৱস্থাতে পৰিশোধ কৰিলো। দেউতা বৰ সুখী হ'ল। কিন্তু দেউতাই এই আনন্দ বেছি দিন উপভোগ কৰিবলৈ নাপালে। ১৯১৩ চনৰে ৩০ নৱেম্বৰৰ চাৰিটা বজাত তেখেত হাৰ্ট ফেইল কৰি এই পৃথিৱীৰ পৰা বিদায় ল'লে। গোটেই পৰিয়ালটো তেখেতৰ অভাৱনীয় প্ৰয়াণত আথাউনীয়া শোক সাগৰত নিমজ্জিত হ'ল। তেখেতৰ শ্ৰাদ্ধটো সম্পূৰ্ণ ধৰ্ম্মীয় প্ৰথাৰে আৰু মহা আড়ম্বৰেৰে পালন কৰিলো। নগৰৰ সকলো শিক্ষিত লোকক আপ্যায়ন অভ্যৰ্থনা জনোৱা হ'ল। ডিব্ৰুগড় নগৰৰ দৰিদ্ৰ লোক সকলেও অভ্যৰ্থনা অনুষ্ঠানত উপস্থিত থাকিল। শিৱসাগৰ, নাজিৰা, জাঁজী আদিৰ পৰা নিমন্ত্ৰণ নকৰাকৈও ব্ৰাহ্মণসকল তাকো দুই-তিনি দিনকৈ খোজ কাঢ়ি আহিও উপস্থিত হ'লহি। এই শোকে গোটেই পৰিয়ালটোকে মনত বৰপীড়া দিলে আৰু মা শোকত বহু দিনলৈ বুৰ গৈ থাকিল। কিন্তু প্ৰকৃতিয়েতো এনে বিলাক দৈনিক ঘটা দুখ শোকলৈ মন কান নকৰি অবাধে নিজ পথেৰে গতি কৰিয়ে থাকে।

১৯১৪ চনত প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হ'ল আৰু আগতে উল্লেখ কৰাৰ দৰে চাহ শিল্পই ১৯১৫ চনৰ মাজ পৰ্য্যন্ত অলপ মাৰঘাট খাইছিল; কিন্তু ব্ৰিটেইনৰ ফুড মিনিষ্ট্ৰিয়ে কিছুমান যুদ্ধথলীলৈ চাহ পঠোৱাৰ সিদ্ধান্ত লৈ সোপা-সোপে চাহ কিনাত সাধাৰণ চাহতো দাম অভাৱনীয় ভাৱে বাঢ়ি থাকিল। এই অকল্পনীয় গতিৰ ফলতে কিছু সাঁচি থ'বও পৰা হ'লো আৰু ইমান দিনে অত্যাধিক সূদ আৰু চক্ৰবৃদ্ধি সূদত ধাৰ লোৱা ফাৰ্মক সমুদায় ধাৰ মাৰি দি মুক্ত হ'বও পাৰিলো।

১৯১৪ চনতে আৰম্ভ হোৱা যুদ্ধ ১৯১৯ চনলৈকে চলি আছিল। মই যদিও নিজে কোনো বিশ্বাসী কাম কৰা নাছিলো তথাপিও চৰকাৰৰ বিশ্বস্ত আছিলো। মোক তিনি বছৰৰ বাবে সন্মানীয় দণ্ডাধীশ পাতিছিল। ১৯১৬ চনত পুনৰ তিনিবছৰৰ বাবে মোক এই পদবীত বাহাল ৰাখিছিল; কিন্তু ১৯১৯ চনৰ জুলাই মাহত মই যেতিয়া ইংলেণ্ডলৈ গুছি গলো এই পদবীৰ নিজে নিজেই অন্ত পৰিল। মোক স্থানীয় কাৰাগাৰৰ পৰিদৰ্শক পাতিলে, মই স্থানীয় দাতব্য চিকিৎসালয়ৰ একজিকিউটিভ কমিতিৰ সদস্য আছিলো। শিলঙৰ যুদ্ধ কমিতিৰো সদস্য হৈছিলো আৰু চৰকাৰী

খৰছত দুবাৰকৈ শিলঙলৈ যাব লগীয়াও হৈছিলে। মই উদ্যগ বিভাগৰ ৰাজ নিৰ্বাচিত আয়ুক্ত আছিলো আৰু ১৯১৮ চনত ৰাজেন্দ্ৰ নাথ মুখাৰ্জ্জীয়ে অধ্যক্ষতা কৰা গুৱাহাটীৰ অধিৱেশনত উপস্থিত হ'ব লগাও হৈছিল। মই ফুলস্কেপ কাগজৰ সমান আকৃতিৰ ছ পৃষ্ঠা ভৰাই আমাৰ দেশৰ কাৰিকৰী কামৰ অৱস্থাৰ বিষয়ে লিখি এই কমিটীত দাখিল কৰিছিলো। এইখন চৰকাৰী পাব্লিকেচনতে এই কমিটীৰ সন্মানাৰ্থে প্ৰকাশ কৰিছিলো। মোৰ এইটো ভাবিয়ে ভাল লাগে যে মই সদস্যসকলে কৰা সকলো প্ৰশ্নৰে উত্তৰ দিছিলো। এই সভাত ৰায় বাহাদুৰ কনক লাল বৰুৱাও অসমৰ এজন সদস্য হিচাপে উপস্থিত থকাত মই বেছি সুখী হৈছিলো। এই কমিটীৰ অধ্যক্ষ আছিল ৰাজেন্দ্ৰ নাথ মুখাৰ্জ্জী আৰু এই কমিটীৰে এজন সদস্য গোখলেও আছিল। মিষ্টাৰ বৰুৱাই (কনক লাল বৰুৱাই) মোৰ উত্তৰ বিলাক সমৰ্থন কৰিছিল। গৌৰীপুৰৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱাই মোক প্ৰথম বাৰৰ বাবে এখন পত্ৰেৰে অভিনন্দন জ্ঞাপনো কৰিছিল আৰু এই অভিনন্দন পত্ৰখন প্ৰকাশ কৰাও হৈছিল।

১৯১৭ চনত ভাৰতৰ ষ্টেট ছেক্ৰেটেৰী মন্টেগ' ভাৰতলৈ আহোঁতে মই বৰ আন্তৰিকতাৰে সন্মিলিত হৈছিলো যে সেই কথাটো মই আগতে উল্লেখ কৰিছোৱে।

তাৰ পিছতে দুজনীয়া প্ৰতিনিধি স্বৰূপে অসম এছ'চিয়েচনৰ নিৰ্দ্দেশত মই আৰু স্বৰ্গীয় নবীন চন্দ্ৰ বৰদলৈ লণ্ডনলৈ যাব লগা হ'ল। কাৰণ তাত লৰ্ড ছেলবৰ্ণৰ অধ্যক্ষতাত লৰ্ডচ্ আৰু কমনচত ভাৰতৰ ৰাজনৈতিক সংস্কাৰৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰাৰ ব্যৱস্থা কৰোতে আমি অসমৰ বিষয়ে জনাবলৈ গৈছিলোঁ। তাত যি বিলাক কাম কৰিলো সেই বিষয়ে শ্ৰীযুত মহাদেৱ শৰ্মাৰ অনুৰোধত বুৰঞ্জীত স্থান হেৰুৱা ৰাজনৈতিক বিৱৰ্তনত অসমৰ দুজনীয়া প্ৰতিনিধিয়ে ছেলবৰ্ণ কমিটীত পালন কৰা ভূমিকাৰ কথাখিনি এখন সৰু পুস্তক আকাৰত ৰাখিব লগা হ'ল।

১৯২০ চনৰ ডিচেম্বৰত সৌন্দৰ্য্য নগৰী তেজপুৰত অসম এছ'চিয়েচনৰ এখন বৈঠক বহিছিল। তেজপুৰ হৈছে বাণ ৰজাৰ বিখ্যাত নগৰ শোনিতপুৰ য'ত শ্ৰী কৃষ্ণৰ নাতি অনিৰুদ্ধ আৰু বানৰ অনিন্দ্য সুন্দৰী উষাৰ প্ৰণয় কাহিনী সকলোৰে বিদিত। মোক সেই বৈঠকত সভাপতি নিৰ্বাচিত কৰা হৈছিল। সেয়ে মই আন্তৰিকতাৰে ভাগ্যৰ লিখন মানি লৈ পুৱা সাত বজাত গুৱাহাটীলৈ যোৱা নাঁৱৰে যাওঁতে নাঁৱত নামনি অসমৰ বহুতো প্ৰতিনিধিক লগ পাইছিলো। কিছুমান লেপেটাকাঢ়ি বহি গৈছিল। কোনোৰে থিয় হৈ হাঁহি মাতি কথাপাতি গৈছিল। এই জনসমুদ্ৰৰ মাজতে দেশভক্ত তৰুণ ৰাম ফুকন, শ্ৰী কামাখ্যাৰাম বৰুৱা, গুৱাহাটী উকিল খানাৰ বহুত উকিল আৰু অন্য উকিল খানাৰো উকিলকো লগ পাইছিলো। ময়ো সেইখন নাঁৱতে গৈছিলো।

মোক ফুকন দেৱ আৰু বৰুৱাদেৱে দেখাৰ লগে লগে বৰ আন্তৰিকতাৰে মাতিলে আৰু ওপৰ খপলালৈ লৈ গ'ল। মোক দেখাৰ লগে লগে গোটেই মানুহ বিলাকে উল্লাস ধ্বনিৰে আনন্দ প্ৰকাশ কৰিলে আৰু নমস্কাৰ জনালে। আমি এটা সৰু দল গঠন কৰিলো আৰু পুৱা ১০ বজাত তেজপুৰ পালোগৈ। নাঁৱেৰে গৈ থাকোতে তৰুণ ৰাম ফুকনদেৱে পূৰ্ণ বেগত চলি থকা অৱস্থাতে এটা কুম্ভীৰে পানীৰ যৌঁৱলিত ৰ'দলৈ থাকোতে এমাইল মান দূৰৰ পৰাই গুলিৱাই বধ কৰা দেখি আচৰিত হৈছিলো। গুলিটো খাই সেই উভচৰ প্ৰাণীটোৱে অলপ সময় চেঙালুটি পাৰি নিশ্চল হৈ পৰিল।

তেজপুৰৰ ঘাটত পদ্মনাথ গোহাঁই বৰুৱা প্ৰমুখ্যে মানুহে আমাক আদৰিবলৈ ৰৈ আছিল। নাওঁখন নিৰ্দ্দিষ্ট ঠাইত ৰোৱাৰ পিছত যেতিয়া দলংখন পাৰি দিলে তেতিয়া গোহাঁই বৰুৱাকে আদি কৰি ভালেকেজনমান মানুহ নাঁৱলৈ উঠি আহি আমাক আন্তৰিক স্বাগতম জনাই মোক হাতত ধৰি সকলোৰে সৈতে ঘাটলৈ লৈ গ'ল য'ত আমি এদল সন্মানীয় জনতাক সন্মান জনাবলৈ কিছুসময় ৰব লগা হল। মিষ্টাৰ বৰুৱাই তেতিয়া মোক এখন ঘোঁৰা গাড়ীত উঠিবলৈ দি নিজেই চলাই লৈ গ'ল। আমাৰ পিছে পিছে এদল ছাত্ৰই হাঁহি মাতি চিঞৰ-বাখৰ কৰি গৈ থাকিল। তেখেতে ভালে কেইখন মান তোৰণৰ মাজেদি, যিবিলাক তোৰণ মোৰ সন্মানাৰ্থেই বনাইছিল পাৰ কৰি এটা চকুত লগা ঘৰলৈ মোক লৈ গ'ল যিটোত ঘৰৰ ভিতৰতে সকলো সুবিধা আছে, তাত মোক অকলে থাকিবলৈ দিলে। বাকী সকলকো ব্যৱস্থা কৰি থোৱা ঠাইলৈ নিলে। স্বেচ্ছাসেৱক সকল আৰু বাকী বিলাকেও মোৰ সা-সুবিধালৈ চকু দি থাকিল। মই তাত চাৰি ৰাতি আনন্দেৰে থাকিলো।

সেই দিনাই গধুলী বিষয় বাঁচনি সভা বহিল আৰু তাতো ময়ে অধ্যক্ষতা কৰিলো। তাতে পিছদিনাৰ সভাত গ্ৰহন কৰিবৰ বাবে কেইটামান প্ৰস্তাৱ প্ৰস্তুত কৰা হ'ল। পিছদিনা এক বজাত মুকলি সভা হ'ব।

খেৰ আৰু বাঁহেৰে এখন ধুনীয়া ৰভা সজা আছিল। এই ৰভাখন প্ৰায় দুহেজাৰ মানুহৰ বাবে সজা হৈছিল আৰু তাৰ এটা দাঁতিত সভাপতি আৰু বিশিষ্ট ব্যক্তিৰ বাবে এখন মঞ্চ প্ৰস্তুত কৰা হ'ল। মই যথা সময়ত বহুতো মানুহেৰে পৰিৱেষ্টিত হৈ জয়ধ্বনি আৰু উল্লাসৰ মাজেৰে ৰভাত প্ৰৱেশ কৰিলো আৰু সভাপতিৰ আসমৰ দাঁতিৰ এখন আসনত উপবিষ্ট হলো। মঞ্চখনো বিশিষ্ট ব্যক্তিৰে ভৰি পৰিছিল। মোক তেতিয়া যথা ৰীতিৰে পদ্মনাথ বৰুৱাই অসম এছ'চিয়েচনৰ সেই সভাত অধ্যক্ষতা কৰিবৰ বাবে মোৰ নামটো প্ৰস্তাৱ কৰিলে আৰু তৰুণৰাম ফুকনে সমৰ্থন জনালে। তেতিয়া মোক যথা নিয়মে সভাপতিৰ আসনত বহুৱা হ'ল। তাৰ পিছত অভ্যৰ্থনা

সমিতিৰ সভাপতি পদ্মনাথ বৰুৱাই সকলো কৰণীয় শেষ কৰাত দিনটোৰ কাম শেষ হ'ল। মই মোৰ অভিভাষনখন যিখন হাতপুথিৰ দৰে মাতৃভাষাতে লিখি নিছিলো পাঠ কৰিবলৈ থিয়দিলো। মোৰ অভিভাষনখন পাঠ কৰোতে প্ৰায় এঘণ্টা ১৫ মিনিট মানেই লাগিল। দৰ্শকৰ হৰ্ষধ্বনিৰ মাজেৰেই মই মোৰ আসন ললো। এই অভিভাষনে কম উপাৰ্জনৰ মানুহক যিসকলৰ উদ্দেশ্যেই সেইখন লিখা তেওঁলোকৰ অগ্ৰগতিৰ পথ প্ৰদৰ্শক হ'বলৈ আহ্বান জনোৱা হৈছিল। তাত নিম্ন বিত্তৰ লোকৰ বাবে তেওঁলোকে সহজে গ্ৰহন কৰিব পৰা কিছুমান উপায়ো আঙুলিয়াই দিয়া হৈছিল যাতে তেওঁলোকৰ জীৱন-ধাৰণৰ মান কিছু উন্নীত কৰিব পাৰে। সেই ভাষনত ক' অপাৰেটিভ বেঙ্ক খোলাত জোৰ দিছিলো যিটো আমাৰ নিচিনা নিম্ন বিত্তৰ মানুহৰ বাবে তেতিয়াৰ আৰু এতিয়াৰো উপাৰ্জন বঢ়োৱাৰ একমাত্ৰ পথ। তৰুণাম ফুকনে গোস্বামীয়েও ভাষনটো সময়োপযোগী হৈছে বুলি ক'লে। মই ভাষণ সামৰাৰ পিছত মিষ্টাৰ ফুকনে হাতচাপৰি দি কলে থিকেই হৈছে কিন্তু মই ভাবিছো যে ইয়াৰ মিশ্ৰিত প্ৰতিক্ৰিয়া হ'ব।

এইদৰেই মই মোৰ মহৎ দায়িত্বৰ পৰা ৰেহাই পাই এনে ভাৱ হ'ল যেন এটা গধুৰ শিল মোৰ ডিঙিৰ পৰা সৰি পৰিল।

এই অধিবেশনৰ অন্য এটা আকৰ্যনহৈছিল যে ইয়াতে প্ৰথম বাৰৰ বাবে এখন প্ৰদৰ্শনীও পতা হৈছিল। সেই প্ৰদৰ্শনীত অসমৰ হস্তনিৰ্মিত সামগ্ৰী, পুৰণি কালৰ হাতে লিখা পুথি, কিছুমান ৰঙীন গ্ৰন্থ যেনে হস্তিবিদ্যাৰ্নক আদি প্ৰদৰ্শন কৰা হৈছিল। যিবিলাক দেখি দূৰৰ আৰু ওচৰৰ সকলো মানুহে বৰ আনন্দ পাইছিল।

মই তাত উপস্থিত হোৱাৰ চতুৰ্থ দিনা বৰ আনন্দ, স্নেহ আৰু আন্তৰিক সম্ভাষনেৰে সভা সমাপ্ত হ'ল। সেইদিনা সন্ধ্যাতে মই তেজপুৰৰ মই থকা ঘৰৰ পৰা বিদায় লৈ শিলঘাটলৈ বুলি নাঁৱত উঠিলো যাতে মই চাপৰমুখ হৈ ঘৰলৈ অহা মেইল ট্ৰেইন খন ধৰিব পাৰো। সেই অধিবেশনত উজনি অসমৰ তেনেই কম প্ৰতিনিধিহে আছিল। খুব সম্ভৱ দহ ডজনতৈ বেছি নহ'ব। মিষ্টাৰ বৰদলৈয়েও ব্যৱসায়িক কামত কলিকতালৈ গৈছিল আৰু সাধাৰণ সম্পাদকো অসুখ হোৱাৰ বাবে ঘৰতেই থাকিলে। সেয়ে তেওঁৰ কামখিনি চন্দ্ৰ নাথ শৰ্ম্মাই কৰিব লগীয়া হ'ল।

"অসম এছ'চিয়েচন" অসমৰ এই ৰাজনৈতিক সংগঠনৰ সভা এইখনেই শেষ বুলিব পাৰি। ১৯০৫ চনৰ পৰা ১৯২০ চনলৈ মাত্ৰ ১৬ বছৰতে ৰাজ হাঁহৰ দৰে শেষ গতি লাভ কৰিলে যিটো অনুষ্ঠান আমাৰ দেশৰ দৰে এখন সৰু দেশৰ বাবে প্ৰয়োজনীয় আছিল, এইটো মোৰ নিচিনা অভাগাৰ হাতেত এই ৰাজনৈতিক অতি

প্ৰয়োজনীয় অনুষ্ঠানটোৰ কফিনত শেষ গজালটো মৰাৰ দুৰ্ভাগ্য ঘটিল। এইটোৱে অসমবাসীৰ বাবে আশা আৰু শান্তনাৰ আৰু একমাত্ৰ ভৰসাৰ থল আছিল। এইটো ভাৰতীয় জাতীয় কংগ্ৰেছৰ সৰ্বগ্ৰাসী জয়যাত্ৰাৰ বাবেই সম্ভৱ হৈছিল। জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ সকলো ঠাইতে কি প্ৰশাসনীয় কি ৰাজ্যিক সকলো দিশতে জাতীয় কংগ্ৰেছৰ গতি অনিৰুদ্ধ হৈছিল।

১৯২০ চনত মহাত্মা গান্ধীয়ে ভাৰতবাসীক ৰাজনৈতিক দাবীসমূহ মানি নলয় মানে ব্ৰিটিছ চৰকাৰৰ লগত অসহযোগ কৰিবলৈ আহ্বান জনালে। ১৯২০ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ লালা লাজপত ৰায়ৰ অধ্যক্ষতাত কলিকতাত এখনি সভা বহিল। তাত ভাৰতৰ প্ৰায়বিলাক ডাঙৰ ডাঙৰ জাতীয় নেতা সমবেত হ'ল। সেই সভাতে মই প্ৰথম বাৰৰ বাবে জৱাহৰলাল নেহেৰু আৰু তেখেতৰ পিতাক লব্ধপ্ৰতিষ্ঠ মতিলাল নেহেৰুকো দেখাৰ সৌভাগ্য লভিছিলো। দেশবন্ধু চিত্তৰঞ্জন দাসে তাতে এটা দল গঠন কৰি মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনক বাধা দিবৰ বাবে চেষ্টা কৰিছিল। মিষ্টাৰ বৰদলৈ, মৌলবী ফৈজনুৰ আলি, চন্দ্ৰ শৰ্ম্মা, মই আৰু বহুতো অসমৰ প্ৰতিনিধিয়ে সেই সভত যোগ দিছিল।

দিনৰ এক বজাত লালা লাজপত ৰায়ৰ অধ্যক্ষতাত সেই ডাঙৰ হলটোত এখন বিষয় বাচনি সভা বহিছিল। কংগ্ৰেছৰ দলীয় স্থিতিৰে যি বৰমূৰীয়া আছিল তেখেতসকলৰ মাজত নৰম গৰম ভাৱে বহুত আলোচনা হ'ল; কিন্তু ৰাতিলৈকে সভাৰ একো এগ্ৰগতি নহ'ল। গতিকে একো সিদ্ধান্তত উপনীত নোহোৱাকৈয়ে সেইদিনাৰ বাবে সভা স্থগিত কৰা হ'ল।

পিছদিনা মুকলি অধিৱেশনত মহাত্মা গান্ধীয়ে কিয় তেখেতে অসহযোগ আন্দোলনৰ সিদ্ধান্ত ল'লে অসহযোগ বুলি তেখেতে কি বুজাই সেই বিষয়ে প্ৰায় দুঘন্টা এটা দীঘলীয়া ভাষনত বুজাই কলে। লগতে কি কাৰণে তেখেতে সেই সিদ্ধান্ত ললে তাকো বুজাই কলে। তেখেতে তেখেতৰ এই অদ্বিতীয় সিদ্ধান্তত সহযোগিতা বিচাৰিলে। সভাত মতিলাল নেহেৰু আৰু তেখেতসকলৰ মতাৱলম্বী কেইজনমানে বিৰোধিতাও কৰিছিল।

অৱশেষত অৱশ্যে সেই সদনে মহাত্মা গান্ধীৰ সিদ্ধান্তক সমৰ্থন জনালে আৰু সকলোৱে বৰ আগ্ৰহ আৰু উৎসাহেৰে "মহাত্মা গান্ধীৰ জয়" বুলি ধ্বনি দিলে। মতিলাল নেহেৰুৰ পক্ষৰ মানুহবিলাক সভাভঙ্গৰ পিছত বিষন্ন মনোৰথ হৈ বিদায় ললে।

অসমৰ নবীন চন্দ্ৰ বৰদলৈৰ প্ৰতিনিধিত্বত যোৱা প্ৰতিনিধি সকল নিৰপেক্ষ হৈ

থাকিল। গান্ধীৰ পক্ষৰ কোনোবাই সোধোতে তেখেতে ক'লে বোলে তেখেতে ৰাজ্যৰ পৰা যিহেতু একো সিদ্ধান্ত কৰি যোৱা নাই সেয়ে তেখেতে নীৰৱে আছে। তেখেতে কংগ্ৰেছৰ সাধাৰণ সম্পাদকক আনুষ্ঠানিকভাৱে দেশলৈ আহি এখন সভাপাতি মহাত্মা গান্ধীৰ মতামতৰ কথা জনাই ৰাজহুৱা ভাৱে এটা আনুষ্ঠানিক সিদ্ধান্ত লৈ জনাব বুলি কলে। বৰদলৈদেৱে বেছি দিন অপেক্ষা নকৰি সোনকালে এখন অসম এচচিয়েশ্যনৰ সভা গুৱাহাটীত আহ্বান কৰি কলিকতা কংগ্ৰেছত বিপক্ষৰ বিৰোধিতা সত্বেও লোৱা সিদ্ধান্তৰ কথা কলে। সেই সভায়ো শেষত অসহযোগৰ সিদ্ধান্তটোকে গ্ৰহণ কৰিলে আৰু বৰদলৈয়ে চন্দ্ৰ নাথ শৰ্ম্মাক তেখেতৰ সহযোগী ৰূপে লৈ সৰ্বান্তঃ কৰণেৰে এই আন্দোলন আৰম্ভ কৰি দিলে আৰু অতি কম সময়তে সমগ্ৰ অসমত বনজুইৰ দৰে এই আন্দোলন বিয়পি পৰিল। প্ৰথমে ফুকনে এই আন্দোলনত বৰ যোগ দিয়া নাছিল; কিন্তু ১৯২১ চনৰ আগষ্ট মাহত মহাত্মা গান্ধী অসমলৈ আহোঁতে যেতিয়া তেখেতৰ অতিথি হ'ল তেতিয়া তেখেতে এসোপা (বিদেশী) কাপোৰ দাহ কৰিলে আৰু মহাত্মাৰ অসম ভ্ৰমণৰ সময়ত তেখেতেই গান্ধীৰ সহযোগী হ'ল। মহাত্মাজী তেজপুৰলৈও গৈছিল আৰু ব্ৰহ্মপুত্ৰৰ ফালে মুখ কৰি এখন সৌন্দৰ্যপূৰ্ন স্থানত বহি "সুন্দৰ অসম" বুলি চিঞৰি দিলে। তেখেতে অসমীয়া শিপিনীয়ে " কাপোৰত স্বৰ্গৰ পৰীকো আকিব পাৰে" বুলি প্ৰশংসা কৰিলে।

মহাত্মাজী তাৰ পিছত ডিব্ৰুগড়লৈও আহিছিল। তেখেতৰ লগত ভাৰতৰ বিভিন্ন ঠাইৰ আৰু বহুতো মানুহ আহিছিল সেই সকলৰ ফুকন ডাঙৰীয়াই আৰু চন্দ্ৰ নাথ শৰ্ম্মাই পথ প্ৰদৰ্শক হৈ আহিছিল। ডিব্ৰুগড় নগৰৰ মানুহ বিলাকে মহাত্মাজীক আগ্ৰহেৰে আদৰিবলৈ বৰ উৎসুক হৈ পৰিছিল আৰু মহাত্মাজীক মোৰ ঘৰতে ৰাখিবলৈ ঠিক কৰিছিল। ময়ো আনন্দেৰে সন্মত হ'লো। তেখেত ডিব্ৰুগড় নগৰত উপস্থিত হোৱাৰ দিনা মানুহৰ এটা বিৰাট দল মোক সন্মুখত লৈ ৰেলৰে ষ্টেছনত উপস্থিত হৈছিল। মানুহ বিলাকে "মহাত্মা গান্ধী জী কী জয়" বুলি একেৰাহে আটাহ পাৰি চিঞৰিছিল। তেখেতক ষ্টেছনত ময়ে প্ৰথমে আদৰিলো। স্বেচ্ছাসেৱক সকলে তেখেতক মোৰ গাড়ীলৈ অনা বাটটো মুকলাই দিওঁতে যথেষ্ট কষ্ট হৈছিল। গাড়ীখন বৰ মন্থৰ গতিৰে মোৰ ঘৰলৈ আনিব লগা হৈছিল। ময়ো মহাত্মাজীৰ কাষতে বহি আহিছিলো। গাড়ী আগবঢ়াৰ লগে লগে জনসমুদ্ৰ বাঢ়ি হে গৈছিল। গাড়ীখন আমোলাপট্টি নামঘৰৰ ওচৰ পাওঁতে কোনোবা এজনে এখন ঠেলা গাড়ীত এঠেলা চৌদা পানী লৈ দাঁতিয়েদি ঠেলি আনিছিল। হঠাতে সেই ঠেলা গাড়ীখন লুটিখাই পৰিলে। মহাত্মাগান্ধীয়ে তেখেতৰ প্ৰখৰ দৃষ্টিৰে ঘটনাটো দেখিলে আৰু গাড়ীখন ৰাখি তেখেতে

ঠেলাখন তোলাত মানহ বিলাকক সহায় কৰিবলৈ ক'লে। তেখেতে বটল বিলাক ঠেলাখনত আগৰ দৰে সজাই থবলৈ ক'লে। কাম বিলাক সম্পূৰ্ণ নোহোৱালৈকে মোক আমাৰ গাড়ীখন আগুৱাই নিবলৈ মানা কৰিলে। মানুহ বিলাকে গাড়ীখন তোলাত সহায় কৰি বটল বিলাক আগৰ দৰে থবলৈ ক'লে। সকলো কাম সম্পূৰ্ণ হ'লত হে তেখেত সন্তুষ্ট হ'ল।

যেতিয়া তেখেত মোৰ ঘৰত উপস্থিত হ'ল গৈ মোৰ সন্মানীয় মা আৰু বহুত মহিলা মাৰ জীয়েক আৰু বোৱাৰীয়েক আলহী মহিলায়ো মহাত্মাজী গাড়ীৰ পৰা নামি আমাৰ ঘৰৰ সোপানৰ ফালে যাওঁতেই থালীত ধূপ-ধূনা, চন্দন, গুগল আদি লৈ ধূপ জ্বলাই লৈ আৰু বহুতে ফুল-মালা লৈ আগুৱাই আহিলে। তেখেতৰ মুখৰ আগত থালী ঘূৰাই, হাত যোৰ কৰি প্ৰণাম জনালে। কপালত চন্দনৰ তিলক পিন্ধালে আৰু মোৰ পত্নীয়ে তেখেতক ফুলৰ মালা পিন্ধালে। তাৰ পিছত অন্য মহিলা সকলেও মঙ্গলাচৰণ কৰাৰ পিছত সন্মানীয় অতিথি জনক মোৰ বহল-ডাঙৰ ঘৰটোৰ মাজত থকা বৈঠক খানালৈ লৈ অহা হ'ল। তাতে কাৰ্পেট পাৰি ধুনীয়া কৰি সজাই থোৱা হৈছিল। সেই বৈঠক খানাতে এখন আহল-বহল চকীত কেউফালে গাৰু দি তেখেতে আৰামত বহিব পৰা কৰি থোৱা হ'ল। মহাত্মাজীৰ লগত সপত্নীক মৌলানা মহম্মদ আলীও আহিছিল। তেখেতক অসমৰ বিখ্যাত হাজী মৌলবী আবদুৰ ৰহমান মিৰ্জা বেগৰ ঘৰত থকাৰ ব্যৱস্থা কৰি দিয়া হ'ল।

মৌলানা মহম্মদ আলীয়ে তেখেতৰ পত্নীক মৌলবীৰ পৰিয়ালৰমহিলা সকলৰ হাতত গতাই দি কোনোবা এজনৰ লগত আমাৰ ঘৰলৈ আহি মহাত্মাজীৰ ওচৰতে বহি ললে।

মই এইখিনিতে কৈ থওঁ মই মহাত্মাজীৰ দৈনন্দিন প্ৰয়োজনীয় বস্তু যেনে - শুকান ফল, সেউজ ফল, আঙুৰ, আপেল, নাচ পতি, তাত থকা পাউৰুটি আদি বহা কোঠাৰ ওচৰৰ কোঠাত গোটাই থৈছিলো। মই দুজনী পোৱালী থকা ছাগলী যি কেইজনীৰ পোৱালী দিয়া বেছি দিন হোৱা নাই, মহাত্মাজীৰ গাখীৰৰ বাবে আনি থৈছিলো। মহাত্মাজীৰ সৰু পুত্ৰ দেৱদাস গান্ধী, সেই সময়ত বয়স ওঠৰ বছৰৰ আশে-পাশেই হ'ব, জপৰা চুলিৰে দেখুৱাই দিয়াৰ লগে লগেই দেউতাকলৈ লঘু আহাৰ প্ৰস্তুত কৰাত লাগি গ'ল। সেয়া হৈছিল কেই চকলমান নেসেকা ল'ফ, এথোপা আঙুৰ আৰু কিছু শুকান ফল, গিলাছ এটাত আধা সেৰ মান গৰম ছাগলী গাখীৰ। তেওঁ এইখিনি আনি দেউতাকৰ আগত আঠুকাঢ়ি বহিবলৈ দিলে।

মোৰ ঘৰটো আলহিৰে ভৰি পৰিলে। প্ৰায় ৭০-৮০ জন ঘৰুৱা আলহি চাহ,

ভাত, ৰাতিৰ সাজৰ সময়তো থাকে। মই আমাৰ পৰিয়ালৰ বাবে এটা কোঠা পৃথকে ৰাখি গোটেই বোৰ কোঠা আলহিৰ বাবে খোলা ৰাখিলো। মই তেনে কৰাৰ সুবিধা এই কাৰণেই পলো যে আমাৰ ঘৰটো ৮০০০ বৰ্গ ফুটৰ আৰু তাৰ ভিতৰ কোঠাবোৰো বেচ বহল ডাঙৰ। বাৰান্দা বিলাকো যথেষ্ট বহল-ডাঙৰ। এশমান মানুহে আমাৰ ঘৰৰ আগৰ বহল-আহল মুকলি ঘাঁহনি খনত পহৰা দি থাকে। আমাৰ আহল-বহল যিটো গোঁসাই ঘৰ য'ত মোৰ মা হঁতে আমাৰ গৃহ দেৱতাক পূজা-সেৱা কৰে সেইটোত এটা ৰন্ধনশাল কৰি দি দিনে-ৰাতিয়ে বিহাৰি ৰান্ধনিৰ হতুৱাই খাদ্য প্ৰস্তুত কৰাই আছিলো। সেইটো এটা লংগৰ খানা হৈ পৰিছিল। তৃতীয় দিনা যেতিয়া মহাত্মাজীয়ে ডিব্ৰুগড় এৰি গ'ল এটা মস্ত হৈ চৈৰ অন্ত পৰিল।

এইটো ভাবিলে ভুল হ'ব যে ইমান বিলাক মানুহক তিনি দিন কেৱল ময়ে খৰছ কৰি খুৱাইছিলো সেইটো নহয় ; নগৰৰ ধনী মাৰোৱাৰী সকলে স্বেচ্ছাই টকা আৰু বস্তু খাদ্যৰ পুঁজিত জমা দিছিল। আনকি মহাত্মাজীৰ গাখীৰৰ বাবে ছাগলী দুজনীও তেওঁলোকেই কৰবাৰ পৰা গোটাইছিল।

সেই যে জনসমূহ প্ৰায়ে দূৰৰ গাঁৱৰ। যেনে শিৱসাগৰ জিলাৰ দিনৰ ভাগত আহে ৰাতি গুছি যায়। মানুহৰ ভিৰ ইমান বাঢ়িছিল যে মোৰ ঘৰৰ সন্মুখৰ ঘাঁহনিখন এনেকি মোৰ পৰ্টিকৰ দুই দাঁতিত থকা ফুলনি খনো মানুহৰ গছকত তিনি-চাৰি ইঞ্চি মান বহি গৈছিল।

আবেলি প্ৰায় পাঁচ বজাত মই মহাত্মাজীক মোৰ গাড়ীৰে ফুৰাবলৈ লৈ গৈছিলো। দুঘন্টামান নগৰখনত ফুৰালো। আন্ধাৰ হলতহে ঘৰলৈ আনিলো। তেতিয়াও আমাৰ ঘৰ আৰু চৌহদ মানুহেৰে ভৰি আছিল।

মহাত্মাজীয়ে গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ এই দীঘলীয়া ৰেলযাত্ৰাত দুৰ্বল অনুভৱ কৰাৰ বাবে ভাগৰ অনুভৱ কৰাৰ বাবেই পাতল আহাৰ কৰিয়ে বিচনাত বাগৰ দিলে। তেখেতে কোঠাত য'ত তেখেতে শুবৰ বাবে ব্যৱস্থা কৰিছিলো তাত শুৱাটো পছন্দ কৰা নাছিল। তেখেতে এখন খাটিয়া বহল বাৰান্দাখনত পাৰি দিয়াহে বিচাৰিছিল। আমি তাকে কৰাত তেখেতে তাতে শুলে। তেখেতে মূৰৰ পৰা ভৰিলৈকে খদ্দৰ কাপোৰ এখনেৰে ঢাকি ললে। দুজন শিখ যুৱকে হাতত খোলা তৰোৱাল লৈ ৰাতিটো তেখেতৰ দুকাষে পহৰা দি থাকিল। কেইজনমান দলপতিৰ নিচিনা মানুহে মানুহ বিলাকক গোলমাল কৰি মহাত্মাজীৰ টোপনি ব্যাঘাত যাতে নজন্মাই তাৰ বাবে অনুৰোধ কৰিলে। মানুহ বিলাক খন্তেকতে এনেভাৱে শান্ত হৈ পৰিল, কিছু তেওঁলোকৰ বহালৈ গুছি গ'ল হেজাৰ হেজাৰ মানুহে মুকলি ঘাঁহনি খনত পহৰা দি

থকা স্বত্বেও কেৱল পাকঘৰৰ ফালে অলপ গুন-গুননিৰ বাদে কাঁহ পৰি জীন যোৱা অৱস্থা হ'ল। এইদৰে মহাত্মাজী মোৰ ঘৰত থকা প্ৰথম ৰাতি অতিবাহিত হ'ল। পিছদিনা পুৱা মই বিচনাৰ পৰা উঠি ওলাই আহি বস্তু বিলাকত চকু ফুৰালো। মই দেখিলো মহাত্মজীয়ে দক্ষিনলৈ মুখ কৰি লেপেটাকাঢ়ি বহি আছে আৰু শিখ যুৱক দুজনে তেতিয়াওঁ হাতত তৰোৱাল লৈ পহৰা দিয়ে আছে । মই অনুমান কৰিলো মহাত্মাজীয়ে প্ৰাৰ্থনা কৰি আছে সেয়ে সেই ঠাইৰ পৰা তৎক্ষণাত আঁতৰি আহিলো আৰু বাকী বিলাক চালোহি।

থকা দ্বিতীয় দিনা মানুহৰ এটা নিচিগা সোঁত মহাত্মাজীৰ দৰ্শনৰ বাবে মোৰ ঘৰলৈ ববলৈ ধৰিছিল। বুদ্ধিজীৱী আৰু শ্ৰেষ্ঠ সকলৰ প্ৰৱেশত বাধা নথকা বাবে তেখেতৰ চাৰিও কাষে বহি ইটো-সিটো আলোচনা কৰি আছিল; কিন্তু মহাত্মাজী তেখেতৰ ব্ৰিটিছৰ লগত অসহযোগৰ যি সিদ্ধান্ত লৈছিল তাৰ পৰা এআঙুলো নাতৰি তেখেতৰ মতদৰ্শী সকলক তেখেতৰ মত অনুসৰণ কৰিবলৈহে পৰামৰ্শ দিছিল। মোৰ এনে অনুভৱ হৈছিল মহাত্মাজীয়ে কথা কওঁতে এটা শীত প্ৰবাহ মানুহৰ অন্তৰলৈ বোৱাইহে পঠিয়াইছিল।

দহটামান বজাত মহাত্মাজী, ফুকন আৰু বাকী সকলে মোৰ পত্নীক বিলাতী বস্ত্ৰ-সামগ্ৰী সকলো উলিয়াই আনি দাহ কৰিবলৈ ক'লে আৰু মহাত্মাজীয়ে নিজে সেই জুই চাই থাকিব বুলি কলে। সেই আদেশটো সকলোকে শুনোৱা হ'ল আৰু লগে লগেই এদম বিলাতী কাপোৰ কানি আনি আমাৰ মুকলি বাৰান্দাৰ পৰা দেখাকৈ থৈ জ্বলাই দিয়া হ'ল। গোটেই দমটো জ্বলি শেষ হ'বলৈ প্ৰায় তিনি ঘন্টা সময় লাগিল। মই এই বস্ত্ৰ যজ্ঞৰ বাবে বেজাৰ পোৱা নাছিলো; কিন্তু লণ্ডনৰ পোপ এণ্ড ব্ৰেডলী চিলাই দোকানত চিলোৱা এটাও দামী কামিজে "ককা বা আজু ককা লণ্ডনলৈ গৈছিল, বুলি ভৱিষ্যত প্ৰজন্মক সাক্ষী দিবলৈও নাথাকিল বাবেহে অলপ বেজাৰ পালো। মোৰ ঘৰৰ পৰা অনতি দূৰৰ এখন মুকলি ঠাইত এখন ডাঙৰ জন সমাবেশৰ ব্যৱস্থা কৰা হৈছিল। মই মহাত্মাজীৰ ইচ্ছাৰ বাবে মোৰ গাড়ীতে তুলি আবেলিপৰত তেখেতক ফুৰাবলৈ আনিছিলো। সন্ধ্যা উভতি যেতিয়া সভামণ্ডপৰ ফালে গলো তেতিয়া মানুহৰ মূৰৰ এখন মহাসমুদ্ৰহে যেন দেখা পালো। কাৰণ ওখকৈ বাঁহৰ খুটা পুতি ওলোমাই থোৱ কেৰাচিন তেলৰ লেমৰ পোহৰে সম্পূৰ্ণকৈ দেখুৱাবলৈ সামৰ্থ হোৱা নাছিল। মানুহ বিলাকে থিয় হৈ আছে নে মাটিতে লেপেটা কাঢ়ি বহি আছিল বুজা নগৈছিল। কম পোহৰতে এখন ওখ মঞ্চ বনাই ওপৰত খেৰ দি চাই দিয়া হৈছিল। এইখিনিতে ক'ব লাগিব যে ইলেক্টিক লাইটৰ ব্যৱস্থা

কৰিবলৈ ডিব্ৰুগড়ত তেতিয়ালৈকে এটাও পাৱাৰ হাডছৰ ব্যৱস্থা হোৱাই নাছিল আৰু মাইক্ৰ'ফনো হোৱা নাছিল। মহাত্মাজীয়ে মণ্ডপত উঠি লেপেটাকাঢ়ি বহি লৈয়ে হিন্দীতে ভাষন দিলে। ভাষনটো শেষ হওঁতে আধা ঘন্টা ল'লে। তেখেতে ব্ৰিটিছৰ লগত অহিংস অসহযোগ আন্দোলনৰ অভিপ্ৰায় ব্যাখ্যা কৰি তেখেতে কিয় এই আন্দোলন হাতত ললে বুজাই দিলে। ব্ৰিটিছ শাসনত যে মানুহ ঘাঁহী আৰু পানীৱালাৰ অৱস্থা পাইছে তাকো বুজাই দিলে। তেখেতে মানুহে ভৱিষ্যতে যে কি দশা ভোগ কৰিব লাগিব তাকো বুজাই ক'লে। তেখেতে বোৱা-কটাত লাগিবলে ক'লে আৰু পঞ্চায়ত পাতি হাই-কাজিয়া মীমাংসা কৰিবলৈ পৰামৰ্শ দিলে। তেখেতে সমাজৰ নিম্নস্তৰৰ মানুহক মদ্যপানৰ অভ্যাস এৰিবলৈ অনুৰোধ কৰিলে যিটো তেওঁলোকৰ বাবে ক্ষতিকৰ আৰু অসমীয়া বিলাকক কানি খোৱা অভ্যাসে সৰ্বনাশ আৰু ধ্বংস কৰে বাবে সেই অভ্যাস ত্যাগ কৰিবলৈ সকলোকে অনুৰোধ কৰিলে। তেখেতে বিনম্ৰভাৱে মানুহক তেখেতে প্ৰতিষ্ঠা কৰা হৰিজন পুঁজিলৈ দান বৰঙণি আগবঢ়াবলৈ অনুৰোধ কৰিলে। তেখেতে বুজাই দিলে যে এই পুঁজি কেৱল তেখেতৰ প্ৰিয় হৰিজন সকলৰ উন্নতিৰ বাবেহে ব্যয় কৰিব।

মহাত্মাজীৰ ভাষন শেষ হোৱাৰ লগে লগে হেজাৰ হেজাৰ মুদ্ৰা, অলংকাৰ আৰু অন্য বস্তু এনেদৰে দলিয়াবলৈ ধৰিলে যে সেই ফৰ্মুটিৰ পৰা আমি ৰক্ষা পোৱা কঠিন হ'ল। এনেকি মহাত্মাজীয়েও মানুহৰ মাজত সোমাই হে ৰক্ষা পৰিল। কোনোবা এজনে দাঁতিত টনা বাকচ থকা মিহিকৈ ৰং কৰা এখন সৰু ধুনীয়া লিখা মেজ মহাত্মাজীক দিলে। গোটেইবোৰ ঠিক-ঠাক কৰি হলত মহাত্মাজীয়ে সেই মেজখন নীলাম দিবলৈ ল'লে। বহুতো ডাক হোৱাৰ পিছত মোৰ ৩০ চকাৰ ডাকটোকে গ্ৰহন কৰিলে। মই সেই সৰু মেজখন মহাত্মাজীৰ মোৰ ঘৰত অতিথি হৈ থকাৰ স্মৃতি চিহ্ন ৰূপে মোৰ মেজৰ ওপৰত থৈ দিছিলো।

সেই মুদ্ৰা, অলংকাৰ আৰু অন্যান্য বস্তু বিলাক যথেষ্ট আছিল আৰু মহাত্মাই তেখেতৰ ব্যক্তিত্বৰ যাদু-কাঠিৰ প্ৰভাৱেৰে কি কি সাধনা কৰিব পাৰে বুজিব পাৰিলে। ইয়াৰ পিছতে আমি ১০ টা মান বজাত ঘৰলৈ ওভতিলো। মহাত্মাজীয়ে সামান্য খাদ্য গ্ৰহন কৰিয়ে বিশ্ৰামৰ বাবে আগদিনাৰ দৰে আগদিনাৰ ঠাইতে শুই পৰিল। দুজন শিখ যুৱকে তেখেতক পহৰা দি থাকিল। আগদিনাৰ ৰাতিতকৈ সেই ৰাতি মানুহ মোৰ চৌহদত সামান্য কম হ'ল। সেই ৰাতি ভাল ভাৱেই পাৰ হ'ল। মই উঠি আহোঁতে ৰাতি পুৱালে। মই বস্তু বিলাক ভালকৈ লক্ষ্য কৰিলো। মহাত্মাজী ডিব্ৰুগড়ৰ মোৰ ঘৰত থকা এইটো শেষ ৰাতি আছিল। মানুহ আগৰ দিনৰ দৰেই আহিল আৰু তেখেতৰ পৰা

আন্তৰিকতাৰে বিদায় ললে।

প্ৰায় ১২ টা বজাত মহাত্মাজী তেখেতৰ কোঠাৰ পৰা ওলাই আহি আমাৰ বাৰান্দাত থিয় হৈ হাত-যোৰ কৰি আমাৰ পৰা বিদায় মাগিলে। মহিলা সকলৰ মাজত কিমান যে উল্লাস তেওঁলোকে কোনোবাই উৰুলি দিলে কোনোবাই তেখেতৰ মুখৰ আগত ধূপ ঘূৰালে, সৰু ছোৱালী বিলাকে মালা পিন্ধালে। মহাত্মাজীয়ে মোৰ মাক হাত যোৰ কৰি আঁঠুকাঢ়ি বিদায় ললে আৰু মোক এহাতেৰে ডিঙিত সাবটি ধৰি বৰ আবেগেৰে বিদায় যাচিলে। ময়ো তেখেতৰ আগত হাত যোৰ কৰি আঁঠুকাঢ়ি বিদায় ল'লো। তেখেতক এখন সৰু গাড়ীত তুলি তিনিচুকীয়াৰ ফালে লৈ যোৱা হ'ল। তেখেতে তাত এৰাতি থাকি পিছদিনা ৰেলত উঠি যাবলৈ সিদ্ধান্ত লৈছিল। মানুহ বিলাকে মহাত্মাজী ডিব্ৰুগড় নগৰৰ সীমা পাৰ নোহোৱালৈকে তেখেতৰ লগতে গ'ল।

এইদৰেই মোৰ জীৱনৰ এটা মহান ঘটনাৰ পৰিসমাপ্তি ঘটিল। এই ঘটনাৰ স্মৃতি এতিয়াও সজীৱ হৈ আছে আৰু মই এই পৃথিৱীৰ পৰা চিৰ বিদায় নলওঁ মানে সজীৱ হৈয়ে থাকিব। মই ভগৱানক ধন্যবাদ জনাওঁ তেওঁৰেই মোক যে এনে এজন মহান ব্যক্তিক এনেদৰে অতিথি ৰূপে সেৱা কৰাৰ সুবিধা দিলে যি জনকসেই সময়ত জীৱিত পুৰুষৰ ভিতৰত শ্ৰেষ্ঠ পুৰুষ বোলা হয়। তেখেত সঁচায়ে জাতিৰ পিতাৰ সমান শ্ৰেষ্ঠ।

ভাৰতীয় মুছলমান সকলে মহাত্মাৰ দলতযোগদান কৰাৰ প্ৰধান লক্ষ্য আছিল "খলিফট" প্ৰাপ্তি অৰ্থাৎ তুৰ্কি সকলৰ প্ৰধান জন অৰ্থাৎ ৰজাক খলিফা বুলিছিল। গতিকে খলিফাৰ শাসন প্ৰাপ্তি সেই উদ্দেশ্যেৰেই তেখেত সকলে ব্ৰিটিছৰ বিৰুদ্ধে আন্দোলন কৰিছিল। তেওঁলোকে খলিফা অৰ্থাৎ মুছলমান ৰজাৰ অধীনত থাকিব। যিটো ইউৰোপীয় আগ্ৰাসী ব্ৰিটিছ সকলে ধ্বংস কৰিলে। সেয়ে এই আন্দোলনটো "ধৰ্ম্মযুদ্ধ" অৰ্থাৎ খৃষ্টান সকলৰ ইংলেণ্ডৰ ৰজা ৰিচাৰ্ডে আৰম্ভ কৰা ক্ৰুছেদৰ দৰে ভাবিছিল। এইটো এটা হাঁহি উঠা কথা বুলিব পাৰি। মহাত্মা গান্ধীৰ এই সকলোকে কঁপাই তোলা এই আন্দোলনে ভাৰতীয় মুছলমান সকলক অকনো স্পৰ্শ কৰাই নাছিল। মহাত্মাজীয়ে যে ভাৰতীয় ভেড়া পোৱালী বোৰক ব্ৰিটিছ সিংহৰ হাতোৰাৰ পৰাহে মুক্ত কৰি স্বাধীনতা দিবৰ যত্ন কৰিছিল; কিন্তু তেওঁলোকৰ এই ধৰ্ম্মযুদ্ধই তেওঁলোকৰ যে ভাত-কাপোৰ একোৰে ব্যৱস্থাই নকৰে সেই কথা বা নিজৰ চৰকাৰৰ শাসনে দিব পৰা নিৰ্ভিক আশ্ৰয়ৰ কথাও বুজা নাছিল। যি কি নহওক মুছলমান সকলৰ ভাব ধাৰাই মহাত্মাজীক পৰোক্ষভাৱে সহায় কৰিলে।

মহাত্মাজীৰ প্ৰস্থানৰ পিছত ডিব্ৰুগড়বাসীয়ে মহাত্মাজীৰ আদেশ শিৰোগত কৰি তেখেতৰ আন্দোলনৰ এটা স্থানীয় স্থিতি দিবলৈ যত্ন কৰিলে। সেয়ে য'ত ত'ত সভা

সমিতি পাতি তাৰ পিছত এখন ডাঙৰ সভাত মোক আধ্যক্ষ পাতি নগৰ কংগ্ৰেছ কমিটী নাম দিলে আৰু সম্পাদক নিৰ্বাচনৰ দায়িত্ব অধ্যক্ষক দিলে। পিছে গঠনমূলক কামৰ বাবে টকাৰ প্ৰয়োজন হ'ব। মই সেই সভাতে মোৰ বৰঙণি ঘোষনা কৰিলো। বৰঙনিটো চাৰিটা অংকৰ আছিল। ৰাইজে হৰ্ষধ্বনিৰে গ্ৰহন কৰিলে। মৌলবী ফৈজনুৰ আলী প্ৰতি মুহুৰ্ত্ততে প্ৰতিটো কামতে আমাৰ সহযোগী আছিল। তেখেত এজন ধনী ব্যক্তিও আছিল। তেখেতে তেখেতক কিছুদিনৰ বাবে অস্থায়ী ভাৱে কৰ্ম্মৰ পৰা অৱসৰো লৈছিল (suspended) আৰু সেই সময়ত তেখেতৰ ঘৰ খানা তালাচো কৰিছিল।

আমি এটা পকা ঘৰ " শিব ঠাকুৰবাৰী"ৰ সন্মুখত থকা বিহাৰী সম্প্ৰদায়ৰ বেপাৰী এজনৰ পৰা বৰ কম ভাড়াতে ভাড়ালৈ লৈছিলো। এই ঘৰটোতে শ্যাম চন্দ্ৰ চৌধুৰী নামৰ স্থানীয় উকিলখানাৰ উকিল এজনৰ তত্বাৱধানত সদায় গধুলী গধুলী আমি সভা পাতিবলৈ ললো আৰু এইটো আমাৰ কাৰ্যালয় হ'ল। তেখেতক বহুতেই স্বেচ্ছামূলক ভাৱে কংগ্ৰেছ কমিটিৰ তথ্যপাতি ৰখাত সহায় আগবঢ়াইছিল।

গোটেই ডিব্ৰুগড় নিবাসীয়ে এই আদৰ্শত উজ্জীৱিত হৈছিল আৰু হিন্দু মহিলাসকলে হাত সাবটি ঘৰত একাষৰীয়া হৈ নাথাকি সকলোতে ঘূৰি সূতা কাটিবলৈ আহ্বান দিলে আৰু দান বৰঙণি ৰূপে টকা, অলংকাৰ, অন্য সামগ্ৰী যেনে কাঁহি-বাতি আদি সংগ্ৰহ কৰি আনি দিলে। যিবিলাক কামত পুৰুষ সকল সফল নহৈছিল মহিলাসকল সফল হৈছিল। চৰখা আৰু অলপমান কপাহ দূৰ-দূৰণিৰ গাঁৱলৈকো স্বেচ্ছাসেৱক সকলে নি নি সকলো ঠাইতে বিতৰণ কৰি দিছিল। অনতি পলমেই গাঁৱৰ কমিটীৰ লগত স্বেচ্ছাসেৱকৰএটা সৰু গোট লগ হৈ চৰখাৰ খবৰটো গাওঁ পঞ্চায়তত জনোৱা হ'ল। লগতে মদ আৰু কানি সেৱন বন্ধ কৰাৰ বিষয়ে ভাবিব নোৱাৰা ধৰণে প্ৰচাৰিত হ'ল। উচ্চ মাধ্যমিক দিব্যালয়ৰ ৮০ শতাংশ ছাত্ৰই বিদ্যালয় ত্যাগ কৰিলে। ধোবা আৰু ঝাড়ুৱালা বিলাকে মদ ত্যাগ কৰিম বুলি শপত খালে আৰু গাঁৱৰ আৰু নগৰৰ উপকণ্ঠৰ মানুহ বিলাকৰ মাজত চিলিমত কানি খোৱা অভ্যাস এৰুৱাবলৈ বুলি স্বেচ্ছাসেৱকে সেই বিলাক কাঢ়ি লৈ আহিলে। দিনৌ এই বিলাক কংগ্ৰেছ কাৰ্য্যালয়লৈ আহিবলৈ ধৰিলে আৰু কাৰ্য্যালয়টো এই মনোবল ধ্বংসকাৰী বস্তুৰে ভৰি পৰিল। এই আদেশটো দিয়াৰ পিছত অত্যন্ত জোৰদাৰ ভাৱে আৰু উৎসাহেৰে কামবিলাক আগবাঢ়িলে। চৰকাৰেও নীৰৱ দৰ্শক হৈ বহি থাকিব নোৱাৰিলে। তেওঁলোকে যিবিলাক অস্ত্ৰ প্ৰয়োগ কৰিব পাৰে কৰিবলৈ ধৰিলে। এইদৰে সভ্যতাৰ পৰিসীমা লংঘন কৰি আইনহীন আইন প্ৰচলন কৰি এই কাম বিলাক গচকি পিঠা কৰাৰ চেষ্টা কৰিলে; কিন্তু স্বাধীনতাৰ যুদ্ধ পিতাৰ পৰা পুত্ৰই লাভ কৰিছিল আৰু গ্ৰহন কৰিছিল।

প্ৰথমাৱস্থাত প্ৰতিৰক্ষামূলক ব্যৱস্থা গ্ৰহন কৰিছিলে যদিও মানুহে নিৰ্ভিক ভাৱেই সেই আইনৰ কঠোৰতা মানি লৈছিল। তেওঁলোকে হাঁহি মুখেৰেই কাৰাবাসলৈও গৈছিল। আইনে তেওঁলোকক কাৰাবাসৰ সময়ত যি কঠোৰ শাস্তি দিছিল তাকো গ্ৰহন কৰিছিল। কাৰাবাসলৈ যোৱাৰ শেষ নাছিল। শাসক বিলাকৰ অন্তৰ ভয়ত কঁপি উঠিছিল। চৰকাৰৰ মানুহে কংগ্ৰেছ বিৰোধী আন্দোলন আৰম্ভ কৰিছিল। এই বিলাক অৱশ্যে উপাধীধাৰীৰ হুকুম বুলি নেগুৰ পেলোৱা মানুহ বিলাকেই কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল অসহযোগ আন্দোলনটো মষিমুৰ কৰা। সেই পুলিছ বিলাকে কাল্পনিক অভিযোগ হলেও আন্দোলনত যোগ কৰা সকলক এৰি নিদিছিল।

সম্ভৱতঃ ১৯২১ চনৰ নৱেম্বৰ মাহত বৰদলৈ আৰু ফুকন দুয়োকে গুৱাহাটীত বন্দি কৰি ফাটেকত দিছিল। এই দুইজন নেতাক বন্দী কৰাতগুৱাহাটী উকিলখানাৰ আৰু অন্য ঠাইৰো অসমীয়া উকিল সকলে উকালতি এৰি কাৰাবাস গ্ৰহন কৰিছিল কিন্তু ডিব্ৰুগড়ৰ উকিল খানাইহে এই তালিকাত প্ৰায় শূণ্যয়ে দেখুৱাইছিল কেৱল মৌলবী ফৈজনুৰ আলী বাদ পৰিছিল আৰু শ্যাম চৌধুৰীদেৱে এই আন্দোলনৰ আৰম্ভৰ পৰাই ওকালতি বাদ দিছিলেই। বহু দিনৰ পিছত অসম লেজিছলেটিভ এচেম্বলীৰ প্ৰাক্তন অধ লক্ষেশ্বৰ বৰুৱায়ো এই আন্দোলনত যোগদান কৰিছিল।

প্ৰথম "জেলভৰো" আন্দোলনৰ নেতা আছিল মোৰ ভাইটি নৱ কুমাৰ বৰুৱা। তেওঁৰ লগতে বহুতো সহগামী সদ্যপ্ৰয়াত ৰজনীকান্ত বৰুৱা এনেকি বেঙ্গলী জাতিভুক্ত (demichild) পৰেশ সেন নামৰ যুৱকেও অসম্ভৱ আগ্ৰহ আৰু উৎসাহেৰেই যোগ দিছিল।

মোৰ অধ্যক্ষতাৰ এটা বছৰত মোৰ ওপৰত কামৰ দায়িত্ব আৰু চিন্তাই মোৰ স্বাস্থ্যত এনে বিষম প্ৰভাৱ পেলালে যে মই লক্ষেশ্বৰ বৰুৱা নামৰ এজনক যিজনে ওকালতি এৰি দেহে-কহে আন্দোলনত আত্মনিয়োগ কৰিছিল তেখেতক দায়িত্বভাৰ অৰ্পন কৰিবলৈ বাধ্য হলো। এই সময়তে মোৰ চতুৰ্থ ভ্ৰাতৃ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ দেৱ কুমাৰ বৰুৱা, লক্ষেশ্বৰ বৰুৱাৰ ভায়েক আৰু মোৰ ভাইটিৰ বন্ধু ডঃ কমলেশ্বৰ বৰুৱাৰে স'তে জেলত সোমাইছিল।

মই অধ্যক্ষ হৈ থকা সময়তে মোৰ সেই সময়ত ৯ বছৰীয়া জ্যেষ্ঠ পুত্ৰ বীৰেন্দ্ৰ চতুৰ্থশ্ৰেণীত (sixth form) পঢ়ি থাকোতে এটা কাম কৰিলে। সি স্কুলত বহি আছিল। শিক্ষক যেতিয়া শ্ৰেণী কোঠাত প্ৰৱেশ কৰিলে সি থিয় হৈ শিক্ষকক সম্বোধন কৰি ক'লে 'ছাৰ মই ষ্টাইক কৰিম' (sir I strike)। এই বুলি কৈয়ে সি কিতাপ পত্ৰ লৈ অবাধে ওলাই আহিল। শিক্ষকজন আৰু বাকী ছাত্ৰ বিলাকে নীৰৱে হতভম্ব হৈ চাই

থাকিল। ঈশ্বৰৰ এটা জাতিৰ ভাগ্য নিয়ন্ত্ৰণৰ পদ্ধতি অভাৱনীয়। এটা সমূহীয়া আদৰ্শেৰে পৰিচালিত হৈ এজনো মানুহ বাদ নপৰাকৈ সহযোগ কৰি যেন ইচ্ছা পূৰণৰ পথ প্ৰশস্ত কৰিহে দিলে। মহাত্মাজীৰ অসহযোগ আন্দোলন ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি পৰিল। মানুহৰ মনত স্বৰাজৰ চিন্তাই প্ৰবল ক্ৰিয়া কৰিলে যি হয় হওক বুলি ভাৱি ল'লে। ৰাউলট আইনৰ অনুশাসন মতে জেনেৰেল ডাইয়াৰ নামৰ এটা নৰপিশাচে নিৰিহ মানুহৰ ওপৰত যি নৰসংহাৰ চলালে আৰু চিতাগঙৰ ৰেলৱেৰ ষ্ট্ৰাইক সেই সময়ৰ সম-সাময়িক কেইটামান উল্লেখযোগ্য ঘটনা। এই বিলাকে মানুহক মুক্তিৰ বাবে আগুৱাই যাবলৈ সাহসহে যোগালে।

বৰদলৈয়ে স্বৰাজীৰফালৰ পৰা টিকেট পাই অসম লেজিছলেটিভ এচেম্বিত স্থান পালে। তেতিয়া তেখেতে চৰণীয়া পথাৰৰ খাজনা আৰু ৰায়তী বিধেয়কৰ ক্ষেত্ৰত যথেষ্ট ভাল কাম এটা কৰিলে।

পণ্ডিত মদন মোহল মালব্য যিজন এজন পৰম দেশভক্ত আছিল আৰু যাৰ নাম মহাত্মাজী আৰু তিলকৰ পিছতে লব পাৰি তেখেতে ৰাউলট আইনৰ প্ৰতিবাদত লেজিছলেটিভ কাউন্সিলৰ সদস্য পদৰ ইস্তফা দিলে। ইফালে বিখ্যাত কবি ৰবীন্দ্ৰ নাথেও প্ৰদান কৰ্ত্তাৰ ওচৰত "নাইট" উপাধি প্ৰত্যৰ্পন কৰি মালব্যক সমৰ্থন জনালে।

অসমে ১৯২৫ চনৰ নাগপুৰ কংগ্ৰেছ অধিৱেশনৰ আগলৈকে পৃথক স্থান পোৱা নাছিল। এই অধিৱেশনতে বৰদলৈ দেৱ আৰু অন্য প্ৰতিনিধিৰ যত্নতহে অসমে কংগ্ৰেছত আইন সন্মত ভৱে নিজা স্থান লাভ কৰিলে। তেতিয়াৰ পৰাহে অসমে অন্য ৰাজ্যৰ দৰে কংগ্ৰেছৰ অধীনত স্বকীয় মৰ্যদা লাভ কৰিলে।

নাগপুৰ কংগ্ৰেছৰ পৰা অহাৰ পিছৰে পৰা বৰদলৈ, তৰুণ ৰাম ফুকন, চন্দ্ৰ নাথ শৰ্ম্মাই হাতত তেখেত সকলৰ ভিক্ষাপাত্ৰ লৈ গোটেই ৰাজ্যখনতে অবিশ্ৰান্ত ভাৱে ভ্ৰমণ কৰিছিলে। সমগ্ৰ ৰাজ্যখনকে সতৰ্ককৰি দিছিল আৰু দেশত নতুন উদ্যম গঢ় লৈ উঠিছিল। কাৰণ নেতা কেইজনৰ ঐকান্তিকতাক মানুহে প্ৰত্যাখ্যান কৰিব পৰা নাছিল।

অসম সেই সময়ত এখন দুখীয়া দেশ আছিল; কিন্তু নেতাসকলে হাৰ্কিউলাচৰ দৰে যি দুসাধ্য কাম হাতত লৈছিল সেই কথা সাধাৰণ মানুহে কল্পনাও কৰিব নোৱাৰিছিল। কংগ্ৰেছ চেচনৰ বাবে যিবিলাক আনুষাঙ্গিক সামগ্ৰীৰ প্ৰয়োজন লগতে এখন ডাঙৰ প্ৰদৰ্শনীৰ বাবে তেনেই কম মানুহ আৰু তেওঁলোকৰ কম পৰিমানৰ প্ৰয়োজনীয় ধন জন সংস্থানেৰেই হতাশজনক বস্তুৰেই অদমনীয় দৃঢ়তাৰে তেখেত সকলে এনে দুসাধ্য কামো সাধন কৰি দেখুৱালে। নেতা সকলে অৱশ্যে অকুলন হ'ব বুলি ভয় কৰিছিল; কিন্তু শেষত অতুলনীয় সফলতাৰে তেখেত সকলে সাৰ্থকতা প্ৰমাণ কৰি দেখুৱালে।

অসমখন জমিদাৰ, ডাঙৰ উদ্যোগ, বা ব্যৱসায়িক কেন্দ্ৰ নহয়। গতিকে বিনা প্ৰতিবাদেই এইটো কব পৰা যায় যে যিখিনি সংগ্ৰহ হ'ল সেয়া অসমৰ মধ্যবিত্ত মানুহৰ দান বৰঙণিহে আৰু বহুখিনিয়ে শ্ৰমদানহে তাকো কামৰূপ জিলাৰেই বেছি আছিল।

চেচনৰ ঠাই পাণ্ডুৰ ওচৰৰ কামাখ্যা পাহাৰৰ পাদদেশেই নিৰ্বাচিত হৈছিল আৰু ব্ৰহ্মপুত্ৰৰ মুকলি দৃশ্যৰাজিলৈ মুখ কৰি থকা বাবে ব্ৰহ্মপুত্ৰৰ শীতল বতাহে ঠাইখন শীতলাই ৰাখিছিল। এফালে তললৈকে ওলমাই মণ্ডপটো বনোৱা হৈছিল। তাতে প্ৰতিনিধি সকল থকা আৰু অন্যান্য কামৰ বাবে সূচল কৰি দিছিল। ৰাস্তাটোৰ সিপাৰে প্ৰদৰ্শনীৰ ৰভা আছিল। তাত সৰু সৰু ঘৰ সাজি প্ৰদৰ্শনীৰ বস্তু বিলাক ৰাখিছিল। তাত বিজুলী চাকিৰ ব্যৱস্থা কৰাৰ লগতে দিনে ৰাতিয়ে স্বেচ্ছাসেৱক নিয়োগ কৰা হৈছিল।

ফুকন ডাঙৰীয়া অভ্যৰ্থনা সমিতিৰ অধ্যক্ষ আছিল আৰু বৰদলৈ সভাপতি আছিল। চন্দ্ৰ নাথ শৰ্ম্মা আৰু অনেকেই তেখেতৰ সহকাৰী আছিল। প্ৰতিনিধি সকলে অসুবিধা যাতে নাপায় তালৈ চকু দিবলৈ বহুতো সৰু সৰু শাখা সমিতি গঠন কৰি দিছিল। সভাখনত মাদ্ৰাজৰ পৰা অহা বিদ্বান আৰু ৰাষ্ট্ৰনেতা শ্ৰী নিবাস আয়েঙ্গাৰে অধ্যক্ষতা কৰিছিল।

নিৰ্দিষ্ট দিনা দুই বজাত অধ্যক্ষক সমদল কৰি আগবঢ়াই নিয়া হৈছিল। এদল মানুহে জয়ধ্বনি দি তেখেতৰ পিছে পিছে গৈছিল আৰু মণ্ডপৰ জপনা মুখৰ পৰা অভ্যৰ্থনা সমিতিৰ সদস্য সকলে আৰু উপাধ্যক্ষৰ সদস্যৰূপে ময়ো লগহৈ তেখেতক আদৰি অনা হ'ল। তেখেতক সভাপতিৰ মঞ্চলৈ ফুকন আৰু বৰদলৈয়ে আগবঢ়াই নিলে আৰু জয়ধ্বনিৰ উল্লাসেৰে মঞ্চত উপবিষ্ট কৰোৱা হ'ল। মঞ্চত মই আয়েঙ্গাৰ আৰু বেঙ্গলৰ বহু কেইজনমান বন্ধু আৰু বৰ্ত্তমানৰ ৰাষ্ট্ৰপতি ড০ ৰাজেন্দ্ৰ প্ৰসাদ আদিক দেখা পাইছিল।

সকলোখিনি সুন্দৰকৈ হৈ যোৱাৰ পিছত অভ্যৰ্থনা সমিতিৰ অধ্যক্ষ মিষ্টাৰ ফুকনে তেখেতৰ লিখিত ভাষন পাঠ কৰিলে। তেখেতৰ পিছতে অধ্যক্ষই তেখেতৰো এটা দীঘল লিখিত ভাষন পাঠ কৰিলে। অধ্যক্ষৰ অভিভাষনটো বেচ পাণ্ডিত্যপূৰ্ণ আছিল আৰু উদ্দীপনাময় বিষয়লৈ আঙুলীয়াইছিল আৰু সমস্যাসমূহৰ সমাধানৰ পথ প্ৰদৰ্শনকাৰীও আছিল।

ড০ ৰাজেন্দ্ৰ প্ৰসাদে বক্তৃতাৰ মাজতে এটা সংকল্পও আগবঢ়ালে। একেৰাহে তিনি দিনীয়া চিন্তা-চৰ্চা আলোচনা -বিলোচনাৰ পিছত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনখন বৰ উৎসাহ উদ্দীপনাৰে সামৰণি পৰিল। প্ৰদৰ্শনীখন যদিও এসপ্তাহেই চলিল পিছে দিনে দিনে পৰিচালনা কৰা মানুহ কমি আহিবলৈ ধৰিলে। এই ঘটনাই পিছে মানুহক এটা কথা বুজাই দিলে যে যদিও আমাৰ দেশখন দুখীয়া তথাপিও ভাৰতৰ আন ধনী দেশৰ

দৰেই সৰ্বভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশন অনুষ্ঠিত কৰিবলৈ সামৰ্থবান হয়। আমাৰ দেশৰ প্ৰধান নেতা সকলৰ জীৱন পণ সিদ্ধান্ত, অবিচল উদ্যোগ, অতুলনীয় চৰম ত্যাগ আদিয়ে ৰাজনৈতিক বুৰঞ্জীত যি প্ৰাপ্তি আনিলে সেয়া সফলতাৰ কীৰ্ত্তিস্তম্ভ হৈ ৰব।

১৯২১ চনতে মহাত্মাজী ডিব্ৰুড়লৈ অহাৰ অলপ দিনৰ পিছতে মদন মোহন মালব্যও ডিব্ৰুগড়লৈ আহিছিল। তেখেতকো মহাত্মাজীৰ দৰে মোৰ ঘৰতে ৰখা হৈছিল। তেখেত দুদিন দুৰাতি মোৰ অতিথি হৈছিল। তেখেতক মানুহে মোৰ ঘৰতে লগ ধৰিছিলহি কাৰণ তেখেতে জনসভা আহ্বান কৰাৰ পক্ষপাতি নাছিল। কেইজনমান বিশেষ বুদ্ধিজীৱীৰ বাহিৰে সাধাৰণ মানুহে মালব্যজীৰ বিষয়ে জনাই নাছিল। তেখেতে তৃতীয় দিনা ৰেলেৰে গ'লগৈ।

১৯২৬ চনত পৰিয়ালসহ বৰদলৈদেৱে ডিব্ৰুগড়লৈ আহি ইউৰোপিয়ান চুবুৰিতে এটা ঘৰ ভাড়ালৈ ললে। তেখেতে তেখেতৰ কলিকতীয়া বন্ধু ইন্দ্ৰভূষন বেদৰ পৰা লোৱা বাগিছাখন চোৱা-চিতা কৰি কেইবাবছৰো ডিব্ৰুগড়তে আছিল। অৱশ্যে মই তেখেতক এই নতুন আবাসস্থলত যথেষ্ট সহায় কৰি দিছিলো। যিখন বাগিছা এতিয়া তেখেতৰ পুতেকৰ হাতত উন্নতি কৰিছে।

সেই একে বছৰতে সন্মানীয় (ৰেভাৰেণ্ড) চাৰ্ল এণ্ড্ৰিয়েও ডিব্ৰুগড় পৰিদৰ্শন কৰিছিল। তেখেত এদিন আবেলিলৈকে স্থানীয় ডাক বঙলাত থাকিছিল। আৰু সেইদিনা আমাৰ ঘৰত বহুতো মহিলা সমবেত হৈছিল। তেখেতে মোৰ ফুলনিৰ মুকলি ঘাঁহনি খনতে মহিলাসকলৰ আগত ভাষন দিছিল।

সেই সময়ত ডিব্ৰুগড়ত কংগ্ৰেছৰ আন্দোলন পুৰাদমে চলিছিল আৰু ময়ে তাৰ নেতৃত্ব লৈছিলো। সেই সময়তে কলিকতাৰ পদমৰাজ জৈন, ডাক্তৰ এছ বানাৰ্জি আৰু উত্তৰৰ দেশৰ বিখ্যাত মৌলানাই ডিব্ৰুগড় দৰ্শন কৰিছিল। তাতে আগৰ দুজন মোৰ অতিথি হৈছিল আৰু শেষৰ জন মোৰ চুবুৰীয়া মৌলবী আব্দুল ৰহমানৰ ঘৰত আছিল।

মই ১৯১৬ চনত প্ৰথম মিউনিচিপালিটিৰ সদস্যৰূপে চাপৰি ৱাৰ্ডৰ পৰা নিৰ্বাচিত হৈ এই বছৰৰ ১৯৫৫ ৰ প্ৰথমাৰ্ধত অৱসৰ গ্ৰহনৰ সময়লৈকে বৰ্ডত আছিলো। মই সেই একেটা ৱাৰ্ডতে মাত্ৰ ১৯২২ চনৰ পৰা তিনিবছৰ বিৰতিৰ বাদে একেৰাহে ৩৯ বছৰসদস্য হৈ আছিলো। সেই সময় (বিৰক্তিৰ সময়ত) ৬ মাহতকৈও কিছু বেছি সময় বাহিৰত থাকিব লগীয়া হৈছিল। সেই সময়তে নিৰ্বাচন হোৱা বাবে মই বিৰতি লৈছিলো। বুঢ়া চাপৰিটোৰ ৱাৰ্ডটো তিনিটা ভাগত ভগোৱা হ'ল। মোৰ পুত্ৰ ৰবীন্দ্ৰ, ভাগিন নৃপেন্দ্ৰ বাকী দুটা ৱাৰ্ডৰ সদস্য নিৰ্বাচিত হ'ল।

স্বৰ্গীয় ৰাধানাথ চাংকাকতি ১৯১৬ চনত যেতিয়া মই সদস্য হৈ মিউনিচিপালিটিত

প্ৰৱেশ কৰিছিলো। সেই সময়ত বেচৰকাৰী ভাৱে প্ৰথম বাৰৰ বাবে চেয়াৰমেন হৈছিল। মই একেৰাহে ৩৯ বছৰ মিউনিচিপালিটিৰ সদস্য আছিলো। অৱশ্যে ১৯২২ চনত স্বাস্থ্যজনিত কাৰণত তিনিবছৰ আঁতৰি থাকিব লগীয় হৈছিল। ৬ মাহ মই ৰাজ্যৰ বাহিৰত জলবায়ু সলনিৰ কাৰণে থাকিব লগীয়া হৈছিল আৰু সেই সময়তে নিৰ্বাচন অনুষ্ঠিত হৈছিল।

মই ১৯৩২ ৰ পৰা ১৯৩৪লৈ মিউনিচিপালিটিৰ চেয়াৰমেন নিৰ্বাচিত হৈছিলো। আকৌ ১৯৩৮ ৰ পৰা ১৯৪১ লৈ সেই একেটা পদতে থাকিলো। পিছত ১৯৪৪ লৈকে থাকিলো। এইদৰেই তিনিটা কাৰ্যকাললৈকে ডিব্ৰুগড়ৰৰ নিচিনা নগৰ এখনৰ চেয়াৰমেনৰ দায়িত্ব বহন কৰিলো। মোৰ প্ৰথমটো কাৰ্যকালতে জয় নাৰায়ন ঢেলীয়াই বিজুলীৰ ব্যৱস্থাপনা কৰিবৰ বাবে পাৱাৰ হাউচটো বনাইছিল। মোৰ দ্বিতীয়টো কাৰ্যকালত ডিব্ৰুগড় মিউনিচিপালিটিৰ গোটেই বাট বিলাকত শিলগুটি আৰু কঙ্কৰ দিয়া হ'ল আৰু আলকতৰা দিয়া হ'ল আৰু মোৰ নিজৰ আঁচনিমতে ধুনীয়া পাৰ্ক এখন বহুত ধন ব্যয় কৰি বনোৱা হ'ল। (হায় সেইবোৰ এতিয়া ব্ৰহ্মপুত্ৰৰ গৰ্ভত) এইদৰেই মোৰ নগৰ গঠনৰ জ্ঞান কাৰো দৃষ্টিত নপৰাকৈয়ে শেষ হৈ গ'ল।

১৯৩৪ চনত ৰোহিনীয়ে অসমীয়া চলচিত্ৰ প্ৰতিষ্ঠা কৰাৰ ইচ্ছা কৰিলে আৰু তেওঁৰ অদম্য উৎসাহ, তৎপৰতাতে বিখ্যাত অসমীয়া উপন্যাসিক ৰজনীকান্ত বৰদলৈৰ জনপ্ৰিয় উপন্যাস "মনোমতী" ৰূপালী পৰ্দাত প্ৰদৰ্শিত হ'ল। এই কাৰ্য্যত ৰোহিনীক কোনেও সিমান সহযোগ নকৰাকৈয়ে তেওঁ নিজেই অভিনেত্ৰী অভিনেতা নিৰ্বাচন কৰিছিল যদিও যেতিয়া ৰূপালী পৰ্দাত প্ৰদৰ্শিত হ'ল তেতিয়া তেওঁৰ যে নিৰ্বাচন নিৰ্ভুল হৈছিল বুজিব পৰা গ'ল। তেওঁ অসমৰ ভিন ভিন ঠাইৰ পৰা অভিনেতা অভিনেত্ৰী সংগ্ৰহ কৰিছিল। তেওঁ অসমৰ বিভিন্ন ঠাইত বিষয়বস্তুৰ লগত খাপখোৱাকৈ দৃশ্যগ্ৰহন কৰিছিল। শেষত গোটেই দলটো কলিকতাৰ নাৰকেলডাঙ্গাঁ নামৰ ঠাইৰ এটা ষ্টুডিয়ত নি চলচিত্ৰৰ ৰূপ দিছিলগৈ। দুমাহৰ ভিতৰত এইখনৰ চলচিত্ৰ ৰূপ সম্পূৰ্ণ কৰিছিল। এই কামত আমাৰ পৰিয়ালৰ যিমান ধন ব্যয় হৈছিলদেশৰ বিভিন্ন ঠাইৰ কাৰ্যকৰ্ত্তা বিলাক অপৈনত বুদ্ধিৰ হোৱা বাবেই সিমানখিনি ঘূৰাই নাপালো। এই চলচিত্ৰখন এতিয়াও আমাৰ হাতত আছে আৰু অলপ দিনৰ আগতে সেইখন ছপোৱা হ'ল। আমি মাজে সময়ে এইখনৰ বাবে নিমন্ত্ৰণো পাইছিলো।

১৯৩৪ চনত দ্বিতীয়বাৰৰ বাবে মহাত্মাগান্ধী ডিব্ৰুগড়লৈ আহিছিল। এইবাৰো মই তেখেতক আতিথ্য দানৰ সৌভাগ্য আৰু সুবিধা লাভ কৰিছিলো। এইবাৰ কিন্তু আগৰটো ঘৰৰ নহয় সেই একেটা ৰাস্তাতে আগৰটোৰ পৰা দুই ফাৰ্লং মান দূৰত মোৰেই ঘৰত

আছিল। এইবাৰ আগৰ বাৰৰ দৰে বেছি মানুহে তেখেতক দৰ্শন কৰিবলৈ অহা নাছিল আৰু আগৰ দৰে হৈ চৈ হোৱা নাছিল। তেখেতৰ সম্পূৰ্ণ দায়িত্ব কংগ্ৰেছ কমিটীয়ে লৈছিল আৰু তেখেতে যিদৰে বিচাৰিছিল তেনেদৰেই কৰা হৈছিল। দুদিন মাত্ৰ থকাৰ পিছত তেখেত সৰু গাড়ীতে তিনিচুকীয়ালৈ গ'লগৈ। মই তেখেতক মোৰ নিজৰ গাড়ীৰে নগৰৰ বাহিৰলৈ লৈ গৈ কংগ্ৰেছ চিফৰ ওচৰত থৈ তেখেতৰ পৰা বৰ বিনম্ৰ ভাৱে বিদায় ললো।

এই বছৰতে মই প্ৰথম মিউনিচিপালিটিৰ চেয়াৰমেন হৈছিলো আৰু মোৰ পুত্ৰ বীৰেন্দ্ৰ কুমাৰ বৰুৱাই তেওঁৰ শিক্ষা আগবঢ়াই নিবৰ বাবে লণ্ডনলৈ গৈছিল।

১৯৩৬ চনত অসমে এজন পুত্ৰ নবীন চন্দ্ৰ বৰদলৈক হেৰুৱাই অপূৰণীয় ক্ষতিৰ সন্মুখীন হব লগীয়া হ'ল। তেখেতে দেশৰ নাঁৱৰ গুৰি বঠা ধাৰি অবিশ্ৰান্ত ভাৱে আগুৱাই নি আছিল। তেখেতৰ অদম্য সাহস দেশৰ প্ৰতি উৎসৰ্গিত মনোবৃত্তিৰে দেশৰ ভাগ্য ৰচনাৰ যি প্ৰচেষ্টা সেয়ে তেখেতৰ স্বৰ্গীয় আত্মাৰ এধাৰি সুগন্ধি মালা হৈ চিৰদিনলৈ সুবাস বিলাই থাকিব। তেখেত মৃত্যুৰ সময়ত দিল্লীত লেজিচলেটিভ কাউন্সিলৰ সদস্য হৈ আছিল আৰু এইদৰেই তেখেতে ভাৰতৰ নেতাসকলৰ লগত থাকি ভাৰতীৰ আকাশৰ হাতীপটিৰ উজ্জল তাৰকা হৈ প্ৰমাণ কৰিছিলে যে তেখেত ভৱিষ্যতে এজন সুযোগ্য ব্যক্তি হ'ব। তেখেতৰ বিয়োগত অসমৰ ভাগ্যকাশ ডাৱৰে ঢাকি ধৰিলে যিটো সময়ৰ বিৱৰ্তনেহে হয়তু মুক্ত কৰিব পাৰিব। এইদেৰই এটা সন্মানীয় জীৱনৰ সন্মানীয় ভাৱেই পৰিসমাপ্তি ঘটিল।

মই এইখিনিতে শ্ৰদ্ধাৰে কব লাগিব যে নবীন চন্দ্ৰ বৰদলৈ মোৰ ভিনিদেৱেই নহয় তেখেত ১৯১৫ ৰ পৰা তেখেতৰ মৃত্যুলৈকে মোৰ বন্ধু পথ প্ৰদৰ্শক আৰু পৰামৰ্শ দাতাও আছিল। সেই সময়ত মই প্ৰায়েই তেখেতৰ সাহচৰ্য লাভ কৰি আনন্দিত হৈছিলো আৰু ঘৰুৱা আৰু ৰাজনৈতিক সকলো কথা তেখেতৰ লগত আলোচনা কৰিছিলো। মই তেখেতৰ বিয়োগত মৰ্মাহত হৈছিলো আৰু এতিয়াও তেখেতৰ লগত কৰা আলাপ-আলোচনা হাঁহি ধেমালি আদি মোৰ স্মৃতিত সজীৱ হৈ ভাহি আছে।

১৯৩৯ চনত হিটলাৰ আৰু তেখেতৰ সহযোগী সকলৰ নেতৃত্বত গঢ়ি উঠা নাজি সৈন্যৰ বলেৰে বলীয়ান জাৰ্মানৰ সহাচৰ্যত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হ'ল। ফেচিষ্ট নেতা মুছোলিনিয়ে ইটালিত কটকটীয়া শাসন কৰিছিল। ফলত ইটালিৰ ৰজা এটা পুতলা ৰজাৰ দৰেহে আছিল। সমগ্ৰ ৰাজ্য সৰ্বগ্ৰাসী মুছোলিনিৰ অধীনলৈ গৈছিল। এই নাজি আৰু ফেচিষ্ট বিলাক ইউৰোপৰ মুল শক্তি হৈ পৰিছিল। এই শক্তিৰ বৃটেইন, ফ্ৰান্স, বেলজিয়াম, ৰাছিয়া, পোলেণ্ড আৰু বালকানৰ দেশ নাজি সকলৰ প্ৰথম লক্ষ্য আছিল

আৰু তেওঁলোকৰ যান্ত্ৰিক কলা-কৌশলী সৈন্যই যি ফালেই আগবাঢ়ে সেই ফালেই ধ্বংস কৰি সকলো চুৰমাৰ কৰি তহিলং কৰি গৈছিল ফ্ৰান্স, বেলজিয়াম, পোলেণ্ড, অষ্ট্ৰীয়া আৰু বলকান দেশ বিলাকে প্ৰায় আঠু লব লগা হৈছিল আৰু নাজিৰ শাসনৰ অধীন হৈছিল। কেৱল বৃটেইনকহে তেওঁলোকে জয় কৰিব পৰা নাছিল। কিন্তু বৃটেইনৰো বহু অংশই বোমাৰ আঘাটত ধ্বংস প্ৰায় হৈছিল। আনকি ৰানীৰ অট্টালিকা ভিক্টোৰীয়া পেলেচ আৰু বাংকিহাম পেলেচো আংশিকভাৱে বেয়াকৈ ক্ষতি হৈছিল।

সেই সময়ত যি সময়ত ইউৰোপৰ প্ৰায় আধা অংশ নাজি আৰু ফেচিষ্টৰ হাতত পৰাভূত হৈছিল তেতিয়া আমেৰিকা আৰু নীৰৱ দৰ্শক হৈ বৈ থাকিব নোৱাৰিলে। আমেৰিকায়ো প্ৰথম বিশ্ব যুদ্ধত সেই একেদৰেই কৰিছিল আৰু সেইটোৱে মিত্ৰজোঁটৰ বাবে কিছু সুবিধাজনক হৈছিল। এইবাৰো আমেৰিকাই মিত্ৰশক্তিৰ পিছত থাকি অতি জোৰদাৰ ভাৱে খামুচি ধৰিলে।

নাজি বিলাকৰ মূল লক্ষ্য আছিল ইহুদী ধ্বংস। এই হত্যা যজ্ঞৰ তুলনা বুৰঞ্জী দুৰ্লভ। সম্ভৱতঃ বুৰঞ্জীয়ে ইজৰাইলিৰ প্ৰস্থানৰ সময়তে এনে ঘটনা লিপিবদ্ধ কৰিব লগা নহৈছিল।

এইবাৰো আমেৰিকাই জয়ৰ মুখেই দেখিলে অৱশ্যে গোটেই মিত্ৰশক্তি একেলগ হৈ হিটলাৰ আৰু তেওঁৰ সহযোগী সকলৰ ৰাজ্য এনেদৰে ধ্বংস কৰিলে যে তেওঁৰ দলে এনে অভাৱনীয় পৰিনতিৰ সন্মুখীন হ'ল জীৱিত থাকিলেও তেওঁলোকে প্ৰদৰ্শন কৰা নিষ্ঠুৰতা সুদে মূলে উছুল হ'ল।

এতিয়া জাৰ্মান খনক পূব জাৰ্মানী আৰু পশ্চিম জাৰ্মানী কৰি দুভাগ কৰিলে। পূব জাৰ্মানী ৰাছিয়াৰ শাসনলৈ গ'ল আৰু পশ্চিম জাৰ্মানী মিত্ৰশক্তিৰ হাতলৈ আহিল।

আজি কিছুদিনৰ আগতে মিত্ৰ শক্তিয়ে পশ্চিম জাৰ্মানীখন কেইটামান চুক্তিৰে আবদ্ধকৰি ইউৰোপৰ সুৰক্ষা নিশ্চিত কৰি জাৰ্মান বিলাকক ওভটাই দিলে। কিন্তু ছোভিয়েট ৰাচিয়াৰ মিত্ৰ ৰাজ্যখিনিয়ে তেওঁলোকৰ যুদ্ধত জয় কৰি লাভ কৰা অংশ এৰি দিয়াত অনিচ্ছুক হ'ল।

পৃথিৱীৰ মানৱ জাতিৰ মনলৈ শান্তি ঘূৰাই আনি এই বিশ্বযুদ্ধৰ ১৯৪৫ চনত অৱসান ঘটিল। চীন আৰু জাপানৰ মাজত এখন যুদ্ধ বিশ্বযুদ্ধৰ আগৰ পৰাই কেইবা বছৰো ধৰি চলি আছিল। অৱশ্যে যুযুধ্যমান কোনো এখন দেশৰে বিশেষ একো লাভহোৱা নাছিল। এছিয়াৰ দক্ষিন পূবৰ দেশবিলাক যিবিলাক ডাচ, ফ্ৰাঞ্চ আৰু বৃটেইনৰ হাতত কেকোৰা চেপা খাই থাকিব লগা হৈছিল তেওঁলোকে সেই চেপাৰ পৰা অলপ সকাহ লাভ কৰিছিল। তেওঁলোকে নিজৰ বাসস্থান আৰু ৰাষ্ট্ৰনিশালৰ ৰক্ষাৰ চিন্তাত এইফালে ওভতি চাবলৈ অৱকাশ নোপোৱা বাবে এই দেশবিলাকে স্বাধীনতা ঘোষনা কৰিলে।

ইন্দোনেছীয়া, মালয়, সুমাত্ৰা, যাভা এই বিলাকে স্বাধীন বুলি নিজকে ঘোষনা কৰিলে। মানুহৰ কাম-কাজত এটা জোৱাৰ-ভাটা উঠিছিল সেই সোঁতত বন্দী জীৱনৰ দুখ দুৰ্ভোগ উটুৱাই নি সৌভাগ্যৰ মুখা-মুখি হ'বলৈ সুবিধা দিলে।

যুদ্ধৰ পৰিণাম স্বৰূপে দক্ষিণ-পূব এছিয়াৰ দেশ বিলাকে স্বাধীনতাৰ মুখ দেখিলে।

মোৰ যুদ্ধৰ লগত কৰিব লগীয়া যিহেতুকে একোৱে নাই মই এই বিষয়ে একো লিখা নাই; কিন্তু যুদ্ধৰ পৰিণতিত ভাৰতৰ আৰ্থিক অৱস্থা অত্যন্ত পুতৌ জনক হ'ল আৰু ১৯৪২ চনৰ মুম্বাইৰ কংগ্ৰেছ অধিবেষনত মহাত্মা গান্ধীৰ ভাৰত ত্যাগ আন্দোলনৰ বাবে প্ৰায় বিলাক নেতাকে কাৰাগাৰলৈ নিক্ষেপ কৰাৰ কাৰণে স্বৰাজ লাভৰ ইচ্ছাই সাধাৰণ মানুহকো জগাই দিলে। ঠায়ে ঠায়ে চেগা চোৰোকা কৈ বিদ্ৰোহীৰ কিবা-কিবি জ্বলাই দিয়া আদি ঘটনা সংঘটিত হোৱাৰ বাবে যিমানে অত্যাচাৰ নকৰক মানুহৰ হেচা বাঢ়ি যোৱাত ভাৰতখন দ্বি-খণ্ডিত কৰি ১৯৪৭ চনত পৃথকে পৃথকে স্বাধীনতা দিবলৈ বাধ্য হ'ল। ভাৰত এতিয়া ভাৰত আৰু পাকিস্তান হ'ল।

১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনৰ সংকল্পত অসমৰ আন্দোলনৰ যি উখল-মাখল হ'ল তাৰ পৰিণতিত কুশল কোঁৱৰ ফাঁচি কাঠত প্ৰাণ দি ছহিদ হ'ল আৰু কনকলতাই পতকা তুলিবলৈ গৈ বন্দুকৰ গুলি বুকু পাতি লৈ ছহিদ হ'ল।

জিন্নাৰ ভাৰতৰ পৰা ইছলামিক দশেক পৃথক কৰাৰ নেৰা-নেপেৰা প্ৰচেষ্টাতে ভাৰত-পাকিস্থান হোৱাৰ দৰে পঞ্জাৱ পূব পঞ্জাৱ-পশ্চিম পঞ্জাৱ হ'ল। বেঙ্গলখন পূব বেঙ্গল আৰু পশ্চিম বেঙ্গল হ'ল। পশ্চিম পঞ্জাৱ খণ্ড প্ৰধানকৈ সিন্ধ আৰু বেলুচিস্থান আৰু উত্তৰ-পূব ৰাজ্য যিবিলাক মুছলমান প্ৰধান অঞ্চল সেই সমবহ পশ্চিম পাকিস্তান হ'ল আৰু পূব বেঙ্গলখন পূব পাকিস্থান হ'ল। এয়াই বৃটিছ চৰকাৰৰ "ডিভাইড পলিচি"ৰ বা এক কথাত ভাৰতৰ ওপৰতশেষ ঢাক্কা দি তাৰ পিছতে বৃটিছে ভাৰত ত্যাগ কৰিলে।

বিভাজনৰ পিছত বিভাজিত অঞ্চলৰ মানুহৰ মাজত শান্তি নোহোৱা কৰাত ডকাইতি, ঘৰ জ্বলোৱা, ৰক্তপিপাসা আদিয়ে কলিকতা, লাহোৰ, ঢাক্কা আদি ঠাইত অমানবীয় কাম-কাজ চলবলৈ ধৰিলে। প্ৰায়ে "লড়কে লেংগা পাকিস্তান" এই ধ্বনিকেই মুছলমান সকলে কাৰ্যকৰী কৰা দেখা গ'ল।

স্বাধীনতা লাভৰ পিছত ভাৰতৰ নেতা সকলে লৰালৰিকৈ নিৰ্বাচন ব্যৱস্থাপক সভা পাতি প্ৰাপ্ত বয়স্ক লোকৰ ভোটাৰৰ দ্বাৰ নিৰ্বাচিতলোকেৰে ভাৰতৰ প্ৰাচীন ৰীতি-নীতি আৰু সামাজিক পৰম্পৰাৰ লগত খাপ-খোৱাকৈ সংবিধান ৰচনা কৰিবলৈ সিদ্ধান্ত ললে আইনখনত গভীৰ কষ্ট, সহনশীলতা, যত্নেৰে মহান বুদ্ধিজীৱী, আইনৰ বিখ্যাত জোতিষ্ক সকলে সুদীৰ্ঘ তিনি বছৰে শ্ৰম কৰি ভাৰত জাতি-বৰ্ণ-ধৰ্ম, পুৰুষ-মহিলা

নিৰ্বিশেষে সকলোৰে প্ৰকৃত অধিকাৰ ভোগ কৰিব পৰা ধৰ্ম নিৰপেক্ষ দেশৰ সুবিধা লাভৰ ব্যৱস্থা কৰা হ'ল। ধৰ্মীয় সহিষ্ণুতা আৰু ধৰ্ম নিৰপেক্ষতাই মূল লক্ষ্য হ'ল। এই সংবিধানখন ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় লোকলৈ প্ৰদান কৰা হ'ল। এইদৰে প্ৰায় দুশ বছৰীয়া ব্ৰিটিছ শাসনৰ অন্ত কৰি ভাৰত স্বাধীন হল। আইন অনুসৰি সংসদত দুটা গৃহ হ'ল লোকসভা আৰু ৰাজ্যসভা। ১৯৫২ চনত প্ৰাপ্ত বয়স্ক ভোটাৰেৰে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ল। ৰাজ্য বিলাকতো তেনেদৰেই নিৰ্বাচন পতা হ'ল আৰু কংগ্ৰেছেই তেতিয়াৰ পৰা বৃহৎ ভোট লাভেৰে বিজয়ী হৈ ক্ষমতাত পাঁচ বছৰৰ বাবে অধিষ্ঠিত হ'ল। পাঁচ বছৰৰ পিছত ১৯৫৬ চনত এই কাৰ্যকালৰ সমাপ্তি ঘটিব।

পণ্ডিত জৱাহৰলাল নেহৰু লোকসভা আৰু ৰাজ্যসভাৰ নিৰ্বাচিত সদস্যৰ মত্ৰাধিক্যত ভাৰতৰ প্ৰধানমন্ত্ৰী নিৰ্বাচিত হ'ল আৰু লৌহ মানৱ বল্লভ ভাই পেটেল উপ প্ৰধানমন্ত্ৰী হ'ল আৰু তেখেতৰ ভাগত গৃহ বিভাগটো পৰিল। পিছৰজন এই পৃথিৱীত বেছি দিন জীৱিত নাথাকিল যদিও তেখেতৰ শাসনৰ সময়ত আচৰিত সাফল্য হৈছে প্ৰায় ৫৬০ খন ৰাজ্য ভাৰতৰ শাসনৰ অধীনলৈ অনাটো। যদিও প্ৰথমাবস্থাত হাইড্ৰাবাদে নিজামৰ শাসনত ভাৰতৰ শাসনলৈ আহিবলৈ অনিচ্ছুক হৈছিল কিন্তু পিছত তেওঁ আৰক্ষীক নিয়োগ কৰি তেওঁ নিজে পৰিচালনা কৰি হাইড্ৰাবাদকো ভাৰতৰ শাসনৰ অধীন কৰিলে।

ডাঃ ৰাজেন্দ্ৰ প্ৰসাদে কাউন্সিল আৰু এচেম্বলিৰ ভোটাধিকাৰত স্বাধীন ভাৰতৰ ৰাজ্য বিলাকৰ প্ৰথম ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ল।

১৯৪৮ চনৰ ৩০ জানুৱাৰীত জাতিৰ পিতা মহাত্মা গান্ধী এজন মইমতীয়া মাৰাঠী যুৱকৰ নিচেই ওচৰৰ পৰা কৰা গুলিৰ আঘাতত ঢলি পৰিল। তেতিয়া তেখেতে নতুন দিল্লীৰ এখন জন সভাত ভাষন দিবলৈ লওঁতেই তেখেতৰ নিচেই ওচৰৰ পৰা বুকুত গুলিয়াই হত্যা কৰিলে। তেখেতে "হায় ৰাম" বুলি কৈয়ে প্ৰাণ ত্যাগ কৰিলে। তাৰ পিছৰ অৱস্থা বৰ্ণনা কৰা অসম্ভৱ। তেখেতৰ শেষকৃত্য সম্পূৰ্ণ হিন্দু নিয়মেৰে দিল্লীৰ ৰাজঘাটত সম্পন্ন কৰা হ'ল। সম্ভৱতঃ মহাত্মা গান্ধীৰ সমাধিত যিমান মানুহ সমবেত হৈছিল সিমান কেতিয়াও ক'তো হোৱা নাই। এইদৰেই এজন অতি মানৱৰ জীৱনৰ সমাপ্তি ঘটিছিল। এনে এজন পুৰুষ যি জনক একমাত্ৰ ভাৰতেহে জন্ম দিব পাৰিছিল। যি জনে তেখেতৰ অতি মানৱীয় জ্ঞান-বুদ্ধিৰে সমগ্ৰ উপমহাদেশখনৰ ৩৬০ কোটি মানুহৰ বাবে গুলি, তৰোৱালৰ মাজত, সুখ-দুখৰ সকলো ক্ষনতে বুদ্ধি ভৰসা দি সামুহিক মঙ্গল সাধন কৰি স্বৰাজ আনি দিব পাৰিছিল। ভাৰতৰ ৩৬০ কোটি মানুহক সাগৰে আগুৰি থকা এখন সৰু দেশৰ মানুহে, যিখন ভাৰতৰ উপকূলৰ পৰা

প্ৰায় ৬০০০ মাইল ব্যৱধানত অৱস্থিত, প্ৰায় ২০০ বছৰ দাসত্বৰ শিকলিৰে বান্ধি ৰাখিছিল। সঁচাই মহান মহাত্মা "জাতিৰ পিতা আছিল।"

ড° ৰাজেন্দ্ৰ প্ৰসাদ আমাৰ গণতান্ত্ৰিক ভাৰতৰ ৰাষ্ট্ৰপতি হ'ল। তেখেতৰ তীক্ষ্ণ মেধা শক্তি, শান্ত স্বভাৱ, সকলো মানি লোৱা স্বভাৱ আৰু তেখেতৰ ধাৰ্ম্মিক মতি-গতিৰ বাবে বৰ জনপ্ৰিয় আছিল। মই ভাবো তেখেতৰ যদিহে স্বাস্থ্যই টানে তেন্তে তেখেতে পৰৱৰ্তী পাঁচ বছৰতো যে স্বাধীন ভাৰতৰ ৰাষ্ট্ৰপতি হ'ব এই বিষয়ে ক'বলৈ কোনো ভৱিষ্যত বক্তাৰ প্ৰয়োজন নহ'ব। অৱশ্যে তেখেত বৰ্তমানেই ৭১ বছৰীয়া বৃদ্ধ।

ইয়াৰ পিছতেই উল্লেখযোগ্য ব্যক্তি হৈছে শ্ৰী জৱাহৰলাল নেহৰু, যিজনক মহাত্মা গান্ধীয়ে তেখেতৰ ৰাজনৈতিক জীৱনৰ উত্তৰাধিকাৰী নিৰ্বাচিত কৰি থৈছিল। তেখেতক তেনে (নিৰ্বাচন) কৰা উচিতো হৈছিল। কাৰণ তেখেতৰ তীক্ষ্ণ বুদ্ধিমত্তা, অদমনীয় সাহস, প্ৰবল সহিষ্ণুতা প্ৰচুৰ সম্পত্তি যি তেখেতৰ প্ৰধান মন্ত্ৰী হিচাবে সাধন কৰিব লগীয়া বহুমুখী কাৰ্য্য পূৰণত সহায়ক হৈছিল। তেখেত এজন বিশ্ব বিখ্যাত মানুহ হৈছিলেই। তেখেতে বহুতো বহুজাতিক সমস্যা যিবিলাক প্ৰায় বিলাক দলৰ বাবেই সমস্যা হৈছিল সমাধান কৰি দিয়াৰ বাবেই পৃথিৱীৰ সকলো জাতিয়ে তেখেতক পৃথিৱীৰ এজন শ্ৰেষ্ঠ ব্যক্তি বুলি ঘোষণা কৰিছিল। তেখেতৰ বৈদেশিক নীতি য'ত পাঁচটা মূল মত বা "পঞ্চশীল" তেখেতৰ একক নীতি আছিল। ইয়াত পাঁচটা মূলমত সন্নিবিষ্ট হৈছিল যি কেইটাক পঞ্চশীল বোলা হৈছিল। এই নীতিতেই বৈদেশীক নীতি প্ৰতিষ্ঠিত আছিল। প্ৰথমে এই নীতি বহুতেই ইতিকিং কৰিছিল যদিও পিছত নিজৰ অভিমত প্ৰকাশৰ লগে লগেই এই নীতি সম্পূৰ্ণ ৰূপে গ্ৰহণ কৰিলেহে ই বিপদ সংকেট জ্যোতিৰূপে পৃথিৱীৰ যি বিলাক দেশক বিশ্বযুদ্ধ আৰু শীতল যুদ্ধই থানবান কৰি অস্থিৰ কৰি থৈছিল সেই বিলাকক বিপদ সংকেট জোতি বিলাব পাৰিব। পঞ্চশীল হৈছে ১) প্ৰত্যেক ভূ-ভাগেই ৰাষ্ট্ৰীয় অখণ্ডতাক সন্মান প্ৰদৰ্শন কৰিব লাগিব ২) কোনেও কাকো অগ্ৰাসন কৰিব নোৱাৰিব,৩) কাৰো আভ্যন্তৰীণ কাম-কাজত কোনেও হস্তক্ষেপ কৰিব নোৱাৰিব, ৪) সমতা আৰু সামুহিক লাভ সাধন ৫) শান্তিপূৰ্ণ সহাৱস্থান।

ইন্দোনেছীয়াত হোৱা বেণ্ডুম সন্মিলনত য'ত প্ৰায় ৩০ টা এফ্ৰো এছিয়েটিক জাতিয়ে যোগদান কৰিছিল সকলোৱে এই পঞ্চশীল নীতি মানি চলিব বুলি চুক্তিবদ্ধ হ'ল।

কিছুদিনৰ আগতে প্ৰধানমন্ত্ৰীৰ ছোভিয়েট ৰাছিয়া আৰু পূব আৰু পশ্চিমৰ ইউৰোপীয় দেশ বিলাকলৈ শক্তি প্ৰতিষ্ঠাৰ বাবে কৰা যাত্ৰাত তেখেত যি ঠাইলৈকে গৈছিল সকলো ঠাইতে মানুহে বিপুল হৰ্ষধ্বনিৰে তেখেতক আদৰি লোৱাটোৱে প্ৰমাণ কৰিলে যে ইউৰোপীয় দেশ বিলাকে তেখেতৰ এই পঞ্চশীল নীতিৰ শান্তি চুক্তি আদৰি লৈছে।

ভগৱানে তেখেতক দীৰ্ঘায়ু কৰক আৰু ভাৰতৰ ভাগ্য নিৰ্ধাৰণৰ ইচ্ছা সফল কৰক।

১৯৫০ চনৰ ১৫ আগষ্টত প্ৰবল ভূমিকম্প আহি সমগ্ৰ ভাৰতকে কম-বেছি পৰিমাণে জোকাৰি গ'ল। লক্ষীমপুৰ জিলা আৰু সদৰ ডিব্ৰুগড়ত প্ৰভাৱ বেছি পৰিমাণে পৰিল। উত্তৰ ফালে আগুৰি থকা পৰ্বত বিলাক প্ৰায় টকলা কৰিলে আৰু ব্ৰহ্মপুত্ৰ নৈ খনৰ বুকু পলস পৰি বাম হ'ল। ফলত জলৰাশিয়ে স্বাভাৱিক গতিপথ হেৰুৱাই দক্ষিন পাৰত প্ৰবল হেচা দিলে। নিচেই কাষতে থকা ডিব্ৰুগড় জিলাখন পিছৰ বাৰিষাটোত পোৱা মাইল মান দ কৰি দীঘলে দুমাইলমান উঁপচাই লৈ গ'ল। এনেকি ডাকঘৰৰ দাঁতি, জিলাৰ পুৰণা ক্লাব ঘৰ, চাৰ্কিট হাউছ আদিৰে ১৫০০ ফুটৰ অসাধাৰণ শৈল পাৰটোৰ লগতে দক্ষিণ পাৰৰ দাঁতি কাষৰৰ ঘৰ বিলাক যেন তাচ পাতৰ ঘৰহে তেনেদৰে পানী সোঁতৰ কোঁৱ বাগৰি পৰি অবাধে বেলেগ পথেদি পানী বৈ যাবলৈ বাট এৰি হে দিলে। ডিব্ৰুগড় নগৰখন যে এতিয়া বাৰিষাৰ লগে লগে দুৰ্যোগত পৰিব তাক ভৱিষ্যত বাণী কৰিবলৈ কোনো ভৱিষ্যত বক্তাৰ প্ৰয়োজন নহ'ব। এতিয়া আৰু এইটো দিনৰ পিছত ৰাতি হোৱাৰ দৰে পৰিস্কাৰ এই সুন্দৰ আৰু সমৃদ্ধিশালী নগৰখন যদিহে প্ৰতিৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰা নহয় তেন্তে প্ৰথমটো বাৰিষাতে ; তেতিয়া যিটো ব্যৱস্থা এতিয়া গ্ৰহণ কৰাৰ আঁচনি প্ৰস্তুত কৰা হৈছে ; সি সম্পূৰ্ণ নহলে উটুৱাই লৈ যাব এইটো সত্য।

১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হৈছিল, এইখনে দুইমেৰু সামৰি এখন গোলকীয় যুদ্ধৰ ৰূপ ধাৰণ কৰিলে। নিৰ্মম হত্যা, ধ্বংশ, ৰণলীপ্ত বাহিনীৰ বিনাশ এই বিলাক চলি থাকল। ১৯৩৪ চনত আমেৰিকান বিলাকে অতি মাৰাত্মক "এটম বোমা" নামৰ এবিধ বোমা অৱিস্কাৰ কৰিলে, যিটো জীৱিত থকা সকলে বস্তুকে য'ত পেলোৱা হয় তাত একেবাৰে বিধ্বংসি নিব পাৰে। ইয়াৰে এটা বোমা হিৰোশ্চিমা আৰু আন এটা নাগাচাকিত পেলালে। তাৰ পৰিণামত সেই সুন্দৰ ঠাই দুখনৰ জনসংখ্যাৰ তিনি চতুৰ্থাংশৰ সম্পূৰ্ণ নিৰ্মূল এনেকি আন জীৱিত প্ৰাণী হাবি জংঘল সকলোৰে একোৰে সাৰি নগ'ল। ঈশ্বৰে অনুগ্ৰহ কৰি সৃষ্টি কৰা মানুহৰ মগজুত এনে এক ভয়ঙ্কৰ মাৰণাস্ত্ৰৰ চিন্তা থাকি গৈছিল যে উভয় শক্তিয়ে যদি এনে অস্ত্ৰ প্ৰয়োগ কৰে পৃথিৱী মূহুৰ্ত্ততে ধ্বংশ হ'ব। আমেৰিকাই এটম বোমাৰেই ক্ষান্ত নাথাকি আৰু এবিধ আৰু ভয়ঙ্কৰ হাইড্ৰজেন বোমা নামৰ মাৰণাস্ত্ৰ সৃষ্টি কৰিলে। এই বোমা ইমান ভয়ঙ্কৰ যে তাৰ দুই ডৰ্জ্জন বোমাৰে সমগ্ৰ পৃথিৱী নামৰ গোলকটোকে শেষ কৰি দিব পাৰিব। এনে মাৰণাস্ত্ৰৰ ক্ষেত্ৰত পৃথিৱীবাসীলৈ এটাই শান্তনা যে ৰাছিয়ায়ো যিটো ধ্বংশাত্মক অস্ত্ৰ অৱিস্কাৰ কৰিলে সেইটোৰ শক্তিও সমান বিধ্বংশী। এতিয়া ৰাছিয়াৰ হাততো বহুত তেনে অস্ত্ৰ আছে ফলত দুয়োটা দলেৰে হাতত সমান শক্তিশালী অস্ত্ৰ থকা বাবে কোনেও তেনে

বোমা পেলাবলৈ দুয়ো পক্ষৰ ধ্বংশ আনিবলৈ সাহ কৰা নাই।

১৯৩৯ চনত চাদুল্লা মন্ত্ৰী সভাৰ পতন আসন্ন হোৱাত গোপীনাথৰ মন্ত্ৰীসভা পাতিব লগা হ'ল। এই ক্ষেত্ৰত ময়ো চাদুল্লা মন্ত্ৰী সভা পতনত কিছু প্ৰয়োজনীয় ভূমিকায়ে গ্ৰহণ কৰিছিলো। মই শ্বিলঙলৈ গৈ প্ৰায় ১৫ দিন গোপীনাথ মন্ত্ৰী গঠন নহয় মানে তাত আছিলো; কিন্তু ১৯৪১ চনত যেতিয়া মহাত্মা গান্ধীয়ে ৰাজ্য বিলাকৰ কংগ্ৰেছ মন্ত্ৰী বিলাকৰ পদ ত্যাগ কৰাটো বিচাৰিলে তেতিয়া কংগ্ৰেছ মন্ত্ৰী সকলে বিনা প্ৰতিবাদেই তেখেতৰ উপদেশ মানি ললে আৰু ইয়ে আমাৰ শত্ৰু বিলাকক আমাৰ বিপক্ষ দলক তেওঁলোকৰ অসমত মুছলমান সংখ্যাধিক্য ঘটাই অসমক পাকিস্তানৰ অৰ্ন্তভূক্ত কৰাৰ কল্পনা বাস্তবায়িত কৰাৰ সুবিধা দিলে।

১৯৪৪ চনত যেতিয়া মহাত্মা গান্ধীয়ে কংগ্ৰেছক কাউন্সিলত অংশ নোলোৱাটো ভঙ্গ কৰিলে তেতিয়া কংগ্ৰেছে পুনৰ ৰাজ্যৰ শাসন ভাৰ ললে আৰু গোপীনাথ বৰদলৈ পুনৰ মুখ্যমন্ত্ৰী হ'ল। ১৯৪৭ চনৰ ১৫ আগষ্টলৈকে ভাৰতক স্বাধীন বুলি ঘোষণা কৰা লৈকে এই অৱস্থা চলি থাকিল।

মই ১৯৫০ চনৰ ২ মাৰ্চত এই বৰ্ণনাটো তেজপুৰৰ মহাদেৱ শৰ্ম্মাৰ অনুৰোধত লিখিবলৈ লৈছিলো। তেখেতে ফ্ৰেব্ৰুৱাৰীৰ শেষৰ ফালে মোৰ ওচৰলৈ আহিছিল আৰু মোক মণ্টেগ' ছেমছফৰ্ডৰ সংস্কাৰ প্ৰসঙ্গত অসমৰ পৰা যোৱা দুজনীয়া প্ৰতিনিধিৰ কাম আৰু সাফল্যৰ বিষয়ে আৰু মোৰ নিজস্ব অভিজ্ঞতাৰ সাৰমৰ্ম্মৰ লগতে আমাৰ দেশৰ অতীত আৰু বৰ্তমানৰ ৰাজনৈতিক ঘটনা প্ৰবাহৰ বিষয়ে লিখিবলৈ ক'লে। মই অসমৰ প্ৰতিনিধিৰ বিষয়ে লিখিছিলোৱে যিটো মুঠতে ফুলস্কেপ কাগজৰ ৪৮ পৃষ্ঠা হৈছিল সেইখিনি মই এসপ্তাহতে লিখি আটাইছিলো। সেই লেখাটো মই ৰেজিষ্টাৰ কৰি ১৯৫৫ চনৰ ২ মাৰ্চত পঠাই দিলো।

মই এই বৰ্ণনাটোৰ ক্ষেত্ৰত এই ভাবি ভয় খাইছো যে মোৰ লিখাখিনি তেখেতে বিচৰা ধৰণে নহবও পাৰে যদিও মোৰ অভিজ্ঞতা আৰু ৰাজনীতিৰ লগত মই জড়িত হোৱা কথাখিনি লিখি থকাৰ সময়ৰেই আছিল।

এই কথাখিনি লিখাৰ সময়ত এটা কথায়ে মোৰ মনত অশান্তি দি আছে,কথাটো হৈছে মই মোৰ অনুভূতি আৰু চিন্তাক ভাষাত সৰলিকৃত কৰিব পাৰিছোনে নাই, কাৰণ ভাষাটো মোৰ মাতৃভাষা নহয় যিটো মই সাহসেৰে আৰু আসক্তিৰে কৰিবলৈ লৈছো তাৰ বাবে মই প্ৰচুৰ ক্ষমা প্ৰাৰ্থী। মোৰ এই লিখাৰ ভাষাটো আমাৰ শাসকৰ হে যি সকলক ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতৰ পৰা ওলাই যাবলৈ আমি বাট দেখুৱাইছিলো। সেই সকলৰ আছিল। সেই সকলৰ ভাষাতে লিখাৰ আসক্তিৰ মূল কাৰণ হৈছে মই সেই

ভাষাটো সৰু কালৰ পৰা চৰ্চা কৰিছিলো। জাপে জাপে প্ৰকাণ্ড সেই ভাষাৰ কিতাপ পঢ়িছিলো। মোৰ মাতৃভাষাত লিখিবলৈ হলে মাতৃভাষাৰ শব্দমালা জটুৱাঠাচ আদি যিহেতু কম, গতিকে বিচাৰি হাবাথুৰি খাব লগাত পৰিলহেতেঁন। ফলত লেখোতে বহুত দীঘলীয়া সময়ৰ প্ৰয়োজন হ'লহেতেনে। সেইটোৱেই মই বিদেশী ভাষাত লিখাৰ মূল কাৰণ। মই একেবাৰে ব্যাকৰণৰ নীতি অনুসৰণ কৰি বা অৰ্থ বাহক শব্দ বিচাৰি ভাৱ প্ৰকাশ কৰিছো বুলি নাভাবো কাৰণ ইংৰাজী শব্দ আৰু জটুৱাঠাঁচ বিলাকৰ অৰ্থ দুই-তিনি প্ৰকাৰৰ সেয়ে মোৰ নিচিনা মধ্যম শিক্ষাৰ মানুহে ব্যাকৰণৰ নিয়ম উলংঘা কৰিও শব্দ আৰু জটুৱাঠাঁচৰ ব্যতিক্ৰম হলেও অৰ্থ উলিয়াব পাৰো। মোৰ বাক্যটোৱে মই ক'ব খুজা কথাটো ব্যক্ত কৰিব পাৰিলেই মই সুখী হৈছিলো।

এই বৰ্ণনাটোৰ এটা ডাঙৰ প্ৰতিবন্ধক হৈছে যি সকলে পঢ়ে দেখিব বৰ্ণনাবোৰে ঘটনাৰ ক্ৰম বা কালানুক্ৰম ৰক্ষা কৰা নাই। মই সেইবাবে ক্ষমা প্ৰাৰ্থনা কৰা নাই কাৰণ মই ঘটনা বিলাক মনত পেলাই পেলাই হে লিখিছো। মই প্ৰকাশ কৰাৰ চিন্তাই কৰা নাছিলো। মই এই ভাবিয়ে সুখী হৈছিলো যে বাক্যই মোৰ ভাব বিলাক ভালকৈয়ে প্ৰকাশ কৰিব পাৰিছে।

মই ইমানতে সামৰণি মাৰিছো পৰি অহা বয়সত কমাই নিয়া আচনিৰেই মই ভগৱানক আন্তৰিকতাৰে প্ৰাৰ্থনা কৰিছো যদিহে মোৰ এই লিখা খিনিৰে কাৰোবাৰ জীৱনত অকণমান কিবা সহায় আগবঢ়াই মই নথৈ ধন্য হ'ম।

এই মাত্ৰ সমাপ্ত কৰা কাহিনীটো মোৰ জীৱনৰ লগত সংপৃক্ত হৈ থকা ঘৰুৱা আৰু সামাজিক ঘটনাৰাজিক লৈ আত্মজীৱনীমূলক ৰচনা হিচাপে প্ৰস্তুত কৰোতে মহাদেৱ শৰ্ম্মাৰ ইচ্ছাৰ পৰিপূৰক কৰিবলৈ যাওঁতে যথেষ্ট চমু হ'ল।

ওঁম্ তৎ সৎ
ওমঁ সত্যম্ শিৱম্ সুন্দৰম্

ডিব্ৰুগড়
ৰবিবাৰ ২০ মাৰ্চ ১৯৫৫
আবেলি ৫ টা (স্থানীয় সময়)

দ্য আসাম ডেলিগেচন টু দ্য জইন্ট পাৰ্লিয়ামেণ্টৰী কমিটী

লিখক প্ৰসন্ন কুমাৰ বৰুৱা

ব্ৰিটিছৰ শাসন কালত ন আধুনিক অসম গঠনত প্ৰসন্ন কুমাৰ বৰুৱাৰ (১৮৮৬-১৯৫৮) অৱদান যথেষ্ট আছিল বুলি ক'ব পাৰি। তেখেত ভাৰতৰ স্বাধীনতা আন্দোলনৰো এজন উল্লেখযোগ্য ব্যক্তি। তেখেত এজন যোগ্য চাহ খেতিয়ক যিজনে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত চাহ শিল্পৰ অৱনতিৰ সময়তো বৰ্তি থাকিব পাৰিছিল। তেখেত বিখ্যাত স্বাধীনতা সংগ্ৰামী মহাত্মা গান্ধী, বাল গঙ্গাধৰ তিলক, সৰোজিনী নাইডু, ড° ৰাজেন্দ্ৰ প্ৰসাদ আদিৰ সঙ্গও লাভ কৰিছিল। তেখেত পিতাকৰ যোগ্যপুত্ৰ আছিল।

প্ৰসন্ন কুমাৰ বৰুৱা বিখ্যাত সূৰ্য্য বিপ্ৰ (ব্ৰাহ্মণ) আছিল। সূৰ্যখৰি দৰং জিলাৰ কৃষ্ণ বৰকাকতি ওৰফে ক'লা কাকতিৰ নাম কলীয়া ভোমোৰা (১৭৯৭) বৰফুকনৰ সহযোগী আছিল। এই ক'লা এখেতৰ পূৰ্ব্ব বংশধৰ। এখেতৰ পিতাক মালভোগ বৰুৱাই চাহখেতি আৰম্ভ কৰি সফলতা লাভ কৰিছিল। তেখেতে অসম এছ'চিয়েচন আৰু উজনি অসম সাংস্কৃতিক সমাজলৈ যথেষ্ট অৱদান দিছিল। তেখেত এজন অবৈতনিক মেজিষ্ট্ৰেতো আছিল। তেখেতক ১৯০২ চনৰ ৯ আগষ্টত ইংলেণ্ডৰ সপ্তম এডৱাৰ্ডৰ ৰাজ্যাভিষেকৰ স্মৰণত দিল্লীত অনুষ্ঠিত অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছিল। প্ৰসন্ন কুমাৰ বৰুৱাৰ ন গৰাকী ভাই-বাই ভনী আছিল। নবীন চন্দ্ৰ বৰদলৈয়ে তেখেতৰ বায়েক হেমন্ত কুমাৰীক বিয়া কৰাইছিল। তেখেতৰ ভায়েক ৰোহিনি কুমাৰে এমএচচি (এডিনবৰা) সাহিত্যৰথি লক্ষ্মিনাথ বেজবৰুৱাৰ জীয়েক ৰত্না বেজবৰুৱাক বিয়া কৰাইছিল। এই ৰোহিনি কুমাৰেই অসমীয়া 'মনোমতী' চিনেমাখন প্ৰযোজনা কৰিছিল, যি খন ১৯৪১ চনৰ ৪ এপ্ৰিলত মুক্তিলাভ কৰিছিল। পৰিয়ালৰ নিয়ম অনুসৰণ কৰিয়ে নৃপেন্দ্ৰ কুমাৰ বৰুৱা (এখেতৰ জীয়েক বিৰিণায়ে প্ৰসন্নকুমাৰ বৰুৱাদেৱৰ এই কিতাপখন পুনৰ মুদ্ৰন (ইংৰাজী) কৰিছিল। ৰবীন্দ্ৰ কুমাৰ বৰুৱা আদিয়ে ড° বেজবৰুৱা নামৰ চিনেমাখন ৰংঘৰ চিনে প্ৰডাক্চন্‌ৰ পৰা ১৯৫৯ চনত প্ৰকাশ কৰিছিল। এই চিনেমাখন ব্ৰজেন বৰুৱাই পৰিচালনা কৰিছিল আৰু সঙ্গীত ৰমেন বৰুৱাই পৰিচালনা কৰিছিল। এইখন ৰজতকমল বঁটাৰ বাবে নিৰ্ব্বাচিত হৈছিল।

প্ৰসন্ন কুমাৰ বৰুৱাৰ পুত্ৰ কন্যা ১০ গৰাকী আছিল। তেখেতৰ দ্বিতীয় পুত্ৰ হিতেন্দ্ৰ কুমাৰ বৰুৱা এমএচচি (কলিকতা) পি এইচ ডি (কেন্টেব) ব'টানি বিভাগৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ এজন বিখ্যাত বৈজ্ঞানিক আছিল। ড° পাৰুকুটি বৰুৱা এম্ এচ্ চি (BHU), পি এইচ ডি (চেন্টেব) এফ্ এছ এল্ (লণ্ডন) ড° হিতেন্দ্ৰ কুমাৰ বৰুৱাৰ পত্নী আছিল।

পাৰুকুটি বৰুৱা (১৯৭৪-১৯৭৫) কটন কলেজৰ অধ্যক্ষ আছিল।

এডুইন ছেমুৱেল মন্টেগ' ভাৰতীয় ৰাজ্যবিলাকৰ ছেক্ৰেটেৰী আৰু লৰ্ড ছেমচ্‌ফৰ্ড ভাৰতৰ ভাইচৰয়। মন্টেগ' ছেমচ্ ফ'ৰ্ড সংস্কাৰ আৰু লৰ্ড ছেলবৰ্ণ, মন্টেগ' মেচ্‌ফৰ্ড সংস্কাৰ বৃটিছ চৰকাৰে ভাৰতীয় বিলাকে স্বকীয় শাসনৰ ব্যৱস্থা কৰি শেষত যাতে নিজা চৰকাৰ গঠন কৰিব পাৰে সেই উদ্দেশ্যেই প্ৰৱৰ্ত্তন কৰিছিল। এই সংস্কাৰ বিধি ১৯১৮ চনত প্ৰস্তুত কৰি ১৯১৯ চনৰ ভাৰতীয় আইনৰ ভেটি গঠন কৰিবলৈ আঁচনি লৈছিল। যিহেতু বৃটিছ ৰক্ষণশীল বিলাকেই তাৰ মুখ্য আছিল সেয়ে ভাৰতীয় জাতীয় সংগঠন বিলাকে সেই সংস্কাৰ উচিত নহ'ব বুলি স্থিৰ কৰিলে। মন্টেগ' চমচ্‌ফ'ৰ্ড সংস্কাৰে অসমক সংস্কাৰ আচনিৰ অন্তৰ্ভুক্ত কৰিবনে নকৰে তাকো সন্দিহান কৰি ৰাখিলে। সংস্কাৰ বিধিৰ ১৯৯ ধাৰাত এইটো এনেদৰে উল্লেখ কৰি থৈছিল যে তালিকাভুক্ত জিলাবিলাকেহে অসমক তালিকাভুক্ত কৰিবনে নকৰে তাৰ তালিকা প্ৰস্তুত কৰিব। তেতিয়া অসম এছ'চিয়েচনে কলিকতাত থকা মন্টেগ'ৰ আগত অসমৰ মীমাংসাৰ বিষয়টো বুজাই কবৰ বাবে এটা শক্তিশালী প্ৰতিনিধি দল পঠাবলৈ সিদ্ধান্ত ল'লে। কিয়নো অসমক অন্য ৰাজ্য বিলাকৰ তালিকতা নধৰাৰ সপক্ষে ইউৰোপিয়ান সমাজ আৰু চিফ কমিছনাৰে দৃঢ় মত গ্ৰহণ কৰিছিল। এই প্ৰতিনিধি সকলৰ লগত এই পুস্তকাৰ লিখকো আছিল। সেই সময়ত ছাৰ উড নিক'লাচ বিট্‌ছন বলে অসমৰ চীফ চেক্ৰেটেৰী আছিল। তেওঁ অসমক সংস্কাৰ ভুক্ত নকৰাৰ হে ঘোৰ সমৰ্থক আছিল আৰু অসমক পৃথকে ৰখাৰ হে পক্ষপাতী আছিল। ১৯১৯ চনৰ ২৯ মে ত এই আৰ্জি (Bill) খন ব্ৰিটিছ পাৰ্লিয়ামেন্টত উত্থাপন কৰিলে আৰু লৰ্ড ছেলবৰ্ণৰ অধ্যক্ষতাত দুয়োটা হাউছৰ নিৰ্ব্বাচিত সদস্যৰ সৈতে এই আৰ্জিখন পৰীক্ষা কৰি চাই অসমৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ স্থিৰ কৰিলে। এই সিদ্ধান্তই ভাৰতীয় সকলক নিজস্ব দৃষ্টিভঙ্গি পাৰ্লিয়ামেন্টেৰি কমিটীৰ আগত দাঙি ধৰাৰ সুবিধা প্ৰদান কৰিলে। অসম এছ'চিয়েচনেও নবীন চন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন কুমাৰ বৰুৱাক পাৰ্লিয়ামেন্টেৰি কমিটীৰ আগত যুক্তি প্ৰদৰ্শনৰ বাবে প্ৰতিনিধি স্বৰূপে পঠাবলৈ সিদ্ধান্ত ললে। প্ৰতিনিধি দুজনে আৰম্ভনিৰ পৰা যদিও অশেষ বাধা পাইছিল তথাপি সকলো বাধা সাহসেৰেই অতিক্ৰম কৰিছিল। বৰদলৈদেৱে ৪৫ মিনিটৰ এটা দীঘলীয়া ভাষনেৰে যুক্তি প্ৰদৰ্শন কৰি অসমৰ সংস্কাৰ আঁচনিৰ অৰ্ন্তভূক্ত কৰিবলৈ সন্মত কৰালে। লৰ্ড ইছলিংটনে বৰুৱালৈ চাই অসমৰ শিক্ষাৰ অগ্ৰগতিৰ বুজ লবলৈ ইচ্ছা প্ৰকাশ কৰাত বৰুৱাই অসমৰ শিক্ষাৰ হাৰ যে যথেষ্ট উন্নত যদিও শিক্ষাৰ সুবিধা অতি সমান্য তাকো বুজাই কলে। সাক্ষ্যদানৰ পিছত যেতিয়া প্ৰতিনিধি দুজনে মন্টেগ'ক কাৰ্যালয়ত গৈ লগ কৰিছিল তেতিয়া তেওঁ এখেতসকলৰ সাক্ষ্যদান কাৰ্য্য সফল হোৱা বুজি পাকে প্ৰকাৰে বুজাই দিলে। নতুনকৈ ৰাজ্য গঠন প্ৰক্ৰিয়াত অসম এছ'চিয়েচনে পঠোৱা প্ৰতিনিধি দুজনে অসমক ৰাজ্যৰ মৰ্য্যদা প্ৰদানত সফল হ'ল।